দুধনৈ মহাবিদ্যালয়

# আলোচনী

২০১৭-১৮ বৰ্ষ



তত্ত্বাৱধায়ক

বন্দিতা বৰবৰা

দিলীপ হাজৰিকা

সম্পাদক

দীপজ্যোতি বসুমতাৰী

# Album of various activities















## দুধনৈ মহাবিদ্যালয়

# আলোচনী

বাৰ্ষিক প্ৰকাশ

## ৪৬ সংখ্যক বৰ্ষ ঃ একত্ৰিংশতিম সংখ্যা

## ২০১৭-১৮ বৰ্ষ


তত্বাৱধায়ক ঃ
বন্দিতা বৰবৰা
দিলীপ হাজৰিকা

সম্পাদক ঃ
দীপজ্যোতি বসুমতাৰী

# দুধনৈ মহাবিদ্যালয় আলোচনী

৩১ সংখ্যক বাৰ্ষিক প্ৰকাশ ।। ২০১৭-১৮ বৰ্ষ

দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত

সম্পাদনা সমিতি ঃ

| | | |
|---|---|---|
| সভাপতি | ঃ | ড° ললিত চন্দ্ৰ ৰাভা |
| তত্বাৱধায়ক | ঃ | বন্দিতা বৰবৰা, দিলীপ হাজৰিকা |
| সম্পাদক | ঃ | দীপজ্যোতি বসুমতাৰী |
| শিক্ষক সদস্য | ঃ | ড° হৰকুমাৰ নাথ |
| | | ৰাজাৰাম ৰাভা |
| | | পূৰ্ণ চন্দ্ৰ খাখলাৰী |
| | | ৰূপজ্যোতি মজুমদাৰ |
| | | অংকিতা জৈন |
| ছাত্ৰ সদস্য | ঃ | উদিত ৰাভা |
| | | অৰূপজ্যোতি নাথ |
| | | ৰিতুৰাজ ৰাভা |

বেটুপাত ঃ মানস ৰাভা

প্ৰকাশক ঃ দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৭-১৮ বৰ্ষ

ছপা ঃ অলিভিয়া অফ্‌ছেট, বকো-৭৮১১২৩

# শ্ৰদ্ধাঞ্জলি

বিগত বৰ্ষত আমাৰ মাজৰ পৰা হেৰাই যোৱা মহাবিদ্যালয় পৰিয়ালৰ নিম্ন উল্লেখিত অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী কেইজনক আমি সশ্ৰদ্ধে সুঁৱৰিছোঁ।



ঁঅঘোৰ চন্দ্ৰ বাঠো



ঁহেৰম্ব কুমাৰ ৰাভা



ঁপবিত্ৰ কুমাৰ ব্ৰহ্ম



ঁধনেশ্বৰ ভকত

সম্পাদনা সমিতি
দুধনৈ মহাবিদ্যালয় আলোচনী
২০১৭-১৮

# সূচী-পত্ৰ

## প্ৰবন্ধ ঃ


| | | |
|---|---|---|
| অসমীয়া বিহুগীতত প্ৰাকৃতিক চিত্ৰ এটি বিশ্লেষণ | অৱনিতা সাউদ | ১৩ |
| অসমীয়া সাহিত্যৰ 'অৰুণোদয় যুগ' | জোনমণি শৰ্মা | ১৬ |
| মানৱ অধিকাৰ উলংঘন আৰু ডকমকা কাণ্ড | নিবেদিতা ৰয় | ১৯ |
| মানৱ সমাজত নৈতিকতাৰ অভাৱ | দেৱব্ৰত বৰ্মন | ২১ |
| খেল-ধেমালিৰ শিক্ষাগত মূল্য | জগবন্ধু কলিতা | ২৩ |
| দুধনৈ মহাবিদ্যালয়ৰ পদব্ৰজ পকী দলং 'সমন্বয় সেতু'ৰ ইতিবৃত্ত | তৰুণ চন্দ্ৰ চাংমাই | ২৭ |
| আমাৰ জীৱনত মোবাইল ফোনৰ ভূমিকা | আজিদা বেগম | ৩১ |
| মাতৃস্নেহ আৰু মাতৃপ্ৰেম | ৰমাকান্ত ৰাভা | ৩৪ |
| গোৱালপাৰা জিলাৰ লোক সংস্কৃতিৰ বিচিত্ৰতা | শিখা শৰ্মা | ৩৬ |
| উপেন্দ্ৰ ৰাভা নামেই যাৰ পৰিচয় | ডিম্পী ৰাভা | ৩৯ |
| চানডুবি | অঞ্জলি সাহা | ৪০ |
| স্বামী বিবেকানন্দৰ জীৱনৰ স্মৰণীয় এটা ঘটনা | সুমন সৰকাৰ | ৪২ |
| সঠিক চিন্তা, সঠিক বন্ধু | অৰূপজ্যোতি নাথ | ৪৩ |
| মহাভাৰত আৰু দ্ৰৌপদী | সুৰভি চক্ৰৱৰ্তী | ৪৪ |
| নব্য নাট্যশৈলীৰ স্ৰষ্টা শুক্ৰাচাৰ্য্য ৰাভা | নয়ন ৰাভা | ৪৭ |
| শুক্ৰাচাৰ্য্য ৰাভাক মই যেনেদৰে জানো | হৰগোবিন্দ ডেকা | ৫২ |
| বাদুংদুপ্পাৰ স্ৰষ্টা শুক্ৰাচাৰ্য্য ৰাভা | বিকশিতা কলিতা | ৫৪ |
| খহি পৰিল নক্ষত্ৰ | ৰূপম পাল | ৫৬ |
| জীৱিত অৱস্থাত শুক্ৰাচাৰ্য ৰাভাদেৱৰ সৈতে আলাপ | | ৫৭ |
| চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'মহাৰথী' এক অৱলোকন | শ্ৰুতিধাৰা কাশ্যপ | ৫৯ |
| বীৰুবালা ৰাভাৰ সৈতে এখন্তেক আলাপ | | ৬১ |


## কবিতা ঃ


| | | |
|---|---|---|
| লৌহ কঠিন পৃতিৱীত | ড° নিৰূপা ৰয় বৰুৱা | ৬৭ |
| হে শ্বহীদ তোমাক প্ৰণাম | বুবুল চৌধুৰী | ৬৭ |

| | | |
|---|---|---|
| ● মোৰ মা | জ্যোতি সাহা | ৬৮ |
| ● অন্তৰ্দহন | তুহিৰ উদ্দিন | ৬৮ |
| ● ৰাতিপুৱা | ৰজিতা ৰাভা | ৬৯ |
| ● সময় | বন্দনা কলিতা | ৬৯ |
| ● আশাৰ কবিতা | হীৰামণি ৰাভা | ৭০ |
| ● মোৰ এন্ধাৰ মনত | ভৃগু কুমাৰ ৰাভা | ৭০ |
| ● মা | আবু বক্কৰ মফিজ আলী | ৭১ |
| ● মোৰ প্ৰেয়সী | ৰণ্টু দাস | ৭১ |
| ● শৰতৰ এটি জোনাক নিশা | পল্লৱী ৰায় | ৭২ |
| ● প্ৰথম প্ৰেমৰ কবিতা তুমি | ৰিমি ৰাভা | ৭২ |
| ● অপেক্ষা | চুলতানা মাহমুদ | ৭৩ |
| ● লক্ষ্যহীন জীৱন | অনুপমা ৰাভা | ৭৩ |
| ● ফাগুনী | হীৰামণি ৰয় | ৭৪ |


## চুটি গল্প ঃ


| | | |
|---|---|---|
| ● এটোপাল চকু পানী | ড° আবুল হুছেইন | ৭৭ |
| ● টি আৰ পি | দিশাংক চক্ৰৱৰ্তী | ৮০ |
| ● দুদিনীয়া প্ৰেম | সুৰজিৎ ৰায় | ৮২ |
| ● অঘৰী | অৱনীতা সাউদ | ৮৪ |
| ● এৰি অহা দিনবোৰ | জোনমণি দাস | ৮৬ |
| ● আশাভঙ্গ | অম্বিকা ৰাভা | ৮৭ |
| ● মৰহা অতীত | মৰমী নাথ | ৮৯ |
| ● হঠাৎ অহা এজাক ধুমুহা | পল্লৱী ৰায় | ৯০ |
| ● মই পুনৰ ঘূৰি আহিম... | ৰাকেশ চক্ৰৱৰ্তী | ৯১ |
| ● সেই ল'ৰাজন | বুবুল চৌধাৰী | ৯২ |
| ● গাঁওখন | হীৰামণি ৰয় | ৯৩ |


## ভ্ৰমণ বিশেষ ঃ


| | | |
|---|---|---|
| ● ভ্ৰমণৰ অভিজ্ঞতা | বিষ্ণুজ্যোতি কলিতা | ৯৪ |
| ● জ্ঞানযাত্ৰা এক স্মৰণীয় দিন | ৰিচা ৰাভা | ৯৫ |


## স্মৰণ বিশেষ ঃ


● স্বাধীনতা যুঁজাৰু ভবেন্দ্ৰ নাৰায়ণ ৰাভা আৰু গঙ্গাচৰণ কছাৰী ৯৭

## ENGLISH SECTION :


- Vertebrate Faunas of Kumphula Beel A preliminary study — Dhrubajit Changmai — ১০১
- Selfitis — Ranjeeta Rai — ১০৩
- Habits — Susmita sen khakhalary — ১০৫
- Know Our Pride of Assam — Naren Das — ১০৬
- Ethical Dimensions of Bhagavad Gita's Doctrine of Karma — Dr. Kalyani Devi — ১০৮
- History of Daranggiri Banana Market — Susrang Khungur Daimary — ১১০
- If I had a time Machine — Madhusmita Roy — ১১২
- E-Resources : An Overview — Rajashree Borkakoti — ১১৩
- Life Improvement — Ankita Jain — ১১৮
- Librarianship as a profession — Richa Pam — ১১৯
- What do you want to do with your life — Himtrina Rabha — ১২১
- Fast food health risks for us — Kulojyoti Rabha — ১২৩
- Companion — Nayanjyoti Rabha — ১২৪
- Those Best Days! — Jenifer Rabha — ১২৪
- Words That Were Nat Spoken — Nandita Paul — ১২৫
- Childhood — Moromi Basumatary — ১২৫
- Words That Were Not Spoken — Nandita Paul — ১২৬


## बर' आयदा ः


- जिउ खुंनायनि आरिमु — Dr. Jibeswar Koch — ১২৯
- दैखं खोला बर बिजोंनि सुंद जारिमिन — Purna Chandra Khakholary — ১৩১
- असे नों जिउनि मोनाबिलि — नबजित हाजवारी — ১৩৩
- नुनानैबो नुवाखिसै — मिनतु खाखलारी — ১৩৩
- दुखुथिया — मौसुमि खाखोलारी — ১৩৪
- सोलोंथाय — कमल बसुमतारी — ১৩৪
- नोंनि थाखाय — ननद्बिब राभा — ১৩৫
- नेवसिलांबाय — आसा दैमारी — ১৩৫
- सावन बोथोरनि अनजालि — बिमल बसुमतारी — ১৩৬
- মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল — ১৪৫
- Report of Students Union — ১৫১


◆◆◆

সিদ্ধাৰ্থ ভট্টাচাৰ্য্য
Siddhartha Bhattacharya, M.A. LLB.
Cabinet Minister
Department of Education
Guwahati Development Department
Department of Law & Justice
Government of Assam

सत्यमेव जयते

Block-D, 4th Floor
Assam Secretariat
Dispur, Guwahati-781006
Assam
Tel. No. 0361-2237267
E-mail : sidharthabhattacharya @gmail.com
ministeredu26@gmail.com



# MESSAGE

It is a matter of delight that like the previous years Dudhnoi College Students' Union is going to publish the 31st issue of the college annual magazine. At the outset, I would like to congratulate everyone in the editorial board for comming up with this issue of the annual magazine.

Students not only endeavour to excel in studies during their student life but also try to express their inner talents in front of the world Magazines of the educational instututions provide an opportunity to the students to pour their hearts out. Bringing out a piece of literature is in itself a great achivement. I sincerely hope that the 31st issue of the annual college magazine of Dudhnoi College will prove as a carrer of the golden times of the instutions through the writings of its teachers and students, apart from the guest writers. Once again I offer my heartiest good wishes in this regard.

(Siddhartha Bhattacharya)

# সদৌ অসম ছাত্ৰ সন্থা
## ALL ASSAM STUDENT'S UNION
মুখ্য কাৰ্য্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H.O.: GAUHATI UNIVERSITY, GUWAHATI-7810014

প্ৰসংগ ঃ

দিনাংক ঃ



## শুভেচ্ছা

দুধনৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী প্ৰকাশৰ বাতৰিটো পাই সুখী হ'লোঁ। দুধনৈ মহাবিদ্যালয়ে ইতিমধ্যে ৪৬ বছৰ অতিক্ৰম কৰি এটা ঐতিহ্যপূৰ্ণ অধ্যায় সম্পূৰ্ণ কৰিছে। সোণালী জয়ন্তী পালন কৰিবলৈ মাজত মাথোঁ ৪ বছৰ বাকী আছে। মহাবিদ্যালয়খনে এটা বৃহৎ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক প্ৰয়োজনীয়তা পূৰণ কৰি আহিছে। ই বৰ আশাৰ কথা। অসমৰ বৌদ্ধিক জগতত মহাবিদ্যালয়খনে সুকীয়া আসন ল'বলৈ সক্ষম হৈছে। আশা কৰোঁ মহাবিদ্যালয়খনৰ পৰিচালনা সমিতি, অধ্যক্ষ, শিক্ষক সমাজ আৰু ছাত্ৰ-ছাত্ৰী সকলোৰে মিলি মহাবিদ্যালয়খনক এক নতুন স্তৰলৈ উন্নীত কৰিব। বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়স্থলী মহাবিদ্যালয়খনে নতুন দিগন্তৰ সূচনা কৰিবলৈ আগবাঢ়িব। আলোচনীখনত মহাবিদ্যালয়ৰ ঐতিহ্যৰ লগতে অসমৰ জাতীয় জীৱনৰ বিভিন্ন দিশ আৰু ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ প্ৰতিফলন ঘটিব বুলি আশা কৰিলোঁ।

ড° সমুজ্জ্বল ভট্টাচাৰ্য
মুখ্য উপদেষ্টা
সদৌ অসম ছাত্ৰ সন্থা

# অধ্যক্ষৰ কলম



গোৱালপাৰা জিলাৰ ভিতৰতে এখন অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান হৈছে দুধনৈ মহাবিদ্যালয়। ১৯৭২ চনত দুধনৈ অঞ্চলৰ কেইগৰাকীমান শিক্ষানুৰাগী আৰু দূৰদৃষ্টিসম্পন্ন লোকৰ প্ৰচেষ্টাত এইখন মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল। চালুকীয়া অৱস্থাৰে কেৱল কলা শাখাৰে আৰম্ভ হোৱা এইখন মহাবিদ্যালয়ে আজি যথেষ্ট অগ্ৰগতি লাভ কৰিছে। অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়খনত ১৯৮৫চনত বিজ্ঞান আৰু ২০১৫ চনত বাণিজ্য শাখাৰ শ্ৰেণী খোলা হয়। মাত্ৰ কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীৰে আৰম্ভ হোৱা মহাবিদ্যালয়খনত আজি প্ৰায় তিনি হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰি আছে। তদুপৰি গুৱাহাটী বিশ্ববিদ্যালয় দূৰৱৰ্তী আৰু মুক্ত শিক্ষণ প্ৰতিষ্ঠান আৰু কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয় অধীনত যথেষ্ট সংখ্যক শিক্ষাৰ্থীয়ে স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীত শিক্ষা গ্ৰহণ কৰি আছে। যিসকল শিক্ষানুৰাগী আৰু দূৰদৃষ্টিসম্পন্ন লোকৰ প্ৰচেষ্টাত এনেকুৱা এখন মহান শিক্ষানুষ্ঠান গঢ় লৈ উঠিছিল, সেইসকল মহান লোকলৈ অধ্যক্ষৰ তৰফৰ পৰা কৃতজ্ঞতা আৰু শ্ৰদ্ধা নিবেদন কৰিছোঁ।

দুধনৈ মহাবিদ্যালয় স্থাপন হোৱাৰ পৰাই ইয়াত কৰ্তব্যৰত শিক্ষক আৰু অনা-শিক্ষক কৰ্মচাৰীসকলে মহাবিদ্যালয়খনক আগবঢ়াই নিবলৈ যথেষ্ট কষ্ট কৰি আহিছে। তাৰফলতেই দুধনৈ মহাবিদ্যালয়ে আজি সকলো ফালে আগবাঢ়ি যাবলৈ সক্ষম হৈছে।

মহাবিদ্যালয় একোখনৰ দাপোন হৈছে মহাবিদ্যালয় আলোচনী, য'ত প্ৰতিফলিত হয় মহাবিদ্যালয়খনৰ সমগ্ৰ দিশ। এই মহাবিদ্যলয় আলোচনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ চিন্তা-চৰ্চা, মানসিকতা, বৌদ্ধিকতা আদি প্ৰতিফলিত হোৱাৰ লগতে বহুতো ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয় আলোচনীৰ পাততেই সাহিত্য চৰ্চাৰ পাতনি মেলে। বহুতো ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয় আলোচনীত লিখিয়েই পৰবৰ্তী কালত একোগৰাকী লব্ধ প্ৰতিষ্ঠ সাহিত্যিক হোৱা দেখা যায়।

গোৱালপাৰা জিলাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান দুধনৈ মহাবিদ্যলয়ৰো দাপোন হৈছে দুধনৈ মহাবিদ্যালয় আলোচনী। এই আলোচনীখনৰ জৰিয়তে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বৌদ্ধিক চিন্তা-চৰ্চা, মানসিকতা আদিৰ লগতে মহাবিদ্যালয়খনৰ সমগ্ৰ দিশৰ প্ৰতিফলন ঘটি আহিছে। এই আলোচনীখনেই হৈছে বহুতো ছাত্ৰ-ছাত্ৰীৰ সাহিত্য চৰ্চাৰ এক মাধ্যম। সেয়ে এই আলোচনীখনৰ যাত্ৰা অব্যাহত থাকক-তাকেই কামনা কৰিলোঁ।

জয়তু দুধনৈ মহাবিদ্যালয়।
জয়তু দুধনৈ মহাবিদ্যালয় আলোচনী।

ড° ললিত চন্দ্ৰ ৰাভা
অধ্যক্ষ
দুধনৈ মহাবিদ্যালয়

# সম্পাদকীয়



সময় অমূল্য সম্পদ বুলি সকলোৰে জ্ঞাত যদিও আজিও এই সম্পদৰ বহুত অপব্যৱহাৰ হোৱা দেখা যায়। সময়ৰ ইমান অপব্যৱহাৰৰ কাৰণ বিচাৰিলে দেখা যায় যে বহু লোকে এই বাক্যশাৰীৰ মমাৰ্থ বুজিবলৈ সক্ষম হোৱা নাই আৰু মাথোঁ ইয়াক এক তৰল অৰ্থতে গ্ৰহণ কৰি আহিছে। অন্যথা জিৰণি বা আৰামৰ নামত আলস্যতাক প্ৰশ্ৰয় নিদিলেহেঁতেন। Mobile বা Smart phone-এ ঘণ্টা ঘণ্টা ধৰি সময় চুৰি কৰি নিব নোৱাৰিলেহেঁতেন।

অৱশ্যে সময়ৰ সদ্ব্যৱহাৰ নোহোৱাৰ এটা মূল কাৰণ হৈছে মানুহৰ দৃষ্টিভংগী। সময়ক সাধাৰণতে মানুহৰ আয়ুস নিৰ্ধাৰণৰ মাপক হিচাপে গণ্য কৰা হয়। সেয়ে আজি পাৰ হৈ যোৱা দিনটোক ভৱিষ্যতে আকৌ ঘূৰাই নোপোৱাৰ এক মনোভাবেৰে প্ৰতিটো দিন উদ্‌যাপন কৰি স্মৃতিৰ ভঁৰাল মজবুত কৰি সময়ক ধৰি ৰাখিবলৈ এক ব্যৰ্থ চেষ্টা কৰা দেখা যায়। উৎসৱ-পাৰ্বণৰ দীঘলীয়া সূচী, পুৰণিক বিদায় দি নতুন বছৰক আদৰণি আদিৰ জাকজমকতাই এই কথাকেই সূচায়। পৰিণতিস্বৰূপে, মানুহৰ জীৱন এক ভোগবাদী প্ৰৱণতাৰ দ্বাৰা পৰিচালিত হয়, আৰু যি ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীকোঠাত জীৱন গঢ়াত ব্যস্ত থাকিব লাগে বা ৰাজনৈতিক নেতাসকলে দেশৰ হিতৰ বাবে নীতি নিৰ্ধাৰণ কৰিব লাগে, সেই সময়তেই তেওঁলোকক এই প্ৰৱণতাই লালায়িত কৰে। ভোগবাদৰ আকৰ্ষণ ইমানেই তীব্ৰ যে বহুতেই ইয়াৰ প্ৰতি আসক্ত হৈ পৰে আৰু জীৱন আৰু দেশ গঢ়াৰ বাবে অতিকৈ প্ৰয়োজনীয় সময়ছোৱাৰ অধিকাংশ অপব্যৱহাৰ কৰে।

প্ৰকৃততে সময় জীৱনৰ মান নিৰূপনৰ মাপকহে। কিয়নো ইয়াৰ সঠিক ব্যৱহাৰে জীৱনৰ মান উন্নত কৰি মানুহক সম্পদ হিচাপে গঢ়ি তুলিব পাৰে। মানুহ হিচাপে জন্মগ্ৰহণ কৰাৰ পৰা প্ৰত্যেকজন ব্যক্তিৰে সমাজ আৰু দেশৰ বাবে কিছুমান দায়িত্ব আৰু কৰ্তব্য থাকে, যিয়ে দেশ নিৰ্মাণত আৰু সমাজৰ পৰিৱৰ্তনত সহায় কৰে। এনে দায়িত্ব আৰু কৰ্তব্য সুচাৰু ৰূপে পালন কৰিবলৈ প্ৰত্যেকজন ব্যক্তিয়ে একো একোজন মানৰ সম্পদ হ'ব লাগিব। যি ব্যক্তিয়ে নিজৰ ভৰিতে নিজে [illegible] দিব নোৱাৰে, তেনে লোকৰ পৰা এই দায়িত্ব সম্পূৰ্ণ কৰিব বুলি আশা কৰাটো বাতুলতাহে মাথোন। তেওঁলোকে দেশৰ বোজাহে বৃদ্ধি কৰিব।

সেয়ে নিজকে সম্পদ হিচাপে গঢ় দিবলৈ প্ৰত্যেকেই সংকল্পবদ্ধ হ'ব লাগে আৰু সেই সংকল্পত উপনীত হ'বলৈ যত্নৰ ত্ৰুটি কৰিব নালাগে। কঠোৰ পৰিশ্ৰম, একগ্ৰতা আৰু নিয়মানুবৰ্তিতাৰ দ্বাৰাহে এই লক্ষ্যত উপনীত হ'ব পাৰি। কিন্তু যিদৰে আবতৰীয়া খেতিৰ পৰা আশানুৰূপ ফচল পাব নোৱাৰি, সেইদৰে পৰিশ্ৰমৰ ফলাফল ঈপ্সিত হ'ব যদিহে এই পৰিশ্ৰম সঠিক সময়ত কৰা হয়। অন্যথা এক পুৰঠ বীজ হৈও ই আশা কৰা ধৰণে ফচল দিব নোৱাৰিব। কোনো ব্যক্তিৰ জীৱনৰ উৰ্বৰ সময়খিনি হৈছে তেওঁৰ শিক্ষাগ্ৰহণৰ সময়খিনি। এই সময়ত সকলোৱে জ্ঞান আহৰণৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰিব লাগে আৰু সমাজ আৰু দেশক সেই সঞ্চিত জ্ঞানৰ ফচলৰ দ্বাৰা উপকৃত কৰিব লাগে।

যদি সম্ভাৱনাপূৰ্ণ এই সময়খিনি অবাবতে নষ্ট কৰা হয় তেন্তে পিছত বহু পৰিশ্ৰম কৰিলেও সেই একে ফল পাব নোৱাৰি। জীৱনৰ অন্তিম ক্ষণত উপস্থিত হৈ জীৱনৰ এক নিৰ্মোহ বিশ্লেষণ কৰিলে তেওঁলোকৰ উপলব্ধি হ'ব যে দেশ আৰু সমাজে তেওঁলোকৰ বাবে বহু সময় আৰু টকা খৰচ কৰিলে; কিন্তু বিনিময়ত সমাজক তেওঁলোকে একো দিব নোৱাৰিলে। তাৰ বাবে তেওঁলোকে নিজকে সমাজৰ ওচৰত ঋণী হিচাপে অনুভৱ কৰিব।

সেয়ে আমি সময়ক সদ্ব্যৱহাৰ কৰি নিজকে ব্যক্তিৰ পৰা সম্পদলৈ উন্নীত কৰিব লাগে আৰু দেশৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিৱৰ্তন আৰু বিকাশত সহযোগ কৰিব লাগে। এজন বিজ্ঞানী, এজন ডাক্তৰ বা এজন সফল খেতিয়ক আদিয়েহে এনে পৰিৱৰ্তন আৰু বিকাশত অংশীদাৰ হোৱাৰ আৰু মানুহ হোৱাৰ গৌৰৱ অনুভৱ কৰিব পাৰে। আহক আমিও এনে একোজন ব্যক্তি হৈ মানুহ হোৱাৰ গৌৰৱ অনুভৱ কৰোঁ।

'দুধনৈ মহাবিদ্যালয় আলোচনী'ৰ এই সংখ্যাত প্ৰকাশিত প্ৰতিটো লেখাই পাঠক সমাজক কিছু পৰিমাণে উপকৃত কৰিব বুলি আমি আশাবাদী। আমাৰ এই যাত্ৰাত সহযাত্ৰী হোৱা প্ৰতিগৰাকী ব্যক্তিক কৃতজ্ঞতা জনইছোঁ। 'দুধনৈ মহাবিদ্যালয় আলোচনী'খন আৰু আগুৱাই যাওক, তাকেই কামনা কৰিলোঁ।

দীপজ্যোতি বসুমতাৰী
সম্পাদক, দুধনৈ মহাবিদ্যালয় আলোচনী,
২০১৭-১৮ বৰ্ষ



# অসমীয়া বিভাগ



# অসমীয়া বিহুগীতত প্ৰাকৃতিক চিত্ৰ এটি বিশ্লেষণ

অৰনিতা সাউদ
স্নাতক ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ

অসমীয়াৰ জাতীয় উৎসৱ বিহুৰ লগত বিহুগীতৰ অঙ্গাঙ্গী সম্বন্ধ। বিহু উৎসৱত আনন্দ-বিনোদনৰ কাৰণেহে গীতবোৰ গোৱা হয় যদিও অসমীয়া সাংস্কৃতিক জীৱনৰ লগতো গীতবোৰৰ অতি নিবিড় সম্পৰ্ক গঢ় লৈ উঠিছে। বিহুগীত অসমীয়া লোক-সাহিত্যৰ অন্তৰ্গত। বিহুগীত গোৱা হয় বিশেষকৈ অসমীয়া জাতীয় উৎসৱ ৰঙালী বিহুৰ সময়ত, নৃত্যৰ লগত। অসমীয়া অনুষ্ঠানমূলক লোকগীতসমূহৰ ভিতৰত বিহুগীতসমূহে উল্লেখযোগ্য স্থান দখল কৰি আছে। অসমীয়া বিহুগীতসমূহক দুটা ভাগত ভাগ কৰা হৈছে। সেয়া হ'ল— (ক) হুচৰি গীত আৰু (খ) বনগীত।

অসমত ৰঙালী বিহু বা ব'হাগ বিহুৰ সময়ত গঞা ৰাইজে ঢোল, পেঁপা, তাল আদি লৈ গৃহস্থৰ ঘৰে ঘৰে গৈ সামূহিকভাৱে গোৱা গীতবোৰেই হৈছে বিহু হুচৰি গীত। এনেকুৱা গীতবোৰ যৌনতা ভাববৰ্জিত আৰু ঈশ্বৰৰ নামেৰে এই গীতবোৰ আৰম্ভ কৰা হয়। হুচৰি গীতৰ নিদৰ্শন এনেধৰণৰ—

'কৃষ্ণাইৰ মূৰতে বকুল ফুল এপাহি
নিয়ৰ পাই মুকলি হয় এ— গোবিন্দাই ৰাম।'

আনহাতে বনগীতসমূহ হৈছে উদ্দাম যৌৱনৰ ভাব প্ৰকাশক গীত। এই গীতবোৰ আগেয়ে অসমৰ ডেকা-গাভৰুসকলে দল বান্ধি গৈ পথাৰ, চাপৰি, হাবি-বননি, আঁহতৰ তল আদিত গাইছিল বাবেই সেইবোৰক বনগীত বা বনঘোষা বোলা হৈছিল। ড° সত্যেন্দ্ৰনাথ শৰ্মাদেৱে বিহুগীত সম্পৰ্কে মত প্ৰকাশ কৰি কৈছে, "যৌৱনৰ উদ্দাম বাসনা, মিলনৰ তীব্ৰ আকাংক্ষা, বিৰহৰ উত্তাপ, প্ৰেমৰ আকূতি আৰু 'কমোৱা তুলাৰ দৰে উৰি ফুৰা মন'ৰ সম্যক প্ৰকাশ বিহুগীতবোৰত দেখা যায়।" অসমীয়া

বিহুগীতসমূহৰ প্ৰধান বিষয় ডেকা-গাভৰুৰ প্ৰেম-প্ৰণয় হ'লেও বিহুগীতসমূহত অসমীয়া সামাজিক জীৱনৰ চিত্ৰৰ উপৰি অসমৰ বিচিত্ৰ প্ৰকৃতি জগতৰ চিত্ৰও বিদ্যমান। বিহুগীতসমূহৰ মূল সুৰ প্ৰণয় যদিও ইয়াৰ মাজেৰে অসমৰ প্ৰাকৃতিক চিত্ৰও সুন্দৰভাৱে প্ৰকাশি উঠিছে। বিহু উৎসৱক বসন্ত উৎসৱৰে অন্য ৰূপ বুলিব পাৰি। প্ৰকৃতিৰ সকলোতেই নতুনৰ আগমনেৰে ধৰাৰ বুকুত উন্মনা সমীৰৰ লহৰত বলে বসন্ত ঋতুৰ উন্মাদনা। ঋতুৰাজ বসন্তৰ এটি মাহ ব'হাগ। ব'হাগ মানেই প্ৰকৃতিৰ বিনন্দীয়া ৰূপত ৰঙালী বিহুৰ ৰং-ৰহইচ। বসন্তৰ সমাগমত প্ৰকৃতি ফল-ফুলেৰে লাৱণ্যময়ী, আনন্দময়ী হৈ পৰে। নৱ বৰ্ষাৰ স্পৰ্শই সজীৱ-সেউজ কৰি তোলে প্ৰকৃতিৰ হৃদয়। সেয়ে অনুশ্ৰী প্ৰকৃতি বন্দনাই প্ৰাণ পাই উঠে বিহুগীতত। ব'হাগৰ মাদকতাসনা পৰিৱেশে প্ৰতিজনৰ প্ৰাণে প্ৰাণে নমাই আনে ৰঙীন উছাহৰ ধল। কৃষিজীৱী অসমীয়াই দিনৰ সৰহভাগ সময় খেতিপথাৰ, নৈ-বিল, চাপৰি-বননি, পৰ্বত-পাহাৰ আদিও কটাবলগীয়া হোৱাত বৰ্ণময় প্ৰকৃতিৰ প্ৰভাৱ সহজেই তেওঁলোকৰ ওপৰত পৰিছে। সেই প্ৰকৃতিখন অসমীয়াৰ অতি আদৰৰ, অতি হেঁপাহৰ। ফলত ইয়াৰ বহু চিত্ৰ বিহুগীতত চিত্ৰিত হৈছে। বিহুগীতত অসমৰ প্ৰকৃতি জগতখনৰ চাৰিটা দিশৰ চিত্ৰ সুন্দৰ আৰু স্পষ্ট ৰূপায়ণৰ কথা পণ্ডিতসকলে দেখুৱাই গৈছে। সেয়া হ'ল— (১) অসমৰ নদ-নদী, (২) নৈৰ চাপৰি আৰু পথাৰ, (৩)পৰ্বত-পাহাৰ, গছ-ফুল আৰু (৪)পশু-পক্ষীসমূহ।

এই চাৰিটা দিশৰ লগত জড়িত বিবিধ বিষয়ৰ কথা বিহুগীতসমূহত আছে।

নদীক কেন্দ্ৰ কৰিও কোনো কোনো দেশৰ সভ্যতাই স্থিতি লাভ কৰে। অসমীয়াৰ সভ্যতা ঠন ধৰি উঠিছে ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি। বিহুগীতত ব্ৰহ্মপুত্ৰ বা চিৰি লুইতৰ কথা ভালেমান উল্লেখ থকা দেখা যায়—

'চিৰিপ চিৰিপ কৰি কাপোৰ ধুই আছিলো
চিৰি লুইতলৈ চাই...।'

বৰনৈৰ বুকুত সাঁতুৰি-নাদুৰি, জলকেলি কৰি দলপুঙা চৰাইজাকেও পক্ষী জীৱনৰ বিচিত্ৰ স্বাদ আস্বাদন কৰে—

'ব্ৰহ্মপুত্ৰৰ পাৰৰে দলপুঙা চৰাইজাক
উৰি উৰি পানীতে পৰে,
তোমাৰে কথাটি নেভাবোঁ বুলিলে
ঘূৰি ঘূৰি মনতে পৰে।'

লুইতৰ দৰে দিখৌ, দিহিং, ধনশিৰি, কলং আদি নৈৰ কথাও বিহুগীতত পোৱা যায়। প্ৰেয়সীক হেৰুৱায়ো কোনোবা ডেকাই দুখেৰে দিখৌৰ বুকুলৈ চাই অন্তৰৰ বিৰহ বেদনা প্ৰকাশ কৰে—

'দিখৌ নৈ এৰিব পাৰোঁ মই লাহৰী
জাঁজী নৈ এৰিব পাৰোঁ,



তোকে ঐ লাহৰী এৰিব নোৱাৰো
নেখায়ো থাকিব পাৰোঁ।'

নদ-নদীবোৰৰ দৰে গৰু-ম'হ চৰণীয়া নৈৰ চাপৰি আৰু খেতিপথাৰ চহা অসমীয়াৰ প্ৰাণৰ আপোন, অৱসৰ বিনোদনৰ ক্ৰীড়াভূমি আৰু জীৱন বৰ্ধনৰ প্ৰধান সম্বল। নৈৰ চাপৰিও শুকুলা চাদৰ তৰি দিয়াৰ দৰে ফুলি উঠা কোমল কঁহুৱাই ডেকা-গাভৰুৰ মনত অস্থিৰ অৱস্থাৰ সৃষ্টি কৰে। যৌৱনৰ দুৱাৰডলিত ভৰি দিয়া ডেকা-গাভৰুৰ উন্মনা মন কমোৱা তুলাৰ দৰে উৰি যাব খোজে অচিন প্ৰান্তলৈ—

'ঘৰতো নবহে মনে সমনীয়া
পথাৰতো নবহে মন,
কমোৱা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিবৰ মন।'

বহল সেউজ পথাৰে অসমীয়াক কেৱল জীৱন ধাৰণৰ সমলকে যোগোৱা নাই, পথাৰৰ পৰশত অসমীয়া ডেকা-গাভৰুৰ হৃদয়ত উথলি উঠে প্ৰণয়ৰ কল্লোল। মুকলি পথাৰ যেন প্ৰেমৰ বেদীস্বৰূপ। সেই বেদীতে কেঁচা যৌৱনৰ ডেকা- গাভৰুৱে প্ৰেমৰ উপাসনা কৰে। অসমীয়া ডেকা-গাভৰুৱে ধাননি পথাৰত কটোৱা সোণসেৰীয়া মুহূৰ্তৰ অলেখ চিত্ৰ বিহুগীতত আছে—

'দকৈ পথাৰত ধান দাই আছিলো
ঘিলা চকলীয়া মুঠি
সকলোকে দেখোঁ লাহৰীক নেদেখোঁ
ঢাপৰে ওপৰত উঠি।'

আকৌ,

'তোকে চাই ৰাঙলী
বান্ধি যাওঁ ডাঙৰি...' ইত্যাদি।

মনোমুগ্ধকাৰী পৰ্বত-পাহাৰৰ সৌন্দৰ্যই অসমীয়া মানুহক যুগে যুগে মুগ্ধ কৰি আহিছে। চিৰবিনন্দীয়া, চিৰসেউজীয়া পৰ্বত-পাহাৰে অসমবাসীক আপ্লুত কৰি ৰাখিছে। সেয়ে পৰ্বত-পাহাৰৰ ছবিও চিত্ৰিত হৈছে বিহুগীতত। বিহুগীতত পাহাৰ-পৰ্বত, পাহাৰ-

পৰ্বতৰ গছ-লতা আৰু পাহাৰ-পৰ্বতৰ বলিয়া হাতী আদিৰ প্ৰসংগ উত্থাপন কৰি তাৰে সৈতে চেনাইক বলাই লোৱা কাৰ্য জড়িত কৰিছে এনেদৰে—

'পৰ্বতে পৰ্বতে বগাব পাৰোঁ মই
লতানো বগাবলৈ টান,
বলিয়া হাতীকো বলাব পাৰোঁ মই
চেনাইকনো বলাবলৈ টান।'

পৰ্বতৰ পৰা চেনায়ে বিচাৰি অনা কপৌফুলপাহ প্ৰেয়সীৰ খোপাত লুকাই-চুৰকৈ গুঁজি দিয়াৰ বাবে কিমান যে হাবিয়াস! মনৰ বতৰা চেনেহীক গীতৰ মাজেৰে এনেদৰে দিছে—

'পৰ্বত বগাই বগাই কপৌফুল আনিছোঁ
খোপাতে গুঁজি দিওঁ বুলি,
ককায়েৰক নক'বি নিশা ওলাই আহিবি
বিহু মাৰিবলৈ বুলি।'

বিহুগীতৰ ছন্দে ছন্দে গঁথা আছে প্ৰকৃতিৰ মায়াময় ছবি। সহজ-সৰল জনগণৰ সহজ-সৰল অনুভূতিৰ মিঠা প্ৰকাশভংগীয়ে বুৰাই পেলায় বিহুগীতক। কোমল বৰষুণে সঁজাল ধৰা ধৰণীৰ বুকুলৈ গুণগুণাই নমাই আনে সৃষ্টিৰ মালিতা। সেউজ কোমল কুঁহিপাতে ডালে ডালে নতুন বিহুৱান পিন্ধায় আৰু বিহুৰ আগমনী বতৰা দিয়ে—

'আমেনো পাত সলালে জামেনো পাত সলালে
সলায়নো বৰগছে পাতেনো মোৰ লাহৰী
বিহু বিহু লাগিছে গাত।'

হৃদয় মালঞ্চত ফুলি উঠা প্ৰেমৰ ফুলপাহ ইজনে সিজনক যচাৰ সুযোগ ঘটে গছৰ তলত। প্ৰেমিক-প্ৰেমিকাৰ অন্তৰত উকমুকাই থকা মৰম-ভালপোৱাৰ মূৰ্ত প্ৰকাশ ঘটে গছ-বনৰ আঁৰে আঁৰে—

'থুনুক্কৈ ভাগিলে অ' দেহা নৈৰ পাৰৰ
বালীয়া বগৰী লাগেনো ডালে ভৰি
তাতেনো আছিলে তোমাৰ মোৰে
মৰম আৰু ধেমালি।'

গছৰ দৰে ফুলো অসমীয়াৰ মৰমৰ সম্পদ। শ্যামলিমা প্ৰকৃতিৰ বিৰিখে বিৰিখে বিবিধৰঙী কপৌফুল, মন-প্ৰাণ উতলা কৰা নাহৰ-তগৰৰ সুবাস তথা অচিন বনৰীয়া ফুলৰ সুৰভিয়ে বসন্ত কালত মানুহৰ হিয়া ব্যাকুল কৰে। সেয়ে বিহুগীতত নাচনীয়ে গাইছে—

'দেহি ঐ নাহৰ ফুল ফুলিবৰ ঐ বতৰ
নাহৰ ফুলৰ গোন্ধে পাই
নাচনীৰ গাত তেতে নাই
গচকত ভাঙি যাওঁ যঁতৰ।'

আকৌ, 'কুউ কুউ কৰি কুলিয়ে মাতিলে
গছেও সলালে পাত,
নাহৰ ফুল ফুলিলে কপৌফুল ফুলিলে
বিহু বিহু লাগিছে গাত।'

মুক্ত দিগন্তত মুকলি মনে পৰিভ্ৰমণ কৰে বিবিধ চৰাই-চিৰিকটি। প্ৰকৃতিৰ প্ৰান্তে প্ৰান্তে ঝংকৃত হৈ উঠে কুলি-কেতেকীৰ মৌ-বৰষা গীত—

'আমাৰ ডালৰ কুলিটি ব'হাগবে বিহুটি
বিহুৰ উমান দিলেহি চেনেহী ঐ কেতেকী
নেপাতি কেনেকৈ থাকোঁ।'

তদুপৰি কাম চৰাই, কুকুহা, ভদৰকলি আদি অজস্ৰ চৰাইৰ বৰ্ণনা বিহুগীতত পৰিস্ফুট হৈছে—

'বাঁহৰে আগলিত পৰি কাম চৰাই
উভতি কোটালে পাখি।'

আকৌ,

'হাবিত জুই লাগিলে কুকুহা উৰিলে
ডৰিকে আহিলে চাই,
ভদৰকলি চৰায়ে পৰাচিত কৰিলে
বৌদেওক আনিব পায়।'

প্ৰকৃতিৰ কোলাত উমলি ডাঙৰ-দীঘল হোৱা, আপোন মনে বিচৰণ কৰা জীৱ-জন্তু, যেনে— গৰু-ম'হ আদি চৰোৱা, গাহৰি, পহু আদি চিকাৰ কৰাৰ উল্লেখ বিহুগীতত আছে—

'গৰু চৰাবৰে কঠীয়াতলীখন
ম'হ চৰাবৰে দল।'

এনেদৰে বিশ্লেষণ কৰিলে দেখা যায় যে অসমীয়া বিহুগীতসমূহৰ মাজেৰে প্ৰকৃতিৰ মনোমোহা চিত্ৰ সুন্দৰকৈ চিত্ৰায়িত হৈছে, যিবোৰ লিখি শেষ কৰাটো সম্ভৱ নহয়। প্ৰকৃতিৰ বুকুত জনম লভি, প্ৰকৃতিৰ শীতল পৰশেৰে লালিত- পালিত হোৱা, প্ৰকৃতিৰ ৰস-ৰূপ-গোন্ধেৰে সিক্ত অসমীয়া চহা কবিক প্ৰকৃতিৰ নৈসৰ্গিক শোভাই অভিভূত বিচিত্ৰ ৰূপৰ সমাহাৰ ঘটিছে। বসন্ত কালত প্ৰকৃতিত সমুজ্জ্বল হৈ উঠে কুলু কুলু সুৰেৰে বোৱঁতী নৈ, শুভ্ৰ কঁহুৱা, চৰাই-চিৰিকটি, পৰ্বত-পাহাৰ আৰু প্ৰকৃতিৰ বিবিধ উপাদান। এইবোৰৰ অপূৰ্ব সংগমত অনিৰ্বচনীয় সৌন্দৰ্যৰে নীৰাজিতা হৈ উঠা ৰম্যভূমি প্ৰকৃতিৰ প্ৰতিটো উপাদানেই মূৰ্ত ৰূপ ধাৰণ কৰি প্ৰোজ্জ্বল হৈ উঠে বিহুগীতত।

❖❖❖

# অসমীয়া সাহিত্যৰ 'অৰুণোদয় যুগ'

জোনমণি শৰ্মা
স্নাতক ষষ্ঠ ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ


অৰুনোদই
VOL. VI. SIBSAGOR, ASAM, JANUARY, 1851. No. 1.

অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত 'অৰুণোদয় যুগ'টোৰ অৱদান অপৰিসীম। 'অৰুণোদয় যুগ'ৰ সাহিত্যৰ যোগেদি অসমৰ সাহিত্য-সংস্কৃতিৰ পৰিমণ্ডল অধিক সমৃদ্ধিশালী আৰু প্ৰশস্ত হৈ উঠে। এই যুগটোত খ্ৰীষ্টান লেখকসকলৰ উপৰি আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, লম্বোদৰ বৰা, ৰত্নেশ্বৰ মহন্ত আদি অখ্ৰীষ্টান লেখকসকলে অসমীয়া ভাষা-সাহিত্যক এক নতুন আলোকময় পথৰ সন্ধান দিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। অসমীয়া ভাষাৰ ক্ৰমবিৱৰ্তনৰ ইতিহাসত ঊনবিংশ শতিকাৰ কালছোৱাক একপ্ৰকাৰে অনিশ্চয়তাৰ কাল বুলিব পাৰি। মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণত জৰ্জৰিত তথা নিশকতীয়া হোৱা অসম ১৮২৬ খ্ৰীষ্টাব্দত ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ যোৱাৰ পিছৰ দুটা দশক অসমীয়া ভাষাৰ বাবে মৰ-আঁউসী স্বৰূপ। (শইকীয়া, ১৯৯৬, পৃষ্ঠা ৫২) ঊনবিংশ শতিকাৰ আৰম্ভণিতে ব্ৰিটিছসকলৰ শাসনে অসমৰ সাংস্কৃতিক আৰু জাতীয় জীৱনধাৰালৈ পৰিৱৰ্তন আনিলে। ইংৰাজে দেশ লোৱাৰ পিছত দেশৰ ৰাজনৈতিক অৱস্থা বহু পৰিমাণে সুস্থিৰ হৈছিল যদিও চৰকাৰৰ ভুল ভাষা-নীতিৰ ফলত অসমীয়া ভাষাৰ বিকাশৰ পথ বহুদিনলৈ ৰুদ্ধ হৈছিল। ১৮৩৬ চনত অসমীয়া ভাষা অসমৰ সমাজ জীৱনৰ পৰা অপসাৰিত হ'ল আৰু স্কুল, কলেজ, কাছাৰী অদিত সকলোতে বঙালী ভাষাই আধিপত্য বিস্তাৰ কৰিলে। দৰাচলতে ১৮৭৩ চনলৈ অসমীয়া ভাষাই স্থানীয় ভাষা ৰূপে স্বীকৃতি লাভ নকৰালৈকে এই ছয়ত্ৰিশটা বছৰ অসমীয়া সাহিত্যৰ চৰম দুৰ্যোগৰ কাল। সুদীৰ্ঘ কালত অসমীয়া ভাষাত চৰ্চাৰ অভাৱ আৰু বঙলা ভাষাৰ বিস্তাৰৰ



ফলত অসমীয়া ভাষাৰ আখৰ জোঁটনি, শব্দাৱলীৰ ব্যৱহাৰ আদিৰ ক্ষেত্ৰত এক অনিশ্চয়তাই দেখা দিলে (ঠাকুৰ আৰু ডেকা, ২০০০, পৃঃ ২০৬)। ভাষাৰ এই সংকটৰ সময়তে অসমত খ্ৰীষ্টধৰ্ম প্ৰচাৰ কৰিবলৈ অহা মিছনেৰীসকলে অসমীয়া ভাষাৰ ব্যাকৰণ, অভিধান আদি ৰচনা কৰি পোনপ্ৰথমে স্কুল-আদালতৰ পৰা নিৰ্বাসিত হোৱা অসমীয়া ভাষাক পুনঃপ্ৰতিষ্ঠাৰ বাবে চেষ্টা চলালে। ১৮৪৬ চনত শিৱসাগৰৰ মিছন প্ৰেছৰ পৰা ওলোৱা 'অৰুনোদই' কাকতে সেই সময়ত অসমৰ জাতীয় জীৱনত এক অপ্ৰতিৰোধ্য বৌদ্ধিক জাগৰণ সৃষ্টি কৰি অসমীয়া ভাষা আৰু সাহিত্যক সঞ্জীৱনী শক্তি প্ৰদান কৰিলে। অসমীয়া সাহিত্য আৰু সাংবাদিকতাৰ পৃথিৱীত 'অৰুনোদই'-এ ধৰ্মমুক্ত ধাৰাৰ প্ৰৱৰ্তন কৰিছিল বুলি বহুতো মূল্যায়নকাৰীয়ে কয়। কিন্তু 'অৰুনোদই'ৰ অন্যান্য ভূমিকাও আছিল; যিবোৰৰ সৈতে বাৰ্তালোচনীখনৰ প্ৰচাৰমূলক চৰিত্ৰ সম্পৃক্ত।

১৮৪৬ খ্ৰীষ্টাব্দৰ জানুৱাৰী মাহৰ পৰা প্ৰকাশ পোৱা



বাৰ্তালোচনীখনৰ নামকৰণত ব্যৱহাৰ কৰা বানান অৰুনোদইটো সেই একে ৰূপতেই ১৮৬১ খ্ৰীষ্টাব্দলৈ চলে। ১৮৬১ খ্ৰীষ্টাব্দত অৰুনোদইৰ পৰিৱৰ্তে অৰুণোদয় ৰূপেৰে নতুনকৈ শব্দবিন্যাস কৰা হয়। এনেদৰেই এই বাৰ্তালোচনীখনে সাহিত্য জগতত ১৮৮০ খ্ৰীষ্টাব্দলৈকে অসমৰ সাহিত্য জগতখন 'অৰুণোদই' আৰু 'অৰুণোদয়'-এ নিয়ন্ত্ৰণ কৰা এই সুদীৰ্ঘ কালডোখৰক সাধাৰণতে 'অৰুণোদয় যুগ' বোলা হয়। (শৰ্মা দলৈ, ১৯৯২, পৃঃ ১০৯) 'অৰুণোদয় যুগ'ত খ্ৰীষ্টান লেখকসকলৰ উপৰি আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, লম্বোদৰ বৰা, ৰত্নেশ্বৰ মহন্ত আদি অখ্ৰীষ্টান লেখকসকলে অসমীয়া ভাষা-সাহিত্যলৈ আপুৰুগীয়া অৱদান আগবঢ়াই যুগটোক বিশেষভাৱে সমৃদ্ধ কৰি থৈ গৈছে। অসমীয়া ভাষাক ন্যায্য স্থানত প্ৰতিষ্ঠা কৰি অসমীয়া সাহিত্যিকক এক নতুন আলোকময় পথৰ সন্ধান দিয়াৰ ক্ষেত্ৰত অৰুণোদয় যুগৰ সাহিত্যই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। (ভট্টাচাৰ্য, ২০০৬, পৃঃ ১১) সাহিত্য সাধনাকে জীৱনৰ ব্ৰত হিচাপে লোৱা ঢেকিয়াল ফুকনে যিখিনি গ্ৰন্থ প্ৰণয়নেৰে অসমীয়া ভাষা-সাহিত্যৰ সেৱা কৰি গ'ল, সেইখিনি হ'ল— অসমীয়া ল'ৰাৰ মিত্ৰ (দ্বিতীয় আৰু তৃতীয় খণ্ড, ১৮৪৯), ফুকন দেৱান কায়দা বন্দি (১৮৪৯-৫০), সদৰ দেৱানী নিষ্পত্তি (১৮৫০), Observation on the Administration of the Province of Assam (১৮৪৫), A few Remarks on the Assamese Language আৰু Vernacular Education in Assam (১৮৫৪) আদি।

ঢেকিয়াল ফুকনৰ Observation on the Administration of the Province of Assamখন মোফাত মিল্‌ছ চাহাবে ১৮৫৩ চনত অসম ভ্ৰমণ কৰিবলৈ আহোঁতে তেওঁৰ ওচৰত দাখিল কৰা স্মাৰকপত্ৰ। এই স্মাৰকপত্ৰখনত তেওঁ সমকালীন অসমৰ ভাষা আৰু শিক্ষাৰ সমস্যা দাঙি ধৰি সেইবোৰৰ নিৰাময়ৰ বাবে সুস্পষ্ট পৰামৰ্শ আগবঢ়াইছে। A few Remarks on Assamese Language নামৰ ভাষাতত্ত্ব সম্পৰ্কীয় মূল্যৱান পুস্তিকাখন তেখেতে ৰচনা কৰি ১৮৫৫ খ্ৰীষ্টাব্দত ইয়াক A Native ছদ্মনামেৰে ছপা কৰি উলিয়াইছিল। ১৮৪৭ চনত 'অৰুণোদই'ত তেওঁৰ 'ইংলেণ্ডৰ বিৱৰণ' নামৰ ৰচনা খণ্ড প্ৰকাশ পায়। ঢেকিয়াল ফুকনৰ জাতীয় প্ৰেম, সাহিত্যানুৰাগ উদাৰনৈতিক দৃষ্টিভংগী আৰু অধ্যয়নশীলতাৰ প্ৰতি লক্ষ্য ৰাখি গৱৰ্ণৰ জেনেৰেলৰ অসমৰ এজেণ্ট আৰু কমিছনাৰ কৰ্ণেল হপকিনছন (Hopkinson) চাহাবে তেওঁক বংগৰ ৰামমোহন ৰায়ৰ লগত তুলনা কৰিছিল।

আনন্দৰাম ঢেকিয়াল ফুকনৰ উপৰি এই সময়ছোৱাত আৰু কেইবাগৰাকীও অসমীয়া লেখকে অসমীয়া ভাষা-সাহিত্যলৈ বিশিষ্ট বৰঙণি আগবঢ়াইছে। তেওঁলোকৰ ভিতৰত পূৰ্ণানন্দ শৰ্মা, দয়াৰাম চেতিয়া, বলৰাম ফুকন, যজ্ঞৰাম দেওধাই বৰুৱা, কাতিৰাম গোহাঁই, জাতিৰাম গোহাঁই আদি অন্যতম। তেওঁলোকৰ কেইবাজনো অসমীয়া কবিতাৰ পথপ্ৰদৰ্শক স্বৰূপ। অৰুনোদইৰ পাতত প্ৰকাশিত এইলানি কবিতাৰ পৰাই অসমীয়া কবিতাই এক নতুন দিশলৈ গতি কৰে। গুণগত দিশত উৎকৃষ্টতম নহ'লেও, সাহিত্যিক মূল্যৰ দিশৰ পৰা অৰুনোদইৰ কবিতাৰ বিশেষ গুৰুত্ব আছে। পুৰণি কাব্যৰ ধৰ্মীয় বিষয়বস্তুৰ পৰা আঁতৰি আহি কানিৰ অপকাৰিতা বা কলিকতাৰ বিৱৰণৰ দৰে বিষয় কবিতাত প্ৰকাশ হোৱাটো তাৎপৰ্যপূৰ্ণ কথা।

আনন্দৰাম ঢেকিয়াল ফুকনৰ উপৰি ১৮৪৬ আৰু ১৮৮৯ চনৰ মাজৰ কালছোৱাত নসাহিত্য-চেতনাৰে প্ৰবুদ্ধ দুজন লেখকে অসমীয়া সাহিত্যত উদাৰনৈতিক প্ৰগতিশীল মানৱতাবাদৰ প্ৰৱৰ্তন কৰে। তাৰে এজন হ'ল 'বাহিৰে ৰং-চং ভিতৰে কোৱাভাতুৰি' আৰু 'কানীয়াৰ কীৰ্তন'ৰ লেখক হেমচন্দ্ৰ বৰুৱা আৰু আনজন হ'ল বিধৱা বিবাহৰ সমৰ্থক আৰু 'ৰাম-নৱমী' নাটকৰ ৰচক গুণাভিৰাম বৰুৱা। (ভট্টাচাৰ্য ২০০৫, পৃঃ ৪৯) অসমীয়া ভাষা-সাহিত্যৰ

গুৰিয়াল স্বৰূপ হেমচন্দ্ৰ বৰুৱাৰ নিৰলস সাধনাই অৰুণোদয় যুগৰ অসমীয়া ভাষা-সাহিত্যৰ জগতখনলৈ আনে এক নতুন ৰূপ বৈচিত্ৰ্য। তেওঁৰ সংস্কাৰবাদী চিন্তা-চৰ্চাই নিঃসন্দেহে এটি নতুন যুগৰ সূচনা কৰিব পাৰিছে। এইক্ষেত্ৰত প্ৰথিতযশা লেখক নগেন শইকীয়াদেৱৰ মন্তব্য যথাৰ্থ বুলিয়ে ক'ব লাগিব— 'Hemchandra Barua can be called a reformer of strong conviction. He laid the foundation stone of modern Assamese language, on the basis of which the language as well as the literature could flowrish according to the necessity and demand.' (Saikia 1988, P. 221) হেমচন্দ্ৰ বৰুৱাই ১৮৫৯ চনত 'অসমীয়া ভাষাৰ ব্যাকৰণ' নাম দি অসমীয়া ভাষাৰ তৃতীয়খন ব্যাকৰণ প্ৰণয়ন কৰে। তেওঁ বহু কষ্ট কৰি ১৮৯২ চনত পঢ়াশলীয়া অভিধান আৰু দুবছৰৰ পিছত সংক্ষিপ্ত 'হেমকোষ' লিখি উলিয়ায়। হেমচন্দ্ৰ বৰুৱাৰ জীৱনৰ কীৰ্তিস্বৰূপ 'হেমকোষ' তেওঁৰ মৃত্যুৰ পিছত অৰ্থাৎ ১৯০০ চনত প্ৰকাশ হৈ ওলাইছিল। এইখন পুথিয়ে অসমীয়া ভাষাৰ আখৰ জোঁটনি সম্পৰ্কীয় বিশৃংখলতাৰ পৰিসমাপ্তি ঘটাইছে।

হেমচন্দ্ৰ বৰুৱাই উনবিংশ শতিকাৰ সৃষ্টিশীল অসমীয়া সাহিত্যৰ পঢ়াশলীয়া পুথিৰ এগৰাকী প্ৰথিতযশা ৰচয়িতা হিচাপে সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছিল। ১৮৭৩ চনত অসমীয়া ভাষা পুনৰ অসমৰ স্কুল-কলেজত প্ৰৱৰ্তিত হোৱাত স্বাভাৱিকতে অসমীয়া পাঠ্যপুথিৰ অধিক প্ৰয়োজন হ'ল। এই অভাৱ পূৰণ কৰিবলৈ বাটকটীয়াৰ ভূমিকা পালন কৰে হেমচন্দ্ৰ বৰুৱাই। চৰ্চাৰ অভাৱত সেই সময়ত অসমীয়া ভাষাৰ অৱস্থা এনে হৈছিল যে অসমীয়া ভাষাৰে পঢ়াশালিত অসমীয়া ল'ৰা-ছোৱালীক শিক্ষা দিয়াটো আকাশত চাং পতা কাম বুলি ক্ৰেনচিছ জেনকিন্সে মন্তব্য কৰাৰ সমল পাইছিল। তেতিয়াৰ অসমীয়া ভাষাৰ চৰ্চাৰ প্ৰতিকূল পৰিৱেশৰ মাজতো স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলক শিক্ষিত কৰি তুলিবলৈ নিভাঁজ অসমীয়া ভাষাৰ পাঠ্যপুথি প্ৰণয়নত হেমচন্দ্ৰ বৰুৱাই আত্মনিয়োগ কৰিছিল। স্কুলীয়া ছাত্ৰৰ উপযোগীকৈ তেওঁ আদিপাঠ, পাঠমালা, অসমীয়া ল'ৰাৰ ব্যাকৰণ আৰু পঢ়াশলীয়া অভিধান ৰচনা কৰিছিল।

অৰুণোদয় যুগৰ শেষৰ ফালে হেমচন্দ্ৰ-গুণাভিৰামৰ সৃষ্টি ক্ষমতাৰ প্ৰভাৱত অসমীয়া গদ্য জাতীয় সম্প্ৰীতি, জাতীয়তাবোধ আৰু মানৱোচিত আৰু সংস্কাৰাত্মক বহু গুণৰ ফলশ্ৰুতি সূচক ভাৱেৰে আত্মিক দিশত আপেক্ষিকভাৱে সুস্থ-সবল হৈ উঠে (শৰ্মা দলৈ, ১৯৯২, পৃঃ ১২২)। গুণাভিৰাম বৰুৱাৰ অসমীয়া সাহিত্যলৈ প্ৰথম আৰু সফল অৰিহণাৰ শৰাই হ'ল— 'ৰাম-নৱমী' নাটক (১৮৫৭)। তেওঁৰ অন্যান্য ৰচনাসমূহ হ'ল— 'ল'ৰাপুথি', 'কাব্য কুসুম', 'পদাৰ্থ বিদ্যা', 'বিবাহ ৰহস্য', 'ঘোষা পুথি' আদি অন্যতম।

অৰুণোদয় যুগৰ অন্যতম অখ্ৰীষ্টান লেখক ৰমাকান্ত চৌধুৰী (১৮৪৬-১৮৮৯) আধুনিক অসমীয়া কাব্য জগতৰ প্ৰথম বৰ্ণনাত্মক কাব্যৰ ৰচক। তেওঁ বংগৰ বিখ্যাত কবি মধুসুদন দত্তৰ অমিত্ৰাক্ষৰ ছন্দত ৰচিত 'মেঘনাদ বধ' কাব্যৰ আৰ্হিত প্ৰথম অসমীয়া আধুনিক কাব্য 'অভিমন্যু বধ' প্ৰণয়ন কৰি অভিলেখ স্থাপন কৰি থৈ গৈছে। 'অভিমন্যু বধ' কাব্যৰ উপৰি 'সীতাহৰণ' আৰু ৰাৱণ ৱধ' নামৰ দুখন নাটক ৰচনা কৰি পৌৰাণিক নাটকৰো প্ৰথম ৰচক ৰূপে পৰিগণিত হৈছে।

হেমচন্দ্ৰ-গুণাভিৰামৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ সেই সময়ছোৱাত উভয়ৰে বয়োকনিষ্ঠ যিকেইগৰাকীয়ে খণ্ড কবিতা আৰু বৰ্ণনাত্মক কাব্য ৰচনাৰে পাশ্চাত্য কবিতাৰ ৰীতি-প্ৰকৃতিক অসমীয়া সাহিত্যলৈ আদৰি আনিলে সেইসকলৰ ভিতৰত ভোলানাথ দাস লেখত ল'বলগীয়া। বংগৰ বিখ্যাত কবি মাইকেল মধুসুদন দত্তৰ 'মেঘনাদ মধ' কাব্যৰ আৰ্হিত ৰচিত 'সীতাহৰণ' কাব্য ভোলানাথ দাসৰ অসমীয়া সাহিত্যলৈ অবিস্মৰণীয় অৱদান। এই যুগটোৰ আন এগৰাকী লেখক হ'ল ৰত্নেশ্বৰ মহন্ত। মহন্তদেৱে তেওঁৰ ২৯ বছৰীয়া চুটি জীৱন কালৰ ভিতৰত অসমীয়া সাহিত্যলৈ বিভিন্ন দিশত বৰঙণি আগবঢ়াই গৈছে। 'অসমীয়া আৰু বিদেশী সাজ', 'ৰাম সৰস্বতী', 'অনন্ত কন্দলী', 'মোৱামৰীয়া বিদ্ৰোহ' আদি কিছুমান অনুসন্ধানমূলক মূল্যৱান প্ৰবন্ধ তেওঁ ৰচনা কৰে। এগৰাকী প্ৰথিতযশা কথা-সাহিত্যিক ৰূপে অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত লম্বোদৰ বৰাৰ বিশিষ্ট স্থান আছে। তেওঁ ৰচনা কৰা দুখন উল্লেখযোগ্য পুথি হ'ল— 'ল'ৰাবোধ' আৰু 'জ্ঞানোদয়'। মহাকবি কালিদাসৰ 'অভিজ্ঞান শকুন্তলম' নাটকৰ গদ্যানুবাদ কৰি লম্বোদৰ বৰাই কৃতী অনুবাদক ৰূপে খ্যাতি অৰ্জন কৰিছে। এইসকল সাহিত্যিকৰ উপৰি কমলাকান্ত ভট্টাচাৰ্য, বলিনাৰায়ণ বৰা, পদ্মাৱতী দেৱী ফুকননী আদি কেইবাগৰাকীও সাহিত্যিকেও তেওঁলোকৰ বহুমূলীয়া সাহিত্যৰাজিৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে।

❖❖❖




# মানৱ অধিকাৰ উলংঘন আৰু ডকমকা কাণ্ড

নিবেদিতা ৰয়
স্নাতক পঞ্চম ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

মানৱ অধিকাৰ বৰ্তমান সময়ৰ এক বহুচৰ্চিত বিষয়। কেৱল মানুহ হিচাপে জন্মগ্ৰহণ কৰা বাবেই সকলো লোকে কোনো ধৰণৰ বৈষম্য নোহোৱাকৈ এই অধিকাৰসমূহ উপভোগ কৰিব পাৰে। ভাৰতবৰ্ষতো মানৱ অধিকাৰক মৌলিক অধিকাৰ ৰূপে স্বীকৃতি দি ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ত ইয়াক সন্নিৱিষ্ট কৰা হৈছে আৰু সকলো ভাৰতীয় নাগৰিকে এই অধিকাৰসমূহ সমানভাৱে উপভোগ কৰাৰ ব্যৱস্থা কৰা হৈছে। মানৱ অধিকাৰসমূহৰ ভিতৰত এটা অতি গুৰুত্বপূৰ্ণ অধিকাৰ হৈছে জীয়াই থকাৰ অধিকাৰ। কিন্তু এজন ব্যক্তিয়ে দুবেলা দুমুঠি পেটে-ভাতে খাই উশাহ-নিশাহ লৈ জীয়াই থকাকে প্ৰকৃত অৰ্থত জীয়াই থকা বুলি ক'ব নোৱাৰি। এজন সুস্থ সবল ব্যক্তি হিচাপে জীয়াই থাকিবলৈ হ'লে সকলো ধৰণৰ ভয়-শংকাৰ পৰা মুক্ত হৈ নিজৰ বিচাৰ-বুদ্ধিৰে সিদ্ধান্ত গ্ৰহণ কৰিব পৰা পৰিৱেশ এটাৰ নিতান্তই প্ৰয়োজন। ভাৰতৰ উচ্চতম ন্যায়ালয়ে ইয়াৰ বিভিন্ন গোচৰত দিয়া ৰায়দানৰ ফলত ভাৰতীয় সংবিধানৰ ২১নং অনুচ্ছেদত থকা জীৱনৰ অধিকাৰৰ পৰিসৰ যথেষ্ট বহল হৈ পৰিছে।

বিশ্বৰ আন আন ঠাইসমূহৰ দৰে ভাৰতবৰ্ষতো মানৱ অধিকাৰ উলংঘাৰ ঘটনা প্ৰায়েই দেখিবলৈ পোৱা যায়। এইক্ষেত্ৰত অসমলৈ মন কৰিলেও দেখা যায় যে প্ৰতিদিনেই টিভি-বাতৰিকাকতৰ শিৰোনামত এই হ'লেও মানৱ অধিকাৰ লংঘনৰ ঘটনা পৰিলক্ষিত হয়। শেহতীয়াকৈ ২০১৮

চনৰ ৮ জুনত অসমত সংঘটিত এক হত্যাকাণ্ড আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো চৰ্চিত হোৱাৰ লগতে অসমত মানৱ অধিকাৰ উপভোগৰ প্ৰকৃত স্বৰূপটো যেন পুনৰ উদঙাই দেখুৱালে। সেনাবাহিনী, সন্ত্ৰাসবাদী আৰু ৰাষ্ট্ৰবাহিনীৰ জৰিয়তে সন্ত্ৰাসজৰ্জৰ এই অঞ্চলত সততে মানৱ অধিকাৰ উলংঘা হৈ থাকে যদিও অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ ফলত সাধাৰণ লোকৰ অধিকাৰ ভংগৰ ঘটনাও প্ৰায়েই দেখা পোৱা যায়।

যোৱা বছৰৰ ৮ জুনত দুই প্ৰকৃতিপ্ৰেমী তৰুণ যুৱক অভিজিৎ নাথ আৰু নীলোৎপল দাসে পাহাৰৰ নৈসৰ্গিক সৌন্দৰ্য উপভোগ কৰাৰ উদ্দেশ্যে কাৰ্বি আংলঙৰ কাংথিলাংছ' জলপ্ৰপাত চাই উভতি অহাৰ পথত ডকমকা অঞ্চলৰ পাণজুৰিত নৃশংস গণপ্ৰহাৰত মৃত্যুক আঁকোৱালি ল'ব লগা হয়। সেই সময়ত অসমৰ বিভিন্ন অঞ্চলক আতংকিত কৰি ৰখা 'সোপাধৰা'ৰ সন্দেহত অভিজিৎ আৰু নীলোৎপলৰ ওপৰত এজাক মানুহ জঁপিয়াই পৰি লাঠী-যাঠীৰে হানি-খুঁচি অত্যাচাৰ চলায়। হত্যাকাণ্ডৰ পিছত ভাইৰেল হোৱা এটা ভিডিঅ'ত নীলোৎপল দাসৰ সেই সময়ৰ যি চিৎকাৰ, সেই চিৎকাৰে যেন সকলোকে ভাবিবলৈ বাধ্য কৰালে যে নিজৰ দেশৰ ভিতৰতেই আমি নিৰাপদ নহয়, জীয়াই থকাৰ অধিকাৰ সুৰক্ষিত নহয়। যেতিয়া দানৱৰূপী নৰপিশাচৰ দলটোৱে অভিজিৎ-নীলোৎপলক হানি-খুঁচি ৰক্তাক্ত কৰি তুলিছিল, সেই সময়ত নীলোৎপলে হাতযোৰ কৰি নিজৰ চিনাকি দিছিল— 'মই আচল অসমীয়া। মোৰ দেউতাৰ নাম গোপাল চন্দ্ৰ দাস। মাৰ নাম ৰাধিকা দাস। দিনতে আহিছিলো।' কিন্তু কোনেও নীলোৎপলৰ সেই আৰ্তনাদ নুশুনিলে আৰু দলবদ্ধ উত্তেজিত মানুহমখাই দুয়োকে হত্যা কৰিলে। এই ঘটনাই কেৱল অসম বা ভাৰতবৰ্ষতে নহয়, আন আন দেশতো চৰ্চা লাভ কৰিলে। এই হত্যাকাণ্ডৰ লগত জড়িত দোষীৰ শাস্তি বিচাৰি ঠায়ে ঠায়ে সমদল বাহিৰ হ'ল। চৰকাৰেও উচিত তদন্ত আৰু ন্যায়ৰ আশ্বাস দিলে আৰু মুঠ ৪৮জন লোকক এই ডকমকা কাণ্ডত জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হয়।

বিভিন্ন সামাজিক মাধ্যম আৰু আনকি গণমাধ্যমত সোপাধৰা সম্পৰ্কে প্ৰচাৰিত বাতৰিৰ কৰুণ পৰিণতিৰ বলি হ'বলগীয়া হ'ল অভিজিৎ-নীলোৎপলৰ দৰে দুই শিক্ষিত, প্ৰকৃতিপ্ৰেমী, উদ্যমী যুৱক। দুয়ো বঞ্চিত হ'বলগীয়া হ'ল জীয়াই থকাৰ অধিকাৰৰ পৰা। এয়া মাত্ৰ এটা উদাহৰণহে। অসমৰ বিভিন্ন অঞ্চলত এনে সোপাধৰা, ডাইনী আদি অন্ধবিশ্বাসৰ ফলত বহুতো লোকে মৃত্যুক সাবটি ল'বলগীয়া হয় বা বহুতৰে জীৱনৰ প্ৰতি ভাবুকি আহি পৰে। এইক্ষেত্ৰত প্ৰশাসন বা চৰকাৰে বিভিন্ন আইন প্ৰণয়ন কৰিছে যদিও এইসমূহ ৰোধ কৰাত খুব সফল হ'ব পৰা নাই। আনকি ডকমকা কাণ্ডৰ সময়তো দেখা গৈছিল যে সেই ঘটনা সংঘটিত হৈ থকাৰ সময়ত সেই অঞ্চলৰ আশে-পাশে কোনো আৰক্ষীৰ লোক নাছিল। বহুক্ষেত্ৰত আৰক্ষীৰ সন্মুখতেই কিছু লোকে দলবদ্ধ আক্ৰমণৰ ফলত মৃত্যুবৰণ কৰিবলগীয়া হৈছে। এনে ঘটনাসমূহৰ মূল কাৰণ হ'ল নিৰক্ষৰতা; অৰ্থনৈতিকভাৱে অনুন্নত অৱস্থা আৰু মানৱ অধিকাৰৰ প্ৰতি সচেতনতাৰ অভাৱ। অসমত এতিয়াও এনে বহু ভিতৰুৱা অঞ্চল আছে, য'ত শিক্ষানুষ্ঠানৰ অভাৱ, উপযুক্ত চিকিৎসা সেৱাৰ অভাৱ। তেনে অঞ্চলৰ মানুহখিনিয়ে সততে কবিৰাজ, জৰা-ফুকা, যাদু-মন্ত্ৰ আদিত বিশ্বাস কৰে আৰু কিছুমান যুক্তিহীন কুপ্ৰথা মানি চলি আহিছে।

এইক্ষেত্ৰত পিছপৰা অঞ্চলৰ লোকসকলক উপযুক্ত শিক্ষাৰ সুবিধা দি বৈজ্ঞানিক মনোভাবাসম্পন্ন কৰি তুলিবলৈ চৰকাৰে প্ৰচেষ্টা হাতত ল'ব লাগিব লগতে সামাজিক মাধ্যমৰ ওপৰত চোকা দৃষ্টি ৰখাৰ লগতে কিছু বাধ্যবাধকতাৰো প্ৰয়োজন। গণমাধ্যমসমূহেও যিকোনো ঘটনা পৰিৱেশন আৰু উপস্থাপনত সাৱধানতা অৱলম্বন কৰাটো বাঞ্চনীয়। গুৰুত্বপূৰ্ণ কথা যে এনেধৰণৰ ঘটনাক লৈ প্ৰায়েই জাতিগত, ধৰ্মীয় আদি দিশত বাক-বিতণ্ডা বা তিৰ্যক মন্তব্য দেখা পোৱা যায়। ডকমকা কাণ্ডৰ পিছতো অসমত তেনে এক পৰিৱেশ দেখা পোৱা গৈছিল। কিন্তু এনে মন্তব্য বা বাক-বিতণ্ডাসমূহে শেষত জাতিগত; গোষ্ঠীগত সংঘৰ্ষৰ সৃষ্টি কৰে, য'ত পুনৰ সাধাৰণ জনতাৰ মানৱ অধিকাৰ উলংঘা হয়। সেয়ে এইক্ষেত্ৰত সকলোৱেই খুব সাৱধান হোৱা উচিত আৰু প্ৰত্যেকে প্ৰত্যেকৰ অধিকাৰক সন্মান জনাব লাগিব। তেতিয়াহে আমি সকলোৱেই সমানে আৰু শান্তিপূৰ্ণভাৱে মানৱ অধিকাৰসমূহ উপভোগ কৰি . পাৰিম।

❖❖❖




# মানৱ সমাজত নৈতিকতাৰ অভাৱ

**দেৱব্ৰত বৰ্মন**
স্নাতক পঞ্চম ষাণ্মাসিক
দৰ্শন বিভাগ

নৈতিকতা বুলিলে সাধাৰণতে আমি ক'ব পাৰোঁ যে ই এক সংস্কৃতি, যিয়ে মানুহৰ বা আমাৰ মাজৰ চৰিত্ৰৰ পৰিচয়ক বুজায়। নৈতিকতা বা নীতি বহু গুৰুত্বপূৰ্ণ বিষয়। এই শিক্ষাৰ অবিহনে মানৱ জীৱন অপূৰ্ণ। কাৰণ নীতিয়ে আমাৰ ভাল-বেয়াৰ পৰিচয় দাঙি ধৰে। সেয়েহে নৈতিক শিক্ষাৰ বহুলভাৱে প্ৰয়োজন। কাৰণ নৈতিকতাই আমাক ভালদৰে সোঁৱৰাই দিয়ে যে আমাৰ আচাৰ-আচৰণ কেনে হোৱা উচিত।

আমাৰ মানৱ সমাজ এনেকুৱা পৰ্যায়ত আহি উপনীত হৈছে যে কোনোৱে কাকো নিচিনে। অৰ্থাৎ মানুহে অকল নিজৰ বাহিৰে অন্য কথা চিন্তা কৰিব নোৱাৰে। যেনে-যদি কোনো মানুহ এজনৰ কিবা দুৰ্ঘটনা এটা ঘটে বা কোনো এজন অন্ধ মানুহ ৰাস্তা পাৰ হওঁতে আমি সহায় নকৰোঁ। এনে কিছুমান মানুহ আছে, যিসকলৰ ল'ৰা বা ছোৱালী দেখিবলৈ কুৎসিত বা বেয়া হয় সেইসকল ল'ৰা বা ছোৱালীৰ প্ৰতি আমাৰ মনত ঘিণ বা বিৰক্তিকৰ মনোভাব এটা আহি পৰে। আমাৰ সমাজত এনে এটা পৰিস্থিতি আহি পৰিছে যে যি মায়ে আমাক ইমান কষ্ট কৰি এই সুন্দৰ মনোমোহা পৃথিৱীখনলৈ লৈ আনিছে আৰু যি দেউতাই আমাৰ বাবে কি কৰিলে আমি সুখত থাকিব পাৰিম, সেই কথা চিন্তা কৰি ডাঙৰ-দীঘল কৰি পঢ়া-শুনা শিকাইছে, সেই মা-দেউতাক বৃদ্ধ অৱস্থাত ঘৰৰ পৰা বাহিৰ কৰি কোনোবা বৃদ্ধ আশ্ৰমলৈ পঠাই দিওঁ। এনেবোৰ মনোভাৱ কিয় আমাৰ মাজত উদ্ভৱ হৈছে। কেতিয়াবা নিজকে প্ৰশ্ন কৰিছোঁনে? এনেবোৰ প্ৰশ্ন কৰি চালে বুজিব পাৰিম যে আমাৰ মানৱ সমাজৰ পৰা কিদৰে নৈতিকতা আঁতৰি গৈছে। কিয় আমি নিজৰ স্বাৰ্থৰ বাহিৰে আন কথা ভাবিব নোৱাৰোঁ। আজিকালি মানুহে কোনোৱে কাকো বুজিবলৈ চেষ্টা নকৰে। এনে হোৱাৰ ফলত আমাৰ মিলা-প্ৰীতি নাইকীয়া হৈছে আৰু সংঘৰ্ষ বাঢ়ি গৈ আছে।

বিশেষকৈ ঘৰৰ পৰা মা-দেউতা আৰু আন সদস্য বা গুৰুজনৰ পৰাও নৈতিক শিক্ষা পাব পাৰি। যেনে— ডাঙৰক সন্মান কৰিব লাগে, সকলোৰে সৈতে মিলাপ্ৰীতিৰে থাকিবলৈ চেষ্টা কৰিব লাগে আদি এনে কিছুমান নৈতিক শিক্ষা দিয়া হয়। কিন্তু আজিকালি এইবোৰ খুব কম পৰিয়ালতেই দেখা যায়। আজিৰ দিনত ঘৰত এইটোৱেই কয় যে পঢ়া-শুনা কৰি ভাল চাকৰি এটা কৰিবি, ডাক্তৰ-ইঞ্জিনীয়াৰ হ'বি, তহঁতৰে ভৱিষ্যৎ ভাল হ'ব আদি এনে কিছুমান কথা কয়। কিন্তু এইটো নকয় যে এজন ভাল ডাক্তৰ হৈ দুখীয়া মানুহক চিকিৎসা কৰাত সহায়

কৰিবি, এজন ভাল শিক্ষক হৈ ভালদৰে ল'ৰা-ছোৱালীক ভাল শিক্ষাৰ লগতে ভাল কিছুমান নৈতিক জ্ঞান দিবি। এনেবোৰৰ ফলতে আমি হিতাহিত জ্ঞানশূন্য হৈছোঁ। আমি নাভাবোঁ কিছুমান ক্ষেত্ৰত যে আমাৰ কিবা এটা কথাত আনৰ মনত দুখ লাগিব পাৰে। যেনে— কোনোৱে হয়তো অৰ্থৰ অভাৱত ফটা-ছিটা কাপোৰ পিন্ধে বা দুবেলা ভালকৈ খাবও নোৱাৰে, ভাল ভাল খাদ্য খাব নোৱাৰে, কিন্তু সেইবোৰ দেখি তাৰ ওপৰত কিবা এটা বেয়া কথা কওঁ বা কেতিয়াবা এটা বেয়া মনোভাবেৰে হাঁহিও মাৰি দিওঁ। কিন্তু আমি বুজিবলৈ চেষ্টা নকৰোঁ যে মানুহজনৰ সমস্যাটো ক'ত বা কি? কিছুমানৰ আকৌ টকা-পইচা, বিলাসিতাৰ ফলত অহংকাৰৰ সৃষ্টি হয় আৰু কেতিয়াবা গুৰুজনকো সন্মান কৰিবলৈ নিশিকে। আনকি যি শিক্ষকে আমাক পঢ়াইছে সেই শিক্ষকসকলৰ ওচৰেদি গৈ থাকিলে যে এটা নমস্কাৰ দিব লাগে, সেইটোও আমি পাহৰিছোঁ। কাৰণ এই মনোভাব সৃষ্টি হৈছে এটা কাৰণৰ ফলতেই। সেইটো হৈছে নৈতিক শিক্ষাৰ অভাৱ।

শিক্ষা আমি অকল স্কুল-কলেজ আদিৰ পৰা পোৱা কিতাপৰ পঢ়া পঢ়িলেই নহ'ব। সেই পঢ়া পঢ়িলেই এজন আদৰ্শ ব্যক্তি হ'ব নোৱাৰি। আমাৰ স্কুল, কলেজ, বিশ্ববিদ্যালয়ত পঢ়ি থকা শিক্ষাৰ বাহিৰে অন্য বহু কথাও জনাৰ প্ৰয়োজন হয়। সেই শিক্ষা লাভ কৰি হয়তো আমি এটা ভাল চাকৰি কৰি ভাল টকা উপাৰ্জন কৰিব পাৰিম। কিন্তু নৈতিকতা আমি সাধাৰণতে পাব নোৱাৰোঁ; সেইসমূহ পাবৰ বাবে নীতিশিক্ষাৰ প্ৰয়োজন হৈ পৰে। কিন্তু সেই শিক্ষাৰ প্ৰয়োজন আমি বুজিব নোৱাৰোঁ যে মানুহৰ কিবা এটা ভাল কামত যদি আমাৰ দ্বাৰা কোনো ব্যক্তিৰ সহায় লাভ হয় তেন্তে আমাৰ মনত কিমান আনন্দ হয়। ওপৰত প্ৰথমে এটা কথা কোৱা হৈছিল যে 'কোনোৱে কাকো নিচিনে।' অৰ্থাৎ চিনিবলৈ চেষ্টা নকৰে। যেনে কিছুদিন পূৰ্বে কাৰ্বি আংলঙত যি ঘটনা ঘটি গ'ল, সি খুব লাজ লগা। ক'বলৈ গ'লে খুব দুখ লগা ঘটনা। এক কুসংস্কাৰ, অন্ধবিশ্বাসক লৈ যিদৰে সেই ঘটনাটো ঘটিছে সেইটো ঘটনাই ভালদৰে বুজাই দিছে যে আমাৰ নৈতিকতা কেনে ধৰণৰ। দুজনকৈ নিৰীহ যুৱকক কোনোধৰণৰ অপৰাধ নথকা সত্ত্বেও কিদৰে হত্যা কৰা হ'ল। যুৱক দুজনৰ কথা এবাৰৰ বাবেও কোনেও নুশুনিলে। ক'ত হেৰাইছে আমাৰ নৈতিক শিক্ষা-দীক্ষা? এই ঘটনাত অভিজিত আৰু নীলোৎপল এই অসমৰ পৰা চিৰদিনৰ বাবে আঁতৰি গৈছে যদিও এটা বাৰ্তা দি গৈছে যে এজন অসমীয়াৰ প্ৰতি আন এজন অসমীয়াৰ প্ৰেম, মানুহৰ প্ৰতি মানুহৰ আন্তৰিক ভালপোৱা হেৰাই গৈছে। ইয়াৰ বাহিৰেও আমিতো এজন প্ৰকৃত মানুহ হৈ কিয় মানুহৰ দুখ-কষ্ট বুজিব নোৱাৰিলোঁ। ইয়াৰ কাৰণ



আমাৰ নৈতিকতাৰ অভাৱ। কাৰণ নৈতিকতা যদি থাকিলহেঁতেন আমাৰ মাজত তেন্তে এনে পৰিস্থিতি নহ'লহেঁতেন।

আজিকালি ল'ৰা-ছোৱালীৰ উচ্ছৃংখল ব্যৱহাৰ আৰু আচৰণ য'তে-ত'তে দেখা পোৱাৰ অভিযোগ শুনা যায়। শিক্ষানুষ্ঠান, সাংস্কৃতিক মঞ্চ, চিনেমা গৃহ, পাৰ্ক, আমোদ-প্ৰমোদৰ ঠাই আদি সকলোতে অনৈতিক আচৰণ কৰাৰ অভিযোগ শুনা যায়। কোন ঠাইত কেনেধৰণৰ আচাৰ-আচৰণ কৰিব লাগে, সেইটো আজিৰ ল'ৰা-ছোৱালীবোৰে পাহৰি গৈছে। আকৌ টেলিভিছন, বাতৰিকাকত আদিত দেখা যায় যে অন্ধবিশ্বাস-কুসংস্কাৰ আদিৰ ফলত কিমান মানুহৰ হত্যা হৈ আছে। আমি আজিও কিয় এই বিশ্বাসত ওপৰত জীয়াই আছোঁ? এনেবোৰৰ ফলত যে আমাৰ ক্ষতি সাধন হয়, এইটো আমি বুজিব লাগিব। আৰু এটা কথা মনত ৰাখিব লাগিব যে নিজক লৈ কেতিয়াও সুখী হ'ব নোৱাৰি। যিমান পাৰোঁ সিমান একেলগ হৈ মিলা-প্ৰীতিৰে থাকিবলৈ চেষ্টা কৰিব লাগিব। অকল মানুহৰ ক্ষেত্ৰতেই নহয়, মানুহৰ লগতে জীৱ-জন্তু, পশু-পক্ষী আদি সকলোকে ভাল পাব লাগে। ই আমাৰ নৈতিকতাৰ পৰিচয় দাঙি ধৰে। নৈতিকতা বা নীতিশিক্ষাৰ প্ৰতি আমি সকলোৱে মনোনিবেশ কৰা উচিত। কাৰণ নীতিশিক্ষাই আমাৰ জীৱন সলনি কৰিব পাৰে।

স্কুল, কলেজ, বিশ্ববিদ্যালয় আদিৰ শিক্ষাৰ বাহিৰেও নৈতিক শিক্ষাৰে যদি শিক্ষিত হ'ব পাৰি তেতিয়াহে আমি পূৰ্ণাংগ স্বীকৃতি পাব পাৰোঁ। আহক আমি সকলোৱে সকলোৰে প্ৰতি আস্থা আৰু ভালপোৱাৰ ভাব ৰাখোঁ, আহক আমি জ্ঞানৰ প্ৰতি আমাৰ অনুৰাগ বঢ়াওঁ। যদি আমি এই সকলোবোৰ অনৈতিক কাৰ্যৰ পৰা বিৰত থাকিব পাৰোঁ, তেন্তে আমি সকলোৱে এটা স্বাচ্ছন্দ্য পৰিৱেশ গঠন কৰিব পাৰিম, য'ত হিংসা, সংঘৰ্ষ আদি নাথাকিব। যদি এইখিনি কৰিব পাৰোঁ তেন্তে আমি প্ৰত্যেকে আদৰ্শ ব্যক্তি হিচাপে নিজক পৰিচয় দিব পাৰিম।

❖❖❖



# খেল-ধেমালিৰ শিক্ষাগত মূল্য

জগবন্ধু কলিতা
সহকাৰী অধ্যাপক, শিক্ষা বিভাগ

অসমৰ মানুহে অৱসৰ বিনোদন আৰু ৰং-ধেমালিৰ বাবে পৃথিৱীৰ অন্যান্য দেশৰ দৰে ইতিহাসে ঢুকি নোপোৱা কালৰে পৰা বিভিন্ন খেল-ধেমালি কৰি আহিছে। অসমত বাস কৰা বিভিন্ন জাতি-জনজাতিৰ মাজত বহু ধৰণৰ খেল-ধেমালি প্ৰচলিত হৈ আছে। পুৰণি অসমত প্ৰচলিত কিছুসংখ্যক খেল-ধেমালি হৈছে কণীযুঁজ, কড়িখেল, ঘিলাখেল, টাংগুটি, চিলনি-চিলনি খেল, লুকা-ভাকু, দৰা-কইনা, লাঠীখেল, ম'হযুঁজ, কলহভঙা ইত্যাদি। পৰিৱেশ-পৰিস্থিতি সলনি হোৱাৰ লগে লগে পুৰণি খেলবোৰ এতিয়া মাথোঁ প্ৰদৰ্শনীমূলক হিচাপেহে জীয়াই আছে।

বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ বিকাশ আৰু উন্নতিৰ লগে লগে মানুহৰ ৰুচি-অভিৰুচি তথা জীৱনশৈলীৰ পৰিৱৰ্তন হৈছে। বৰ্তমান আমাৰ সমাজত অধিকসংখ্যক ল'ৰা-ছোৱালী বা কিশোৰ-কিশোৰীয়ে অৱসৰ বিনোদনৰ সময়ত শাৰীৰিক খেল-ধেমালি বাদ দি অনবৰত টিভি, মোবাইল ফোন বা কম্পিউটাৰত ব্যস্ত হৈ থকা প্ৰায় দেখিবলৈ পোৱা যায়। অৱশ্যে আধুনিক প্ৰযুক্তিবিদ্যাৰ শিক্ষাগত মূল্য আছে। কিন্তু ইয়াৰ অধিক ব্যৱহাৰে আমাক শাৰীৰিক তথা মানসিকভাৱে ক্ষতিসাধনো কৰিব পাৰে। আনহাতে ল'ৰা-ছোৱালীৰ কায়িক শ্ৰম বা শাৰীৰিক চৰ্চা একেবাৰে কমি যায়। যাৰ ফলত তেওঁলোকে অতি কম বয়সতে বিভিন্ন ধৰণৰ বেমাৰ-আজাৰত আক্ৰান্ত হ'বলগীয়া হৈছে। উল্লেখযোগ্য যে এসময়ত ভবা হৈছিল যে ল'ৰা-ছোৱালীয়ে খেল-ধেমালি কৰা মানে অবাবত সময় নষ্ট কৰা। খেলৰ সলনি ল'ৰা-ছোৱালীক বিদ্যালয়ৰ শিক্ষকৰ অধীনত কটকটীয়া বান্ধোনৰ মাজত ৰাখিহে শিক্ষা দিব লাগে। খেল-ধেমালি, নাচ-গান আদিক বহিঃপাঠ্যক্ৰম বুলি গণ্য কৰা হৈছিল। কিন্তু আধুনিক শিক্ষা ব্যৱস্থাত এইবোৰকো পাঠ্যক্ৰমৰ অংশ হিচাপে বিবেচনা কৰা হৈছে। সেয়ে, শিক্ষাৰ লগতে এই



কাৰ্যসূচীসমূহক সমানে গুৰুত্ব আৰোপ কৰা হয়। অৰ্থাৎ সহ-পাঠ্যক্ৰম বুলিহে এতিয়া ই সমাজত জনপ্ৰিয় হৈ পৰিছে আৰু শিক্ষাগত দিশেৰেও ইয়াক সহ-পাঠ্যক্ৰমিক কাৰ্যসূচী হিচাপে নামকৰণ কৰা হৈছে। আধুনিক শিক্ষা ব্যৱস্থাই কেৱল মানসিক উৎকৰ্ষ সাধনতে সীমাবদ্ধ নাথাকি শাৰীৰিক, মানসিক, আধ্যাত্মিক, আনুভূতিক, সাংস্কৃতিক আদি দিশৰ বিকাশত গুৰুত্ব আৰোপ কৰিবলৈ ধৰিছে। এইবোৰ কাৰ্যসূচীয়ে বৌদ্ধিক বিকাশৰ লগে লগে ব্যক্তিত্বৰ আনুষংগিক দিশবোৰৰ বিকাশ কৰি ব্যক্তিত্বৰ সৰ্বাংগীণ উন্নতি সাধন কৰি পৰিৱেশৰ লগত সুস্থ সমাযোজনত আৰু সমাজত শান্তি স্থাপনত বিশেষ সহায় কৰে। সেয়ে বৰ্তমান বিদ্যালয়সমূহে কেৱল পাঠ্যপুথিৰ বিষয়সমূহ শিকোৱাতে আবদ্ধ নাথাকি বাহিৰত নাচ-গান, খেলা-ধূলা, অভিনয়, তৰ্কসভা আদিৰ ব্যৱস্থা কৰা হৈছে।

ইতিমধ্যে আমাৰ দেশৰ বিভিন্ন খেলুৱৈয়ে খেলজগতত তথা দেশ-বিদেশত বিভিন্ন ক্ৰীড়াত সুনাম আৰু সুখ্যাতি অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। বিশেষকৈ বৰ্তমান বেছি জনপ্ৰিয় খেল যেনে— ফুটবল, ক্ৰিকেট, হকী, বেডমিণ্টন ইত্যাদি। এনেবোৰ দিশ অনুধাৱন কৰি বিশ্বত শান্তি, মিলাপ্ৰীতি আৰু উন্নতিৰ বাবে এতিয়া চৰকাৰেও অধিক গুৰুত্ব দিবলৈ ধৰিছে। তলত খেলৰ শিক্ষাগত মূল্য সম্বন্ধে এক বিশেষ আলোচনা আগবঢ়াবলৈ যত্ন কৰা হৈছে।

খেল-ধেমালি হৈছে মানৱ জীৱনৰ শিশু কালৰ স্বভাৱসুলভ বিকাশৰ এক গুৰুত্বপূৰ্ণ প্ৰৱণতা। এজন শিশুৰ মানসিক, আৱেগিক আৰু সামাজিক বিকাশৰ বিভিন্ন দিশত ই সামূহিক প্ৰভাৱ পেলায়। বিশেষজ্ঞসকলৰ মতে শিশুৰ দেহত অতিৰিক্ত দৈহিক শক্তি-ক্ষমতা সঞ্চিত হৈ থাকে। যাৰ স্বভাৱিক প্ৰকাশ আৰু প্ৰয়োগৰ মাধ্যম হৈছে খেলা। খেল প্ৰৱণতাৰ জৰিয়তে শিশুৰ পুঞ্জীভূত আৱেগ-অনুভূতিবোৰ বন্ধনমুক্ত কৰি মানসিক স্বাস্থ্য ৰক্ষা কৰাত সহায় কৰিব পাৰি।

খেলত সাধাৰণতে তিনিটা লক্ষণ দেখা পোৱা যায়— ১। স্বতঃস্ফূৰ্ততা ২। স্বাধীনতা আৰু ৩। আনন্দ।

১। স্বতঃস্ফূৰ্ততা ঃ সাধাৰণতে দেখা যায় প্ৰত্যেক খেলতে শিশুৱে নিজৰ আগ্ৰহেৰে খেলিবলৈ আগবাঢ়ি আহে আৰু স্বাভাৱিকভাৱে স্ব-ইচ্ছাৰেই খেলত মগ্ন হয়। কোনো কাম কৰোঁতে আনে জোৰ কৰি শিকোৱাৰ দৰে খেলত বল প্ৰয়োগৰ আৱশ্যক নহয় বা কাৰো অনুপ্ৰেৰণা নালাগে। শিশুৱে স্বতঃস্ফূৰ্তভাৱেই খেল আৰম্ভ কৰে।

২। স্বাধীনতা ঃ খেলবিলাকত কোনো বাধা নাথাকে। ইয়াত শিশুৱে সম্পূৰ্ণ স্বাধীনতা উপভোগ কৰিব পাৰে। ইয়াৰ অৰ্থ এয়ে নহয় যে শিশুৱে অবাধ গতিত যি ইচ্ছা তাকে কৰি যাব। প্ৰত্যেক খেলৰে কিছুমান নিয়ম-নীতি আছে আৰু সেই নিয়মৰ মাজেৰে নিজৰ স্বাধীনতা শিশুৱে বজাই ৰাখে।

৩। আনন্দ ঃ খেলৰ মাজেৰে শিশুৱে অতিশয় আনন্দ লাভ কৰে। বাধ্যবাধকতা থকা কামত শিশুৱে বহুত সময়ত বিৰক্তি অনুভৱ কৰে। কিন্তু কোনো বাধা-নিষেধ নোহোৱাকৈ স্বতঃস্ফূৰ্তভাৱে খেলি, খেলৰ মাজেৰে কাম কৰি শিশুৱে বিমল




আনন্দ লাভ কৰিব পাৰে।

খেলৰ বিভিন্ন ধৰণৰ তত্ত্ব বিশ্লেষণ কৰিলে দেখা যায় যে কোনো এটা তত্ত্বই খেলৰ সংজ্ঞা সম্পূৰ্ণভাৱে দিব পৰা নাই। কাৰণ খেল বিভিন্ন ধৰণৰ আৰু বহুতো প্ৰকাৰৰ আছে। য'ত এটা তত্ত্বই গোটেইবোৰ খেলক সামৰিব নোৱাৰে। ইয়াৰে কিছুমান তত্ত্বৰ নাম উল্লেখযোগ্য। যেনে— অতিৰিক্ত শক্তি তত্ত্ব, ভৱিষ্যৎ প্ৰস্তুতিৰ তত্ত্ব, মনোৰঞ্জন তত্ত্ব আদি। মনোৰঞ্জন তত্ত্ব মতে, খেলৰ মাজেৰে মানুহৰ মনত আনন্দ লাভৰ উপৰি ক্ষয় হোৱা শক্তি আৰু উৎসাহ পুনৰ উদ্ধাৰ কৰা হয়। স্কুলৰ পৰা ভাগৰত অহা ল'ৰা-ছোৱালীক খেলৰ কথা ক'লে তৎক্ষণাত সজীৱ হৈ পৰে আৰু পিছত আগৰ ক্লান্ত ভাব আৰু নেদেখুৱায়। বৰ্তমান সমাজৰ প্ৰত্যেক ব্যক্তিয়ে অতিশয় মানসিক কষ্ট, মানসিক চিন্তা বা চাপ আৰু সংঘাতত থাকিবলগীয়া হয়। মানসিক কাম বা চাপে দেহলৈ অধিক ক্লান্তি আৰু ভাগৰ আনে। কিন্তু শাৰীৰিক শক্তিৰ পৰিচালনাৰে মানসিক ক্লান্তি আৰু ভাগৰ গুচাবলৈ খেলৰ অতিশয় প্ৰয়োজন হৈ পৰে। দেখা যায় দিনটো কাম কৰি ক্লান্ত হৈ অহা মানুহেও অলপ সময়ৰ কাৰণে যিকোনো খেল খেলি নতুন শক্তি, সজীৱতা আৰু আনন্দ মনলৈ আনিব পাৰে। সাধাৰণতে শিশু, কিশোৰ-কিশোৰীসকলে খেলৰ মাজেৰে নিজক প্ৰকাশ কৰা, শক্তি বিকাশ কৰাৰ আৰু পৰিৱেশৰ লগত নিজকে খাপ খুওৱাৰ সুবিধাখিনি লাভ কৰিব পাৰে।

**খেলৰ প্ৰয়োজনীয়তা ঃ**

**শাৰীৰিক প্ৰয়োজনীয়তা ঃ** আৱেগিকভাৱে কোনো শিশু খেলত প্ৰবৃত্ত হ'লেও দেখা যায় খেলৰ মাজেৰে শাৰীৰিক সক্ষমতা লাভ কৰিব পৰা যায়। বিভিন্ন খেলৰ জৰিয়তে মানুহৰ মাংসপেশী, অংগ-প্ৰত্যংগ আদিৰ সঞ্চালন আৰু সংযোগ স্থাপন হয়। দেহৰ ৰক্ত সঞ্চালনৰ বাহিৰেও শৰীৰত ৰোগ প্ৰতিৰোধ ক্ষমতা, কাম-কাজৰ দক্ষতা আৰু কাম কৰাৰ ক্ষমতা বৃদ্ধি হয়। খেলৰ মাজেৰে ভাল অভ্যাস গঠন কৰা আৰু স্বাস্থ্য ৰক্ষা সহজে কৰিব পৰা যায়।

**মানসিক উন্নতিৰ বাবে ঃ** খেলৰ মাজেৰেই শিশুৱে কৌতূহল প্ৰবৃত্তি চৰিতাৰ্থ কৰিব বিচাৰে। পৰিৱেশত দেখা বস্তু জানিবলৈ, শিকিবলৈ, বিভিন্ন বস্তু পৰীক্ষা-নিৰীক্ষা কৰি আৰু বিশ্লেষণ কৰি বুজাবলৈ যত্ন কৰে। শিশুসকলে দেখুওৱা কৌতূহলে, ডাঙৰলৈ সিহঁতক জটিল বস্তু আৱিষ্কাৰ কৰা, নতুন নতুন তথ্য জনা আৰু নতুন তথ্য উদঘাটন কৰাত অতিশয় তৎপৰ কৰি তোলে। ইয়াৰ লগতে সিহঁতৰ চিন্তা, যুক্তি আৰু কল্পনা শক্তিৰো বিকাশ ঘটায়।

**সামাজিক দক্ষতা বৃদ্ধিৰ বাবে ঃ** শৈশৱ কালত শিশুৱে অকলে খেলি ভাল পায় যদিও ডাঙৰৰ উৎসাহজনক সহায়-সমৰ্থন বিচাৰে। কিন্তু ডাঙৰ হোৱাৰ লগে লগে সিহঁতে দলৰ লগত খেলিবলৈ লগৰীয়া বিচাৰে। এই ধৰণে দলীয় খেলবোৰত সিহঁতে স্বতঃস্ফূৰ্তভাৱে খেলৰ নিৰ্দিষ্ট নীতি-নিয়মবোৰ মানি চলে। দলীয় খেলৰ মাজেৰে সিহঁতে নিজৰ স্বাৰ্থ বাদ দি দলৰ বাবে চিন্তা-চৰ্চা কৰে, সহযোগ-সহানুভূতি দেখুৱায় আৰু দলটো জিকিবৰ বাবে প্ৰয়োজনীয় দক্ষতা লাভ কৰাত প্ৰাধান্য দিয়ে। মুঠতে দলীয় খেলক ভালদৰে পৰিচালিত কৰিলে ই সামাজিক দক্ষতা বঢ়োৱাত বহুখিনি সহায় কৰে।

**আনুভূতিক দিশৰ প্ৰকাশৰ বাবে ঃ** কল্পনাপ্ৰৱণতা শিশুসকলৰ এটা প্ৰধান বৈশিষ্ট্য। তেওঁলোকৰ মনত চলি থকা বাহিৰৰ জগতৰ লগত সংঘাত-সংঘৰ্ষ বা ভাব-কল্পনা বিভিন্ন খেলৰ মাজেৰে প্ৰকাশ কৰিবলৈ বিচাৰে। আচলতে এই সময়ত বাস্তৱৰ পৰা হাত সাৰিবলৈ ভাও জোৰা বা কল্পনাতে বিশ্বাস কৰাটো অতিশয় প্ৰয়োজন। যেনে ৰেলিংখনক ঘোঁৰা সজাই, চকীখনক ৰাজসিংহাসন কৰি, কাঠৰ বস্তুক গাড়ী-মটৰ, নাও-জাহাজ সজাই সিহঁতে কল্পনাতে অতিশয় আনন্দ লাভ কৰে আৰু সিহঁতৰ মানসিক দিগন্তও বহলাই তোলে। খেল-ধেমালিয়ে মনত শান্তি আৰু প্ৰগতিও কঢ়িয়াই আনিব পাৰে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে খেল হৈছে শিশু

শিক্ষাৰ এক সহজ আৰু শক্তিশালী মাধ্যম। এই মাধ্যম প্ৰয়োগৰ ক্ষেত্ৰত বিভিন্ন পদ্ধতিৰ বিষয়ে শিক্ষাবিদসকলে উল্লেখ কৰিছে। যেনে কিণ্ডাৰগাৰ্টেন পদ্ধতি, মণ্টেছৰী পদ্ধতি, প্ৰকল্প পদ্ধতি, ডল্টন পদ্ধতি, হিউৰিষ্টিক পদ্ধতি আদি।

ইয়াত দেখা যায় যে এক স্বাভাৱিক, মুক্ত আৰু প্ৰাকৃতিক পৰিৱেশ ৰচনা কৰি শিশুৰ স্বভাৱসুলভ স্বতঃস্ফূৰ্ত আত্মপ্ৰকাশ আৰু বিকাশৰ ব্যৱস্থা কৰা হয়। শিশুসকলক উদ্যানত থকা সৰু সৰু গছৰ পুলি আৰু শিক্ষকক একোজন যত্নৱান মালী হিচাপে ধৰি লোৱা হয়। যাৰ যোগেদি শিশুৰ দৈহিক, মানসিক, সামাজিক আৰু আৱেগিক বিকাশো সম্ভৱ হয়।

মণ্টেছৰী পদ্ধতিত শিশুৰ খেল প্ৰৱণতাক এক উদ্দেশ্যপ্ৰণোদিত আৰু বিজ্ঞানসন্মতভাৱে প্ৰয়োগ কৰা দেখা যায়। ইয়াত খেলা-ধূলাৰ আহিলাসমূহক আত্মনিৰ্দেশনামূলক সঁজুলি স্বৰূপে নামকৰণ কৰা হৈছে। এই সঁজুলিবোৰে খেলাৰ চলেৰে শিশুৰ জ্ঞানেন্দ্ৰিয়বোৰৰ শৈক্ষিক অনুশীলনৰ কাম কৰিব পাৰে। এই পদ্ধতিৰ যোগে শিশু শিক্ষা ব্যক্তিকেন্দ্ৰিক, স্বতঃপ্ৰণোদিত, আত্মশিক্ষা আৰু আত্মক্ৰিয়া নীতি গ্ৰহণ কৰা দেখা যায়। শিশুৰ মানসিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি সঁজুলিসমূহ পৰ্যায়ক্ৰমে প্ৰস্তুত কৰা হৈছে।

প্ৰথমে আহোঁ প্ৰকল্প পদ্ধতিৰ প্ৰসংগলৈ। বিল পেট্ৰিকে শিশুৰ শিক্ষাক অভিজ্ঞতালব্ধ, অৰ্থপূৰ্ণ আৰু প্ৰয়োজনভিত্তিক কৰি তুলিবলৈ এই প্ৰকল্প পদ্ধতি উদ্ভাৱন কৰিছিল। ইয়াত শিশুৱে ক্ৰীড়াত অংশগ্ৰহণ কৰিবৰ বাবে বাস্তৱ প্ৰয়োজনৰ উপলব্ধি, ক্ৰীড়াৰ স্বতঃস্ফূৰ্ত সহযোগিতা, আগ্ৰহ, অভিৰুচি, স্বাধীনতা আৰু নিজ দায়িত্ববোধ ভাব যোগাই তোলাৰ ওপৰত গুৰুত্ব দিয়া হয়। ইয়াত ছাত্ৰই একো একোটা শিক্ষণীয় বিষয় বা সমস্যা নিৰ্বাচন কৰি লয়। আকৌ তাৰ ক্ৰিয়া-আঁচনি নিজে প্ৰস্তুত কৰি আৰু দলগতভাৱে সহযোগিতাৰ মনোভাবেৰে আঁচনিখন সম্পাদন কৰে। শিক্ষকে ইয়াত ছাত্ৰসকলৰ বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক হিচাপে নেপথ্যৰ ভূমিকা গ্ৰহণ কৰে। একেদৰে ডল্টন আঁচনিত মিছ হেলেন পাৰ্কষ্টয়ে খেলাপ্ৰৱণ পদ্ধতিৰ নীতি আৰু পদ্ধতিৰ দ্বাৰা মৌলিকভাৱে গুৰুত্ব প্ৰদান কৰিছে। এই পদ্ধতিত প্ৰচলিত শ্ৰেণীকক্ষৰ শিক্ষা ব্যৱস্থা পৰিহাৰ কৰি প্ৰয়োগশালাৰ পৰিৱেশত কাৰ্যকৰীভাৱে বিষয় শিক্ষাৰ ব্যৱস্থা কৰা হৈছে। গতানুগতিক শিক্ষাৰ বিপৰীতে ছাত্ৰ-ছাত্ৰীৰ স্বাধীনতা নিজ নিজ ক্ষমতা আৰু যোগ্যতা ক্ৰিয়াৰ দায়িত্ববোধ ভাব যোগাই তোলাৰ প্ৰতি বিশেষ দৃষ্টি ৰখা হৈছে। এই পদ্ধতি মণ্টেছৰী শিক্ষানীতিৰ দ্বাৰা প্ৰভাৱিত হৈ মাধ্যমিক স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ব্যক্তিকেন্দ্ৰিক শিক্ষা আঁচনি গঢ় দি তোলে। ইয়াত সমূহীয়া শ্ৰেণী পৰিৱেশ প্ৰয়োগশালাৰ কৰ্মক্ষেত্ৰলৈ ৰূপান্তৰিত কৰা হয়। শিক্ষকে আৱশ্যক মতে নিৰ্দেশনা আৰু পৰামৰ্শ দিব লাগে।

আনহাতে আৰ্মষ্ট্ৰিং নামৰ এজন শিক্ষকে বিজ্ঞান শিক্ষাৰ বাবে প্ৰথমে হিউৰিষ্টিক পদ্ধতি নামেৰে এটা পদ্ধতি প্ৰয়োগ কৰিছিল। ই এক উদ্ভাৱনীমূলক পদ্ধতি। ইয়াত পুথি অধ্যয়ন, শিক্ষকৰ নিৰ্দেশনা অথবা অনান্য উপায়ে লাভ কৰা জ্ঞান বা তথ্যসমূহ অন্ধ আৰু যুক্তিহীনভাৱে মানি লৈ শিশুৱে তাৰ গ্ৰহণযোগ্যতাখিনি নিজে উদ্ভাৱন কৰি ল'ব লাগে। ছাত্ৰ-ছাত্ৰীয়ে ইয়াত মৌলিকভাৱে উদ্ভাৱন কৰা আনন্দ আৰু ব্যক্তি-স্বাধীনতা উপভোগ কৰিব পাৰে। শিশুৰ মনক স্বাধীন চিন্তা, বিজ্ঞানসন্মত আৰু যুক্তিসংগত দৃষ্টিভংগীৰে সৰুৰে পৰা গঢ় দি তোলাটোৱেই এই পদ্ধতিৰ মূল লক্ষ্য।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে আধুনিক শিশু শিক্ষা খেলা পদ্ধতিৰ পক্ষপাতী। অৱশ্যে এই পদ্ধতিৰ কিছুমান দুৰ্বলতাৰ প্ৰতি আমি সমূলি আওকণীয়া হৈ থাকিব নোৱাৰোঁ। বিশেষকৈ এই পদ্ধতি প্ৰয়োগ কৰাৰ বেলিকা সূক্ষ্ম মনোবিজ্ঞানিক দৃষ্টিকোণসমূহৰ প্ৰতি সচেতন, প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক, ইয়াৰ সা-সামগ্ৰীৰ ব্যয়বহুলতা, উপযুক্ত পৰিচালনা আৰু কেনেধৰণৰ বিষয় এই পদ্ধতিৰে শিকোৱাটো সম্ভৱ হ'ব আদি দিশবোৰৰ বিচাৰ-বিবেচনাৰ অত্যন্ত প্ৰয়োজনীয়। যদিও ইয়াৰ কিছুমান সবল-দুৰ্বল দিশ আছে, তথাপি আমি শিক্ষাত খেলৰ প্ৰয়োগত অধিক সচেতন হোৱা উচিত। যাতে উদ্দেশ্যবিহীন আৰু অপৰিপক্কভাৱে কৰা প্ৰয়োগে ছাত্ৰ-ছাত্ৰীৰ ক্ষতি সাধন কৰিব নোৱাৰে। বৰ্তমান বিজ্ঞান-প্ৰযুক্তিবিদ্যাই কিশোৰ-কিশোৰীসকলৰ খেলৰ প্ৰতি ৰুচিবোধ সলনি কৰা দেখিবলৈ পোৱা যায়। খেলৰ মাজেৰে মানসিক বিকাশৰ লগত শাৰীৰিক স্বাস্থ্য বা অন্যান্য দিশো যে জড়িত হৈ আছে তাৰ প্ৰতি সতৰ্ক কৰি দিব লগা হৈছে। খেলাই যে বৃত্তি বা পেশা হিচাপে সুন্দৰ ভৱিষ্যৎ গঢ় দি তুলিব পাৰে তাৰ প্ৰতি মনোনিবেশ কৰা উচিত। সেয়ে এনে স্বতঃস্ফূৰ্ত আনন্দদায়ক প্ৰৱণতাক শিক্ষাত গঠনাত্মক প্ৰয়োগ কৰি সুফল সুখ্যাতি লাভ কৰাটোৱেই এই প্ৰবন্ধটোৰ মূল উদ্দেশ্য।

❖❖❖



# দুধনৈ মহাবিদ্যালয়ৰ পদব্ৰজ পকী দলং 'সমন্বয় সেঁতু'ৰ ইতিবৃত্ত

**তৰুণ চন্দ্ৰ চাংমাই**
অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক
প্ৰাণী বিজ্ঞান বিভাগ
**বীৰবল বড়ো**
সহযোগী অধ্যাপক
ভূগোল বিভাগ

বৰ্তমান অসমৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত দুধনৈ মহাবিদ্যালয়ে এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। যিসকল শিক্ষানুৰাগী স্থানীয় খনিকৰে এই মহাবিদ্যালয়খন গঢ়ি তুলি উচ্চ শিক্ষা সম্প্ৰসাৰণত অনবদ্য অৱদান আগবঢ়াই ইহলীলা সম্বৰণ কৰিলে বা এতিয়াও জীৱিত আছে তেখেতসকললৈ আন্তৰিক সশ্ৰদ্ধ প্ৰণাম নিৱেদন কৰিছোঁ। ১৯৭২ চনত কেৱল কলা শাখাৰে আৰম্ভ হোৱা মহাবিদ্যালয়খন ১৯৭৪ চনত দুধনৈ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰত থকা অস্থায়ী ব্যৱস্থাৰ পৰা বৰ্তমানে থকা স্থায়ী স্থানলৈ স্থানান্তৰিত হয়। মনোৰম প্ৰাকৃতিক পৰিৱেশেৰে পৰিবেষ্টিত আৰু সুশোভিত এই মহাবিদ্যালয়ত বৰ্তমান কলা, বিজ্ঞান আৰু বাণিজ্য—এই তিনিওটা শাখাত প্ৰায় পঁচিশ শ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে।

মহাবিদ্যালয়ৰ প্ৰশাসনীয় ভৱন, গ্ৰন্থাগাৰ আৰু একাংশ শৈক্ষিক ভৱনৰ পূবফালে এটি অশ্বখুৰাকৃতিৰ প্ৰাকৃতিকভাৱে



কাৰ্যসূচীসমূহক সমানে গুৰুত্ব আৰোপ কৰা হয়। অৰ্থাৎ সহ-পাঠ্যক্ৰম বুলিহে এতিয়া ই সমাজত জনপ্ৰিয় হৈ পৰিছে আৰু শিক্ষাগত দিশেৰেও ইয়াক সহ-পাঠ্যক্ৰমিক কাৰ্যসূচী হিচাপে নামকৰণ কৰা হৈছে। আধুনিক শিক্ষা ব্যৱস্থাই কেৱল মানসিক উৎকৰ্ষ সাধনতে সীমাবদ্ধ নাথাকি শাৰীৰিক, মানসিক, আধ্যাত্মিক, আনুভূতিক, সাংস্কৃতিক আদি দিশৰ বিকাশত গুৰুত্ব আৰোপ কৰিবলৈ ধৰিছে। এইবোৰ কাৰ্যসূচীয়ে বৌদ্ধিক বিকাশৰ লগে লগে ব্যক্তিত্বৰ আনুষংগিক দিশবোৰৰ বিকাশ কৰি ব্যক্তিত্বৰ সৰ্বাংগীণ উন্নতি সাধন কৰি পৰিৱেশৰ লগত সুস্থ সমাযোজনত আৰু সমাজত শান্তি স্থাপনত বিশেষ সহায় কৰে। সেয়ে বৰ্তমান বিদ্যালয়সমূহে কেৱল পাঠ্যপুথিৰ বিষয়সমূহ শিকোৱাতে আবদ্ধ নাথাকি বাহিৰত নাচ-গান, খেলা-ধূলা, অভিনয়, তৰ্কসভা আদিৰ ব্যৱস্থা কৰা হৈছে।

ইতিমধ্যে আমাৰ দেশৰ বিভিন্ন খেলুৱৈয়ে খেলজগতত তথা দেশ-বিদেশত বিভিন্ন ক্ৰীড়াত সুনাম আৰু সুখ্যাতি অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। বিশেষকৈ বৰ্তমান বেছি জনপ্ৰিয় খেল যেনে— ফুটবল, ক্ৰিকেট, হকী, বেডমিণ্টন ইত্যাদি। এনেবোৰ দিশ অনুধাৱন কৰি বিশ্বত শান্তি, মিলাপ্ৰীতি আৰু উন্নতিৰ বাবে এতিয়া চৰকাৰেও অধিক গুৰুত্ব দিবলৈ ধৰিছে। তলত খেলৰ শিক্ষাগত মূল্য সম্বন্ধে এক বিশেষ আলোচনা আগবঢ়াবলৈ যত্ন কৰা হৈছে।

খেল-ধেমালি হৈছে মানৱ জীৱনৰ শিশু কালৰ স্বভাৱসুলভ বিকাশৰ এক গুৰত্বপূৰ্ণ প্ৰৱণতা। এজন শিশুৰ মানসিক, আৱেগিক আৰু সামাজিক বিকাশৰ বিভিন্ন দিশত ই সামূহিক প্ৰভাৱ পেলায়। বিশেষজ্ঞসকলৰ মতে শিশুৰ দেহত অতিৰিক্ত দৈহিক শক্তি-ক্ষমতা সঞ্চিত হৈ থাকে। যাৰ স্বভাৱিক প্ৰকাশ আৰু প্ৰয়োগৰ মাধ্যম হৈছে খেলা। খেল প্ৰৱণতাৰ জৰিয়তে শিশুৰ পুঞ্জীভূত আৱেগ-অনুভূতিবোৰ বন্ধনমুক্ত কৰি মানসিক স্বাস্থ্য ৰক্ষা কৰাত সহায় কৰিব পাৰি।

খেলত সাধাৰণতে তিনিটা লক্ষণ দেখা পোৱা যায়— ১। স্বতঃস্ফূৰ্ততা ২। স্বাধীনতা আৰু ৩। আনন্দ।

১। স্বতঃস্ফূৰ্ততা ঃ সাধাৰণতে দেখা যায় প্ৰত্যেক খেলতে শিশুৱে নিজৰ আগ্ৰহেৰে খেলিবলৈ আগবাঢ়ি আহে আৰু স্বাভাৱিকভাৱে স্ব-ইচ্ছাৰেই খেলত মগ্ন হয়। কোনো কাম কৰোঁতে আনে জোৰ কৰি শিকোৱাৰ দৰে খেলত বল প্ৰয়োগৰ আৱশ্যক নহয় বা কাৰো অনুপ্ৰেৰণা নালাগে। শিশুৱে স্বতঃস্ফূৰ্তভাৱেই খেল আৰম্ভ কৰে।

২। স্বাধীনতা ঃ খেলবিলাকত কোনো বাধা নাথাকে। ইয়াত শিশুৱে সম্পূৰ্ণ স্বাধীনতা উপভোগ কৰিব পাৰে। ইয়াৰ অৰ্থ এয়ে নহয় যে শিশুৱে অবাধ গতিত যি ইচ্ছা তাকে কৰি যাব। প্ৰত্যেক খেলৰে কিছুমান নিয়ম-নীতি আছে আৰু সেই নিয়মৰ মাজেৰে নিজৰ স্বাধীনতা শিশুৱে বজাই ৰাখে।

৩। আনন্দ ঃ খেলৰ মাজেৰে শিশুৱে অতিশয় আনন্দ লাভ কৰে। বাধ্যবাধকতা থকা কামত শিশুৱে বহুত সময়ত বিৰক্তি অনুভৱ কৰে। কিন্তু কোনো বাধা-নিষেধ নোহোৱাকৈ স্বতঃস্ফূৰ্তভাৱে খেলি, খেলৰ মাজেৰে কাম কৰি শিশুৱে বিমল




আনন্দ লাভ কৰিব পাৰে।

খেলৰ বিভিন্ন ধৰণৰ তত্ত্ব বিশ্লেষণ কৰিলে দেখা যায় যে কোনো এটা তত্ত্বই খেলৰ সংজ্ঞা সম্পূৰ্ণভাৱে দিব পৰা নাই। কাৰণ খেল বিভিন্ন ধৰণৰ আৰু বহুতো প্ৰকাৰৰ আছে। য'ত এটা তত্ত্বই গোটেইবোৰ খেলক সামৰিব নোৱাৰে। ইয়াৰে কিছুমান তত্ত্বৰ নাম উল্লেখযোগ্য। যেনে— অতিৰিক্ত শক্তি তত্ত্ব, ভৱিষ্যৎ প্ৰস্তুতিৰ তত্ত্ব, মনোৰঞ্জন তত্ত্ব আদি। মনোৰঞ্জন তত্ত্ব মতে, খেলৰ মাজেৰে মানুহৰ মনত আনন্দ লাভৰ উপৰি ক্ষয় হোৱা শক্তি আৰু উৎসাহ পুনৰ উদ্ধাৰ কৰা হয়। স্কুলৰ পৰা ভাগৰত অহা ল'ৰা-ছোৱালীক খেলৰ কথা ক'লে তৎক্ষাণত সজীৱ হৈ পৰে আৰু পিছত আগৰ ক্লান্ত ভাব আৰু নেদেখুৱায়। বৰ্তমান সমাজৰ প্ৰত্যেক ব্যক্তিয়ে অতিশয় মানসিক কষ্ট, মানসিক চিন্তা বা চাপ আৰু সংঘাতত থাকিবলগীয়া হয়। মানসিক কাম বা চাপে দেহলৈ অধিক ক্লান্তি আৰু ভাগৰ আনে। কিন্তু শাৰীৰিক শক্তিৰ পৰিচালনাৰে মানসিক ক্লান্তি আৰু ভাগৰ গুচাবলৈ খেলৰ অতিশয় প্ৰয়োজন হৈ পৰে। দেখা যায় দিনটো কাম কৰি ক্লান্ত হৈ অহা মানুহেও অলপ সময়ৰ কাৰণে যিকোনো খেল খেলি নতুন শক্তি, সজীৱতা আৰু আনন্দ মনলৈ আনিব পাৰে। সাধাৰণতে শিশু, কিশোৰ-কিশোৰীসকলে খেলৰ মাজেৰে নিজক প্ৰকাশ কৰা, শক্তি বিকাশ কৰাৰ আৰু পৰিৱেশৰ লগত নিজকে খাপ খুওৱাৰ সুবিধাখিনি লাভ কৰিব পাৰে।

**খেলৰ প্ৰয়োজনীয়তা ঃ**

**শাৰীৰিক প্ৰয়োজনীয়তা ঃ** আৱেগিকভাৱে কোনো শিশু খেলত প্ৰবৃত্ত হ'লেও দেখা যায় খেলৰ মাজেৰে শাৰীৰিক সক্ষমতা লাভ কৰিব পৰা যায়। বিভিন্ন খেলৰ জৰিয়তে মানুহৰ মাংসপেশী, অংগ-প্ৰত্যংগ আদিৰ সঞ্চালন আৰু সংযোগ স্থাপন হয়। দেহৰ ৰক্ত সঞ্চালনৰ বাহিৰেও শৰীৰত ৰোগ প্ৰতিৰোধ ক্ষমতা, কাম-কাজৰ দক্ষতা আৰু কাম কৰাৰ ক্ষমতা বৃদ্ধি হয়। খেলৰ মাজেৰে ভাল অভ্যাস গঠন কৰা আৰু স্বাস্থ্য ৰক্ষা সহজে কৰিব পৰা যায়।

**মানসিক উন্নতিৰ বাবে ঃ** খেলৰ মাজেৰেই শিশুৱে কৌতূহল প্ৰবৃত্তি চৰিতাৰ্থ কৰিব বিচাৰে। পৰিৱেশত দেখা বস্তু জানিবলৈ, শিকিবলৈ, বিভিন্ন বস্তু পৰীক্ষা-নিৰীক্ষা কৰি আৰু বিশ্লেষণ কৰি বুজাবলৈ যত্ন কৰে। শিশুসকলে দেখুওৱা কৌতূহলে, ডাঙৰলৈ সিহঁতক জটিল বস্তু আৱিষ্কাৰ কৰা, নতুন নতুন তথ্য জনা আৰু নতুন তথ্য উদঘাটন কৰাত অতিশয় তৎপৰ কৰি তোলে। ইয়াৰ লগতে সিহঁতৰ চিন্তা, যুক্তি আৰু কল্পনা শক্তিৰো বিকাশ ঘটায়।

**সামাজিক দক্ষতা বৃদ্ধিৰ বাবে ঃ** শৈশৱ কালত শিশুৱে অকলে খেলি ভাল পায় যদিও ডাঙৰৰ উৎসাহজনক সহায়-সমৰ্থন বিচাৰে। কিন্তু ডাঙৰ হোৱাৰ লগে লগে সিহঁতে দলৰ লগত খেলিবলৈ লগৰীয়া বিচাৰে। এই ধৰণে দলীয় খেলবোৰত সিহঁতে স্বতঃস্ফূৰ্তভাৱে খেলৰ নিৰ্দিষ্ট নীতি-নিয়মবোৰ মানি চলে। দলীয় খেলৰ মাজেৰে সিহঁতে নিজৰ স্বাৰ্থ বাদ দি দলৰ বাবে চিন্তা-চৰ্চা কৰে, সহযোগ-সহানুভূতি দেখুৱায় আৰু দলটো জিকিবৰ বাবে প্ৰয়োজনীয় দক্ষতা লাভ কৰাত প্ৰাধান্য দিয়ে। মুঠতে দলীয় খেলক ভালদৰে পৰিচালিত কৰিলে ই সামাজিক দক্ষতা বঢ়োৱাত বহুখিনি সহায় কৰে।

**আনুভূতিক দিশৰ প্ৰকাশৰ বাবে ঃ** কল্পনাপ্ৰৱণতা শিশুসকলৰ এটা প্ৰধান বৈশিষ্ট্য। তেওঁলোকৰ মনত চলি থকা বাহিৰৰ জগতৰ লগত সংঘাত-সংঘৰ্ষ বা ভাব-কল্পনা বিভিন্ন খেলৰ মাজেৰে প্ৰকাশ কৰিবলৈ বিচাৰে। আচলতে এই সময়ত বাস্তৱৰ পৰা হাত সাৰিবলৈ ভাও জোৰা বা কল্পনাতে বিশ্বাস কৰাটো অতিশয় প্ৰয়োজন। যেনে ৰেলিংখনক ঘোঁৰা সজাই, চকীখনক ৰাজসিংহাহন কৰি, কাঠৰ বস্তুক গাড়ী-মটৰ, নাও-জাহাজ সজাই সিহঁতে কল্পনাতে অতিশয় আনন্দ লাভ কৰে আৰু সিহঁতৰ মানসিক দিগন্তও বহলাই তোলে। খেল-ধেমালিয়ে মনত শান্তি আৰু প্ৰগতিও কঢ়িয়াই আনিব পাৰে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে খেল হৈছে শিশু

শিক্ষাৰ এক সহজ আৰু শক্তিশালী মাধ্যম। এই মাধ্যম প্ৰয়োগৰ ক্ষেত্ৰত বিভিন্ন পদ্ধতিৰ বিষয়ে শিক্ষাবিদসকলে উল্লেখ কৰিছে। যেনে কিণ্ডাৰগাৰ্টেন পদ্ধতি, মণ্টেছৰী পদ্ধতি, প্ৰকল্প পদ্ধতি, ডল্টন পদ্ধতি, হিউৰিষ্টিক পদ্ধতি আদি।

ইয়াত দেখা যায় যে এক স্বাভাৱিক, মুক্ত আৰু প্ৰাকৃতিক পৰিৱেশ ৰচনা কৰি শিশুৰ স্বভাৱসুলভ স্বতঃস্ফূৰ্ত আত্মপ্ৰকাশ আৰু বিকাশৰ ব্যৱস্থা কৰা হয়। শিশুসকলক উদ্যানত থকা সৰু সৰু গছৰ পুলি আৰু শিক্ষকক একোজন যত্নৱান মালী হিচাপে ধৰি লোৱা হয়। যাৰ যোগেদি শিশুৰ দৈহিক, মানসিক, সামাজিক আৰু আৱেগিক বিকাশো সম্ভৱ হয়।

মণ্টেছৰী পদ্ধতিত শিশুৰ খেল প্ৰৱণতাক এক উদ্দেশ্যপ্ৰণোদিত আৰু বিজ্ঞানসন্মতভাৱে প্ৰয়োগ কৰা দেখা যায়। ইয়াত খেলা-ধূলাৰ আহিলাসমূহক আত্মনিৰ্দেশনামূলক সঁজুলি স্বৰূপে নামকৰণ কৰা হৈছে। এই সঁজুলিবোৰে খেলাৰ চলেৰে শিশুৰ জ্ঞানেন্দ্ৰিয়বোৰৰ শৈক্ষিক অনুশীলনৰ কাম কৰিব পাৰে। এই পদ্ধতিৰ যোগে শিশু শিক্ষা ব্যক্তিকেন্দ্ৰিক, স্বতঃপ্ৰণোদিত, আত্মশিক্ষা আৰু আত্মক্ৰিয়া নীতি গ্ৰহণ কৰা দেখা যায়। শিশুৰ মানসিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি সঁজুলিসমূহ পৰ্যায়ক্ৰমে প্ৰস্তুত কৰা হৈছে।

প্ৰথমে আহোঁ প্ৰকল্প পদ্ধতিৰ প্ৰসংগলৈ। বিল পেট্ৰিকে শিশুৰ শিক্ষাক অভিজ্ঞতালব্ধ, অৰ্থপূৰ্ণ আৰু প্ৰয়োজনভিত্তিক কৰি তুলিবলৈ এই প্ৰকল্প পদ্ধতি উদ্ভাৱন কৰিছিল। ইয়াত শিশুৱে ক্ৰীড়াত অংশগ্ৰহণ কৰিবৰ বাবে বাস্তৱ প্ৰয়োজনৰ উপলব্ধি, ক্ৰীড়াৰ স্বতঃস্ফূৰ্ত সহযোগিতা, আগ্ৰহ, অভিৰুচি, স্বাধীনতা আৰু নিজ দায়িত্ববোধ ভাব যোগাই তোলাৰ ওপৰত গুৰুত্ব দিয়া হয়। ইয়াত ছাত্ৰই একো একোটা শিক্ষণীয় বিষয় বা সমস্যা নিৰ্বাচন কৰি লয়। আকৌ তাৰ ক্ৰিয়া-আঁচনি নিজে প্ৰস্তুত কৰি আৰু দলগতভাৱে সহযোগিতাৰ মনোভাবেৰে আঁচনিখন সম্পাদন কৰে। শিক্ষকে ইয়াত ছাত্ৰসকলৰ বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক হিচাপে নেপথ্যৰ ভূমিকা গ্ৰহণ কৰে। একেদৰে ডল্টন আঁচনিত মিছ হেলেন পাৰ্কষ্টয়ে খেলাপ্ৰৱণ পদ্ধতিৰ নীতি আৰু পদ্ধতিৰ দ্বাৰা মৌলিকভাৱে গুৰুত্ব প্ৰদান কৰিছে। এই পদ্ধতিত প্ৰচলিত শ্ৰেণীকক্ষৰ শিক্ষা ব্যৱস্থা পৰিহাৰ কৰি প্ৰয়োগশালাৰ পৰিৱেশত কাৰ্যকৰীভাৱে বিষয় শিক্ষাৰ ব্যৱস্থা কৰা হৈছে। গতানুগতিক শিক্ষাৰ বিপৰীতে ছাত্ৰ-ছাত্ৰীৰ স্বাধীনতা নিজ নিজ ক্ষমতা আৰু যোগ্যতা ক্ৰিয়াৰ দায়িত্ববোধ ভাব যোগাই তোলাৰ প্ৰতি বিশেষ দৃষ্টি ৰখা হৈছে। এই পদ্ধতি মণ্টেছৰী শিক্ষানীতিৰ দ্বাৰা প্ৰভাৱিত হৈ মাধ্যমিক স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ব্যক্তিকেন্দ্ৰিক শিক্ষা আঁচনি গঢ় দি তোলে। ইয়াত সমূহীয়া শ্ৰেণী পৰিৱেশ প্ৰয়োগশালাৰ কৰ্মক্ষেত্ৰলৈ ৰূপান্তৰিত কৰা হয়। শিক্ষকে আৱশ্যক মতে নিৰ্দেশনা আৰু পৰামৰ্শ দিব লাগে।

আনহাতে আৰ্মষ্ট্ৰং নামৰ এজন শিক্ষকে বিজ্ঞান শিক্ষাৰ বাবে প্ৰথমে হিউৰিষ্টিক পদ্ধতি নামেৰে এটা পদ্ধতি প্ৰয়োগ কৰিছিল। ই এক উদ্ভাৱনীমূলক পদ্ধতি। ইয়াত পুথি অধ্যয়ন, শিক্ষকৰ নিৰ্দেশনা অথবা অনান্য উপায়ে লাভ কৰা জ্ঞান বা তথ্যসমূহ অন্ধ আৰু যুক্তিহীনভাৱে মানি লৈ শিশুৱে তাৰ গ্ৰহণযোগ্যতাখিনি নিজে উদ্ভাৱন কৰি ল'ব লাগে। ছাত্ৰ-ছাত্ৰীয়ে ইয়াত মৌলিকভাৱে উদ্ভাৱন কৰা আনন্দ আৰু ব্যক্তি-স্বাধীনতা উপভোগ কৰিব পাৰে। শিশুৰ মনক স্বাধীন চিন্তা, বিজ্ঞানসন্মত আৰু যুক্তিসংগত দৃষ্টিভংগীৰে সৰুৰে পৰা গঢ় দি তোলাটোৱেই এই পদ্ধতিৰ মূল লক্ষ্য।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে আধুনিক শিশু শিক্ষা খেলা পদ্ধতিৰ পক্ষপাতী। অৱশ্যে এই পদ্ধতিৰ কিছুমান দুৰ্বলতাৰ প্ৰতি আমি সমূলি আওকণীয়া হৈ থাকিব নোৱাৰোঁ। বিশেষকৈ এই পদ্ধতি প্ৰয়োগ কৰাৰ বেলিকা সূক্ষ্ম মনোবিজ্ঞানিক দৃষ্টিকোণসমূহৰ প্ৰতি সচেতন, প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক, ইয়াৰ সা-সামগ্ৰীৰ ব্যয়বহুলতা, উপযুক্ত পৰিচালনা আৰু কেনেধৰণৰ বিষয় এই পদ্ধতিৰে শিকোৱাটো সম্ভৱ হ'ব আদি দিশবোৰৰ বিচাৰ-বিবেচনাৰ অত্যন্ত প্ৰয়োজনীয়। যদিও ইয়াৰ কিছুমান সবল-দুৰ্বল দিশ আছে, তথাপি আমি শিক্ষাত খেলৰ প্ৰযোগত অধিক সচেতন হোৱা উচিত। যাতে উদ্দেশ্যবিহীন আৰু অপৰিপক্কভাৱে কৰা প্ৰয়োগে ছাত্ৰ-ছাত্ৰীৰ ক্ষতি সাধন কৰিব নোৱাৰে। বৰ্তমান বিজ্ঞান-প্ৰযুক্তিবিদ্যাই কিশোৰ-কিশোৰীসকলৰ খেলৰ প্ৰতি ৰুচিবোধ সলনি কৰা দেখিবলৈ পোৱা যায়। খেলৰ মাজেৰে মানসিক বিকাশৰ লগত শাৰীৰিক স্বাস্থ্য বা অন্যান্য দিশো যে জড়িত হৈ আছে তাৰ প্ৰতি সতৰ্ক কৰি দিব লগা হৈছে। খেলাই যে বৃত্তি বা পেশা হিচাপে সুন্দৰ ভৱিষ্যৎ গঢ় দি তুলিব পাৰে তাৰ প্ৰতি মনোনিবেশ কৰা উচিত। সেয়ে এনে স্বতঃস্ফূৰ্ত আনন্দদায়ক প্ৰৱণতাক শিক্ষাত গঠনাত্মক প্ৰয়োগ কৰি সুফল সুখ্যাতি লাভ কৰাটোৱেই এই প্ৰবন্ধটোৰ মূল উদ্দেশ্য।

❖❖❖



# দুধনৈ মহাবিদ্যালয়ৰ পদব্ৰজ পকী দলং 'সমন্বয় সেঁতু'ৰ ইতিবৃত্ত

**তৰুণ চন্দ্ৰ চাংমাই**
অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক
প্ৰাণী বিজ্ঞান বিভাগ
**বীৰবল বড়ো**
সহযোগী অধ্যাপক
ভূগোল বিভাগ

বৰ্তমান অসমৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত দুধনৈ মহাবিদ্যালয়ে এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। যিসকল শিক্ষানুৰাগী স্থানীয় খনিকৰে এই মহাবিদ্যালয়খন গঢ়ি তুলি উচ্চ শিক্ষা সম্প্ৰসাৰণত অনবদ্য অৱদান আগবঢ়াই ইহলীলা সম্বৰণ কৰিলে বা এতিয়াও জীৱিত আছে তেখেতসকললৈ আন্তৰিক সশ্ৰদ্ধ প্ৰণাম নিৱেদন কৰিছোঁ। ১৯৭২ চনত কেৱল কলা শাখাৰে আৰম্ভ হোৱা মহাবিদ্যালয়খন ১৯৭৪ চনত দুধনৈ বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰত থকা অস্থায়ী ব্যৱস্থাৰ পৰা বৰ্তমানে থকা স্থায়ী স্থানলৈ স্থানান্তৰিত হয়। মনোৰম প্ৰাকৃতিক পৰিৱেশেৰে পৰিবেষ্টিত আৰু সুশোভিত এই মহাবিদ্যালয়ত বৰ্তমান কলা, বিজ্ঞান আৰু বাণিজ্য—এই তিনিওটা শাখাত প্ৰায় পঁচিশ শ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে।

মহাবিদ্যালয়ৰ প্ৰশাসনীয় ভৱন, গ্ৰন্থাগাৰ আৰু একাংশ শৈক্ষিক ভৱনৰ পূবফালে এটি অশ্বখুৰাকৃতিৰ প্ৰাকৃতিকভাৱে

তৈয়াৰ হোৱা পুখুৰী আছে। মহাবিদ্যালয়ে মাটি অধিগ্ৰহণ কৰাৰ পিছত পুখুৰীটোৰ পাৰ নিৰ্মাণ আৰু কিছু খননকাৰ্য সম্পাদন কৰিছে। এই পুখুৰীটোৰ কেৱল পানীভাগৰ মাটিকালি প্ৰায় ১১ বিঘা। পুখুৰীটোৱে মহাবিদ্যালয়ৰ নৈসৰ্গিক পৰিৱেশ উজলাই তুলিছে। বছৰৰ মাৰ্চ মাহৰ শেষৰ ফালে পুখুৰীৰ পাৰে পাৰে থকা আজাৰ, সোণাৰু আদি গছৰ কুঁহিপাত আৰু পৰৱৰ্তী সময়ত ফুলা গুলপীয়া-হালধীয়া ৰঙৰ ফুলেৰে মহাবিদ্যালয়ৰ চৌপাশ ৰঙীন কৰি তোলা সৌন্দৰ্যময় পৰিৱেশ অতি মনোমুগ্ধকৰ।

পুখুৰীৰ প্ৰায় মধ্য ভাগত প্ৰশাসনীয় ভৱনৰ পূবফালে দুধনৈ-দলগোমা পথক সংলগ্ন কৰি প্ৰায় ১২০ ফুট দীঘল আৰু ৬ ফুট বহল এখনি পকী পদব্ৰজ স্থায়ী দলং নিৰ্মাণ কৰি সম্পূৰ্ণ কৰা হৈছে আৰু নাম ৰখা হৈছে 'সমন্বয় সেতু'। যোৱা ৩০/৫/২০১৮ তাৰিখে অসম চৰকাৰৰ সমাজ কল্যাণ আৰু ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মাননীয়া শ্ৰীমতী প্ৰমীলাৰাণী ব্ৰহ্মই আনুষ্ঠানিকভাৱে সেতুখন উদ্বোধন কৰে। উদ্বোধনী ভাষণ প্ৰসংগত তেখেতে 'সমন্বয় সেঁতু' নামকৰণ যথাৰ্থ হোৱা বুলি অভিহিত কৰিছে। কাৰণ দুধনৈ বহু জাতি-জনগোষ্ঠীৰ মিলনভূমি।

পদব্ৰজ দলংখনৰ এক দীঘলীয়া ইতিহাস আছে। ইয়াত সকলো কথা সাঙুৰি লোৱা সম্ভৱ নহ'লেও চমুকৈ আলোচনা কৰাটো যুগুত হ'ব বুলি বিবেচনা কৰিছোঁ। মহাবিদ্যালয় এই স্থানলৈ স্থানান্তৰ কৰাৰ সময়ত বাট-পথৰ অৱস্থা একেবাৰে শোচনীয় আছিল। মহাবিদ্যালয়ৰ পৰিয়াল আৰু স্থানীয় ৰাইজে এখনি পদব্ৰজ দলঙৰ প্ৰয়োজনীয়তা বাৰুকৈয়ে অনুভৱ কৰিছিল।

১৯৭৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পঠোৱা মহাবিদ্যালয়ৰ পৰিদৰ্শকগৰাকীয়ে দুধনৈ মহাবিদ্যালয় পৰিদৰ্শন কৰিবলৈ আহোঁতে জানিব পৰা মতে, বৰ্তমানে দলং থকা স্থানেদি কলগছেৰে নিৰ্মাণ কৰা ভুঁৰেৰে পাৰ হৈ মহাবিদ্যালয় চৌহদত প্ৰৱেশ কৰিছিল। ইয়াৰ পৰাই সহজে অনুমান কৰিব পাৰি যে মহাবিদ্যালয়লৈ যাব পৰাকৈ সেই সময়ত বাট-পথ একেবাৰে সুচল নাছিল।

১৯৭৮ চনত মহাবিদ্যালয়ৰ কলা শাখা অসম চৰকাৰে ঘাটি মঞ্জুৰিৰ অধীনলৈ আনে। ইয়াৰ আগে আগে বৰ্তমান স্থানত এখন কাঠ-বাঁহৰ দলং নিৰ্মাণ কৰি উলিয়াইছিল। দলংখন গঢ়ি উঠাৰ পূৰ্বে পুখুৰীৰ পূব, দক্ষিণ, পশ্চিমৰ পাৰে পাৰে এটি লুংলুঙীয়া পথ আছিল আৰু সেই পথেদি শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে অহা-যোৱা কৰিছিল। লগে লগে বৰ্তমানে থকা মূল প্ৰৱেশদ্বাৰৰ কেঁচা মাটিৰ পথটিও নিৰ্মাণ কৰি উলিয়াইছিল সেই সময়ত।

প্ৰথমতে নিৰ্মাণ কৰা দলংখন কাঠ-বাঁহৰ আছিল। দুয়োকাষে বাঁহৰ বেৰা দিছিল। ৰাইজৰ সহযোগত মহাবিদ্যালয় কৰ্তৃপক্ষই নিৰ্মাণ কৰা দলংখনৰ মধ্যভাগ কিছু ওখ আছিল আৰু তাৰ পৰা দুয়োফালে হেলনীয়া আছিল। মধ্যভাগত পথিকে জিৰণী ল'ব পৰাকৈ সম্পূৰ্ণ কাঠেৰে নিৰ্মিত প্ৰায় ১৫ ফুট বৰ্গৰ এডোখৰ স্থান আছিল। এই স্থানত ৰৈ সকলো ধৰণৰ পথিকে পুখুৰীৰ লগতে মহাবিদ্যালয়ৰ প্ৰাকৃতিক পৰিৱেশৰ সৌন্দৰ্য উপভোগ কৰিছিল। সান্ধ্য ভ্ৰমণলৈ অহা পথিকে হাতত মুৰিৰ টোপোলা লৈ আহে আৰু পুখুৰীৰ দলঙৰ পৰা পানীত ছটিয়াই দিয়ে। সেই মুৰি খাবলৈ মাছে হেতা-ওপৰা লগোৱা দৃশ্য অতি মনোমোহা আছিল। এই দলংখন পুঁজিৰ নাটনিত মেৰামতিৰ অভাৱত যাতায়াতৰ বাবে অসুচল হৈ পৰিল। যিকোনো সম্ভাব্য দুৰ্ঘটনা ঘটাৰ আশংকা কৰি কলেজ কৰ্তৃপক্ষই দলংখনেদি অহা-যোৱা কৰা বন্ধ কৰি দিলে।

পৰৱৰ্তী পৰ্যায়ত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ মাননীয়া শ্ৰীযুতা বিজয়া চক্ৰৱৰ্তীয়ে তেখেতৰ সাংসদ পুঁজিৰ ধনেৰে কাঠৰ দলংখন পূৰ্বৰ আৰ্হিত পুনৰ নিৰ্মাণ কৰে। কিন্তু এই দলংখনেও স্থায়িত্ব লাভ নকৰিলে। ইয়াৰ মূল কাৰণ হ'ল দিনে-নিশাই দলংখনৰ ব্যৱহাৰ, নিয়মবহিৰ্ভূতভাৱে বাইকৰ চলাচল, ৰ'দ-বতাহ-বৰষুণ আদিৰ ফলত খুঁটাকেইটাৰ বাদে অন্যান্য কাঠসমূহ সহজে নষ্ট হৈ যায়। মেৰামতিৰ অভাৱত পৰি পুনৰ দলঙেদি যাতায়াত বন্ধ হ'ল।

অৱশেষত কাঠৰ দলঙৰ পৰিকল্পনা বাদ দি মাননীয় অধ্যক্ষ ড° গোপাল ফুকনদেৱে পকী দলং নিৰ্মাণৰ কথা চিন্তা কৰিলে। এইক্ষেত্ৰত সেই সময়ছোৱাৰ মহাবিদ্যালয়ৰ প্ৰতিখন ছাত্ৰ একতা সভাই পকী স্থায়ী দলং নিৰ্মাণৰ দাবী উত্থাপন কৰি আহিছিল। আনকি সৰহসংখ্যক স্থানীয় সচেতন ব্যক্তিয়েও অধ্যক্ষদেৱক মৌখিকভাৱে স্থায়ী দলং নিৰ্মাণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছিল। অধ্যক্ষদেৱে মহাবিদ্যালয় পৰিচালনা সমিতি, ছাত্ৰ একতা সভা আৰু মহাবিদ্যালয়ৰ পৰিয়ালৰ সহযোগত সকলো পৰ্যায়ত পুখুৰীৰ শোভাবৰ্ধনকাৰী পকী দলং নিৰ্মাণ কৰাৰ কাৰণে আবেদন-নিৱেদন কৰিবলৈ ধৰিলে। তাৰ ফলতে ২০১০-১১ বৰ্ষত ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ উন্নয়ন শিতানত পুঁজি আবণ্টন দিছিল। সেই সময়ত দুধনৈ বিধানসভা সমষ্টিৰ মাননীয় বিধায়ক শিৱচৰণ বসুমতাৰীৰ দ্বাৰা আধাৰশিলা স্থাপিত হৈছিল। কিন্তু কোনো অজ্ঞাত কাৰণত টকাখিনি মুকলি কৰি নিদিলে। অধ্যক্ষদেৱৰ আশা আৰু প্ৰচেষ্টাত চেঁচাপানী পৰিল।

কিন্তু অধ্যক্ষদেৱে হতাশ নহৈ প্ৰচেষ্টা অব্যাহত ৰাখিছিল। তেখেতৰ কাৰ্যকালত স্থায়ী দলং এখন নিৰ্মাণ কৰাৰ তেনে এটা সুবৰ্ণ সুযোগ আহিল। মাননীয় সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰত মাননীয় প্ৰমীলাৰাণী ব্ৰহ্মই বন, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ উন্নয়ন বিভাগৰ মন্ত্ৰী ৰূপে দায়িত্ব গ্ৰহণ

কৰিলে। তেখেতৰ লগত মহাবিদ্যালয়ৰ সম্পৰ্ক অতি মধুৰ। তেখেতৰ নেতৃত্বতে সেই বৰ্ষৰে ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ উন্নয়ন শিতানৰ ২৫ লাখ টকা আবণ্টন দি মুকলি কৰি দিয়ে।

সেই অনুসৰি অধ্যক্ষ মহোদয়ৰ নেতৃত্বত পুনৰ ১৬/৯/২০১৭ তাৰিখে মাননীয়া মন্ত্ৰী প্ৰমীলাৰাণী ব্ৰহ্মৰ দ্বাৰা আধাৰশিলা স্থাপন কৰে। এইবাৰ মহাবিদ্যালয়ৰ পৰিয়াল নিশ্চিত আছিল যে দলং নিৰ্মাণৰ সপোন বাস্তৱত পৰিণত হ'বই। কিন্তু দলং নিৰ্মাণত সমস্যাই পিছ এৰা নাছিল।

চৰকাৰৰ নিয়ম অনুসৰি নিবিদা লাভ কৰিলে আমজোঙাৰ ঠিকাদাৰ অমিয় খাখলাৰীদেৱে। পুৰণি পৰিকল্পনা মতে ধনৰ আবণ্টন দিয়াৰ কাৰণে, নিৰ্মাণ সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি, পুখুৰীত পকী খুঁটা নিৰ্মাণত পানীয়ে দেখা দিয়া সমস্যা আদিয়ে ঠিকাদাৰগৰাকীক দোধোৰ-মোধোৰ অৱস্থাত পেলাইছিল। ইফালে প্ৰশাসনৰ তৰফৰ পৰা কাম আৰম্ভ কৰিবলৈ অহৰহ তাগিদা দি আছিল। অধ্যক্ষ মহোদয়ে ভালদৰে উপলব্ধি কৰিছিল যে এই পৰিমাণৰ ধনেৰে ঠিকাদাৰে কাম সম্পূৰ্ণ কৰাৰ সম্ভাৱনা ক্ষীণ। সময় আৰু বতৰৰ ওপৰত লক্ষ্য ৰাখি অধ্যক্ষ ড° গোলাপ ফুকনদেৱে ঠিকাদাৰ অমিয় খাখলাৰীৰ লগত কেইবালানিও আলোচনাত বহিল। আলোচনাত শ্ৰীতৰুণ চন্দ্ৰ চাংমাই আৰু শ্ৰীবীৰবল বড়োৱেও অংশগ্ৰহণ কৰিছিল। অৱশেষত আলোচনাৰ অন্তত মৌখিক বুজাপৰালৈ আহি পৰস্পৰক সহযোগিতাৰ মাধ্যমেৰে ক্ষীপ্ৰতাৰে দলং নিৰ্মাণৰ কাম আৰম্ভ কৰিবলৈ অধ্যক্ষদেৱক খাখলাৰীদেৱে অনুৰোধ জনালে। মহাবিদ্যালয় পৰিচালনা সমিতিৰ তৰফৰ পৰাও আবণ্টিত ধনেৰে পকী দলং নিৰ্মাণ কৰিবলৈ অনুমতি প্ৰদান কৰিলে। অধ্যক্ষ মহোদয়ে পৰিচালনা সমিতিৰ অনুমতি সাপেক্ষে অন্যান্য অধ্যাপক-অধ্যাপিকাৰ লগতে শ্ৰীতৰুণ চন্দ্ৰ চাংমাই আৰু শ্ৰীবীৰবল বড়োক দলং নিৰ্মাণৰ কাম-কাজ চোৱা-চিতাৰ দায়িত্ব অৰ্পণ কৰে।

অৱশেষত দলং নিৰ্মাণে গতি লাভ কৰিলে। যিহেতু এইটো এটা প্ৰাকৃতিকভাৱে সৃষ্টি হোৱা পুখুৰী, গতিকে খুঁটাবিলাক পাইলিং ব্যৱস্থাৰে তৈয়াৰ কৰিব লাগিব। অধ্যক্ষদেৱে সেয়া ভালকৈ উপলব্ধি কৰিছিল। লক্ষীপুৰৰ খালেক আলীৰ নেতৃত্বত এটি বাহিনীয়ে পাইলিঙৰ কাম আৰম্ভ কৰি মাৰ্চ মাহৰ ভিতৰতে শেষ কৰিলে। লগে লগে পকী খুঁটা নিৰ্মাণৰ কাম আৰম্ভ হ'ল। এইক্ষেত্ৰত গড়কাপ্তানী বিভাগৰ পথ সংমণ্ডলৰ বিষয়াবৰ্গ আৰু প্ৰশাসনৰ তৰফৰ পৰা আগবঢ়োৱা সহায় সহযোগিতা আৰু দিহা-পৰামৰ্শ অনস্বীকাৰ্য। প্ৰশাসনৰ তৰফৰ পৰা বাৰে বাৰে কোৱা হৈছিল যে মে' মাহৰ ভিতৰত দলঙৰ কাম সম্পূৰ্ণ হ'ব লাগিব।

১৯৭৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পঠোৱা মহাবিদ্যালয়ৰ পৰিদৰ্শকগৰাকীয়ে দুধনৈ মহাবিদ্যালয় পৰিদৰ্শন কৰিবলৈ আহোঁতে জানিব পৰা মতে, বৰ্তমানে দলং থকা স্থানেদি কলগছেৰে নিৰ্মাণ কৰা ভুঁৰেৰে পাৰ হৈ মহাবিদ্যালয় চৌহদত প্ৰৱেশ কৰিছিল। ইয়াৰ পৰাই সহজে অনুমান কৰিব পাৰি যে মহাবিদ্যালয়লৈ যাব পৰাকৈ সেই সময়ত বাট-পথ একেবাৰে সুচল নাছিল।

অধ্যক্ষদেৱে জোৰদাৰ গতিৰে কাম আৰম্ভ কৰি সময় মতে শেষ কৰি ৩০ মে', ২০১৮ তাৰিখে আনুষ্ঠানিকভাৱে উদ্বোধন কৰিলে। মহাবিদ্যালয় পৰিয়াল তথা অধ্যক্ষদেৱৰ বহুদিনীয়া সপোন বাস্তৱত পৰিণত হ'ল।

এইখিনিতে দলং নিৰ্মাণত জড়িত ব্যক্তিসকলৰ বিষয়ে দু-আষাৰ নিলিখিলে ইতিবৃত্ত আধৰুৱা হৈ ৰ'ব। ৰাজমিস্ত্ৰী আজিমুদ্দিন আহমেদৰ বিশাল বাহিনীৰ অবিহনে দলং নিৰ্মাণৰ কাম নিৰ্ধাৰিত সময়ৰ ভিতৰত কেতিয়াও সম্ভৱ নহ'লহেঁতেন। দিনে-নিশাই মে' মাহটোত অক্লান্ত পৰিশ্ৰম কৰিছিল ৰাজমিস্ত্ৰী আৰু তেওঁৰ সহযোগীসকলে। ৰাতিপুৱাৰ পৰা ৰাতি ১-২মান বজালৈকে লাইটৰ পোহৰত তেওঁলোকে যুদ্ধগতিৰে কাম কৰিছিল। অধ্যক্ষ মহোদয়ে তেওঁলোকৰ থকা-খোৱাৰ ব্যৱস্থা কৰি তদাৰক কৰিছিল। মহাবিদ্যালয়ৰ অংশকালীন ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ক্ৰমে নিকন সূত্ৰধৰ, কুলধন ৰাভা, অৰবিন্দ কোচ আদিয়ে কামত সহায়-সহযোগিতা আগবঢ়াইছিল। বিশেষকৈ নিকন সূত্ৰধৰে বিদ্যুতকে ধৰি সৰ্বদিশত সেৱা আগবঢ়াইছিল। ছাত্ৰী নিবাসত কৰ্মৰত অংশকালীন ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী তথা ৰান্ধনী ক্ৰমে পদ্মা, চম্পা, কবিতা, পপী আৰু পূৰ্ণিমা আদিয়ে নিবাসৰ কামৰ উপৰি ৰাজমিস্ত্ৰী আৰু তেওঁৰ সহযোগীসকলক ৰান্ধি-বাঢ়ি খুৱাইছিল। কাঠমিস্ত্ৰী সূৰ্য আৰু তেওঁৰ সহযোগীসকলে সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছিল। তপন দাসে সময় মতে শিল-বালি যোগান নধৰা হ'লে দলং নিৰ্মাণত বাধা আহিলেহেঁতেন। কোনো ধৰণৰ বিৰতি নোহোৱাকৈ তেওঁ যোগান ধৰিছিল।

দলং নিৰ্মাণত কেইগৰাকীমান ব্যক্তিৰ দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতাৰ বাবে নাম লোৱাটো অতি প্ৰণিধানযোগ্য।

সেইসকলৰ ভিতৰত বিশিষ্ট ব্যৱসায়ী ৰিংকু দৈমাৰী আৰু তেখেতৰ কৰ্মচাৰী শংকৰ বড়ো অন্যতম। দলংখনৰ খুঁটি-নাতি আৰু লোহাৰ কাম তেখেতৰ নেতৃত্বত শংকৰ বড়োৱে নিয়াৰিকৈ কৰিছিল। দলং নিৰ্মাণৰ ক্ষেত্ৰত পৰিপক্ক দৈমাৰীয়ে সততে দিহা-পৰামৰ্শ আগবঢ়াইছিল। গোৱালপাৰাৰ বিশিষ্ট ব্যৱসায়ী ভাওৰিলাল চোৱানা ডাঙৰীয়াই নিৰ্মাণ সামগ্ৰী যোগান নধৰা হ'লে দলং নিৰ্মাণ হৈ নুঠিলহেঁতেন। অসুস্থ দেহাৰে মাজে-সময়ে দলং নিৰ্মাণৰ কাম চাবলৈ আহি দিহা-পৰামৰ্শ আগবঢ়াইছিল। দুধনৈ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাক্তন মুৰব্বী অধ্যাপিকা মিনতি শৰ্মা বাইদেৱে ঋণ হিচাপে ধন আগ নবঢ়োৱা হ'লে নিৰ্মাণত স্থবিৰতা আহিলেহেঁতেন। দলং নিৰ্মাণৰ ইতিহাসত তেখেতসকলৰ নাম চিৰস্মৰণীয় হৈ ৰ'ব।

মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গোপাল ফুকনদেৱ অত্যন্ত সৌন্দৰ্যপিপাসু। দলঙৰ দুই মূৰত নিৰ্মাণ কৰা তোৰণ আৰু তাৰ লগত ৰজিতা খুৱাই নিৰ্মাণ কৰা পূবৰ দুখন শৰাই আৰু পশ্চিমৰ দুটি গঁড়ে দলঙৰ সৌন্দৰ্য ভাবিব নোৱাৰাকৈ বৃদ্ধি কৰিছে। মহান মনীষীসকলৰ মহৎ বাণীৰ ফলকে দলঙৰ গাম্ভীৰ্যতা অধিক প্ৰকট কৰি তুলিছে। পূবৰ তোৰণখন অধ্যক্ষ ড° গোপাল ফুকনদেৱে তেখেতৰ প্ৰয়াত পিতৃ-মাতৃ ক্ৰমে দয়াৰাম ফুকন আৰু স্বৰ্ণলতা ফুকনৰ সোঁৱৰণত নিজা খৰচত নিৰ্মাণ কৰি মহাবিদ্যালয়লৈ উছৰ্গা কৰিলে। অধ্যক্ষদেৱৰ কলেজখনৰ প্ৰতি থকা শ্ৰদ্ধা-মৰম আৰু আগবঢ়োৱা সেৱা ইতিহাসত চিৰস্মৰণীয় হৈ ৰ'ব। এইগৰাকী সুযোগ্য সন্তানৰ পিতৃ-মাতৃৰ আত্মাই চিৰশান্তি লাভ কৰক— এই প্ৰাৰ্থনা জনাইছোঁ। পূব আৰু পশ্চিমৰ দুয়োখন তোৰণৰ অগা-পিছাকৈ থকা অংশসমূহত শোভা বৰ্ধনৰ কাৰণে সেই সময়ৰ উপাধ্যক্ষ ৰাহিদা বেগম আৰু সহযোগী অধ্যাপক তৰুণ চন্দ্ৰ চাংমায়ে পূৰ্বৰ আলোচনা আৰু অধ্যক্ষ মহোদয়ৰ অনুৰোধ মৰ্মে সামান্য আৰ্থিক বৰঙণি আগবঢ়াইছিলো (বৰ্তমান দুয়ো অৱসৰপ্ৰাপ্ত)।

পশ্চিমৰ তোৰণৰ গঁড় নিৰ্মাণৰ ব্যয় তলত উল্লেখ কৰা প্ৰতিশ্ৰুতিবদ্ধ সহকাৰী অধ্যাপক-অধ্যাপিকাসকলে বহন কৰিছিল। তেখেতসকল ক্ৰমে— শ্ৰীমতী বন্দিতা বৰবৰা, ৰাজনীতি বিজ্ঞান বিভাগ; শ্ৰীমৃদুল দত্ত, অংকশাস্ত্ৰ বিভাগ; শ্ৰীসন্দীপন পাঠক, বুৰঞ্জী বিভাগ; ড° ভাৰত বৰা, অংকশাস্ত্ৰ বিভাগ আৰু শ্ৰীমতী শ্ৰুতিধাৰা কাশ্যপ, অৰ্থনীতি বিজ্ঞান বিভাগ। তেখেতসকলে কলেজখনৰ প্ৰতি আগবঢ়োৱা বৰঙণি অতি আদৰণীয়।

আৰ্থিক বৰঙণিৰে সহায়-সহযোগ কৰাসকলৰ উপৰি মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলে বিভিন্ন সময়ত দিহা-পৰামৰ্শেৰে সহযোগ কৰিছিল। সকলোৰে নাম উল্লেখ কৰা সম্ভৱ নহ'লেও কেইগৰাকীমানৰ নাম উল্লেখ নকৰাটো সমীচিন নহ'ব বুলি বিবেচনা কৰিছোঁ। সততে দিহা-পৰামৰ্শৰে লাগি থকা শ্ৰীনৰৰাজ শৰ্মা, ছফিকুল হুছেইন, ড° জীৱেশ্বৰ কোচ, শ্ৰীসুভাষ বৰ্মন, শ্ৰীদিলীপ হাজৰিকা আৰু কাৰ্যালয়ৰ কৰ্মচাৰীসকল বিশেষভাৱে উল্লেখযোগ্য। অসমত বৰ্তমান তিনিশৰো অধিক মহাবিদ্যালয় আছে। অসম চৰকাৰে নিৰ্মাণ কৰা কেইখনমান মহাবিদ্যালয়ৰ বাদে সমস্ত মহাবিদ্যালয় ৰাইজৰ দান-বৰঙণিৰে গঢ়ি উঠিছে। মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ পিছত চৰকাৰে আন্তঃগাঁথনি উন্নয়নৰ হকে মাজে-সময়ে অনুদান দিয়ে। দুধনৈ মহাবিদ্যালয়ো ইয়াৰ ব্যতিক্ৰম নহয়। মাননীয় অধ্যক্ষ ফুকনদেৱ দান-বৰঙণি সংগ্ৰহ কৰা আৰু দিয়া উভয়তে সিদ্ধহস্ত আৰু সেয়া যি কৰিছিল মহাবিদ্যালয়ৰ উন্নয়নৰ হকে কৰিছিল।

যিকোনো উন্নয়নমূলক কাম কৰোঁতে প্ৰতিৰোধ গঢ়ি তোলাটো নতুন কথা নহয়। অসমৰ ক্ষেত্ৰত সেয়া অতি স্বাভাৱিক। প্ৰতিৰোধ সবল হ'লে কাম-কাজ বাধাগ্ৰস্ত হয়। পদব্ৰজ পকী দলং আৰু তোৰণ নিৰ্মাণৰ ক্ষেত্ৰতো মহাবিদ্যালয়ৰ ভিতৰে-বাহিৰে মুষ্টিমেয় কেইগৰাকীমান ব্যক্তিয়ে বাধা আৰোপ কৰিবলৈ চেষ্টা নকৰা নহয়। আনকি দলং-তোৰণ সম্পূৰ্ণ হোৱাৰ কেইদিনমানৰ পিছত কোনো অসৎ লোকে কেইটামান আখৰ আৰু দুখন ফলকৰ অনিষ্ট সাধন কৰিলে। সম্ভৱতঃ ভুল বুজাবুজি আৰু অজ্ঞতাৰ কাৰণে তেনে হৈছিল। আমি ভাবোঁ সেয়া তেনেই সাময়িক। দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰী আৰু স্থানীয় ৰাইজে দলংখন নিৰ্মাণ হোৱাত সন্তোষ প্ৰকাশ কৰিছে। একমাত্ৰ অধ্যক্ষদেৱৰ নেৰা-নেপেৰা চেষ্টাতহে এয়া সম্ভৱ হৈ উঠিল। আশা কৰিছোঁ, পদব্ৰজ পকী দলংখনি মহাবিদ্যালয়ৰ শোভা বৰ্ধনত যাউতিযুগীয়া সমল হৈ ৰ'ব।

❖❖❖



# আমাৰ জীৱনত মোবাইল ফোনৰ ভূমিকা

আজিদা বেগম
স্নাতক পঞ্চম ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

বৰ্তমান আমাৰ জীৱনৰ এটা গুৰুত্বপূৰ্ণ বিষয় হৈছে মোবাইল ফোন। মোবাইল ফোন বৰ্তমান মানৱ সমাজৰ অপৰিহাৰ্য অংগ ৰূপে বিবেচিত হৈছে। মোবাইলে জনবিনোদনৰ লগতে জনশিক্ষা প্ৰদানৰ যোগেদি বৰ্তমান সমাজৰ প্ৰয়োজনীয় চাহিদা পূৰণ কৰিছে। মোবাইল ফোন অবিহনে বৰ্তমান বিশ্বব্ৰহ্মাণ্ডখন মুহূৰ্তৰ ভিতৰতে স্থবিৰ হৈ পৰিব। অৰ্থাৎ বৰ্তমান যুগত মোবাইল ফোন অবিহনে আমি এখোজো আগবঢ়াব নোৱাৰোঁ। আমাৰ দেশত স্বয়ংক্ৰিয় টেলিফোন সেৱা ১৯১৩ চনত চিমলাত আৰম্ভ হৈছিল। বৰ্তমান যুগত ডাঙৰ ডাঙৰ ৰাজনৈতিক নেতাৰ পৰা আৰম্ভ কৰি ৰিক্স-ঠেলা বা শ্ৰমিকৰ হাতলৈ; পুলিচ, ডাক্তৰৰ পৰা আৰম্ভ কৰি হৰিজন, ব্যৱসায়ীলৈ; কেবিনেটৰ মন্ত্ৰীসকলৰ পৰা আৰম্ভ কৰি শিক্ষক,

ছাত্র-ছাত্রী আৰু সৰু সৰু ল'ৰা-ছোৱালী আদি সকলোৰে হাতত মোবাইল ফোন আছে। মোবাইল ফোনে সমাজৰ সকলো ধনী, মধ্যবিত্ত বা দুখীয়া— অৰ্থাৎ সমাজৰ সকলো শ্ৰেণীকে সামৰি লৈছে। অৰ্থাৎ খাবলৈ ঘৰত এমুঠি অন্ন নাথাকিলেও বা এমুঠি অন্নৰ বাবে কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হ'লেও সেইখন ঘৰত প্ৰত্যেক সদস্যৰে হাতত মোবাইল ফোন দেখিবলৈ পোৱা যায়। ইয়াৰ পৰাই বুজিব পাৰি যে আমাৰ দৈনন্দিন জীৱনত মোবাইলে কেনেধৰণৰ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। কিন্তু মোবাইল ফোন বুলিলে যে কেৱল জীৱনৰ উপকাৰ সাধন কৰে এনে নহয়। মোবাইলে আমাৰ জীৱনত উপকাৰৰ লগতে অপকাৰ সাধনো কৰে।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ এটা উল্লেখযোগ্য অৱদান হৈছে মোবাইল ফোন। মোবাইল ফোনৰ যোগেদি বিশ্বৰ প্ৰতিটো খবৰ ল'ব পাৰোঁ। মোবাইল ফোনক শিক্ষাৰ এটা মাধ্যম হিচাপেও লোৱা হয়। মোবাইল ফোনৰ যোগেদি বিশ্বৰ প্ৰতিটো প্ৰান্তত ঘটি থকা ঘটনা অতি সোনাকালে জানিব পাৰি। মোবাইল ফোনৰ যোগেদি ছাত্ৰ-ছাত্ৰী বা ল'ৰা-ছোৱালীসকলে পঢ়া-শুনা, খেল-ধেমালি, ফুৰিবলৈ যোৱা বিভিন্ন ধৰণৰ কথা-বতৰাৰ যোগেদি বন্ধুত্ব বজাই ৰাখিব পাৰে। মোবাইল ফোনৰ যোগেদি আমি আমাৰ প্ৰতিৰক্ষাৰ সুবিধাও ভোগ কৰিব পাৰোঁ। এতিয়া আমি নিজে বা আন কোনোবা দুৰ্ঘটনাগ্ৰস্ত হ'লে বা আন ৰোগীৰ বাবে ১০৮ মৃত্যুঞ্জয় সেৱাক ফোন কৰি তাৰ দ্বাৰা উপকৃত হ'ব পাৰোঁ। ১০১ত ফোন কৰিলে পুলিচৰ সেৱা লাভ কৰিব পাৰোঁ। ১০৪ত ফোন কৰিলে ২৪ ঘণ্টাই স্বাস্থ্য সেৱাৰ পৰামৰ্শ ল'ব পাৰোঁ। ১৩৯ত ৰে'ল সেৱাৰ বিষয়ে জানিব পাৰোঁ। আজিকালি বেংকত নিজৰ নম্বৰটো সংৰক্ষিত কৰি ৰাখিলে বেংকৰ পৰাই মোবাইল ফোনত এছ এম এছ (SMS)যোগে দা-দৰমহা, জমা কৰা আৰু উলিওৱাৰ বিষয়ে জনাই দিয়ে। ব্যৱসায়ীসকলে কোনো এটা সামগ্ৰীৰ কেনে ধৰণৰ দৰদাম চলি আছে ফোন কৰিয়েই জানি ল'ব পাৰে। ব্যৱসায়ীসকলে কোনবিলাক বস্তু বেচা-কিনাত লাভৱান হ'ব পাৰিব সেই বিষয়েও জানিব পাৰে। বৰ্তমান যুগত মোবাইল ফোনেৰে বিদেশত থকা আত্মীয়-স্বজনৰ লগতো কথা পাতিব পাৰে। ভ্ৰমণৰ ক্ষেত্ৰত মোবাইল ফোনৰ যোগেদি হোটেলত আগতীয়াকৈ থকা-খোৱাৰ ব্যৱস্থা কৰিব পাৰি। মুঠতে মোবাইল ফোনৰ দ্বাৰা আমি বিভিন্ন ধৰণে উপকাৰ পাব পাৰোঁ।

বৰ্তমান যুগত বিভিন্ন ধৰণৰ মোবাইল ফোন দেখা পোৱা যায়। যাৰ অত্যাধুনিক সুবিধা দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। উদাহৰণস্বৰূপে মোবাইল ফোনৰ জৰিয়তে ব্যৱহাৰ কৰিব পৰা দুটা ছচিয়েল নেটৱৰ্কিং ছাইট হ'ল— WhatsApp আৰু Facebook। WhatsAppত বহুতো বস্তু বন্ধু-বান্ধৱী বা সকলো আত্মীয়লৈ Groupত একেলগে SMS কৰিব পাৰি। ঠিক তেনেদৰে Facebookত বিভিন্ন ঠাইৰ বিভিন্ন বন্ধু-বান্ধৱীক লগ পাব পাৰি। বৰ্তমান যুগত মনোৰঞ্জনৰ বাবেও মোবাইল ফোনত বিভিন্ন তথ্য সংযোজন কৰা হৈছে। সেইবোৰ হ'ল এম পি-থ্ৰী, ভিডিঅ', এম পি-ফ'ৰৰ বিভিন্ন ধৰণৰ খেলৰ ব্যৱস্থা, কেলেণ্ডাৰ, কেমেৰা, ভইচ ৰেকৰ্ড, ভিডিঅ' ৰেকৰ্ড এছ এম এছ, মাল্টিমিডিয়া এছ এম এছ, ইণ্টাৰনেট, Google ইত্যাদি। তথ্য সংগ্ৰহ কৰি ৰখাৰ বাবে মেম'ৰী কাৰ্ডৰ ব্যৱস্থাও কৰা হৈছে। বৰ্তমান স্মাৰ্ট ফোন ওলোৱাৰ পৰা মোবাইলত Googleৰ পৰা তথ্য-পাতি ডাউনলোড (Download) কৰিও ল'ব পাৰি। Googleৰ পৰা আমি যিকোনো বিষয়েই জানিব পাৰোঁ। আমি বহু নজনা কথা Googleত Type কৰি Search কৰি তৎমুহূৰ্তৰ ভিতৰতে জানি ল'ব পাৰোঁ। ইণ্টাৰনেটৰ থ্ৰী-জি বা ফ'ৰ-জি সেৱাৰ সহায়ত আমি Vedio callত কথা পাতিব পাৰোঁ। বিভিন্ন ধৰণৰ Appৰ জৰিয়তে আমি TVৰ serial, নাটক বা যিকোনো অনুষ্ঠান মোবাইল ফোনতে চাব পাৰোঁ। ইণ্টাৰনেটৰ জৰিয়তে মোবাইল ফোনতে আমি পৰীক্ষাৰ ফলাফল চাব পাৰোঁ। ছীলেবাছ বা পঢ়াৰ সকলো তথ্য-পাতি আমি পাব পাৰোঁ। বৰ্তমান ইণ্টাৰনেটৰ জৰিয়তে মোবাইল ফোনতে অনলাইনৰ জৰিয়তে যিকোনো Form Fill-up কৰিব পাৰোঁ। বৰ্তমান মোবাইল ফোনৰ জৰিয়তে ঘৰত বহিয়েই Online shopping কৰিব পাৰি। ৰাজনীতিকসকলে মোবাইল ফোনৰ জৰিয়তে নানা ধৰণৰ দলীয় প্ৰচাৰ কৰিব পাৰে। সাংবাদিকসকলে মোবাইল ফোনৰ জৰিয়তে কোনো এটা ঘটনাৰ বিষয়ে নিউজ চেনেলত সবিশেষ জনাব পাৰে। বৰ্তমান যুগত বহুতো কোম্পানীৰ ছিমকাৰ্ড ওলাইছে। তাৰে এখনহে মাত্ৰ চৰকাৰে নিজে পৰিচালিত কৰিছে। বাকীকেইখন চৰকাৰে দিয়া অনুমতিৰ দ্বাৰা ব্যক্তিগতভাৱে পৰিচালিত কৰিছে।

উপৰোক্ত সকলো সুবিধাৰ উপৰি মোবাইল ফোনৰ কিছুমান ভয়ংকৰ অপকাৰো আছে। সেইবোৰ হ'ল—

মোবাইল ফোনত সকলো সময়তে কথা পাতি থাকিলে মানুহৰ স্মৃতিশক্তি কমি যায়। ডিঙিৰ নানা সমস্যাই দেখা দিব পাৰে আৰু মোবাইলৰ পৰা কৰ্কট ৰোগৰ সৃষ্টি হ'ব পাৰে। মোবাইল ফোনে অকল মানুহৰে নহয়, প্ৰকৃতিৰো বিৰাট ক্ষতিসাধন কৰে। ইয়াৰ simৰ নেটৱৰ্কটোৰ ফলত গছ-গছনি, ফল-মূলো কমিব ধৰিছে। মোবাইল ফোনৰ দ্বাৰাই এজনে আন এজনক ব্লেকমেইল বা প্ৰতাৰণা কৰিব পাৰে।

WhatsApp বা Facebook আদিৰ ব্যৱহাৰতো সাৱধানতাৰ প্ৰয়োজন। ল'ৰা-ছোৱালী বা ছাত্ৰ-ছাত্ৰীয়ে

WhatsApp বা Facebook অতিমাত্রা ব্যৱহাৰ কৰাৰ ফলত সময়ৰ মূল্য বুজিব নোৱৰা হয়। ফলত পঢ়া-শুনা বা আন আন কামবোৰ সুকলমে পালন কৰিব নোৱাৰে।

মোবাইল ফোনৰ দ্বাৰাই কোনো অপৰাধীৰ অপৰাধ কাৰ্যৰ ভিডিঅ' বা কথা-বতৰা সংৰক্ষিত কৰি অপৰাধীক আদালতৰ দ্বাৰা শাস্তি প্ৰদান কৰিব পাৰি। মোবাইল ফোন অবিহনে বৰ্তমান বিশ্ব জগতখন অন্ধকাৰ। মোবাইলৰ দ্বাৰাই এজন মানুহ ক'ত আছে, কলৈ গৈ কি কৰি আছে এই সমলো তথ্য ল'ব পাৰি। মোবাইলে বিশ্বজগতক হাতৰ মুঠিলৈ আনি দিছে। বৰ্তমান আমি মোবাইল ফোন অবিহনে চলিব নোৱৰা অৱস্থা হৈছে। মোবাইল ফোনৰ ছিম নেটৱৰ্কসমূহৰ মাজত চলা প্ৰতিযোগিতাই গ্ৰাহকসকলক উপকৃত কৰিছে। মোবাইল ফোনৰ ফলতে বৰ্তমান যুগত নানা ধৰণৰ অপৰাধমূলক কাৰ্যকলাপ বৃদ্ধি পাইছে। এতিয়া মোবাইল ফোনৰ ছিমৰ ভাইব্ৰেচনৰ দ্বাৰাই সন্ত্ৰাসবাদীসকলে বোমা বিস্ফোৰণ কৰি আছে। ইয়াৰ উপৰি বিভিন্ন ধৰণৰ সন্ত্ৰাসবাদীসকলে মোবাইল ফোনৰ জৰিয়তে অপৰাধী কাৰ্যকলাপ, যেনে— অপহৰণ, ধন দাবী আদি নানা ধৰণৰ কু-কৰ্ম কৰিব পাৰে।

মোবাইল ফোনৰ দ্বাৰাই ল'ৰা-ছোৱালী ধ্বংসমুখত পৰিব পাৰে। মোবাইল ফোনেৰে অশ্লীল কথা বা অশ্লীল কাম বিয়পোৱাৰ বাবে বিহিত শাস্তি পাব পাৰে। মোবাইল ফোনৰ অশ্লীল ছবিৰ দ্বাৰা ল'ৰা-ছোৱালী বা ছাত্ৰ-ছাত্ৰীসকল বিপথে পৰিচালিত হয়। মোবাইল ফোনত ইণ্টাৰনেটৰ অশ্লীল ৱেবছাইট চালে আইনগত শাস্তি পাব লগা হয়।

সেয়েহে মোবাইল ফোন ব্যৱহাৰৰ ক্ষেত্ৰত আমি সকলো সাৱধান আৰু সচেতন হোৱা উচিত, যাতে ইয়াৰ সুবিধাসমূহহে আমি আমাৰ ইচ্ছা মতে সদব্যৱহাৰ কৰিব পাৰোঁ।

❖❖❖



# মাতৃস্নেহ আৰু মাতৃপ্ৰেম

**ৰমাকান্ত ৰাভা**
গৱেষণাগাৰ কৰ্মী
উদ্ভিদ বিজ্ঞান বিভাগ

আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিশ্ববিখ্যাত বিজ্ঞানী আৰু আৱিষ্কাৰক থমাচ আলভা এডিচনে মাত্ৰ তিনি মাহ বিদ্যালয়লৈ গৈয়েই আনুষ্ঠানিক শিক্ষা সমাপ্ত কৰিবলগীয়া হৈছিল। শিক্ষকে তেওঁক 'বিকৃত মানসিকতা'ৰ আখ্যা দি তেওঁৰ ঘৰলৈ চিঠি দিছিল। কিন্তু এডিচনৰ মাতৃয়ে পুত্ৰৰ সন্মুখত সেই চিঠিখন পঢ়িছিল এইবুলি যে 'আপোনাৰ পুত্ৰ অসাধাৰণ মেধাৱী। এই স্কুলখন তেওঁৰ বাবে যথেষ্ট সৰু আৰু ইয়াৰ শিক্ষকসকল সিমান জ্ঞানী নহয়। গতিকে তেওঁক আপুনিয়েই পঢ়াওক।' সেইদিন ধৰি এডিচনৰ মাতৃয়ে এডিচনক ঘৰতে পঢ়াবলৈ আৰম্ভ কৰিছিল। বহু বছৰৰ পিছত যেতিয়া এডিচনে সেই শতিকাৰ আটাইতকৈ মহান আৱিষ্কাৰক হিচাপে খ্যাতি অৰ্জন কৰিছিল, এদিন মাকৰ মৃত্যুৰ পিছত এডিচনে এটুকুৰা পুৰণি কাগজ পালে। দেখিলে যে সেইখন আছিল এডিনৰ সৰুতে স্কুলৰ শিক্ষকে মাকলৈ দিয়া চিঠিখন। কিন্তু তাত যিখিনি কথা লিখা আছিল, সেয়া পঢ়ি এডিচনৰ চকুৰে চকুলো ব'বলৈ ধৰিলে। তাত প্ৰকৃততে লিখা আছিল— 'আপোনাৰ পুত্ৰ মানসিকভাৱে বিকাৰগ্ৰস্ত। তেওঁক আৰু কোনো কাৰণত আমাৰ স্কুললৈ আহিবলৈ দিব নোৱাৰোঁ।' কথাখিনি পঢ়ি এডিচনে তেওঁৰ ডায়েৰীত লিখিছিল— 'থমাচ আলভা এডিচন এজন মানসিক ৰোগী আছিল। কিন্তু তেওঁৰ আদৰ্শ মাতৃয়ে তেওঁক শতিকাৰ শ্ৰেষ্ঠ উদ্ভাৱক হিচাপে গঢ়ি তুলিলে।'

এডিচনৰ জীৱনৰ এই ঘটনাটোৰ পৰাই গম পাব পাৰি যে এজন সন্তানৰ ভিতৰত থকা প্ৰতিভা আৰু মহৎ গুণসমূহ কেৱল এগৰাকী মাতৃয়েহে দেখা পায়। যি প্ৰতিভাক উচ্চ ডিগ্ৰীধাৰী শিক্ষকেও বিকশিত কৰোৱাব নোৱাৰে। সেয়া কিন্তু এগৰাকী নিৰক্ষৰ মাতৃয়ে বিশ্ববাসীৰ সন্মুখলৈ লৈ যাব পাৰে। এগৰাকী মাতৃয়ে শিশুক জন্ম দিয়াৰ পৰা আৰম্ভ কৰি জীৱনৰ যি শিক্ষা দিব পাৰে, সেয়া আন কোনেও নোৱাৰে। সেইবাবেই হাৰ্বাৰ্টে কৈছিল, 'এশ শিক্ষকতকৈ এগৰাকী আদৰ্শ মাতৃ শ্ৰেষ্ঠ।' ঠিক একেদৰে নেপোলিয়ান বোনাপাৰ্টেও কৈছিল, 'মোক এগৰাকী ভাল মাতৃ দিয়া, মই এটা ভাল জাতি উপহাৰ দিম।' কাৰণ সন্তানৰ

শিক্ষাৰ প্ৰথম শিক্ষয়িত্ৰী হ'ল মাতৃগৰাকী। সন্তানৰ সৈতে অধিক সময় অতিবাহিত কৰা এগৰাকী মাতৃৰ নৈতিক শিক্ষা পৃথিৱীৰ প্ৰত্যেকজন মানুহৰে উত্তৰণৰ চাবি-কাঠি। এগৰাকী আদৰ্শ মাতৃয়ে শিশুক জন্মৰ পৰাই সততা, নিষ্ঠা, একাগ্ৰতা, শৃংখলাবদ্ধতা আৰু ন্যায়পৰায়ণতাৰ শিক্ষা দিয়ে।

ৰামকৃষ্ণ মিছনৰ প্ৰতিষ্ঠাতা তথা আধ্যাত্মিকতাবাদী পণ্ডিত স্বামী বিবেকানন্দয়ো কৈছিল, 'মোৰ জ্ঞানৰ বিকাশৰ কাৰণে মই মোৰ মাৰ ওচৰত ঋণী।' মাকৰ ধৰ্মীয় চেতনাই স্বামী বিবেকানন্দৰ চিন্তা আৰু ব্যক্তিত্বক গভীৰভাৱে প্ৰভাৱিত কৰিছিল। চিকাগোৰ আন্তঃৰাষ্ট্ৰীয় ধৰ্ম সন্মিলনত বক্তব্য দিবলৈ যোৱাৰ আগমুহূৰ্তত বিবেকানন্দই মাক ভুবনেশ্বৰী দেৱীৰ পৰা আশীৰ্বাদ বিচাৰি গ'ল। সেই সময়ত বিবেকানন্দৰ মাতৃ পাকঘৰত ৰন্ধন কাৰ্যত ব্যস্ত আছিল আৰু পুত্ৰক ক'লে যে তেওঁ ভাবি-চিন্তি আশীৰ্বাদ দিব। কিন্তু তাৰ আগতে বিবেকানন্দৰ পৰা ছুৰী এখন বিচাৰিলে। বিবেকানন্দই ছুৰীখন নম্ৰভাৱে মাকৰ ফালে আগবঢ়াই দিলে। ছুৰীখন লৈ তেতিয়া মাতৃ ভুবনেশ্বৰী দেৱীয়ে বিবেকানন্দক লৈ ক'লে— 'যোৱা নৰেন্দ্ৰ, মোৰ আশীৰ্বাদ তোমাৰ সৈতে আছে। বিবেকানন্দই মূৰ দোঁৱাই আশীৰ্বাদ লৈ সুধিলে যে আশীৰ্বাদ দিয়াৰ আগতে ছুৰীৰ কিবা প্ৰয়োজন আছিল নেকি। তেতিয়া মাতৃয়ে ক'লে, 'মই তোমাৰ মনৰ স্থিতি চাব বিচাৰিছিলো। সাধাৰণতে যেতিয়া কাৰোবাক ছুৰী বিচৰা হয়, দিওঁতাজনে প্ৰায়ে ছুৰীৰ নালত ধৰি ধাৰ থকা ফালটোহে ধৰিবলৈ আগবঢ়াই দিয়ে। কিন্তু তুমি ছুৰীৰ ধাৰ থকা ফালটো নিজে ধৰি নালটোহে আগবঢ়াই দিলা। এজন সাধু লোকৰ মনৰ স্থিতি এনে হয় যে তেওঁ নিজে সংকটৰ সম্ভাৱনাত থাকিও আনৰ সুৰক্ষাৰ বিষয়ে চিন্তা কৰে। তুমি সাধু। যোৱা, সফলতা নিশ্চয় পাবা।'

ওপৰত উল্লেখ কৰা ঘটনাসমূহ কিছু উদাহৰণহে মাত্ৰ, যিয়ে সন্তানৰ প্ৰতি মাতৃৰ প্ৰেম, ত্যাগ আৰু সন্তানক উপযুক্তভাৱে গঢ়ি তোলাত মাতৃৰ ভূমিকাৰ বিষয়ে আমাক জানিবলৈ দিয়ে। এগৰাকী মাতৃৰ পৰা সন্তানে নিবিচৰাকৈয়ে মৰম, স্নেহ, আশ্ৰয়, খাদ্য সকলো লাভ কৰে। ২০১১ চনত জাপানত ভয়ংকৰ ভূমিকম্প হৈছিল। মাটি পোত গৈছিল, ঘৰ-দুৱাৰ ভাগিছিল আৰু বহুত লোকে প্ৰাণ হেৰুৱাইছিল। ভূমিকম্পৰ পিছত যেতিয়া উদ্ধাৰকাৰী দলে উদ্ধাৰ অভিযান চলাইছিল, তেওঁলোকে এটা ভগা ঘৰৰ ভিতৰত এগৰাকী মহিলাৰ শৱ এটা দেখা পালে। মহিলাগৰাকীয়ে যে কঁকাল আৰু মূৰত যথেষ্ট আঘাত পাইছিল, সেয়া স্পষ্ট। উদ্ধাৰকাৰী দলটোৱে শৱটো এৰি বেলেগ ফালে গ'ল যদিও দলটোৰে এজনৰ মনত কিবা এক সন্দেহ হ'ল যে শৱটোৰ তলত যেন আৰু কিবা আছে। দলটো পুনৰ ঘূৰি আহি শৱটো লুটিয়াই দেখিলে যে মহিলাগৰাকীৰ বুকুৰ মাজত কম্বলৰ ভিতৰত এটা তিনিমহীয়া সন্তান শুই আছে আৰু তাকো সম্পূৰ্ণ অক্ষত অৱস্থাত। লগতে উদ্ধাৰকাৰী দলটোৱে এটা মোবাইল ফোন পালে, য'ত এটা মেছেজ লিখি থোৱা আছিল— 'যদি তুমি বাচি যোৱা, মনত ৰাখিবা তোমাৰ মায়ে তোমাক বহুত ভাল পায়।' নিজৰ সন্তানৰ জীৱন বচাবৰ কাৰণে বা সন্তানক কোনো আঘাতে স্পৰ্শ কৰিব নোৱৰাকৈ সুৰক্ষিতভাৱে ৰখা মাতৃৰ মমতাৰ ইয়াতকৈ আৰু দ্বিতীয় উদাহৰণৰ প্ৰয়োজন নাই।

কিন্তু তেনে মাতৃকে যেতিয়া ডাঙৰ হৈ সন্তানে অনাদৰ কৰে, ই সমগ্ৰ মানৱ জাতি আৰু মানৱ সমাজ ব্যৱস্থাৰ প্ৰতি দুৰ্ভাগ্যজনক আৰু লজ্জাজনক। আজিকালি প্ৰায়েই সংবাদ মাধ্যমত এনে খবৰ পোৱা যায়। ব্যক্তিকেন্দ্ৰিকতাই হওক বা ভোগবাদী ব্যৱস্থাৰ কবলতেই হওক আগৰ যৌথ পৰিয়াল ব্যৱস্থাৰ ঠাইত একক পৰিয়াল ব্যৱস্থা বৃদ্ধি পাইছে। লগে লগে বৃদ্ধাশ্ৰমসমূহৰ সংখ্যাও বৃদ্ধি হোৱা দেখিবলৈ পোৱা গৈছে। যি মাতৃয়ে সন্তানক জন্ম দিয়াৰ পৰা আৰম্ভ কৰি তুলি-তালি ডাঙৰ-দীঘল কৰে, পিছলৈ সেই মাতৃৰ বাবে সন্তানৰ ওচৰত এটুকুৰা ঠাইৰো অভাৱ হয়। আনকি নিজ সন্তানেই মাতৃক ঘৰৰ বাহিৰত ৰাস্তাত অকলে এৰি থৈ অহা ঘটনাও আমাৰ সমাজত শুনিবলৈ পোৱা যায়। শেহতীয়াকৈ আমাৰ অসমতে নিজ সন্তানৰ অৱহেলাৰ পৰিণতিত পিতৃ-মাতৃয়ে একেলগে আত্মহননৰ পথ বাছি ল'বলৈ বাধ্য হোৱা ঘটনাই সমগ্ৰ সংবাদ মাধ্যমৰে শিৰোনাম দখল কৰাটো সঁচাকৈয়ে অতি লজ্জাজনক। এনে ঘটনাৰ পুনৰাবৃত্তি নোহোৱাটোৱেই আমাৰ সকলোৰে কাম্য। মাতৃ জাতিক প্ৰথমে সন্মান কৰিবলৈ শিকিলেহে আমি সমাজখনক, দেশখনক ভাল পাবলৈ শিকিম আৰু আমাৰ নৈতিক শিক্ষাৰ যাত্ৰা মাতৃপ্ৰেমৰ জৰিয়তেহে আৰম্ভ হ'ব।

❖❖❖



# গোৱালপাৰা জিলাৰ লোকসংস্কৃতিৰ বিচিত্ৰতা

শিখা শৰ্মা
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

অসমীয়া সংস্কৃতি হৈছে সমন্বয়ৰ সংস্কৃতি। কোনো এটা জাতিৰ আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, বিশ্বাস-পৰম্পৰাৰ ফলতে সেই জাতিটোৰ সংস্কৃতি গঢ় লৈ উঠে। সামাজিক আদান-প্ৰদানৰ ফলত সেই সংস্কৃতি এটা জাতিৰ মাজত আবদ্ধ নাথাকি সাৰ্বজনীন হৈ পৰে। তথাপি সকলো জাতি-জনগোষ্ঠীৰে সুকীয়া সুকীয়া সংস্কৃতি থকা পৰিলক্ষিত হয়। এনে ভিন্নৰঙী কৃষ্টি-সংস্কৃতি ঠাহ খাই আছে অনুপমা সুজলা-সুফলা অসমৰ গোৱালপাৰা জিলাৰ বুকুত। কিন্তু চামে চামে অহা লোকসকলৰ কৃষ্টি-সংস্কৃতিৰ সমাহৰণৰ ফলত এই নানাৰঙী সংস্কৃতিয়েই এক 'গোৱালপৰীয়া সংস্কৃতি' ৰূপে চিত্ৰিত হৈছে।

গোৱালপাৰা জিলাৰ পাহাৰে-ভৈয়ামে, বসতি স্থাপন কৰা বড়ো, ৰাভা, হাজং, গাৰো, কোচ-ৰাজবংশী আদি জনগোষ্ঠীয় লোকৰ উপৰি আৰ্য গোষ্ঠী আৰু মুছলমান সম্প্ৰদায়ৰ লোকৰ সংমিশ্ৰণে অঞ্চলটোৰ বহুৰঙীতাকে সূচাইছে। জাতি-জনগোষ্ঠীৰ ভিন্নতা অনুসৰি উৎসৱ-পাৰ্বণ, আচাৰ-অনুষ্ঠান, সাজ-পাৰ, আ-অলংকাৰ ইত্যাদিৰ ভিন্নতাও পৰিলক্ষিত হয়। অৱশ্যে সাংস্কৃতিক বৈচিত্ৰ্যৰ ফালৰ পৰা জিলাখনক দুটা ভাগত ভাগ কৰিব পাৰি— পূব গোৱালপাৰা আৰু পশ্চিম গোৱালপাৰা। পূব গোৱালপাৰা অঞ্চলৰ ভাষা, ধৰ্মীয় বিশ্বাস, উৎসৱ-অনুষ্ঠান, লোকাচাৰৰ সৈতে কামৰূপ আৰু বৰপেটা অঞ্চলৰ সংস্কৃতিৰ মিল পোৱা যায়। আকৌ পশ্চিম গোৱালপাৰাৰ সংস্কৃতিত কিছু কিছু বংগ আৰু কোচবিহাৰৰ প্ৰভাৱ পৰিছে। সেয়া যি নহওক, গোৱালপাৰা জিলাত প্ৰচলিত লোক-সংস্কৃতিৰ ভিন্নতা সম্পৰ্কে চমুকৈ আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল।

বড়ো ঃ অসমৰ আদিম অধিবাসী বড়ো লোকসকল প্ৰধানকৈ কৃষিজীৱী। সেয়ে কৃষিক কেন্দ্ৰ কৰিয়েই তেওঁলোকৰ সমাজ-অৰ্থনীতি, ধৰ্মীয় বিশ্বাস, কলা-সংস্কৃতিয়ে গঢ় লৈছে। বিভিন্ন সময়ত পালন কৰি অহা উৎসৱ-পাৰ্বণ, পূজা-পাতল ইত্যাদিয়ে বড়োসকলৰ এক সুকীয়া পৰিচয় দাঙি ধৰে। বড়োসকলে পালন কৰা উৎসৱসমূহৰ ভিতৰত অন্যতম হ'ল বৈছাগু উৎসৱ। বসন্ত কালত তেওঁলোকে 'ৰংজালী-বৈছাগু' উলহ-মালহেৰে পালন কৰে। বড়োসকলৰ প্ৰধান কৃষিকেন্দ্ৰিক উৎসৱটি হৈছে খেৰাই। খেৰাই পূজাত পৰিৱেশন কৰা খেৰাই নৃত্যত মূলতঃ



শস্যৰ শ্ৰীবৃদ্ধিকে কামনা কৰা হয়।

'বাথৌ' বড়োসকলৰ প্ৰধান ধৰ্ম। বাথৌ ধৰ্মত তেওঁলোকে সিজু গছক ঈশ্বৰৰ প্ৰতীক ৰূপে গণ্য কৰে। পাঁচসিৰীয়া সিজুক তেওঁলোকে সিব্ৰাই (শিৱ) জ্ঞান কৰি ৰাইজৰ আৰু পোহনীয়া জীৱ-জন্তুৰ মংগলাৰ্থে পূজা-পাতল কৰে।

এই অনুষ্ঠানসমূহৰ লগত সংগতি ৰাখি বাৰদৈচিখলা, বাগুৰুম্বা, মৌচাগ্লাংনায় ইত্যাদি নৃত্য-গীতেৰে মনৰ আনন্দ, আৱেগ-অনুভূতিসমূহ প্ৰকাশ কৰা দেখা যায়। এই নৃত্য-গীতবোৰত খাম, চিফুং, জাৱখ্ৰেং, ছেৰজা আদি বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰে। গছ্লা (চোলা), আৰনাই, দখনা হৈছে বড়োসকলৰ প্ৰধান সাজপাৰ।

ৰাভা ঃ মংগোলীয় নৃগোষ্ঠীৰ তিব্বতধৰ্মী মূলৰ অন্তৰ্গত ৰাভাসকলৰ প্ৰধান জাতীয় উৎসৱ হৈছে 'বায়খ''। বায়খ' অসমীয়া বিহুৰ সমতুল্য। এই উৎসৱত তেওঁলোকে ছাথাৰ আৰু হৈমাৰু নৃত্য-গীত পৰিৱেশন কৰে। ৰাভাসকলৰ আন এটি বসন্তোৎসৱ হৈছে 'বিছুৱা'। বিছুৱাত অসমীয়াৰ দৰে ৰাভাসকলেও দোমাহি বা সংক্ৰান্তিৰ দিনাখন গৰুৰ শিং, গাত হালধি সানি নৈ বা বিলত গা ধুৱাবলৈ লৈ যায় আৰু দীঘলতি-মাখিয়তিৰে কোবায়। গীত-মাতৰ ভিতৰত হাছং পূজাৰ 'হামজাৰ', বিবাহ সম্পৰ্কীয় টোটাকামি গীত, গ্ৰীমবুদা গীত, বিষহৰি পূজাৰ মাৰে গীত, তুকুৰীয়া গীত, বাৰমাহী গীত, মৃতকৰ শ্ৰাদ্ধ অনুষ্ঠানৰ ফাৰকান্তি বা তৰাংকাজি গীত অন্যতম।

ৰাভাসকলৰ ভিতৰত পাজাৰ, জামা (কামিজ), পাতানী, কাম্বুং, খদাবাং, ফালি, আংচা (চাদৰ) উল্লেখযোগ্য সাজপাৰ।

**কোচ-ৰাজবংশী** ঃ অসমীয়াৰ দৰে কোচ-ৰাজবংশীসকলেও ব'হাগ বিহু অৰ্থাৎ 'বিষুৱা' বৰ উলহ-মালহ, আচাৰ-অনুষ্ঠানেৰে পালন কৰে। তাৰোপৰি হুদুমদেও পূজা, কাতি পূজা, চু-বচনী, কঢ়া-কঢ়ি, সাইটল, যকাপূজা, মাৰাইপূজা আদিয়ে জাতিটোৰ স্বকীয়তা প্ৰকাশ কৰিছে।

ৰাজবংশীসকলৰ প্ৰধান দেৱ-দেৱী হৈছে শিৱ আৰু পাৰ্বতী। 'বাঁশপূজা' বা মদন কামদেৱ পূজা ৰাজবংশী লোকসংস্কৃতিৰ বাবে অতি গুৰুত্বপূৰ্ণ।

কোচ-ৰাজবংশীসকলৰ প্ৰধান সাজপাৰ হৈছে পাতানি আৰু হালধীয়া গামোচা। পুৰুষসকলেও ধুতি-কুৰ্তা পিন্ধি ডিঙিত হালধীয়া গামোচাখন মেৰিয়াই লৈ গৌৰৱ অনুভৱ কৰে।

গাৰো ঃ মাটিৰ মানুহ গাৰোসকলৰ সমাজ ব্যৱস্থা প্ৰধানতঃ মাতৃপ্ৰধান। সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, বাৰেবৰণীয়া নৃত্য-গীত, উৎসৱ-অনুষ্ঠান, সাজ-পোছাকো তেওঁলোকৰ বিচিত্ৰ। লোকসংস্কৃতিৰ প্ৰাণকেন্দ্ৰ 'নোক্‌ফাণ্টে' অৰ্থাৎ ডেকাচাং গাৰো সংস্কৃতিৰ ঘাই কঠীয়াতলী। গাৰোসকলেও কৃষিক ভিত্তি কৰিয়েই জীৱন নিৰ্বাহ কৰে। 'ৱাংগালা' গাৰোসকলৰ প্ৰধান কৃষিভিত্তিক উৎসৱ। এই উৎসৱত তেওঁলোকে ৰং-বিৰঙৰ সাজ-পাৰ, আ-অলংকাৰ পৰিধান কৰি 'ৱাংগালা' নৃত্য প্ৰদৰ্শন কৰে। 'দাকমান্দা' গাৰো মহিলাসকলে পৰিধান কৰা আকৰ্ষণীয় সাজ।

গাৰো লোকসকল খ্ৰীষ্টান ধৰ্মাৱলম্বী। তেওঁলোকে পৰম ঈশ্বৰ যীশুখ্ৰীষ্টৰ জন্মদিনটো পৱিত্ৰ বৰদিন হিচাপে পালন কৰে। বৰদিনৰ দিনা তেওঁলোকৰ উপাসনাস্থল গিৰ্জালৈ গৈ সকলোৰে একেলগে ভগৱান যীশুক স্তুতি কৰি, প্ৰাৰ্থনা গাই 'বৰদিন' উৎসৱ মহা আনন্দেৰে পালন কৰে।

হাজং ঃ নিজস্ব ভাষা-কলা-সংস্কৃতিৰে চহকী আন এটি জনগোষ্ঠী হৈছে 'হাজং' জনগোষ্ঠী। অন্যান্য জনগোষ্ঠীৰ দৰে তেওঁলোকৰো প্ৰধান উৎসৱ হৈছে বাইস বা বাস্তপূজা। ইয়াৰ



উপৰি হাজংসকলে চৰাবুৰী, হমহমী, দমদমী দাদৰী, খংখাঙী, কাৰ্তিক পূজাও কৰে। এই উৎসৱ-অনুষ্ঠানসমূহৰ লগত জড়িত চৰমাগা নৃত্য-গীতবোৰৰ ভিতৰত লেৱাটনা নৃত্য অতি জনপ্ৰিয়। হাজংসকলে ৰাঙা পাতানী, আগৰুণ, কমাৰবান্ধা, ভেবা নিংটি (চুৰিয়া), গামোচা, গেঞ্জী পৰিধান কৰে।

হাজংসকলৰ মাজত প্ৰচলিত ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বণৰ লগতে মৌখিক গীত-পদ, ফকৰা-যোজনা, সাঁথৰ-প্ৰবচন আদিয়ে হাজং লোকসংস্কৃতিৰ এক অনন্য পৰিচয় বহন কৰিছে।

এইসকল অনাৰ্য মূলীয় লোকৰ উপৰি ব্ৰাহ্মণ, কলিতা, নাথ-যোগী, বঙালী ইত্যাদি আৰ্য মূলীয় লোকেও গোৱালপাৰা জিলাত বসতি স্থাপন কৰিছে। এই আৰ্য গোষ্ঠীৰ লোকসকলে বিহুৰ লগতে বিভিন্ন পূজা-পাতল, নৃত্য-গীতৰ জৰিয়তে গোৱালপৰীয়া সংস্কৃতিত আৰু এখোপ ৰং চৰাইছে। ইয়াত বাস কৰা মুছলমান সম্প্ৰদায়ৰ লোকসকলে ঈদ, মহৰম ইত্যাদি উৎসৱ পালন কৰে। অতি কমসংখ্যক চাহ জনগোষ্ঠীয় লোকৰ বসতিও ইয়াত লক্ষ্য কৰা যায়। তেওঁলোকেও কৰম পৰব, টুচু পৰব আদি উৎসৱ পালন কৰে।

গতিকে দেখা যায়, ইমানবোৰ জাতি-জনগোষ্ঠী, ভিন্ন ভাষা-ভাষী, ভিন্ন ৰীতি-নীতি, ভিন্ন আচাৰ-অনুষ্ঠান থকা সত্বেও এক গোৱালপৰীয়া সংস্কৃতি ৰূপে চিত্ৰিত হৈছে একমাত্ৰ মিলাপ্ৰীতি সহযোগিতা, ভ্ৰাতৃত্ববোধৰ জৰিয়তে। এনেবোৰ কাৰণতে গোৱালপৰীয়া সংস্কৃতি, বৈচিত্ৰ্যৰ মাজত ঐক্য হৈ এখন বহুৰঙী কৃষ্টিৰ কঠীয়াতলীত পৰিণত হৈছে। সেয়া সদায় আমাৰ বাবে আদৰণীয়।

❖❖❖



# উপেন্দ্ৰ ৰাভা

## নামেই যাৰ পৰিচয়


**ডিম্পী ৰাভা**

সহকাৰী অধ্যাপিকা

ৰাজনীতি বিজ্ঞান বিভাগ


জীয়াই থকাটোৱেই জীৱনৰ প্ৰকৃত উদ্দেশ্য নহয়। জগতত নিজৰ কাম আৰু নামেৰে এক নিজস্ব স্থান প্ৰাপ্তিতহে জীৱনৰ সাৰ্থকতা জড়িত। সেয়ে মানুহে প্ৰতিনিয়ত কচৰত কৰে নিজৰ গুণসম্পন্ন কামেৰে জীৱন যাপন কৰাৰ, নিজক প্ৰতিষ্ঠ কৰাৰ। কামৰ সৰু-বৰ নাই। কাম কৰোঁতাজনৰ দৃষ্টিভংগীয়েহে কামৰ সংজ্ঞা নিৰূপণ কৰে। বহুজনে সৰু বুলি ভবা কাম এটাই একো একোজন কৰ্মপটু উচ্চাকাংক্ষী ব্যক্তিৰ উত্তৰণৰ জখলা হৈ উঠিব পাৰে। কামেৰে সময় আৰু সমাজ ধন্য কৰা ব্যক্তিসকলৰ জীৱন কাহিনীক এনে বহু ব্যাখ্যাই প্ৰস্ফুটিত কৰে। মুঠতে কৰ্মৰ সাধনাই সাধাৰণ জীৱন এটাক মহাজীৱনৰ বাটলৈ লৈ যাব পাৰে। তাৰে নিদৰ্শন হৈ আছে আমাৰ সমাজৰে বহুজন ব্যক্তি। এনে ব্যক্তিসকলৰ ভিতৰত অন্যতম হ'ল উপেন্দ্ৰ ৰাভা। সহজ-সৰল সাধাৰণ জীৱনৰ গৰাকী উপেন্দ্ৰ ৰাভাই দুচকুত সপোন, বুকুত সাহস আৰু দুবাহুত কষ্ট সহিব পৰা শক্তিক মূলধন কৰি গোৱালপাৰাৰ আমগুৰি পাৰাৰ দৰে এখন ভিতৰুৱা গাঁৱৰ পৰা দেশৰ কৃষি খণ্ডত নিজৰ নাম জিলিকাবলৈ সক্ষম হৈছে।

এক কিলোগ্ৰাম ক'লাধানৰ সঁচ ৰাজস্থানৰ কৃষি মেলাৰ পৰা ক্ৰয় কৰিয়েই এক কৃষি বিপ্লৱ সূচনাৰ সপোন ৰচিছিল উপেন্দ্ৰ ৰাভাই। কিন্তু দিঠকৰ বাটত অলেখ ঘাত-প্ৰতিঘাত থাকে। এক কিলোগ্ৰাম ধানৰ পৰা মাত্ৰ এটা ধান গজিল। সেই মাত্ৰ এটা ধানেই আশাৰ বতৰা আনিলে। উপেন্দ্ৰ ৰাভাৰ পৰা বহুজনৰ চকুলৈ সপোন বিয়পিল। জাতীয় অৰ্থনীতিৰ স্বাভিমানত পৰিণত হ'ল। এটা ধানৰ পৰা সম্প্ৰসাৰিত ক'লাধানৰ খেতিয়ে এখন বৃহৎ বজাৰ দখল কৰিলে আৰু উপেন্দ্ৰ ৰাভাৰ নামেৰেই ধানবিধ উপেন্দ্ৰ ৰাইচ নামেৰে পৰিচিত হ'ল।

গোৱালপাৰা জিলাৰ দক্ষিণ মধ্য অঞ্চলৰ অসম-মেঘালয়ৰ সীমান্তৱৰ্তী আমগুৰি পাৰা গাঁৱৰ বাসিন্দা উপেন্দ্ৰ ৰাভাৰ জন্ম হৈছিল ১৯৭৪ চনত। তেওঁৰ পিতৃ-মাতৃ ক্ৰমে প্ৰয়াত দীননাথ ৰাভা আৰু থানেশ্বৰী ৰাভা। পত্নী নন্দিতা ৰাভা। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ উপেন্দ্ৰ ৰাভা এগৰাকী প্ৰগতিশীল কৃষক। কৃষিজীৱী লোকেৰে পৰিপূৰ্ণ গাঁওখন বৰ্তমান উপেন্দ্ৰ ৰাভাৰ কৃতিত্বৰে জিলিকি উঠিছে। দুধনৈৰ পৰা ১৫ কিলোমিটাৰ নিলগত অৱস্থিত গাঁওখনলৈ দামৰা হৈ যাব পাৰি। দুধনৈ-মেণ্ডিপথাৰ ৰে'লেৰে গ'লে নলবাৰী নামৰ ষ্টেচনত নামি আঢ়ৈ কিলোমিটাৰ গ'লেই গাঁওখন পাব পাৰি।

এসময়ত বিধ্বস্ত বাট-পথ, যাতায়াত, যোগাযোগৰ দিশৰ পৰা অতি পিছপৰা আৰু শিক্ষা-দীক্ষাৰ ক্ষেত্ৰতো পিছপৰা আছিল অঞ্চলটো। বোকাত পদুম ফুলাৰ দৰেই নিজৰ চেষ্টা আৰু একাগ্ৰতাৰে নিজৰ লগতে বৃহত্তৰ অঞ্চলটোলৈ পোহৰ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা উপেন্দ্ৰ ৰাভাক লৈ গৌৰৱ কৰে অঞ্চলটোৰ প্ৰতিগৰাকী ব্যক্তিয়ে। তেওঁ ভাবিলে, ব্যক্তিগত উন্নতিতকৈ সামূহিক উন্নতিয়েহে দেশ-জাতি আৰু সমাজৰ মংগল সাধিব পাৰে। তেনে ধ্যান-ধাৰণাৰে ক'লাধানৰ খেতিৰে কৃষি বিপ্লৱ সাধিবলৈ অঞ্চলটোৰ ৰাইজৰ সহযোগত জন্ম দিলে আমগুৰি পাৰা ব্লেক ৰাইচ প্ৰডাকচন কমিটী। মুঠ সাতখন গাঁও সামৰি গঠন কৰা সমিতিয়ে ২০১৪ চনৰ পৰা বহল পৰিসৰত বৈজ্ঞানিক পদ্ধতিৰে উপেন্দ্ৰ ৰাভাই উৎপাদনৰ আঁচনি হাতত লয়। গাঁওসমূহ হ'ল আমগুৰি পাৰা, খৰাপটা, কাকপৰা, কালঝাৰ, চৰকপৰা, খামাৰি আৰু বনগাঁও। ৫১জনীয়া মূল কমিটীৰ সভাপতি উপেন্দ্ৰ ৰাভা, সম্পাদক অজয় কুমাৰ ৰাভা, সহকাৰী সম্পাদকদ্বয় ৰঞ্জিত ৰাভা, ৰতিকান্ত ৰাভা। বৰ্তমান সময়ত উপেন্দ্ৰ ৰাইচ কেৱল ভাৰতবৰ্ষতে নহয়, ভাৰতবৰ্ষৰ বাহিৰতো কেইবাখনো দেশলৈ ৰপ্তানি কৰা হয়। ই আমাৰ বাবে গৌৰৱৰ কথা।

প্ৰবল আত্মবিশ্বাস, ধৈৰ্য আৰু একাগ্ৰতাৰে কিদৰে এজন মানুহ জীৱনত সফল হ'ব পাৰে, তাৰেই এক জ্বলন্ত উদাহৰণ হ'ল আমাৰ সকলোৰে শ্ৰদ্ধাৰ উপেন্দ্ৰ ৰাভা ডাঙৰীয়া। তেখেতৰ এই যাত্ৰা অব্যাহত থাকক— তাকেই কামনা কৰিলোঁ।



# চানডুবি


অঞ্জলি সাহা
স্নাতক ষষ্ঠ ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ


অসমৰ প্ৰাকৃতিক সৌন্দৰ্যই অতীজৰে পৰা বিশ্বৰ প্ৰকৃতিপ্ৰেমী পৰ্যটকৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। বিশেষকৈ ৰাজ্যখনৰ অৰণ্যভূমিৰ গছ-বিৰিখ, চৰাই-চিৰিকটি, জীৱজন্তু তথা নৈ-নিজৰা, জলাশয় আদিৰ সুকীয়া বৈশিষ্ট্যই প্ৰকৃতিপ্ৰেমী পৰ্যটকৰ দৃষ্টি আকৰ্ষণ কৰাৰ প্ৰধান কাৰণ। ঠিক একেদৰে অসমৰ প্ৰধান নখন বিলৰ ভিতৰত চানডুবি বিল অন্যতম। তদুপৰি ৰাজ্যৰ উল্লেখনীয় পৰ্যটন ক্ষেত্ৰসমূহৰ ভিতৰতো চানডুবিৰ স্থান অদ্বিতীয়। চাৰিওফালে সেউজীয়া প্ৰাকৃতিক সৌন্দৰ্যই আৱৰি ৰখা মনোমোহা দৃশ্য আৰু বিশেষ কাৰণত সৃষ্টি হোৱা 'চানডুবি' বিলৰ বৈশিষ্ট্যই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। সেই অঞ্চলত বসবাস কৰা প্ৰকৃতিপ্ৰেমী ৰাইজে এনে কিছু পদক্ষেপ গ্ৰহণ কৰিছে, যিটোৱে প্ৰকৃতিৰ প্ৰতি থকা প্ৰেমৰ প্ৰমাণ দিয়াৰ লগতে সমগ্ৰ ৰাইজলৈ পৰিৱেশৰ প্ৰতি এক সজাগতাৰ বাৰ্তা প্ৰেৰণ কৰিছে।

গুৱাহাটী মহানগৰৰ পৰা ৬০ কিলোমিটাৰ দূৰত্বত কামৰূপ জিলাৰ বৰদুৱাৰ মৌজাৰ অন্তৰ্গত মেঘালয় সীমান্তৱৰ্তী ইৰাজাপাৰা গাঁৱত অৱস্থিত 'চানডুবি বিল'।

'চানডুবি বিল' ১৮৯৭ চনৰ ১২ জুন তাৰিখে হোৱা ভূমিকম্পৰ ফলত সৃষ্টি হয়। ৰিখতাৰ স্কেলত এই ভূমিকম্পৰ প্ৰাবল্য আছিল ৭.১। ১৯২০ চনলৈ ইয়াৰ দৈৰ্ঘ্য আছিল দীঘে পাঁচ মাইল আৰু বহলে তিনি মাইল। কোনো কোনো ঠাইত বিলৰ গভীৰতা আছিল ৪০ ফুট।

এতিয়া প্ৰশ্ন হয়— এই বিলখনৰ উৎপত্তি কেনেকৈ হ'ল?

অতীতত এই বিলখন বিলৰ নিচিনা নাছিল। ইয়াত মাত্ৰ নগৰ অঞ্চল আছিল। এই অঞ্চলৰ মাজেৰে চিৰি নামৰ নদী এখন বৈ গৈছিল আৰু এই চিৰি নদীৰ দুয়ো পাৰে বহুতো গাঁও আছিল আৰু এই অঞ্চলতে বাণিজ্যিক কেন্দ্ৰ এটাও গঢ়ি উঠিছিল। এই ঠাইখিনিৰ মানুহে খেতি-বাতি কৰাৰ উপৰি কমাৰ, সোণাৰী আৰু বণিয়া আদি বৃত্তিত জড়িত আছিল। ইয়াৰ ভিতৰত আটাইতকৈ পুৰণি কিংবদন্তিটো হ'ল সেই সময়ত চম্পক নগৰৰ বিখ্যাত চান্দ সদাগৰো ইয়ালৈ বেপাৰ-বাণিজ্য কৰিবলৈ আহিছিল। চান্দ সদাগৰে নাও বান্ধি থোৱা এটা নিৰ্দিষ্ট ঘাট আছিল আৰু সেই ঠাইখিনি বৰ দ আছিল। দ পানীক ডুবি বোলা হয়। সেই কাৰণে নদীৰ এই ঘাটটোক চান্দৰ ডুবি বুলিছিল। প্ৰলয়ংকৰী ভূমিকম্পৰ ফলত পাহাৰৰ চূড়াবোৰ খহি চিৰি নৈৰ গতিপথ বন্ধ হৈ গৈছিল আৰু বগাশিলা, ছাগলছাৰী, মায়াং, চাম্পে আৰু নিচৌছিলা নামৰ পাঁচখন পাহাৰৰ মাজত ঠাই এটুকুৰা বহি গৈ ডাঙৰ জলৰাশিৰ জলাশয়ৰ সৃষ্টি হয়। এই জলাশয়ে বিৰাট আকাৰ ধৰি বিলৰ সৃষ্টি কৰিছে। কোনো কোনোৰ মতে তাত আগতে পাঁচখন পাহাৰ আছিল। খাচীয়া ভাষাত পাঁচ সংখ্যাটো বুজাবলৈ হেনো চান শব্দটো ব্যৱহাৰ কৰা

হয়। সেয়ে খাচীয়াৰ 'চান' আৰু অসমীয়াৰ 'ডুবি' লগ লাগি 'চানডুবি' হৈছে। আন কিছুমানে চানডুবিক চান্দডুভি বুলি কৈ ছয়গাঁৱৰ লগত সম্পৃক্ত কৰিবৰ যত্ন কৰা দেখা যায়।

আন এচাম উচ্চ ইংৰাজী শিক্ষাপ্ৰাপ্তই ওপৰৰ সকলো সম্ভাৱনা নসাৎ নকৰাকৈও ক'ব খোজে যে 'চান'ৰ লগত খাচীয়া ভাষাৰ কোনো সম্পৰ্ক নাই। বৰং ব্ৰিটিছ আমোলৰ আৰম্ভণিতে স্থাপিত বৰদুৱাৰ চাহ আৰু কাঠ প্ৰতিষ্ঠানৰ মেনেজাৰ গিলমিল চাহাবে চিকাৰ কৰি ঘূৰি ফুৰোঁতে আলোচ্য বিলখনৰ পাৰৰ দুখন পৰ্বতৰ মাজত সন্ধিয়া যেতিয়া সূৰুযে মেলানি মাগে, সেই অতি মনোৰম দৃশ্য দেখি নাম দিছিল 'চানডুবি'।

চাৰিওফালে পাহাৰ ভূমিৰে মনোৰম বিলখনৰ পাৰৰ অৰণ্য ভূমিত অনেক ওখ ওখ গছ-বিৰিখৰ উপৰি বিবিধ তৰু-লতাৰ লগতে শুভ্ৰ কঁহুৱাৰ শাৰী শাৰী প্ৰাণ পুলকিত কৰা দৃশ্যৰাজি সৰ্বদা বিৰাজমান। ইফালে বিলখনৰ জলভাগত অনেক ভূমিৰ অনেক জীৱ-জন্তু, চৰাই-চিৰিকটিৰ কলৰৱে মুখৰিত কৰি ৰখা নান্দনিক প্ৰাণস্পৰ্শী পৰিৱেশে বিলখনক অনন্য মাত্ৰা প্ৰদান কৰি আহিছে। আনকি শীতৰ আগমনৰ লগে লগে আলহী পক্ষীৰ সুমধুৰ গুঞ্জনত মুখৰ হৈ পৰা অন্যতম ক্ষেত্ৰখনত দেশী-বিদেশী প্ৰকৃতিপ্ৰেমী পৰ্যটকে ভিৰ কৰা পৰিলক্ষিত হয়।

এই চানডুবিক লৈয়েই ইয়াৰ চাৰিওকাষৰ মানুহখিনিৰ মাজতো যেন পৰম্পৰাই গঢ় লৈ উঠিছে। চানডুবিয়েই যেন তেওঁলোকৰ সুখ-দুখৰ লগৰী। তেওঁলোক মাকৰ আঁচলত থকাৰ পৰাই এই বিলখনৰ লগত জড়িত হৈ পৰে। সৰুৰে পৰাই তাত সাঁতুৰি-নাদুৰি, নাও বাই আৰৌ বুঢ়াকালতো তাক আশ্ৰয় কৰিয়েই জাল বাই, বৰশী বাই, মাছ ধৰি খাই আহিছে। সেই অঞ্চলৰ বেছিভাগ মানুহেই অৰ্ধশিক্ষিত আৰু কৃষিজীৱী। তাৰ কমভাগেই চৰকাৰী চাকৰি কৰে। সেয়ে খেতি-বাতি নথকা কেইদিন বিলখনক আশ্ৰয় কৰিয়েই জীৱন নিৰ্বাহ কৰি আহিছে।

কামৰূপ জিলাৰ ৰাজাপাৰা গাঁৱত ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত ২০১১ চনৰ পহিলা জানুৱাৰীৰ পৰা ৫ দিনীয়া কাৰ্যসূচীৰে প্ৰতিবছৰে 'চানডুবি উৎসৱ' আয়োজন কৰি আহিছে।

পৰিৱেশক প্ৰদূষণৰ পৰা মুক্ত ৰখাৰ উদ্দেশ্যে এই উৎসৱৰ সময়ত দিয়া হোটেলসমূহত কোনো ধৰণৰ প্লাষ্টিকৰ ব্যৱহাৰ কৰিবলৈ দিয়া নহয়। আনকি বিভিন্ন ঠাইৰ পৰা বনভোজ খাবলৈ যোৱা বনভোজৰ দলসমূহকো কোনো ধৰণৰ প্লাষ্টিকৰ কাঁহী, গিলাচ ইত্যাদি সামগ্ৰী ব্যৱহাৰ কৰিবলৈ দিয়া নহয়। তাৰ পৰিৱৰ্তে কেৱল বাঁহৰ চুঙাত পানী বা চাহ আৰু কলৰ দোনাত আন খাদ্য খোৱাৰ ব্যৱস্থা কৰে।

মেলা উপলক্ষে জনজাতীয় লোকসকলে দিয়া হোটেলসমূহত কেৱল জনজাতীয় লোকসকলৰ পৰম্পৰাগত খাদ্য, যেনে— ৰন্ধা বা জুইত পোৱা গাহৰি, কুকুৰা, হাঁহৰ মাংস, ৰন্ধা বা জুইত পোৱা মাছ, কণী, ৰঙা চাহ, চুঙা পিঠা, তেল পিঠা ইত্যাদি বিভিন্ন ধৰণৰ খাদ্য বিক্ৰী কৰা দেখা যায়। যিহেতু সেই অঞ্চলত বাস কৰা লোকসকল বেছিভাগেই জনজাতীয়, সেয়েহে তেওঁলোকে নিজৰ সংস্কৃতি আৰু পৰম্পৰাগত খাদ্য, সাজপাৰ আদি জীয়াই ৰাখি সমগ্ৰ ৰাইজৰ আগত চিনাকি কৰাই দিবলৈ এনে পদক্ষেপ গ্ৰহণ কৰি আহিছে।

এই অঞ্চলৰ জনজাতীয় লোকসকলে আন জনগোষ্ঠীবোৰৰ দৰে অসমীয়াৰ প্ৰাণস্বৰূপ বিহু তিনিটা পালন কৰি আহিছে। ব'হাগ, কাতি বিহুৰ দৰে ভোগৰ বিহু মাঘ বিহুও বৰ উলহ-মালহেৰে উদ্‌যাপন কৰে। এই মাঘ বিহুৰ ভোজৰ বাবে দুই-তিনি মাহ আগৰে পৰাই প্ৰস্তুতি আৰম্ভ কৰে। বিশেষকৈ চানডুবিক কেন্দ্ৰ কৰিয়েই এই মাঘৰ বিহুৰ আয়োজন কৰে। মাঘৰ বিহুৰ এই ভোজ তেওঁলোকে দুদিনীয়া কাৰ্যসূচীৰে পালন কৰে। প্ৰথমে উৰুকাৰ দিনাখন গাঁৱৰ সকলোৱে মিলি খোৱা হয়। দ্বিতীয় দিনা অকল ডেকা-গাভৰু মিলি এই প্ৰীতি ভোজৰ আয়োজন কৰে। চানডুবি বিলৰ মাছ ধৰি সেই মাছেৰে তেওঁলোকে মাঘৰ এই প্ৰীতি ভোজৰ আয়োজন কৰে।

এই অঞ্চলত উৰুকাৰ দিনা ভেলাঘৰ বা মেজি জ্বলোৱা নহয়। তেওঁলোকৰ মাজত লোকবিশ্বাস আছে যে তাতে মেজি জ্বলালে বাঘে মানুহ খায়। তাৰ প্ৰমাণ চাবলৈ মেজি জ্বলাওঁতে বাঘে মানুহ খোৱা নাছিল, কিন্তু গৰুহে খাইছিল। কাৰণ ডাঙৰ জুই দেখা পালে গাঁৱৰ গাতে লাগি থকা পাহাৰৰ পৰা বাঘ গাঁৱলৈ নামি আহে। সেয়ে সেই তাহানিতে হোৱা ঘটনাক লৈয়ে এতিয়াও ইয়াত ভেলাঘৰ জ্বলোৱা নহয়।

প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰি চানডুবি উৎসৱ আয়োজকসকলৰ সৎ প্ৰচেষ্টা আৰু দূৰদৰ্শিতা সঁচাকৈয়ে শলগিবলগীয়া। এই চানডুবি উৎসৱ জৈৱ-বৈচিত্ৰ্য ৰক্ষাৰ বাবে কেৱল সংগ্ৰামৰ পথ হিচাপে নহৈ ই অনৈক্যৰ মাজত একতাৰ চানেকী, বিভিন্ন জাতি-জনগোষ্ঠীৰ মহা-মিলনস্থলী, ঐতিহ্য আৰু পৰম্পৰাৰ বৰ্ণিল সমাহাৰ হৈ পৰিছে। বিগত বৰ্ষবোৰৰ দৰেই আগন্তুক বৰ্ষবোৰতো উৎসৱস্থলীলৈ অহা সকলোৰে মনগহনত স্থাপিত হওক চানডুবি উৎসৱৰ অনাবিল মধুৰতা আৰু আনন্দ। সকলোৰে সৎ প্ৰচেষ্টাত চিৰকাল বৰ্ণিল ৰূপত উজলি থাকক হেঁপাহৰ চানডুবি।

❖❖❖



# স্বামী বিবেকানন্দৰ জীৱনৰ স্মৰণীয় এটা ঘটনা


**সুমন সৰকাৰ**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ


**স্বা**মী বিবেকানন্দ অৰ্থাৎ নৰেন্দ্ৰ নাথৰ মাতৃ, ভুবনেশ্বৰী দেৱী আছিল মহান প্ৰকৃতিৰ। স্বামী বিবেকানন্দই তেওঁৰ জীৱনৰ শেষছোৱাত বাৰম্বাৰ কৈছিল— 'মোৰ বৌদ্ধিক বিকাশৰ বাবে মই মোৰ মাৰ ওচৰত ঋণী হৈ আছোঁ।' নৰেন্দ্ৰক তেওঁৰ মাতৃগৰাকীয়ে শিক্ষাদান কৰাৰ প্ৰক্ৰিয়াটো আছিল অভিনৱ। তলত দিয়া ঘটনাটোৱেই তাক ব্যাখ্যা কৰিব।

এসময়ত নৰেন্দ্ৰই বিদ্যালয়ত পঢ়ি থকা সময়ত নিজে কোনো দোষ নকৰা সত্ত্বেও শাস্তি পাব লগা হৈছিল। ভূগোলৰ শিক্ষকজনে তেওঁক এটা প্ৰশ্ন সোধাত তেওঁ শুদ্ধভাৱেই উওৰটো দিব পাৰিছিল। কিন্তু শিক্ষকজনে তেওঁ দিয়া উত্তৰটো অশুদ্ধ বুলি ধৰি ল'লে আৰু নৰেন্দ্ৰক শাস্তি বিহিলে। কিন্তু সৰু ল'ৰা হ'লেও তেওঁ অদম্য সাহসী আছিল। তেওঁ এইদৰে প্ৰতিবাদ জনাইছিল— 'মই কোনো ভুল কৰা নাই ছাৰ। মই নিশ্চিত যে মই যিটো কৈছোঁ, শুদ্ধটোৱেই কৈছোঁ।' তেওঁৰ কথা শুনি শিক্ষকজনে জাঙুৰ খাই উঠিল আৰু নৰেন্দ্ৰক নিৰ্দয়ভাৱে বেত্ৰাঘাত কৰিলে।

নৰেন্দ্ৰই বিদ্যালয়ৰ পৰা ঘৰলৈ উভতি অহাৰ পিছত তেওঁৰ চকুপানী নিগৰি থাকিল আৰু মাকক গোটেই ঘটনাটো বিবৃত কৰিলে। কিন্তু মাকে তেওঁক এইবুলি সান্ত্বনা দিলে, 'বোপাই, যদি তুমি ঠিকেই কৰিছা তেনেহ'লে চিন্তা কৰিছা কেলেই? সত্যক সদায় অনুসৰণ কৰি থাকিবা, যিয়েই নহওক।'

সত্যক ধৰি ৰখাৰ এই যে আদৰ্শখিনিক তেওঁৰ মাতৃয়ে তেওঁৰ অন্তৰত সুমুৱাই দিছিল, সেই সত্যৰ মূৰ্ত ৰূপকে তেওঁ বিচাৰি পাইছিল তেওঁৰ গুৰুদেৱ, তেওঁৰ প্ৰভু শ্ৰীৰামকৃষ্ণৰ মাজত। শ্ৰীৰামকৃষ্ণই কৈছিল— 'যিকোনো উপায়েৰে সত্যৰ অনুশীলন কৰি থাকিব লাগে। এই কলি যুগতো যদি কোনোবাই সত্যক ধৰি থাকিব পাৰে, তেওঁ নিশ্চিত ৰূপে ঈশ্বৰক উপলব্ধি কৰিব পাৰিব।' আৰু শ্ৰীৰামকৃষ্ণই যিটো বাণী প্ৰচাৰ কৰিছিল, তাকে নিজেও কাৰ্যত অনুশীলন কৰিছিল।

সত্যৰ প্ৰতি অটল বিশ্বাস আৰু আনুগত্যৰ এই আদৰ্শ, যিটো স্বামীজীয়ে নিজৰ মাতৃৰ ভিতৰত দেখা পাইছিল আৰু পিছৰছোৱা কালত তেওঁৰ গুৰুদেৱ শ্ৰীৰামকৃষ্ণৰ ভিতৰতো দেখা পাইছিল। স্বামীজীৰ আটাইবোৰ কামৰ যোগেদি সেই সত্যৰ আদৰ্শটোৱেই প্ৰকাশ পাইছিল। তেতিয়াহে গোটেই পৃথিৱীখনে তেওঁৰ ঘোষণা কৰা শুনা পাইছিল যে 'সত্যৰ কাৰণে আটাইবোৰকে ত্যাগ কৰিব পাৰি, কিন্তু কেতিয়াও কোনো বস্তুৰ কাৰণে সত্যক ত্যাগ কৰিব নোৱাৰি।' তেখেতে সেয়ে কৈছিল—

'কাকো ভয় নকৰিবা, তেতিয়াহে তুমি বিস্ময়কৰ কাম কৰিব পাৰিবা। যিটো মুহূৰ্ততে তুমি ভীত হ'বা, ততালিকে তোমাৰ গুৰুত্ব নাইকীয়া হ'ব। ধীৰ হোৱা, সদয় কোৱা— 'মই একোলৈকে ভয় নকৰোঁ।' প্ৰতিজনক ইয়াকে কোৱা— 'ভয় নকৰিবা'।

❖❖❖



# সঠিক চিন্তা, সঠিক বন্ধু

**অৰূপজ্যোতি নাথ**
স্নাতক পঞ্চম ষান্মাসিক
কলা শাখা

**'কাকঃ চেষ্টা বকঃ ধ্যানং শ্বাননিদ্ৰা তথৈবচ।
অল্পাহাৰী গৃহত্যাগী বিদ্যাৰ্থীনঃ ইতি পঞ্চলক্ষণম্।।'**

আমি যদি ভাল ছাত্ৰ-ছাত্ৰী হ'ব বিচাৰোঁ বা পৰীক্ষাত ভাল নম্বৰ পাব খোজোঁ, তেন্তে শ্ৰেণীৰ মেধাৰী ছাত্ৰ-ছাত্ৰীসকলৰ লগত আমাৰ সু-সম্পৰ্ক থাকিবই লাগিব। কিয়নো অনেক জটিল বিষয় আমাৰ কাৰণে টান লাগিব পাৰে। এইক্ষেত্ৰত দুই-তিনিজন সহপাঠীৰ লগত বিষয়টো আলোচনা কৰিলে সেয়া বুজাত বহুক্ষেত্ৰত সহজ হৈ পৰে। এটা পচা আলুৰ লগত ভাল আলু ৰাখিলে যিদৰে ভাল আলুও বেয়া হৈ যায়, ঠিক তেনেদৰে আমি যদি ভাল বন্ধু-বান্ধৱীৰ লগ নালাগি বেয়া সংগৰ লগ লাগোঁ, তেন্তে আমাৰো তেনে হোৱাই স্বাভাৱিক। ফলত আমাৰ পঢ়া-শুনা নষ্ট হ'বই, তাৰ লগতে আমাৰ স্বভাৱ-চৰিত্ৰও নষ্ট হৈ যোৱাৰ আশংকা থাকে। বন্ধু-বান্ধৱী নিৰ্বাচন কৰাৰ ক্ষেত্ৰত আমি সদায় সতৰ্ক থকা উচিত। বিশেষকৈ ঘনিষ্ঠ বন্ধু-বান্ধৱী নিৰ্বাচনৰ ক্ষেত্ৰত বিশেষ সাৱধানতা ল'ব লাগে।

আমাৰ জ্ঞানীজনে আৰু পণ্ডিত Billy Graham-এ কৈছে, 'অৰ্থ নষ্ট হ'লে একোৱেই নষ্ট নহয়, স্বাস্থ্য নষ্ট হ'লে সামান্য নষ্ট হয়। কিন্তু চৰিত্ৰ নষ্ট হ'লে সকলোখিনি নষ্ট হয়।' গতিকে আমি এনে বন্ধু-বান্ধৱীৰ সংগ ল'ব নালাগে, যাৰ সংগত পৰি আমাৰ শ্ৰেষ্ঠ সম্পদ স্বভাৱ-চৰিত্ৰই নষ্ট হৈ যোৱাৰ ভয় থাকে।

আমি যদি ভাল ছাত্ৰ-ছাত্ৰী হ'ব খোজোঁ, তেন্তে আমি ধুৰন্ধৰ, দগাবাজ ল'ৰা-ছোৱালীৰ সংগ ত্যাগ কৰিবই লাগিব। এনে ধৰণৰ ল'ৰা-ছোৱালীয়ে সাধাৰণতে পঢ়া-শুনা আৰু ভাল কোনো কথা আলোচনা-বিলোচনা নকৰে। ইহঁতৰ আলোচনা-বিলোচনাৰ বিষয় হ'ল দাদাগিৰি, মাৰপিট কৰা, ছোৱালী জোকোৱা ইত্যাদি। ধূমপান কৰা ইহঁতৰ বাবে সাধাৰণ কথা। ইহঁতে আনকি মদ, ভাং, ড্ৰাগছ আদি ক্ষতিকাৰক দ্ৰব্যও সেৱন কৰে। আমি যদি এনে সংগীৰ পাল্লাত পৰোঁ তেন্তে এদিন নিচাগ্ৰস্ত হৈ পৰিব পাৰোঁ।

এতেকে আমি বুজিব পাৰিছোঁ যে এনেকুৱা ধৰণৰ সংগীৰ লগত যদি আমি মিলা-মিছা কৰোঁ, তেন্তে আমাৰ জীৱনলৈ বিপৰ্যয় নামি আহিব পাৰে। সেয়ে বন্ধু নিৰ্বাচনৰ ক্ষেত্ৰত আমি ভাল পঢ়া শুনাৰ ছাত্ৰ-ছাত্ৰীৰ বাহিৰেও খেলুৱৈ, সংগীত চৰ্চা কৰা ছাত্ৰ-ছাত্ৰী আৰু পাঠ্যপুথিৰ বহিৰ্ভূত কিতাপ পঢ়া অৰ্থাৎ সংস্কৃতিমনা ছাত্ৰ-ছাত্ৰীক প্ৰাধান্য দিয়া উচিত।

ধূমপান কৰিলে স্বাস্থ্যৰ বহু ধৰণৰ ক্ষতি হয়, কোনো ধৰণৰ উপকাৰ হয় বুলি আজিলৈকে কোনো প্ৰমাণ পোৱা নাই। সংগদোষত পৰি ধূমপানৰ অভ্যাস গঢ়ি তোলা অনুচিত।

ভাল ছাত্ৰ হ'ব খুজিলে কোনো ৰাজনৈতিক সংগঠনৰ সৈতেও ঘনিষ্ঠ সম্পৰ্ক ৰাখি চলা অনুচিত। ইয়াৰ ফলত আমাৰ পঢ়া-শুনাতেই অকল ক্ষতি নহ'ব, আমাৰ জীৱন হানিও হ'ব পাৰে। গতিকে এইক্ষেত্ৰত সতৰ্কতাৰে চলা ভাল।

আমি যদি দেশৰ উন্নতিৰ লক্ষ্যৰেই ৰাজনৈতিক দলৰ সৈতে যুক্ত হ'ব বিচাৰোঁ, তাতে আমাৰ পঢ়াৰ ক্ষেত্ৰত ক্ষতি হোৱাৰ আশংকা নথকা নহয়। আনহাতে আমি যদি ৰাজনীতি নকৰি ভালকৈ পঢ়া-শুনা কৰি এজন ভাল ডাক্তৰ, ইঞ্জিনীয়াৰ, হাকিম, উকীল বা আন কোনো ভাল চাকৰি পাওঁ বা সততাৰে দায়িত্ব পালন কৰোঁ, তেতিয়া দেশৰ বাবে সেৱা কৰা নহ'বনে? এইক্ষেত্ৰত অকল আমিয়েই নহয়, আমাৰ পৰিয়ালো লাভৱান হ'ব আৰু দেশৰ মানুহ উপকৃত হ'ব। আৰু আমি যদি ৰাজনীতিয়েই কৰিব খোজোঁ, তেন্তে পঢ়া-শুনা সমাপ্ত কৰিয়েই সক্ৰিয় ৰাজনীতিত যোগ দিয়াটো বুদ্ধিমানৰ কাম। সেয়ে কোৱা হয়— 'বুদ্ধি যাৰ, বল তাৰ।'

❖❖❖



# মহাভাৰত আৰু দ্ৰৌপদী

**সুৰভি চক্ৰৱৰ্তী**
স্নাতক প্ৰথম ষান্মাসিক (কলা শাখা)

মহাভাৰতৰ আটাইতকৈ প্ৰসিদ্ধ তথা শক্তিশালী নাৰী চৰিত্ৰটোৱেই হ'ল দ্ৰৌপদী। তেওঁৰ চৰিত্ৰটো অতি গুৰুত্বপূৰ্ণ। পৃথিৱীৰ ইতিহাসত দ্ৰৌপদীৰ দৰে নাৰী দ্বিতীয় এগৰাকী নাই। মহাভাৰতত দ্ৰৌপদীৰ লগত যিমান অন্যায় হোৱা দেখা যায়, সেই অন্যায় মহাভাৰতৰ অন্য কোনো নাৰীৰ ক্ষেত্ৰত হোৱা উল্লেখ নাই। দ্ৰৌপদী এগৰাকী সম্পূৰ্ণ নাৰী আছিল। কিন্তু দ্ৰৌপদীৰ দৰে এগৰাকী অসাধাৰণ নাৰীৰ মাজতো এগৰাকী সাধাৰণ নাৰী লুকাই আছিল। য'ত প্ৰেম, ঈৰ্ষা, মোহৰ দৰে সমস্ত নাৰীসুলভ দুৰ্বলতা লুকাই আছিল। দ্ৰৌপদীৰ প্ৰতাপী বীৰ পঞ্চপাণ্ডৱৰ পত্নী হোৱাৰ পিছতো দ্ৰৌপদীয়ে নিৰাপত্তা পোৱা নাছিল। দ্ৰৌপদী জীৱনৰ প্ৰতিখন যুঁজতে অকলশৰীয়া আছিল। প্ৰতাপী ৰজা দ্ৰুপদৰ জীয়ৰী, বীৰ ভাতৃ ধৃষ্টদ্যুম্নৰ ভগ্নী হোৱাৰ পিছতো পঞ্চপাণ্ডৱৰ পত্নী হোৱাৰ পিছতো দ্ৰৌপদী সদায় অকলশৰীয়া আছিল। কিন্তু দ্ৰৌপদীৰ তৰ্ক, বুদ্ধিমত্তা, জ্ঞান আৰু পাণ্ডিত্যৰ সন্মুখত মহাভাৰতৰ সকলো চৰিত্ৰই অসহায় হৈ পৰা দেখা যায়। যেতিয়াই দ্ৰৌপদীয়ে প্ৰশ্ন উত্থাপন কৰিছিল, সম্পূৰ্ণ সভা নিৰুত্তৰ হৈ পৰিছিল।

প্ৰাচীন ভাৰতৰ মহাকাব্য মহাভাৰতৰ মতে দ্ৰৌপদীৰ জন্ম মহাৰাজ দ্ৰুপদৰ যজ্ঞকুণ্ডৰ পৰা হৈছিল। সেয়েহে দ্ৰৌপদীক যাজ্ঞসেনী নামেৰেও জনা যায়। ইয়াৰ উপৰি কৃষ্ণা, মহাভাৰতী, সৌৰন্ধ্ৰী আদি নামেৰেও জনা যায়। দ্ৰৌপদী পঞ্চকন্যাৰ ভিতৰত এগৰাকী, যাক চিৰকুমাৰী আখ্যা দিয়া হৈছিল। দ্ৰৌপদী পূৰ্ব জনমত এজন ঋষিৰ কন্যা আছিল। তেওঁ স্বামী পোৱাৰ কামনাৰে তপস্যা কৰিছিল। দেৱাদিদেৱ মহাদেৱে প্ৰসন্ন হৈ বৰ দিবলৈ প্ৰস্তুত হোৱাত দ্ৰৌপদীয়ে পাঁচবাৰ সৰ্বগুণসম্পন্ন স্বামীৰ বৰ বিচাৰে। মহাদেৱে তেওঁক বৰ দিলে যে দ্ৰৌপদীয়ে পিছৰ জনমত পাঁচজন ভৰতবংশী স্বামী পাব। কিয়নো তেওঁ স্বামী কামনা কৰি পাঁচবাৰ উচ্চাৰণ কৰিছিল।

সেই অনুসৰি দ্ৰৌপদীয়ে অৰ্জুনৰ লগত বিবাহ হৈছিল আৰু অৰ্জুনৰ মাতৃ কুন্তীৰ ভুলবশতঃ দ্ৰৌপদীয়ে স্বামীৰ ভাতৃকো স্বামী হিচাপে মানি ল'বলৈ বাধ্য হৈছিল। দ্ৰৌপদীৰ পাঁচগৰাকী পুত্ৰ সন্তান আছিল। যি উপ-পাণ্ডৱ ৰূপে বিখ্যাত আছিল।

দ্ৰৌপদী লাঞ্চিত হ'বলগীয়া হৈছিল। পিতামহ ভীষ্ম, জ্যেষ্ঠ পিতৃ ধৃতৰাষ্ট্ৰ, স্বামীৰ গুৰু দ্ৰোণ, কৃপাচাৰ্য, বীৰ স্বামী পঞ্চপাণ্ডৱ তথা সভাঘৰ ভৰি থকা সভাসদৰ সন্মুখত দ্ৰৌপদী লাঞ্চিত হৈছিল। ক্ৰোধ, ঘৃণা, অপমান আৰু তিৰস্কাৰৰ প্ৰতিশোধত জ্বলিছিল দ্ৰৌপদী। কৌৰৱৰ দৰ্প চূৰমাৰ কৰিবলৈ পণ লৈছিল। জীৱনৰ ৰণভূমিত অকলে থিয় হৈ দ্ৰৌপদীয়ে নিজৰ স্বামীক সদায় অধৰ্মৰ বিপক্ষে যুদ্ধৰ কাৰণে প্ৰেৰিত কৰিছিল। নিজৰ কেশ নবন্ধাকৈ, শৃংগাৰ নকৰাকৈ ৰাখি যদি তেওঁ নিজৰ ফালৰ পৰা একপক্ষীয় যুদ্ধৰ আৰম্ভণি নকৰিলে হয়, তেতিয়াহ'লে পাণ্ডৱে মহাভাৰতৰ প্ৰত্যাহ্বানক কেতিয়াও স্বীকাৰ নকৰিলেহঁতেন আৰু ইতিহাসে তেওঁলোকৰ পলায়নবাদী চৰিত্ৰকে জানিলেহেঁতন।

কিন্তু ইতিহাসে দ্ৰৌপদীৰ লগত ন্যায় নকৰিলে। আচলতে ভাৰতৰ পুৰুষপ্ৰধান সমাজত নাৰী সদায় অৱহেলিত, শোষিত। দ্ৰৌপদীক মহাভাৰতৰ যুদ্ধৰ কাৰণে দোষী সাব্যস্ত কৰা হয়। অৱশ্যে দ্ৰৌপদীৰ দৰেই আজিও নাৰী জাতি অপমানিত, লাঞ্চিত হৈ আহিছে।

❖❖❖

# শুক্ৰচাৰ্য্য ৰাভা

# বিশেষ





# নব্য নাট্যশৈলীৰ স্রষ্টা শুক্রাচাৰ্য্য ৰাভা

**নয়ন ৰাভা**
সম্পাদক, বাদুংদুপ্পা কলাকেন্দ্ৰ, ৰামপুৰ

ব্যতিক্রমী চিন্তাচৰ্চাৰে খ্যাত লোকৰ চৰ্চা কৰিবলৈ যাওঁতে সেই চৰিত্ৰৰ সৈতে ৰজিতা খোৱা দুই-চাৰিগৰাকী খ্যাতনামা ব্যক্তিৰ প্ৰসংগ উত্থাপন নকৰিলে চৰ্চাবোৰ প্ৰকট নোহোৱা যেন লাগে। খ্যাতনামা নাট পৰিচালক শুক্রাচাৰ্য্য ৰাভাৰ বিষয়ে লিখিবলৈ আগবঢ়াৰ দুৱাৰডলিত বিশ্বসংগীত আৰু নাটক উভয় ক্ষেত্ৰৰ যুগান্তকাৰী সংগ্ৰামী সাধক পল ৰবছন আৰু অসমীয়া লোকসংগীতৰ সুৰ আন্তঃৰাষ্ট্ৰীয় সভাঘৰত কঢ়িয়াই ফুৰা সংগীতৰ যাযাবৰী মহানায়ক সুধাকণ্ঠ ড° ভূপেন হাজাৰিকাৰ প্ৰসংগ কিছু উত্থাপন কৰিবই লাগিব।

পল ৰবছন জন্মগতভাৱে আমেৰিকান যদিও সংগীতজ্ঞ আৰু অভিনেতা হিচাপে লণ্ডনত তেওঁৰ খ্যাতি অধিক আছিল। বিশ্বজোৰা খ্যাতি থাকিলেও তেওঁ কিন্তু নিৰ্যাতিত কৃষ্ণাংগসকলৰ মুক্তিৰ বাবেহে জীৱন উচৰ্গা কৰিছিল।

১৯২৫ চনৰ ১৯ এপ্ৰিলত পল ৰবছন আৰু লৰেঞ্চ ব্ৰাউন (এগৰাকী বিখ্যাত নিগ্ৰো গায়ক) যুটিয়ে ইতিহাস সৃষ্টিকাৰী কনছাৰ্ট অনুষ্ঠিত কৰিছিল আমেৰিকাৰ গ্ৰীন হাউছ ভিলেজ থিয়েটাৰত। এই যুগান্তকাৰী কনছাৰ্টৰ সাৰমৰ্ম আছিল নিগ্ৰো আধ্যাত্ম সংগীত আৰু শ্ৰমগীতৰ সংমিশ্ৰণ সংগীত। আন এটি মন কৰিবলগীয়া বিষয় আছিল পল ৰবছনে নিগ্ৰো সমাজৰ অতি প্ৰাচীন অপ্ৰচলিত আধ্যাত্ম সংগীতবোৰ পুনৰুদ্ধাৰ কৰি প্ৰাণঢালি পৰিৱেশন কৰিছিল। এই অপ্ৰচলিত আধ্যাত্ম সংগীতে সমগ্ৰ বিশ্বৰ নিপীড়িত কৃষ্ণাংগসকলৰ উপৰি বহু শ্বেতাংগ সংগীত শিল্পী, সুৰকাৰ, সংগীত ৰসজ্ঞসকলৰ অন্তৰ চুই গৈছিল। মানুহে নিজৰ অন্তৰতে লুকাই থকা লোকসংগীতৰ ঐশ্বৰ্যময় অপূৰ্ব সুৰ আৱিষ্কাৰ কৰি উচুপি উঠিছিল।

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱেও অসমীয়া জাতীয় জীৱনৰ লোকসংগীত, লোকসুৰ, লোকবাদ্য আৰু লোককথাৰ আলমত নতুন সংযোজনাৰে অসমীয়া গীতৰ ভঁৰালক অনন্য মাত্ৰা প্ৰদান কৰিছিল। অসম বুলিয়ে নহয়, ভাৰতবৰ্ষই তেওঁৰ মাজত বিচাৰি পাইছিল এক অনন্য প্ৰতিভা। এই প্ৰতিভাৰ আঁহে আঁহে আছে অসমীয়া ভাষা-সংস্কৃতি, ঐতিহ্যৰ দুৰ্লভ সুবাস। সেই প্ৰতিভা উজলাই তুলিছে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইবোৰ জনগোষ্ঠীৰ ঐতিহ্য, ভাষা-সংস্কৃতিয়ে। সেইদৰে আমাৰ মাটিৰ ৰসাল সংস্কৃতিক দেশ-বিদেশৰ সভাঘৰত ইয়াৰ আগলৈকে আন কোনোৱে ইমান ব্যাপকভাৱে নিবলৈ সক্ষম হোৱা নাছিল।

১৯৮০ চনত জাপানৰ বুদ্ধিজীৱী সাংস্কৃতিক সংগঠনৰ দ্বাৰা আমন্ত্ৰিত হৈ বিশ্বৰ ১২০গৰাকী সৰ্বশ্ৰেষ্ঠ গণশিল্পীৰ সৈতে মুখ্য অতিথি শিল্পী ৰূপে যোগদানৰ সময়তে ভূপেন হাজৰিকাক সাংবাদিক মহলে 'পৃথিৱীৰ লোকসংগীতৰ গৱেষক আৰু শিল্পী' ৰূপে স্বীকৃতি প্ৰদান কৰিছিল।

উক্ত দুগৰাকী মনীষীৰ লেখীয়াকৈ প্ৰগতিশীল নব্য নাট্যধাৰাৰ সাধক সদ্যপ্ৰয়াত শুক্ৰাচাৰ্য্য ৰাভাদেৰৰো লোকসংস্কৃতিৰ প্ৰতি আছিল অগাধ শ্ৰদ্ধা আৰু ভালপোৰা। অতি আধুনিক নাট্য পৰম্পৰাৰ পৰিধি ভাঙি তেওঁ শিল্পৰ প্ৰকৃত সন্ধান বিচাৰি পাইছিল চহা জীৱনৰ ঘাত-প্ৰতিঘাতৰ পৰিঘটনাৰ মাজত। নব্য-নাটকৰ সমল যুগুতাবৰ বাবে তেখেতে কোনো আনুষ্ঠানিক পৰিৱেশ্য কলাৰ শিক্ষা গ্ৰহণ কৰা নাছিল আৰু নাট্যশালাৰ ডিগ্ৰীৰ প্ৰয়োজনীয়তা অনুভৱো নকৰিলে। বৰঞ্চ নৃগোষ্ঠীয় জনসাধাৰণৰ জীৱন প্ৰণালীৰ বিশ্লেষণাত্মক অনুশীলনেৰে নাটকৰ সমল সংগ্ৰহ কৰিলে। নৃগোষ্ঠীয় লোককলাৰ পৰিধিৰ বিষয়ত নাট্যচৰ্চা কৰাৰ মূলতে হ'ল— তেখেতে স্পষ্টভাৱে জানিছিল যে নৃ-সংস্কৃতিৰ ওপৰত তেওঁৰ যিমান বিশুদ্ধ ধাৰণা আছে, অন্য সংস্কৃতিৰ ওপৰত সেই ধাৰণা সীমিত। আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল নৃ-গোষ্ঠীয় লোকৰ ক্ষেত্ৰত আক্ষৰিক শিক্ষাৰ বাবে খেল-ধেমালি, গীত-মাত, নাট-নৃত্যৰ আনুষ্ঠানিক শিক্ষাৰ প্ৰাসংগিকতা নাথাকে। জীৱনজুৰি তেওঁলোক এই গুণৰাজিৰ লগত সহবাস কৰে। প্ৰাতঃভ্ৰমণ, ৱাৰ্ম-আপ জাতীয় কথাবোৰ এওঁলোকৰ জীৱনৰ নিত্যসংগী। সেইহেতু লোককলাৰ চৰ্চা কৰিবলৈ নৃগোষ্ঠীয় শিল্পীৰে অনুশীলন আগুৱাই নিয়াটো উজু। আধুনিক আৰু আনুষ্ঠানিক নাট্যকলাৰে প্ৰশিক্ষিত শিল্পীৰ দ্বাৰা এই কাম সম্ভৱ নহয়, যদিহে শিল্পীগৰাকী পৰিচালকে বিচৰা জনগোষ্ঠীৰ নহয়। অভিনয় কলাৰ তিলমাত্ৰ অভিজ্ঞতা নথকা ব্যক্তি এদল লৈ শুক্ৰাচাৰ্য্য ৰাভাই তেওঁৰ ব্যতিক্ৰমী নাট্যচৰ্চাৰ কাম আগুৱাই নিছিল। তেওঁ জানিছিল যে পূৰ্বতে এটা নিৰ্দিষ্ট ধাৰণা আৰু অভিজ্ঞতাৰে পৈণত শিল্পীক নিজস্ব অভ্যাসৰ (track) বাহিৰৰ নতুন ধাৰণাৰ বেহুত পৰিৱৰ্তিত কৰোৱা কিছু কঠিন। এই কথাষাৰ বহু পৰিচালক-প্ৰযোজকে জানে যদিও তেওঁলোকৰ হাতত দীৰ্ঘ ম্যাদী আঁচনি নাথাকে। অৰ্হতা আৰু অভিজ্ঞতাপুষ্ট কলা-কুশলীৰে বেছিভাগ পৰিচালকে সহজলভ্য পাণ্ডুলিপি লৈ নাটক পৰিচালনা কৰে।

এটা ব্যতিক্ৰমী মন লৈ তেওঁ নাটকৰ জগতত ভৰি দিছে। ৰাজ্যিক নহয়, ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় মঞ্চত নাটক কৰিব, মাধ্যম কিন্তু ৰাভা ভাষা। চিন্তনীয় বিষয়। অসমৰ নৃগোষ্ঠীয় শিল্পীয়ে মঞ্চায়ন কৰা নাটক অসমৰ দৰ্শকৰ বাবে অসমীয়া ভাষাত, অসমীয়া নাটক ভাৰতীয় প্ৰেক্ষাপটত ৰাষ্ট্ৰ ভাষাত আৰু নিউয়ৰ্ক, চিকাগো, লণ্ডনৰ বাবে ভাৰতীয় ভাষাৰ নাটৰ পৰিৱৰ্তে ইংৰাজীত হ'লে সকলোৰে বোধগম্য হ'ব— এনে ধৰণৰ শংকা লৈ তেওঁ নাটক কৰা নাছিল। ভাষা নাটকৰ অন্তৰায় হ'ব নালাগে। কথাষাৰ ভাবিবলৈ উজু, কিন্তু ভাষা অন্তৰায় নোহোৱাৰ পদ্ধতি নিশ্চয় আৱিষ্কাৰ কৰিবও লাগিব। তেখেতে কৰিলে, দেখুৱালে। শাৰীৰিক ভাষাৰে তেওঁ সেই অন্তৰায় আঁতৰালে। আমোদজনক কথাটো হ'ল তেখেতে এই পদ্ধতিটো সংগ্ৰহ কৰিলে চহা জীৱনৰ আচাৰ-আচৰণৰ পৰা। নক'লেও সত্য যে এই ৰীতিটোক সম্বল কৰিয়ে পল ৰবছন বিশ্বখ্যাত হৈছিল। শুক্ৰাচাৰ্য্য ৰাভায়ো ৰবছনৰ লেখীয়াকৈ নিজ জনগোষ্ঠীৰ লুপ্ত আৰু সুপ্ত নিচুকনী গীত, পূজামন্ত্ৰ আৰু আধ্যাত্ম গীতবোৰকে নাটকত ব্যৱহাৰ কৰিছে। আধুনিক নাটকত হেৰাই যাব ধৰা গীত-কথাৰ পুনৰুল্লেখ, পুনৰ ব্যৱহাৰ দেখি নৃগোষ্ঠীয় দৰ্শক যেনেদৰে বিস্ময়াভিভূত হৈছে তেনেদৰে নাট-গৱেষকসকলেও চৰ্চাৰ বাবে এক নতুন বিষয় আৱিষ্কাৰ কৰিলে। সেইবাবে তেখেতৰ নাটকৰ প্ৰাসংগিকতা আছে আৰু ভৱিষ্যতেও থাকিব।

অগতানুগতিক নাট্যশৈলী কেনেদৰে সৃষ্টি কৰিব পাৰি? অগতানুগতিক বুলি কোৱাৰ অৰ্থ হ'ল ই এনে এক নাট্য উপস্থাপন হ'ব লাগিব, যি পৃথিৱীত বিৰল। স্কুলীয়া জীৱনৰ পৰা গাঁৱলীয়া যাত্ৰাদল অথবা অপেছাদাৰী নাট্যদলত বহু বছৰ প্ৰত্যক্ষভাৱে জড়িত থাকি তেওঁৰ অভিজ্ঞতা হৈছিল যে নাটক এনে এটা ব্যৱস্থাৱলীৰ মাজত বন্দী, য'ত অভিনেতা-অভিনেত্ৰীক ভাটৌৰ দৰে সংলাপ শিকোৱা হয়। প্ৰম্পটাৰ নিৰ্ভৰশীল আৰু কাপোৰ নিৰ্ভৰশীল, ব্লেক্ বক্স প্ৰাধান্য ৰীতিৰ পৰা কেনেদৰে ফালৰি কাটি নাটক প্ৰদৰ্শন কৰিব পাৰি? নাটক মানেই এন্ধাৰ বা ৰাতিত কৰিব লাগিব— এই ধাৰণাৰ পৰা কেনেদৰে আঁতৰি আহিব পাৰি?

প্ৰথম পৰ্যায়ত তেখেতে মঞ্চসজ্জা, সাজসজ্জা প্ৰভূত পৰিমাণে ব্যৱহাৰ কৰিলে। সমান্তৰালভাৱে শাৰীৰিক সঞ্চালন প্ৰকট কৰিলে— যাতে ভাষা নুবুজা দৰ্শকে অংগ-ভংগীতে নাটক বুজিব পাৰি। অৱশ্যে আঁৰ কাপোৰ আৰু পশ্চিমীয়া অৰ্কেষ্ট্ৰা পৰিহাৰ কৰি নাট উপস্থাপন কৰিলে। লাহে লাহে মঞ্চসজ্জা, সাজসজ্জা হ্ৰাস কৰিবলৈ ধৰিলে। সৰঞ্জাম মিতব্যয়ী কৰা হ'ল। শৰীৰৰ অভিব্যক্তি প্ৰকট দৃশ্যায়ন হ'ব পৰাকৈ স্বল্পবস্ত্ৰ পৰিধানৰ অনুশীলন কৰা হ'ল। সমান্তৰালভাৱে সংলাপ হ্ৰাস কৰা হ'ল। সেইবুলি ই মূকাভিনয়ৰ পৰ্যায়লৈও গতি কৰা নাই। মূকাভিনয়ৰ বাদে পৃথিৱীৰ সমস্ত নাটকেই সংলাপপ্ৰধান। তেখেতে এই ৰীতি ভাঙি দিলে। সংলাপৰ বাবেহে পাণ্ডুলিপি লাগে। যিহেতু তেওঁৰ নাটকত সংলাপ তাকৰ, পাণ্ডুলিপি কিয় দৰকাৰ? পাণ্ডুলিপি বৰ্জন কৰা হ'ল। এতিয়ালৈ বাদুংদুপ্পাৰ নাটকৰ সাৰাংশৰ বাহিৰে কোনো পাণ্ডুলিপি নাই।

কেৱল এইখিনিয়ে অগতানুগতিক ধাৰণা নে? তেওঁ এখোপ আগুৱাই গ'ল। চকুত গ্লিচাৰিন দি কন্দা, ৰঙা লাইটৰ পোহৰত খং প্ৰদৰ্শন কৌশল পৰিহাৰ কৰি প্ৰাকৃতিক পোহৰত সমস্ত আৱেগ উজাৰি নাট প্ৰদৰ্শন কৰা হ'ল। সকলো পৰীক্ষা- নিৰীক্ষা কৰা হ'ল। পৰিকল্পনা আৰম্ভ হ'ল ২০০৮ চনৰ পৰা। ঠিক সেই সময়খিনিতে পৃথিৱীৰ আন এটা প্ৰান্তত নতুন ধৰণৰ নাটকৰ সম্পৰীক্ষা চলি



আছিল। ২০০৮ চনৰ ৩০ অক্টোবৰৰ পৰা ২০০৯ চনৰ ২ জানুৱাৰীলৈ দীৰ্ঘদিনীয়া Theatre and visual art projectৰ কাম দক্ষিণ পেৰুৰ আটাকামা মৰুভূমিত নেদাৰলেণ্ডছৰ Theatre Embassy-এ ৰূপায়ণ কৰিছিল। চাৰি লাখ জনসংখ্যাৰ টাকনা নামৰ মৰু চহৰখনত (Desert city)। পেৰুৰ ৰাজধানী লিমাৰ পৰা ১৮ ঘণ্টা বাছেৰে যাত্ৰা কৰিব লগা দূৰত্বৰ চহৰ। থিয়েটাৰ এম্বেছীৰ লক্ষ্য আৰু উদ্দেশ্য আছিল প্ৰেক্ষাগৃহ অথবা মঞ্চ অবিহনে মৰুভূমিৰ সেই শূন্য স্থানত কেনেদৰে নাটক পৰিৱেশন কৰিব পৰা যায়।

২০০৮ চনৰ শেষৰফালে শুক্ৰাচাৰ্য্য ৰাভাই পদ্মভূষণ সন্মানপ্ৰাপক হেইচনাম কানহাইলালৰ সৈতে হাবিত মঞ্চ অবিহনে কেনেদৰে নাটক পৰিৱেশন আৰু উপস্থাপন কৰা যায় তাৰ চিন্তা-চৰ্চা কৰি ডিচেম্বৰৰ ২২ আৰু ২৩ তাৰিখে দুদিনীয়াকৈ Under the sal tree Theatre in life শীৰ্ষক নাট সমাৰোহ পৰীক্ষামূলকভাৱে অনুষ্ঠিত কৰিলে। এই নাট সমাৰোহৰ বিষয়ে সেই বছৰেই থিয়েটাৰ এম্বেছীৰ পুতলা নাট বিশেষজ্ঞা ইভলিন পুলেন্সৰ যোগেদি এম্বেছীৰ Artistic Director বেৰিথ ডান্সৰ কৰ্ণগোচৰ হোৱাত ২০০৯ চনৰ ১৭ আগষ্টত তেখেত আহি বাদুংদুপ্পাত উপস্থিত হয়। Vision মিলি গৈছিল বাদুংদুপ্পা আৰু থিয়েটাৰ এম্বেছীৰ। ২০০৯ চনৰ পৰা Theare Embessy-এ বাদুংদুপ্পাৰ নাট সমাৰোহত আৰ্থিক সহযোগিতা আগবঢ়ালে।

মৰুভূমিত ৰাতি বিজুলী অবিহনে কেৰাচিনৰ লেম্প জ্বলাই আৰু চিমনীযুক্ত মমবাতি জ্বলাই এম্বেছীয়ে নাট প্ৰদৰ্শন কৰিছিল। উদ্দেশ্য আছিল নাটকক সাধাৰণ জনগণৰ কাষলৈ লৈ যোৱা। তাৰ আগতেই শুক্ৰাচাৰ্য্য ৰাভা আৰু কানহাইলালে প্ৰাকৃতিক পোহৰত দিনৰ বেলা নাটক উপস্থাপন কৰি খলকনি তুলিলে। Theare Embessy-ৰ দৰে শুক্ৰাচাৰ্য্য ৰাভাৰ দৰ্শন আছিল নাটকক সাধাৰণ জনগণৰ কাষলৈ নিয়া। নগৰ-চহৰৰ প্ৰেক্ষাগৃহত সাধাৰণ নাগৰিকৰ নাটক দৰ্শনৰ সুযোগ নাথাকে। সেই হেতু Rural theatre rural areaত প্ৰদৰ্শনৰ প্ৰচেষ্টা ফলপ্ৰসূ হৈ উঠিল।

ব্যতিক্ৰমী নাট্য প্ৰসাৰৰ সমান্তৰালভাৱে অসমৰ জাতীয় জীৱনৰ সৈতে জড়িত বাদ-বিবাদৰ সু-সমাধানো তেওঁৰ একান্ত কাম্য আছিল। বৰ্তমান অসমত পেছাদাৰী-অপেছাদাৰী নাট্যদল বুলি উত্থাপিত বিতৰ্কৰ পৰা আঁতৰি তেখেতে সবল যুক্তি দিছে যে 'আমি অপেছাদাৰী নহওঁ। পেছাদাৰী হ'লেও নিত্য প্ৰয়োজনীয়তাৰ খাতিৰত অ'ত-ত'ত টিকট বিক্ৰি কৰি নাট প্ৰদৰ্শন কৰা ব্যৱসায়িক ভ্ৰাম্যমাণ দলো নহওঁ। মানদণ্ডযুক্ত আৰু সন্মানীয়ভাৱে নাট উপস্থাপন কৰা আমাৰ লক্ষ্য। জীৱনটোক নাট নিৰ্ভৰযোগ্য কৰি তুলিবলৈ অভিনয়ৰ মানদণ্ডত কাৰচাজি থাকিব নালাগিব।' অপেছাদাৰী নাট্যদলবোৰে নিঃস্বাৰ্থভাৱে বিনা পাৰিশ্ৰমিকেৰে নাট্যসাধনাত নিজক উচৰ্গা কৰা বুলি জাহিৰ কৰিব পাৰে। এই লৈ তেওঁলোকে সুনাম (Credit) আৰ্জিবও বিচাৰে। পিছে শুক্ৰাচাৰ্য্য ৰাভাই উপযুক্ত মাননি লৈ সেই মূল্যৰ উৰ্ধ্বত নাট উপস্থাপন কৰিছিল।

অপেছাদাৰী নাট্যদলৰ শিল্পীতালিকাখন লুটিয়াই চালে দেখা যায় যে নাট্যদলৰ সিংহভাগ শিল্পী সংস্থাপন থকা কিম্বা আৰ্থিকভাৱে সচ্চল পৰিয়ালৰ। বাকীখিনি অধ্যয়নৰত শিক্ষাৰ্থী



নতুন বন্দোবস্তি শিল্পী। প্ৰথমভাগ শিল্পীৰ বাবে নাট্যচৰ্চা অৱসৰ সময়ৰ সদ্ব্যৱহাৰ বুলিব পাৰি। মাননি মুখ্য উদ্দেশ্য নহয়। পিছে শুক্ৰাচাৰ্য্য ৰাভা আৰু তেওঁৰ সহকৰ্মীসকল নিবনুৱা অথচ নিষ্কৰ্মা নহয়। কৰ্মৰ উচিত বিনিময় পোৱাটো তেওঁৰ কাম্য আছিল। জীৱনক নাট নিৰ্ভৰশীল কৰিব পৰা কথাটো তেওঁ সাব্যস্ত কৰি দেখুৱাইছিল। ভেক্কিবাজীৰে মাননি বিচৰা নাটকক তেওঁ সদায় কঠোৰ সমালোচনা কৰিছিল।

**নাট গাঁথনি প্ৰক্ৰিয়া ঃ** এগৰাকী সহকৰ্মী হিচাপে বাদুংদুপ্পাৰ নাট গাঁথনি প্ৰক্ৰিয়াত নিমজ্জিত থাকি মই বহু অভিজ্ঞতাৰ মুখামুখি হৈছোঁ। প্ৰচেনিয়াম থিয়েটাৰত পোহৰ আৰু কাৰিকৰি কৌশলৰ গইনা লৈ বহু অলৌকিক দৃশ্য দৃশ্যায়ন কৰা যায়। পিছে গাঁৱৰ নাট্যদল এটাই প্ৰেক্ষাগৃহ বিচাৰি সদায় নগৰমুখী হোৱা অসম্ভৱ। পোহৰৰ আলমত অভিনয়ৰ বিভিন্ন অভিব্যক্তিবোৰ প্ৰদৰ্শনৰ উজু অৱলম্বন ত্যাগি শুক্ৰাচাৰ্য্য ৰাভাই প্ৰকৃত অভিনয় শৰীৰত সংস্থাপিত কৰাৰ কৌশল আৱিষ্কাৰ কৰিছে। যিকোনো চিন্তাৰ taxt বৰ্ণনা কৰি তাৰ improvise বিচাৰে। দিনৰ পিছত দিন সেই improviseৰ অন্তত পৰিশোধিত অংশ নিৰ্বাচন কৰি সাঁচি থোৱা হয়, যাতে নাটকত প্ৰয়োগ কৰিব পাৰি। পাণ্ডুলিপি অবিহনে এই প্ৰক্ৰিয়াৰে এঘণ্টা সময় দৈৰ্ঘ্যৰ নাট তৈয়াৰৰ বাবে প্ৰস্তুতিপৰ্ব বা অনুশীলন কাল পাঁচ মাহ বা তাতকৈ ওপৰসীমাৰ সময়ৰ প্ৰয়োজন হয়।

বহু নাট সমালোচক আৰু চৰ্চাকাৰীয়ে শুক্ৰাচাৰ্য্য ৰাভাক ভাৰতীয় আধুনিক নাট্যধাৰাৰ ব্যতিক্ৰমী নাট পৰিচালক হেইচনাম কানহাইলালৰ যোগ্য উত্তৰসূৰী আখ্যা দি দুয়োৰে নাট্যশৈলীক একে ৰীতিযুক্ত নাট্যশৈলী বুলি ক'ব বিচাৰে। প্ৰকৃতাৰ্থত কিছু সামঞ্জস্য থকাৰ বাহিৰে বাদুংদুপ্পাৰ নাট্যশৈলী মণিপুৰী কলাশৈলীতকৈ বহু পাৰ্থক্যযুক্ত। বিশ্ব নাট্য সমাজে এই দুই কলাকেন্দ্ৰৰ নাট্যশৈলীক 'শৰীৰী থিয়েটাৰ' বুলি অভিহিত কৰিছে যদিও শুক্ৰাচাৰ্য্য ৰাভাৰ নাট্যশৈলী আচলতে 'জীৱন্ত থিয়েটাৰ'ৰ নতুন উপমাৰে উপযুক্ত নামাংকিত নাট্যধাৰা।

শুক্ৰাচাৰ্য্য ৰাভাই পৰিকল্পনা আৰু পৰিচালনা কৰা বাদুংদুপ্পা কলাকেন্দ্ৰৰ নাটকৰ বৈশিষ্ট্য হ'ল ই আৱন্তণিতে দৰ্শকক ত্ৰিভুবনৰ ভক্তি মাহাত্ম্যৰে আধ্যাত্মিক জগতলৈ সন্তুলিত কৰে। আধ্যাত্মিক সুৰবোৰ ৰাভা লোকগীতৰ নিৰ্বাচিত অংশৰ উপযোগী (Adapt) ৰূপ। (আধ্যাত্ম সংগীতবোৰ কেইবামাহ অনুশীলনৰ অন্তত ই যেতিয়া হৃদয়ত থিতাপি লয় আৰু এই গীতৰ সুৰে আত্মা আন্দোলিত কৰিব পৰা পৰ্যায়লৈ গতি কৰে অৰ্থাৎ আত্মতুষ্টিত অশ্ৰু নিগৰি পৰা অনুশীলনলৈ পৰ্যবসিত হয়, তেতিয়াহে তাক

নাটকৰ বাবে গ্ৰহণ কৰা হয়।) নাটকৰ মাজত কোনো শূন্যকাল নোহোৱাকৈ চৰিত্ৰবোৰ পৰৱৰ্তী দৃশ্যলৈ পৰিৱৰ্তন হয়। জীৱনৰ সংঘাত মুহূৰ্তৰ দৃশ্যত চৰিত্ৰবোৰ নিৰ্বাক-নিস্পন্দ্য হৈ দৰ্শকৰ জঠৰ কলিজা ভেদি প্ৰৱেশ কৰাৰ যি প্ৰৱণতা প্ৰদৰ্শন কৰে, সেইদৰে সংঘাত নিৰ্মূলৰ মুহূৰ্তত যুযুধান চৰিত্ৰই দৰ্শকৰ তেজৰ উমেৰে উমাল হৈ উচ্‌পিচাই-ছটফটাই উদ্‌গীৰণৰ প্ৰৱণতা প্ৰকাশ কৰে। অৱশ্যে কেতিয়াবা তেখেতে নাটকৰ অন্তিম ভাগত দৰ্শকৰ বাবে কিছু প্ৰশ্ন এৰি থৈ যায়।

তেখেতে নিজে অভিনয় কৰা নাছিল। অসমত দেখা যায় যে (কেৱল অসমতে নহয়, ভাৰতৰ বিভিন্ন পৰিচালকক দেখিছোঁ) বেছিভাগ পৰিচালক প্ৰথমতে অভিনয়ত জড়িত অভিনেতা-অভিনেত্ৰীহে। আনুষ্ঠানিক শিক্ষানুষ্ঠানৰ পৰা (পৰিৱেশ্য কলা) তেওঁলোকে অভিনয়ৰ পাঠ্যক্ৰম সামৰি পৰৱৰ্তী সময়ত নাট পৰিচালনাত জড়িত হৈ পৰে। যাৰ বাবে নাটকৰ বিভিন্ন চৰিত্ৰবোৰৰ অভিনয়, সংলাপ পৰিচালকে নিজে প্ৰদৰ্শন কৰি তেওঁৰ মতে অভিনয় কৰিবলৈ শিল্পীসকলক বাধ্য কৰায়। ইয়াত শিল্পীৰ মৌলিকতা প্ৰকাশ নাপায়। শুক্ৰাচাৰ্য্য ৰাভাই সদায় ব্যতিক্ৰমী কামেই কৰি গৈছে। তেওঁ শিল্পীৰ প্ৰতিভাৰ সন্ধান কৰিছিল আৰু সেইবাবে খোদ শিল্পীসকলকে নাটকৰ চৰিত্ৰবোৰ ৰূপায়ণ কৰাৰ দায়িত্বভাৰ অৰ্পণ কৰিছিল। বহুতৰ বাবে এইটো আকৌ ওলোটা চিন্তাও হ'ব পাৰে। কাৰণ ভাও নজনা, অভিনয় নকৰা ব্যক্তি এগৰাকী কেনেকৈ নাট পৰিচালক হ'ব পাৰে? সাধাৰণ দৰ্শকৰ দৃষ্টিত সচৰাচৰ উপস্থাপন অতি উচ্চ মানৰ আছিল। তেওঁ কৈছিল, 'মোৰ মনটোৱে সন্তোষ পোৱা মানে জানিবি যে নাটকখন দৰ্শকৰ উপভোগ্য হৈ উঠিছে।' সঁচাই; চাৰি-পাঁচ মাহ অনুশীলনৰ অন্তত তেওঁ মন্তব্য কৰা ধৰণেই দৰ্শকে তেওঁৰ পৰিচালিত নাট উপভোগৰ অন্তত প্ৰশংসা কৰিছিল। 'আমাৰ নাটক ড্ৰয়িং ৰুমৰ নাটক নহয়। আমাৰ নাটক সংলাপপ্ৰধান নহয়। গতিকে ভাব আৰু শৰীৰৰ সমান্তৰাল অনুশীলন সৰ্বদা লাগিব।' তেওঁ শিল্পীসকলক উপদেশ দিছিল।

নাট্যকলাৰ ক্ষেত্ৰখনত ভৰি দি বহু পৰিচালক, অভিনেতা-অভিনেত্ৰী তথা সমালোচকে পূৰ্বসূৰী ৰীতিৰ প্ৰাসঙ্গিকতাৰ উদ্ধৃতি দিব বিচাৰে। কলা-সংস্কৃতিৰ ব্যাকৰণৰ বাহিৰত নাট প্ৰযোজনা কৰাটো যেন অসন্মানীয়। কলাকাৰ বিশেষজ্ঞসকলে যাতে নাটৰ উপস্থাপন দেখিয়েই তাৰ শৈলী নিৰ্ধাৰণ কৰিব পাৰে তেনে ধাৰণা প্ৰকট কৰিবলৈহে পৰিচালকৰ লক্ষ্য। আন এক পৰম্পৰাৰ কথা উত্থাপন কৰিবই লাগিব। সেইটো হ'ল আধুনিক নাটক বা চিনেমাত প্ৰথম দৃশ্যটো ফ্লেশ্ববেক দেখুৱাই দৰ্শকক আকৰ্ষিত কৰিবলৈ জবৰদস্ত প্ৰয়াস কৰা হয়। প্ৰযোজক-পৰিচালকৰ কাৰচাজিৰ পূৰ্বেই চিন্তাশীল দৰ্শকে ফ্লেশ্ববেকৰ জৰিয়তে কাহিনী বুজি উঠে আৰু উৎকৃষ্ট-নিকৃষ্টৰ উমান পাই উপভোগৰ অনীহাত ভোগে। কিছু দৰ্শকে আধা অংশ চাই প্ৰেক্ষাগৃহ ত্যাগ কৰে। শুক্ৰাচাৰ্য্য ৰাভাই এনেধৰণৰ কাম কেতিয়াও কৰা নাই।

শুক্ৰাচাৰ্য্য ৰাভাৰ নব্য নাট্যশৈলীৰ বিশ্লেষণ কৰা সহজ কথা হৈ থকা নাই। সামাজিক ক্ষেত্ৰখনত তেখেতৰ অৱদানৰ কথা ইয়াত উল্লেখ কৰা নহ'ল। প্ৰকৃতি সংৰক্ষণ আছিল তেওঁৰ কৰ্মৰাজিৰ আন এক উল্লেখনীয় দিশ। সামৰণি বুলি আমি বিশেষ কোনো এটা বৈশিষ্ট্যক আঙুলিয়াই তেখেতৰ বিষয়ে নিবন্ধ সামৰিব নোৱাৰোঁ। য'তে শেষ তাতেই আকৌ নতুন দিশৰ আলোচনাই উক্ দিয়ে। বিভিন্ন প্ৰান্তৰ গৱেষকে বাদুংদুপ্পা কলাকেন্দ্ৰলৈ আহি গৱেষণা কৰি তেওঁলোকৰ নিবন্ধবোৰ প্ৰকাশ কৰাৰ অন্ততহে পূৰ্ণাংগ চৰ্চা এটাৰ ৰূপ দেখা পাম বুলি আশা কৰিব পাৰোঁ।


**সহায়ক গ্ৰন্থ ঃ**

১। পল ৰবছন ঃ ইছমাইল হুছেইন

২। দুৰন্ত তৰুণ ঃ ভূপেন হাজৰিকা


❖❖❖

# শুক্ৰাচাৰ্য্য ৰাভাক মই যেনেদৰে জানো

**হৰগোবিন্দ ডেকা**
সহকাৰী অধ্যাপক, বুৰঞ্জী বিভাগ



আনুমানিক ২০০০ চন। মাৰ্চ-এপ্ৰিল মাহৰ এটি সন্ধিয়া। ৰাজাৰ লগত কিজানি আহিছিল বাবুপাৰাত থকা হুছেইনৰ ভাৰাঘৰলৈ। সেই সময়ত ডাঃ মেহতাব হুছেইনৰ ভাৰাঘৰটো আছিল কেইজনমানৰ বাবে সাংস্কৃতিক কেন্দ্ৰ। সেই ঘৰটোৰ পৰাই নাটকৰ পৰিকল্পনা, সুৰৰ গধূলিৰ চিন্তা, বিষ্ণু ৰাভা দিৱস উদ্‌যাপন, শিল্পী দিৱস উদ্‌যাপন, জাৰজ চিনেমাৰ জন্ম, যিকোনো সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিবলগীয়া হ'লে আগতীয়া আখৰা আদি বহুতো কামেই আমি কৰিছিলো। শুক্ৰাচাৰ্য্য ৰাভাক ৰাজাই মোৰ লগত চিনাকি কৰি দিলে। প্ৰথম চিনাকিতে তেখেতে মোক ডেকাদা বুলি সম্বোধন কৰিলে। মৃত্যুৰ আগমুহূৰ্তলৈকে মই তেখেতৰ কণ্ঠত 'ডেকাদা' হৈয়ে ৰৈ গ'লোঁ। এনেকৈয়ে মাজে মাজে তেখেতে আমাৰ ৰুমলৈ আহে আৰু এদিন-দুদিন থাকি যায়গৈ।

আমি অতি ঘনিষ্ঠভাৱে লগ হ'বলৈ সুবিধা পাইছিলো ২০০৩ চনত। মে'-জুন মাহমানত (সঠিক মনত নাই) তেখেতে এটি প্ৰস্তাৱ আনিলে। প্ৰস্তাৱটো আছিল থিয়েটাৰ ফ'ৰাম অব আছামে কৰিবলৈ ওলোৱা বহুভাষিক নাট সমাৰোহখন দুধনৈত অনুষ্ঠিত কৰিব লাগে। সেই উদ্দেশ্যে নৱচিত্ৰলেখা নাট্যগোষ্ঠীৰ তত্বাৱধানত দুধনৈ হাইস্কুলত ৰাজহুৱা সভা এখন আয়োজন কৰা হ'ল। সেই সভাতে সমাৰোহখন দুধনৈত অনুষ্ঠিত কৰা হ'ব বুলি প্ৰস্তাৱ গ্ৰহণ কৰি দুধনৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক দশৰথ কাকতিদেৱক সভাপতি আৰু সমাজকৰ্মী চিত্ৰ কোচক সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হয়। উক্ত সমাৰোহত নৱচিত্ৰলেখা নাট্যগোষ্ঠীৰ ফালৰ পৰা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ 'শোণিত কুঁৱৰী' নাটকখন বড়ো ভাষাত প্ৰদৰ্শন কৰাৰ বাবে প্ৰস্তাৱ লোৱা হয় আৰু সেই মৰ্মে নাটকখন বড়ো ভাষালৈ অনুবাদ কৰে কনিষ্ক হাজোৱাৰীদেৱে। নাটকখনৰ পৰিচালনাৰ দায়িত্বত আছিল সপোনজ্যোতি ঠাকুৰ। আনহাতে বাদুংদুপ্পাৰ পৰা শুক্ৰাচাৰ্য্যই দায়িত্ব লয় 'ৰূপালীম' নাটকখনৰ। নাটকখন সুন্দৰকৈ ৰাভা ভাষাত তেওঁ অনুবাদ কৰিলে। এইক্ষেত্ৰত নাটকখনৰ গীতকেইটিৰ বাবে আমি দুয়োজনে কিছু সমস্যাত পৰিছিলো। তেখেতে গীতকেইটি ৰাভা ভাষালৈ অনুবাদ কৰিছিল যদিও জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে আৰোপ কৰা সুৰৰ লগত কিছু মিলা নাছিল। আমি দুইজনে হুছেইনৰ ৰুমত বহি গীতকেইটিক লৈ আলোচনা কৰিছিলো। প্ৰথমে এবাৰ জ্যোতি সংগীতটি গোৱাৰ পিছত আৰু ৰাভা ভাষাত গাইছিলো। সুৰ মিলাবৰ কাৰণে কেতিয়াবা একে অৰ্থ বুজোৱা আন শব্দ তেখেতক

বিচাৰিবলৈ কৈছিলো, সেইখিনি মিলাবৰ বাবে আমাৰ প্ৰায় চাৰি/পাঁচ দিন সময় লাগিছিল। তাৰ পিছত জুলাই মাহৰ ৬ তাৰিখে দুধনৈৰ পৰা শুক্ৰাচাৰ্য্য আৰু মই ৰামপুৰলৈ ৰাওনা হ'লোঁ। তেওঁৰ ঘৰত এসপ্তাহ থাকি বাদুংদুপ্পাৰ প্ৰায় সকলো শিল্পীকে 'ৰূপালীম' নাটকৰ গীতকেইটি ৰাভা ভাষাত শিকালোঁ। যিমান দূৰ মনত পৰে গায়িকাসকলৰ ভিতৰত জন্মেশ্বৰী, ভাগ্যৱতী, ৰয়ন্তীৰ লগতে আৰু কেইবাজনো গায়ক আছিল। (এই সময়ত সকলোৰে নাম মোৰ মনলৈ অহা নাই) এই বহুভাষিক নাট সমাৰোহত তেজপুৰৰ পৰা 'কাৰেঙৰ লিগিৰী', যোৰহাটৰ পৰা 'লভিতা' আৰু নলবাৰীৰ পৰা নাবিক গোষ্ঠীয়ে 'খনিকৰ' নাটকখন অসমীয়া ভাষাত মঞ্চস্থ কৰিছিল।

ইয়াৰ পিছত ২০০৪/০৫ চনত মুনিন ভূঞাই ৰচনা কৰা 'হাতী আৰু ফান্দি' নাটকখন কণিষ্ক হাজোৱাৰীদেৱে বড়ো ভাষাত অনুবাদ কৰিলে আৰু শুক্ৰাচাৰ্য্যৰ পৰিচালনাত নৱচিত্ৰলেখাৰ উদ্যোগতে জন মন্দিৰত নাটকখন মঞ্চস্থ কৰা হয়। তাৰ ঠিক পিছে পিছে উমানাথ গেৱালীয়ে আগৰৱালাদেৱৰ 'লভিতা' নাটকখন নেপালী ভাষালৈ অনুবাদ কৰে আৰু সেইখন নাটকো শুক্ৰাচাৰ্য্যৰ পৰিচালনা আৰু মোৰ সংগীত নিৰ্দেশনাৰে মঞ্চস্থ কৰা হয়।

২০০৬ চনত তেওঁ ৰাভা ভাষাত চিনেমা এখন কৰাৰ পৰিকল্পনা হাতত লয়। চিনেমাখনৰ নাম আছিল 'নাচি'। চিনেমাখনত মুঠ চাৰিটা গীত আছিল। তাৰে তিনিটা গীতৰ সুৰ মোৰ আছিল আৰু এটি গীতত কণিষ্ক হাজোৱাৰীদেৱে সুৰ কৰিছিল। তাৰেই এটি গীত মই একক কণ্ঠত আৰু আন এটি গীত জন্মেশ্বৰী ৰাভাৰ লগত গাইছিলো। আনহাতে মোৰ সুৰৰ তৃতীয় গীতটি মৃগেন সৰকাৰ অৰু জন্মেশ্বৰী ৰাভাই দ্বৈত কণ্ঠত গাইছিল। হাজোৱাৰীদেৱে কৰা সুৰৰ গীতটি জন্মেশ্বৰী ৰাভাই একক কণ্ঠত গাইছিল। ২০০৬ চনৰ ৭ ডিচেম্বৰত শুক্ৰাচাৰ্য্য, ৰাজা, মই, জন্মেশ্বৰী আৰু জিতু পাঠক গীতকেইটিৰ ৰেকৰ্ডিঙৰ কাৰণে গুৱাহাটীলৈ গৈছিলো। চিনেমাখনৰ সংগীত পৰিচালনাৰ দায়িত্বত আছিল গোপী ৰাভা। আচৰিত কথা এইটোৱেই যে বৰষাৰাণী বিষয়াৰ নিচিনা এগৰাকী স্বনামধন্য নায়িকাক তেওঁ এইখন চিনেমাত নায়িকাৰ দায়িত্ব অৰ্পণ কৰিছিল। কোনোদিনে নুশুনা বা নজনা ভাষা এটি শুক্ৰাই বৰষাৰাণী বিষয়াক এনেদৰে শিকাইছিল যে চিনেমাখন চালে গমেই নাপায় বৰষাই যে প্ৰথমবাৰৰ বাবে ভাষাটো ক'বলৈ লৈছে।

তেখেতৰ পৰিচালনা আৰু সময়ৰ সদ্ব্যৱহাৰক সদায় মই শ্ৰদ্ধা কৰোঁ। যিসকল দৰ্শকে 'Under the sal tree'ৰ নাট উপভোগ কৰিবলৈ গৈছে, তেওঁলোকে সময়ৰ কথাটো নিশ্চয় ভালকৈ বুজি পাইছে। তেখেতৰ নাটকসমূহৰ আন এটি বৈশিষ্ট্য হ'ল যে জনজাতীয় সাধুকথা, লোকগাথাসমূহক নাট্যৰূপ দি তেওঁ মঞ্চস্থ কৰাইছিল। লগতে আন এটি গুৰুত্বপূৰ্ণ দিশ আছিল নাটকত ব্যৱহাৰ কৰা সাংগীতিক দিশ আৰু বাদ্যযন্ত্ৰবোৰ। মঞ্চস্থ হৈ থকা নাটক এখনত নীৰৱতাও যে Background music হ'ব পাৰে, সেই কথাটো তেওঁ উপলব্ধি কৰিছিল। আজিকালিৰ দৰে বাহিৰৰ পৰা আমদানি কৰা যন্ত্ৰ তেওঁ ব্যৱহাৰ কৰা নাছিল। ৰাভা জনগোষ্ঠীৰ যিবোৰ লোকবাদ্য সেই বাদ্যৰেই তেওঁ নাটকৰ Background music ৰচনা কৰিছিল। হয়তো এনেকুৱা বিশেষ গুণৰ বাবে গোটেই পৃথিৱীতে 'বাদুংডুপ্পা' অসম তথা ভাৰতক নাটকৰ ক্ষেত্ৰত পৰিচয় কৰাই দিবলৈ তেওঁ সক্ষম হৈছিল।

শেষত, আমাৰ আৰু এটি আশা আছিল। এদিন তেওঁ কেইটিমান প্ৰেম-বিষাদৰ গীত লিখি আনি ক'লে যে ডেকাদা ৰাভা ভাষাত গজলৰ নিচিনা গীত নাই। এইকেইটি গীত গজলৰ ঠাচত সুৰ কৰি Semi-classic ধাৰা এটি ৰাভা সুৰত সংলগ্ন কৰি দিলে কেনে হ'ব? সেই সময়ত সীমান্ত বৰঠাকুৰ, মই আৰু শুক্ৰা —আমি তিনিওজনে মোৰ ৰুমত আছিলো। আমি দুজনে ক'লোঁ— ইয়াতকৈ আৰু ভাল চিন্তা কি হ'ব পাৰে? গজলকেইটিৰ সীমান্ত আৰু মই লগ লাগি সুৰ কৰিলোঁ। ২০০৭ চনৰ ২৭ ডিচেম্বৰত গোপীদা, মই, শুক্ৰা, সীমান্ত বৰঠাকুৰ আৰু ৰাজকুমাৰ ৰাভা মোৰ ৰুমত বহিলো। গীতকেইটি বৰঠাকুৰ আৰু মই গালোঁ। কিন্তু দুৰ্ভাগ্য, সেই আশা শুক্ৰাৰ লগতে আমাৰো পূৰণ নহ'ল। সময় যদিও আমি পাইছিলো, কিন্তু জীৱনৰ আন আন সমস্যাৰ বাবে আমি প্ৰতিজনে নিজৰ নিজৰ কামত ব্যস্ত থাকিবলগীয়া হৈছিল। তথাপি গীতকেইটি উলিয়াম বুলি মনত এটি আশা পুহি ৰাখিছিলো। হঠাৎ ৮ জুনৰ ৰাতি হৰিহৰ কলিতাৰ পৰা পোৱা বাতৰিটোৱে এই সকলো আশা চূৰমাৰ কৰি দিলে। ভগৱানৰ বিচাৰৰ ওপৰত আমাৰ হাত নাই। তথাপি ইমান কম বয়সতে প্ৰস্ফুটিত প্ৰতিভাধৰ শিল্পী এজনৰ মৃত্যুৰ ব্যথাই বাৰুকৈয়ে অন্তৰত খুন্দা মাৰি থাকে। শুক্ৰাচাৰ্য্য ৰাভাৰ বহুতো অপূৰ্ণ আশাৰ ভিতৰত ৰাভা ভাষাত 'গজল' সৃষ্টিৰ পৰিকল্পনাৰ আশাও অপূৰ্ণ হৈয়ে ৰ'ল।

❖❖❖

# বাদুংদুপ্পাৰ স্ৰষ্টা শুক্ৰাচাৰ্য্য ৰাভা


**বিকশিতা কলিতা**
স্নাতক ষষ্ঠ ষাণ্মাসিক
শিক্ষা বিভাগ


প্ৰকৃতিপ্ৰেমী বিশিষ্ট নাট্যকাৰ, নাট পৰিচালক, বাদুংডুপ্পাৰ স্ৰষ্টা আৰু ৰূপকাৰ, নাট্যসম্ৰাট প্ৰয়াত শুক্ৰাচাৰ্য্য ৰাভাৰ গোৱালপাৰা জিলাৰ ৰামপুৰ নামৰ এখন গাঁৱত ১৯৭৭ চনৰ ১০ এপ্ৰিলত জন্ম হয়। লোক-সংস্কৃতিৰ গৌৰৱময় ঐতিহ্য বহনকাৰী এইগৰাকী ব্যক্তিৰ পিতৃৰ নাম নীলকান্ত ৰাভা আৰু মাতৃৰ নাম পানীবালা ৰাভা। নৱম শ্ৰেণীত পঢ়ি থকা অৱস্থাতে শুক্ৰাচাৰ্য্য ৰাভা নাটকৰ প্ৰতি গভীৰভাৱে অনুপ্ৰাণিত হয়। তেখেতৰ প্ৰচাৰবিমুখ পিতৃ নীলকান্ত ৰাভাই ১২খন নাটক লিখিছিল আৰু গীত-মাত আদি লিখিও প্ৰশংসা বুটলিছিল। সেয়ে হয়তো তেখেতৰ গাতো নাট্য প্ৰতিভাৰ বীজ অংকুৰিত হয়। গোৱালপাৰা কলেজত পঢ়ি থাকোঁতেই কলেজ সপ্তাহত এখন নাট পৰিচালনাৰে তেওঁ দক্ষতাৰ প্ৰমাণ দি সকলোৰে প্ৰশংসা লাভ কৰে। ১৯৯৫ চনত স্নাতক প্ৰথম বৰ্ষত পঢ়ি থাকোঁতে গোৱালপাৰাৰ অগ্ৰণী নাট্যকৰ্মী মহেন্দ্ৰ তালুকদাৰৰ নেতৃত্বত অসম নাট্য সন্মিলনৰ লখিমপুৰ অধিৱেশনত যোগদানৰ সুযোগ পায় আৰু তেওঁক সন্মিলনৰ কাৰ্যনিৰ্বাহক সদস্য নিৰ্বাচিত কৰে। এনেদৰে নাটকৰ



প্ৰেমত বলিয়া হ'বলৈ আৰম্ভ কৰা শুক্ৰাচাৰ্য্য ৰাভাই ১৯৯৩ চনত বৰপেটাত অনুষ্ঠিত অধিৱেশনত 'চাংকই' নামৰ ৰাভা নাটক এখন প্ৰযোজনা/পৰিচালনা কৰি প্ৰদৰ্শন কৰে আৰু ভূয়সী প্ৰশংসা লাভ কৰে। এইদৰে আৰম্ভ হয় তেওঁৰ নাট্য জগতৰ যাত্ৰা। এইক্ষেত্ৰত তেওঁৰ দেউতাকে এষাৰ কথা কৈছিল— 'জীৱনত যি কৰ, সফলতাৰে কৰিবি।' দেউতাকৰ এই বাক্যক আশীৰ্বাদ হিচাপে লৈ তেওঁ নাট্যজগতখনত দৃঢ়তাৰে আগবাঢ়ি যোৱাৰ সপোন দেখিলে।

নাট্যক্ষেত্ৰত স্বকীয় পৰিচয়ৰ সন্ধানত ব্ৰতী শুক্ৰাচাৰ্য্য ৰাভাই ২০০১ চনত ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত পতা ৪৫ দিনীয়া কৰ্মশালাত যোগদান কৰে আৰু ২০০৩ চনত ঐনিতম থিয়েটাৰত যোগদান কৰে। তেতিয়াই তেওঁ প্ৰয়াত মুনীন ভূঞাৰ উদ্যোগত অনুষ্ঠিত কৰ্মশালাত যোগদান কৰাৰ সুযোগ পায়। এনেদৰে তেওঁ 'থিয়েটাৰ ফ'ৰাম অব আছাম'ত জড়িত হৈ পৰে। ২০০৪ চনত তেওঁ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কালজয়ী নাটক 'ৰূপালীম'খন ৰাভা ভাষাত মঞ্চস্থ কৰি ৰাইজৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰে। এনেদৰে নেপালী ভাষাত 'লভিতা' আৰু মুনীন ভূঞাৰ 'হাতী আৰু ফান্দী' পৰিচালনা কৰাৰ সুযোগ লাভ কৰে। এনে সময়তে মণিপুৰৰ নাট্যযোদ্ধা এইচ কানহাইলালৰ লগত চিনাকি হয় শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত। কানহাইলালৰ সান্নিধ্যই শুক্ৰাচাৰ্য্য ৰাভাৰ আগৰছোৱা কালত তিল্‌তিল্‌কৈ লাভ কৰা সমস্ত নাট্যৰীতিৰ প্ৰতিচ্ছবিকে ওলোটাই দিয়ে।

তেখেতে ৰাভা জনগোষ্ঠীৰ বৰ্ণাঢ্য লোকগীত, নৃত্যৰ পৰা নাট্যসমল আহৰণ কৰি নাট্যৰূপ দিয়াত মনোনিবেশ কৰিলে। ১৯৯৮ খ্ৰীষ্টাব্দত জন্মস্থান ৰামপুৰত প্ৰতিষ্ঠা কৰে 'বাদুংদুপ্পা কলাকেন্দ্ৰ'। আৰম্ভ হ'ল এক নতুন নাট্য পদ্ধতিৰে নাট্যচৰ্চা। শুক্ৰাচাৰ্য্যৰ পিতৃ নীলকান্ত

ৰাভাই আগবঢ়ালে ২ বিঘা মাটি। তাতেই নিৰ্মাণ কৰিলে বাদুংদুপ্পা থিয়েটাৰ নিৰ্মাণ ক্ষেত্ৰ। শালনি বাৰীৰ মাজত নিৰ্মাণ কৰিলে এখনি মুকলি মঞ্চ, য'ত প্ৰাকৃতিক পৰিৱেশ অকণো বিঘ্নিত নোহোৱাকৈ প্ৰকৃতিলব্ধ উপাদানেৰে নিৰ্মাণ কৰা হ'ল তামোল গছ, বাঁহৰ শাৰী শাৰী গেলেৰী। ৰামপুৰৰ এই শালনি বাৰীয়ে প্ৰাণ পাই উঠিল ২০০৮ চনৰ পৰা। ২০০৮ চনত ইংলেণ্ডৰ চেণ্টাৰ ফৰ পাৰফৰ্মেঞ্চ ৰিছাৰ্চ চেণ্টাৰৰ কলা নিৰ্দেশক ৰিচাৰ্ড গ'ই বাদুংদুপ্পাত তিনি দিন ধৰি শুক্ৰাচাৰ্য্য ৰাভাৰ নাটৰ প্ৰদৰ্শনী চাই আপ্লুত হৈ কৈছিল— 'জনগোষ্ঠীয় মূলৰ নাট্য পৰম্পৰাত ইতিবাচক সম্ভাৱনা আৱিষ্কাৰ কৰিলে শুক্ৰাচাৰ্য্য ৰাভাই।' এইদৰে নাটকৰ যাত্ৰাত দোপতদোপে আগবাঢ়ি যাবলৈ সক্ষম হোৱা শুক্ৰাচাৰ্য্য ৰাভাৰ চাগৈ অলেখ সপোন আছিল বাস্তৱত ৰূপ দিয়াৰ। এইক্ষেত্ৰত তেখেতক সকলো প্ৰকাৰে সহায়-সহযোগ আগবঢ়ায় মণিপুৰৰ নাট্যযোদ্ধা কানহাইলালে। এই দুয়োগৰাকীৰ যৌথ প্ৰচেষ্টাতে ভাৰতৰ বাহিৰতো শালনি বাৰীৰ বাদুংডুপ্পা পৰিচিত হৈ পৰে।

শুক্ৰাচাৰ্য্য ৰাভাই ৰাভা ভাষাত স্বৰচিত 'নাঙা গাতা আঙা গাতা', 'হেঙাবা টিং টিং হোঙাবা টিং টিং', 'তিকাৰ', 'টপয়দম', 'দাংগাই', 'দুমুকুচি' আদি ৰাভা নাটকৰ উপৰি 'ৰূপালীম', 'মাদায়ামুচী', 'ৰথেৰ ৰছী' আদি নাটক ৰাভা ভাষালৈ ভাঙনি কৰি অপেচাদাৰী থিয়েটাৰৰ বাবে উপযোগীকৈ পৰিচালনা কৰি ৰাভা আৰু অনা-ৰাভা উভয় শ্ৰেণীৰ দৰ্শকৰ পৰা ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। সেইদৰে মুনীন ভূঞাৰ 'হাতী আৰু ফান্দি' বড়ো ভাষাত "মীইদাৰ আৰো ফান্দি' আৰু জ্যোতিপ্ৰসাদৰ কালজয়ী নাটক "লভিতা'খন নেপালী ভাষাত ৰূপান্তৰ কৰে। অসমীয়া নাট পৰিচালনাতো তেখেতে সুনাম লাভ কৰে। ২০১০ চনৰ ২২ ডিচেম্বৰৰ পৰা ৩১ ডিচেম্বৰলৈ কেৰালাৰ ত্ৰিশূৰত অনুষ্ঠিত তৃতীয় আন্তঃৰাষ্ট্ৰীয় নাট্য মহোৎসৱলৈ গৈ সুনাম কঢ়িয়াই আনে শুক্ৰাচাৰ্য্য ৰাভাই বাদুংদুপ্পা কলাকেন্দ্ৰৰ জৰিয়তে।

নিজস্ব নাট্যৰীতি তথা নৃগোষ্ঠীয় ধাৰা প্ৰয়োগৰ দ্বাৰা নাট প্ৰদৰ্শন কৰা বাবে শুক্ৰাচাৰ্য্য ৰাভাৰ প্ৰতি সকলোৰে দৃষ্টি নিবদ্ধ হয়। তেওঁ প্ৰদৰ্শন কৰা নাট্যধাৰাৰ বাবে ভাৰত চৰকাৰে তেওঁক কেইবাবাৰো জলপানি আগবঢ়াইছে। তাৰ ভিতৰত Dorabji Tata Fellowship (২০১২) বিশেষভাৱে উল্লেখযোগ্য। তেওঁ অতি কম সময়ৰ ভিতৰতে ভাৰতৰ বিভিন্ন ঠাইত নাট কৰ্মশালাত যোগদান কৰি শ্ৰেষ্ঠত্ব প্ৰমাণ কৰিবলৈ সক্ষম হয়। ২০০৯ চনত সংগীত নাটক একাডেমীৰ 'বিছমিল্লা খাঁ যুৱ প্ৰতিভা বঁটা' আৰু ২০১০ চনত 'আদিত্য বিক্ৰম বিৰলা কলা কিৰণ বঁটা' লাভ কৰে। সদৌ অসম ভিত্তিত সদৌ অসম ছাত্ৰ সন্থাই আগবঢ়োৱা ২০১০ চনৰ 'প্ৰতিমা বৰুৱা পাণ্ডে বঁটা' আৰু অসম নাট্য সন্মিলনে আগবঢ়োৱা 'মহেন্দ্ৰ বৰঠাকুৰ বঁটা' (২০১২ চন) লাভ কৰা শুক্ৰাচাৰ্য ৰাভাই ৰাজ্যিক ভিত্তিক 'যুগল কিশোৰ চৌধুৰী স্মৃতি বঁটা' (২০১৫)ৰ উপৰি সৰ্বভাৰতীয় পৰ্যায়ত নাটকৰ বাবে বিহাৰৰ পাটনাৰ পৰা 'পাটলিপুত্ৰ বঁটা' (২০১৬) লাভ কৰিবলৈ সক্ষম হৈছিল।

নিজতকৈ নাটকক বেছি ভালপোৱা এইগৰাকী যুৱ নাট্যকাৰৰ চেষ্টাত নেদাৰলেণ্ডছৰ আন্তঃৰাষ্ট্ৰীয় থিয়েটাৰ সংস্থা 'থিয়েটাৰ এম্বেছী'য়ে তিনি বছৰৰো অধিক কাল 'বাদুংদুপ্পা কলাকেন্দ্ৰ'ৰ সহযোগী হিচাপে কাম কৰাটো অতি তাৎপৰ্যপূৰ্ণ কথা। ২০১৪ চনৰ আগষ্ট মাহৰ পৰা তিনি বছৰৰ বাবে 'বাদুংদুপ্পা কলাকেন্দ্ৰ'ই কেলিফৰ্ণিয়া বিশ্ববিদ্যালয়ৰ সৈতে নাট্যচিন্তাৰ উত্তৰণৰ বাবে কাম কৰাৰ সুযোগ লাভ কৰিছে। এই সকলোবোৰৰ গুৰিতে অসমবাসীৰ গৌৰৱ যুৱ নাট্য পৰিচালক শুক্ৰাচাৰ্য্য ৰাভা।

কিন্তু নিয়তিৰ কি পৰিহাস! আজি আমাৰ মাজত এই মহান শিল্পীগৰাকী নাই। মাথোঁ ৪১ বছৰ বয়সতে পৃথিৱী জিনি স্বদেশ আৰু স্বজাতিক উজলাই তোলা শুক্ৰাচাৰ্য্য ৰাভাই সকলোকে কন্দুৱাই, মাতৃ সেৱাৰ কাম আধৰুৱাকৈ এৰি গুচি গ'ল চিৰদিনলৈ ইহসংসাৰৰ পৰা। যোৱা ৮ জুন ২০১৮ তাৰিখে নিশা ৯ বজাত তেখেতৰ অকাল বিয়োগ ঘটে। তেখেতৰ আত্মাৰ চিৰশান্তি কামনাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। ইমান কম সময়ৰ ভিতৰত সৃষ্টি কৰি থৈ যোৱা তেখেতৰ নাট্যশিল্প, নাট্য চৰ্চাৰ ধাৰা আদিক আমি যুৱ প্ৰজন্মই জীয়াই ৰাখিবলৈ চেষ্টা কৰিলেহে আমি সকলোৱে মহান শিল্পীগৰাকীক সন্মান জনোৱা হ'ব।

❖❖❖




# খহি পৰিল নক্ষত্ৰ

**ৰূপম পাল**
স্নাতক পঞ্চম ষান্মাসিক
দৰ্শন বিভাগ

স্তব্ধ হ'ল বাদুংদুপ্পা। উকা হৈ পৰিল শালনিবাৰী। গোৱালপাৰা জিলাৰ আগিয়াৰ ৰামপুৰস্থিত এই শালনিত এতিয়া কেৱল উচুপনি। শালগছৰ মাজৰ পৰাই নাট্যকলা আন্দোলনেৰে আৰম্ভ কৰিছিল পোহৰমুখী যাত্ৰা। আজি যেন হঠাতে নুমাই থাকিল কিছু আশাৰ পোহৰ বিলোৱা এগছি প্ৰদীপ। অসমৰ নৃত্য-নাট্যৰ লগে লগে জীৱন নাট সামৰিলে থিয়েটাৰ জগতৰ এটা স্তম্ভ শুক্ৰাচাৰ্য্য ৰাভাই। এই নাট্যকাৰজনৰ চেষ্টাতেই ১৯৯৮ চনত জন্ম হৈছিল বাদুংদুপ্পা কলাকেন্দ্ৰ। য'ত অকল অসমৰে নহয়, দেশ-বিদেশৰ পৰা লোক আহি প্ৰকৃতিৰ মাজত বহি নাটকৰ প্ৰকৃত ৰূপ অনুভৱ কৰে। অনাথ হ'ল দুটি কণমানি সন্তানৰ লগতে অসমৰ প্ৰাকৃতিক নাট্যকলা।

মৃত্যুৰ খবৰ পোৱাৰ লগে লগে তেওঁৰ বাসগৃহত উপস্থিত হ'ল বহু সাংস্কৃতিক কৰ্মী। এই বিশিষ্ট শিল্পীগৰাকীৰ মৃত্যুৱে ৰাভা জনগোষ্ঠীৰ লগতে ভাৰতীয় থিয়েটাৰ জগতৰ এটা বৃহৎ ক্ষতি হ'ল। এই বাদুংদুপ্পা কলাকেন্দ্ৰতেই শুক্ৰাচাৰ্য্য ৰাভাই অনুষ্ঠিত কৰি আহিছিল 'আণ্ডাৰ দ্য শাল ট্ৰী' শীৰ্ষক এক ব্যতিক্ৰমী আন্তঃৰাষ্ট্ৰীয় নাট মহোৎসৱ।

দেশ-বিদেশৰ বহু নাট্যদলে প্ৰকৃতিৰ মাজত অভিনয় কৰি লাভ কৰিছিল অনন্য অনুভৱ। শালনিৰ মাজৰ পৰাই শুক্ৰাচাৰ্য্য ৰাভাই ৰাভা লোক-কৃষ্টিক সাবটি ধৰি আৰম্ভ কৰিছিল বিশ্বমুখী যাত্ৰা।

অসমৰ সাংস্কৃতিক জগতৰ এক বৃহৎ উজ্জ্বল নক্ষত্ৰ খহি পৰিল আৰু এই নক্ষত্ৰই নাটৰ জৰিয়তে সমাজ পৰিৱৰ্তনৰ বাবে দেখা সপোনে সম্পূৰ্ণ বাস্তৱ ৰূপ ল'ব নোৱাৰিলে। শালনিৰ মাজেৰে অজান দেশলৈ গুচি যোৱা এইগৰাকী ব্যক্তিয়ে ২০০৯ চনত 'ওস্তাদ বিছমিল্লা খাঁ যুৱ পুৰস্কাৰ', 'প্ৰতিমা বৰুৱা পাণ্ডে বঁটা', 'শ্বেৰ চৌধুৰী সোঁৱৰণী বঁটা', 'আদিত্য বিক্ৰম বিৰলা কলা কিৰণ পুৰস্কাৰ' আদি লাভ কৰি নিজৰ কৰ্মদক্ষতাৰ পৰিচয় দিছিল। এইগৰাকী ব্যক্তিয়ে থিয়েটাৰৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমক গৌৰৱান্বিত কৰি তুলিছিল। খুব কম সময়তেই তেখেতৰ মৃত্যু আমাৰ বাবে এক বৃহৎ অপূৰণীয় ক্ষতি। তেখেতৰ আত্মাৰ সদ্‌গতি কামনা কৰি তেখেতলৈ জনালোঁ আমাৰ হিয়াভৰা শ্ৰদ্ধাঞ্জলি।

❖❖❖

# জীৱিত অৱস্থাত শুক্ৰাচাৰ্য ৰাভাদেৱৰ সৈতে আলাপ

*(দুধনৈৰ পৰা প্ৰকাশিত মাহেকীয়া বহুভাষিক কাব্যালোচনী 'হেৰোৱা ফুলৰ সুবাস বিচাৰি'ৰ ২০০৫ চনৰ মে' মাহৰ সংখ্যাত প্ৰকাশ হৈছিল শুক্ৰাচাৰ্য্য ৰাভাদেৱৰ সৈতে এক আছুতীয়া সাক্ষাৎকাৰ। আলোচনীখনৰ সম্পাদনা সমিতিৰ অনুমতি সাপেক্ষে সেই সাক্ষাৎকাৰটো পুনৰ পাঠক সমাজৰ মাজলৈ আগবঢ়াই দিয়া হ'ল 'দুধনৈ মহাবিদ্যালয় আলোচনী'ৰ জৰিয়তে।)*



**শিল্পী পৰিচয় ঃ**

গোৱালপাৰা জিলাৰ ৰামপুৰ নামৰ গাঁৱৰ এটি সাধাৰণ পৰিয়ালত ১৯৭৭ চনৰ ৪ মাৰ্চ তাৰিখে জন্মগ্ৰহণ কৰা শুক্ৰাচাৰ্য্য ৰাভা সৰুৰে পৰাই নাটকৰ প্ৰতি আকৃষ্ট। বৰ্তমান ভাৰতৰ বিশিষ্ট নাট্যকাৰ-পৰিচালক এইচ কানহাইলালৰ অধীনত মণিপুৰ কলাক্ষেত্ৰত নাট্যকলাৰ শিক্ষা গ্ৰহণ কৰি থকা এইজনা নাট্যকৰ্মী এজন সুদক্ষ অভিনেতাই নহয়, অসমৰ বিভিন্ন স্থানত বিভিন্ন প্ৰতিষ্ঠিত নাট্যকাৰৰ নাটক পৰিচালনা কৰিও দৰ্শকৰ ভূয়সী প্ৰশংসা লভিবলৈ সক্ষম হৈছে। নাটকক জীৱনৰ সৰ্বস্ব বুলি মানি লোৱা এইজনা উদীয়মান নাট্যকৰ্মীৰ সৈতে অলপ সময় আহকচোন কথা পাতোঁ।

**হেঃ ফুঃ সুঃ বিঃ—** কেতিয়াৰ পৰা আপুনি অভিনয়ৰ সৈতে জড়িত?

**শুঃ ৰাঃ—** নাটক বা অভিনয়ৰ সৈতে কেতিয়াৰ পৰা জড়িত হ'লোঁ বুলি কৰা প্ৰশ্নৰ উত্তৰ দিয়া মোৰ বাবে কঠিন। নাটকৰ প্ৰতি টান যেন মোৰ অজানিতে তেজত প্ৰবাহিত হৈ আছে। যি আজন্ম। নহ'লে সেই ল'ৰালিতে বাঁহনিত, গছৰ তলত কত কি যে অভিনয়! সেই তেতিয়াই কেতিয়াবা ৰজা, কেতিয়াবা ভিক্ষাৰী আৰু কেতিয়াবা নায়ক হৈছিলো। হাঁহিছিলো, কান্দিছিলো। ১৯৯২ চনৰ কথা, মোৰ বন্ধুসকললৈ প্ৰথমবাৰ. বাবে 'নাচনী' নামৰ চুটি ব্যংগ নাট এখন লিখি পৰিচালনা কৰিছিলো। মঞ্চস্থও হৈছিল। সেই সময়তে আমাৰ গাঁৱত 'ৰূপজ্যোতি মিনি থিয়েটাৰ' এটা নাম কৰা নাট্যদল। এদিনাখন আখৰা চাবলৈ গৈ এটা চৰিত্ৰৰ শিল্পীৰ অনুপস্থিতিত প্ৰক্সি দিবৰ বাবে যিকোনো এজনক পৰিচালকে মাতিলে। মই যেন সেই সুযোগৰ সন্ধানতে আছিলো। মই প্ৰক্সি মাৰিলোঁ। লগে লগে পৰিচালকৰ উলাহ। ময়েই হেনো সেই চৰিত্ৰৰ বাবে উপযুক্ত। ময়েই সেই চৰিত্ৰটোৰ স্থায়ী শিল্পী হ'লোঁ।

যথেষ্ট প্ৰশংসা পালোঁ। সেই প্ৰেৰণাতেই মোক নিজকে নতুনকৈ আৱিষ্কাৰ কৰিলোঁ। তেতিয়াৰ পৰাই এতিয়াও নাট্যকৰ্মী হিচাপে লাগি আছোঁ।

**হেঃ ফুঃ সুঃ বিঃ— আপোনাৰ প্ৰেৰণাৰ উৎস?**

**শুঃ ৰাঃ—** মোৰ ঘৰখন আৰু শুভাকাংক্ষীসকলৰ মৰম আৰু আশীষ।

**হেঃ ফুঃ সুঃ বিঃ— আমি জনাত আপুনি নিজৰ ঠাইত নাট্যদল এটাৰ জন্ম দিছে। কি নাম? ইয়াৰ জৰিয়তে আপুনি কি বিচাৰে বা অনুভৱ কৰে?**

**শুঃ ৰাঃ—** হয়। কেইজনমান সামাজিক-সাংস্কৃতিকভাৱে দায়বদ্ধ ব্যক্তিৰ সহযোগত ১৯৯৮ চনত 'বাদুংদুপ্পা' নামৰ সামাজিক-সাংস্কৃতিক সমাজখনি গঠন কৰা হয়।

মই বৰ্তমান পৰিচালকৰ দায়িত্ব বহন কৰি আছোঁ। প্ৰতিটো ক্ষণ, প্ৰতিটো মুহূৰ্ততে এই সমাজৰ শুভ চিন্তা কৰোঁ। যাতে ই স্বাস্থ্যৱান হয়।

**হেঃ ফুঃ সুঃ বিঃ— বৰ্তমান অসমত নাট্যধাৰা আৰু আগৰ নাট্যধাৰাৰ বিষয়ে আপোনাৰ মতামত কি?**

**শুঃ ৰাঃ—** ধাৰাবাহিকভাৱে ইয়াৰ গতি উৰ্দ্ধগামী হোৱা আমি দেখিছোঁ। আগৰ নাট্যধাৰা আৰু বৰ্তমানৰ নাট্যধাৰাৰ মাজত পাৰ্থক্য থাকিবই। সেইবুলি আগৰ নাট্যধাৰাক আমি উলাই কৰিব নোৱাৰোঁ। কাৰণ আজিৰ নাট্যধাৰা আগৰ নাট্যধাৰাৰ প্ৰভাৱত গঢ় লোৱা।

**হেঃ ফুঃ সুঃ বিঃ— ভৱিষ্যৎ পৰিকল্পনাৰ বিষয়ে কিছু জানিব পৰিমনে?**

**শুঃ ৰাঃ—** নিশ্চয়। বহুত আছে। তাৰে ভিতৰত নাট্যকলাৰ ওপৰত পৰীক্ষাৰ বাবে গৱেষণা কেন্দ্ৰ এটা গঢ় দিয়াৰ মন আছে। অৱশ্যে ইয়াৰ বাবে মোৰ আৰু অধ্যয়নৰ প্ৰয়োজন আছে। যাতে আমাৰ অসমৰ নাট্যধাৰা আন আন ৰাজ্যৰ তুলনাত কোনো গুণে কম নহয়। ইয়াৰ বাবে নিশ্চয় চৰকাৰী অৰ্থসাহায্যৰো প্ৰয়োজন হ'ব।

**হেঃ ফুঃ সুঃ বিঃ— নাট্য জগতক আগবঢ়াই নিয়াৰ বাবে আপোনাৰ দু-আষাৰ সুপৰামৰ্শ বিচাৰোঁ।**

**শুঃ ৰাঃ—** সস্তীয়া প্ৰেমাৰৰ বাবে নাহি যদি সৃষ্টিৰ তাড়নাবোধ লৈ আমাৰ নাট্যকৰ্মীসকল আগবাঢ়ি আহে তেতিয়া হ'লে নাট্যকলাৰ ভৱিষ্যৎ সুন্দৰ।

**হেঃ ফুঃ সুঃ বিঃ— আপোনাৰ দ্বাৰা ৰচিত আৰু পৰিচালিত নাটসমূহ ক'ত ক'ত মঞ্চস্থ কৰা হয় আৰু কেতিয়া?**



**শুঃ ৰাঃ—** মোৰ ৰচিত আৰু পৰিচালিত নাটসমূহ হ'ল 'নাঙা গাতা আঙা গাতা', 'তিখাৰ', 'হেঙা টিংটিং হোঙা টিংটিং', 'চৰকাৱনি ন'ক' আদি ৰাভা জাতীয় বিভিন্ন অনুষ্ঠান-পাৰ্বণত মঞ্চস্থ কৰা হৈছে। 'চাংকয়' (১৯৯৯, নাট্যকাৰ— প্ৰকাশ ৰাভা) 'ৰূপালীম' (২০০৩, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ মূল নাটকৰ পৰা অনূদিত), মাদায়া মুচি (২০০৪-২০০৫, এইচ এছ শিৱপ্ৰকাশ) আদি নাটসমূহো মোৰ পৰিচালনতে 'বাদুংদুপ্পা নাট্যগোষ্ঠী'ৰ তৰফৰ পৰা বৰপেটা, শিৱসাগৰ, দুধনৈ, গুৱাহাটী আদি বিভিন্ন ঠাইত মঞ্চস্থ কৰা হয়।

**হেঃ ফুঃ সুঃ বিঃ— নাটকৰ আনুষ্ঠানিক শিক্ষা সম্পৰ্কে অলপ জনাব নেকি?**

**শুঃ ৰাঃ—** নাটকৰ আনুষ্ঠানিক শিক্ষা মোৰ নাই। অৱশ্যে অসম নাট্য সন্মিলনে পতা কেন্দ্ৰীয় নাট কৰ্মশালা (১৯৯৭ চনত শিৱসাগৰত, ১৯৯৯ চনত দুলীয়াজানত), দিল্লীৰ ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ে আয়োজন কৰা নাট কৰ্মশালা (২০০১ চনত গুৱাহাটীৰ কলাক্ষেত্ৰত আৰু ২০০৩ চনত ডিব্ৰুগড়ত) আৰু উত্তৰ-পূব মাণ্ডলিক সাংস্কৃতিক কেন্দ্ৰই আয়োজন কৰা নাট কৰ্মশালা (২০০৪ চনত গুৱাহাটী কলাক্ষেত্ৰত) আদিত যোগদান কৰিছিলো। বৰ্তমান ভাৰতৰ বিশিষ্ট নাট্যকাৰ পৰিচালক এইচ কানহাইলালদেৱৰ অধীনত এবছৰৰ বাবে মণিপুৰ কলাক্ষেত্ৰত নাট্যকলাৰ শিক্ষা গ্ৰহণ কৰি আছোঁ।

*('হেৰোৱা ফুলৰ সুবাস বিচাৰি'ৰ ২০০৫ চনৰ মে' সংখ্যাত পূৰ্বে প্ৰকাশিত লেখাটি কৃতজ্ঞতা সহকাৰে পুনৰ প্ৰকাশ কৰা হ'ল)*

❖❖❖

গ্ৰ। ন্থ। আ। লো। চ। না

# চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'মহাৰথী' এক অৱলোকন

শ্ৰুতিধাৰা কাশ্যপ
সহকাৰী অধ্যাপিকা
অৰ্থনীতি বিভাগ

১৯৯৫ চনত অসমীয়া সাহিত্যত সাহিত্য অকাদেমী বঁটাপ্ৰাপ্ত চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱৰ উপন্যাস 'মহাৰথী'ৰ ওপৰত আলোকপাত কৰিবলৈ লেখকৰ এক প্ৰয়াসৰ ফলশ্ৰুতি এই বিশ্লেষণাত্মক নিবন্ধ। অসমীয়া সাহিত্যলৈ বহুমূলীয়া বৰঙণি আগবঢ়াই যোৱা চন্দ্ৰপ্ৰসাদ শইকীয়াৰ ন-কৈ পৰিচয় দিয়াৰ প্ৰয়োজন নাই। মহাভাৰতৰ এক প্ৰভাৱশালী চৰিত্ৰ 'কৰ্ণ'ৰ চাৰিত্ৰিক অভ্যুত্থানৰ মননশীল বিশ্লেষণ প্ৰস্ফুটিত উপন্যাসখনিৰ আলোচনাৰ জৰিয়তে পাঠক সমাজৰ, বিশেষকৈ ছাত্ৰ সমাজৰ অধ্যয়নস্পৃহাক উদ্বুদ্ধ কৰাই এই লেখাৰ প্ৰধান উদ্দেশ্য।




'মহাৰথী' উপন্যাসখনি মহাভাৰতৰ এক বিশাল প্ৰতিভাধৰ চৰিত্ৰ 'কৰ্ণ'ৰ আত্ম-অন্বেষণ আৰু উত্তৰণৰ সফল ৰূপায়ণ। দুটি খণ্ডত সমাপ্তি ঘটা প্ৰথম পুৰুষত বৰ্ণিত উপন্যাসখনিয়ে অসমীয়া সাহিত্যৰ পাঠকক এক সুকীয়া সোৱাদ দিবলৈ সক্ষম হৈছে। মহাকাব্যিক পটভূমিক সাধাৰণ পাঠকৰ উপযোগীকৈ সাহিত্যৰ ৰূপকৰণত লেখকে শ্ৰেষ্ঠতা দাবী কৰিব পাৰে। যদিওবা উপন্যাসখনিৰ মূল উদ্দেশ্য কৰ্ণৰ মহাৰথীৰ পৰ্যায়লৈ উত্তৰণৰ যাত্ৰাৰ বিশ্লেষণ, লেখকে মহাভাৰতীয় যুগৰ ভাৰতবৰ্ষৰ সমগ্ৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক ঘটনাপ্ৰবাহক সামৰি লৈছে। 'মহাভাৰত'ৰ ৰচনা প্ৰক্ৰিয়াৰ সাৱলীল বৰ্ণনাও যথাৰীতিৰে উপস্থাপিত হৈছে। 'মহাৰথী' উপন্যাসখনিৰ আৰম্ভণি ঘটিছে দ্ৰোণপৰ্বৰ সমাপ্তিৰ পিছত কৰ্ণই কুৰুপক্ষৰ প্ৰধান সেনাপতিৰ পদ অলংকৃত কৰাৰ প্ৰাক্-মুহূৰ্তত কৰ্ণৰ মনৰ অন্তৰ্দ্বন্দ্বৰে। জন্মমুহূৰ্ততে মাতৃ কুন্তী দেৱীৰ দ্বাৰা যমুনাৰ বুকুত বিবৰ্জিত হৈ সামাজিকভাৱে নীহ কুলৰ সুতৰ গৃহত লালিত-পালিত কৰ্ণই নিজৰ পৰম মনোবলৰ দ্বাৰা স্বভাগ্য নিয়ন্ত্ৰণৰ অধিকাৰ অৰ্জন কৰিছে। উপন্যাসৰ আদিতে লেখকে ইয়াৰ বৰ্ণনা দাঙি ধৰিছে— 'নিজৰ ভাগ্যক নিজে নিয়ন্ত্ৰণ কৰাৰ যি অধিকাৰ, তাৰ গৰাকী হ'ব পৰা মহাৰথী আছে কিমান? জন্মমুহূৰ্তৰে পৰা প্ৰকৃতি মোৰ বিৰুদ্ধে, পিতা-মাতা-স্বজন সকলো আছিল মোৰ বিৰুদ্ধে।'

প্ৰতিকূল পৰিস্থিতিতো মানৱে যে অসীম ধৈৰ্য আৰু সাহসেৰে প্ৰত্যাহ্বান নেওচিব পাৰে তাকেই কৰ্ণৰ জীৱন পৰিক্ৰমাত প্ৰতিভাত হয়। স্ব-প্ৰতিভাৰে আৰ্জিত ৰক্ষাকবচ আনক দান দিয়াৰ যি উদাৰতা, সেয়া কৰ্ণৰ চৰিত্ৰৰ বিভূষণ। যিয়ে 'দাতাকৰ্ণ' ৰূপে তেওঁক প্ৰখ্যাত কৰিছে। ভাগ্যৰ পাকচক্ৰত মহাভাৰতৰ যুদ্ধত কুৰুপক্ষ অৱলম্বন কৰা কৰ্ণই পাণ্ডৱসকলৰ দক্ষতা, বিচক্ষণতা আৰু শ্ৰেষ্ঠত্বক স্বীকাৰ কৰিছে। যুদ্ধক্ষেত্ৰত অৰ্জুন শত্ৰু হ'লেও কৰ্ণই মনগহ্বৰত অৰ্জুনক শ্ৰেষ্ঠতম যোদ্ধাই নহয়, মহাভাৰতীয় যুগৰ সংস্কৃতি আৰু শ্ৰেষ্ঠতাৰ প্ৰতীক ৰূপে স্থান দিছে। শত্ৰু পক্ষৰ শক্তি-সামৰ্থ্যক স্বীকাৰ কৰিব

পৰাটো কৰ্ণৰ চৰিত্ৰৰ আন এক বৈশিষ্ট্য।

প্ৰাচীন ভাৰতবৰ্ষৰ জাতিভেদৰ এখন নিৰ্মম ছবি উপন্যাসখনিত প্ৰতিফলিত হৈছে। ভাৰতত আৰ্যসকলৰ প্ৰৱেশেই ইয়াৰ আৰম্ভণি আৰু আৰ্যসকলৰ মনত অনাৰ্যৰ মুখত পৰি প্ৰাচীন কালত মুখে মুখে প্ৰচলিত বেদৰ বাণীসমূহে বিকৃত ৰূপ পোৱাৰ ভীতিগ্ৰস্ততাই ইয়াৰ গুৰি। উচ্চ জাতৰ ব্ৰাহ্মণ অথবা ক্ষত্ৰিয় নোহোৱাৰ বাবেই একলব্যই গুৰু শিক্ষাৰ পৰা বঞ্চিত হৈ অংগক্ষত হ'ব লগা হোৱা আৰু কৰ্ণই পৰশুৰামৰ ওচৰত শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত মিথ্যাচাৰৰ আশ্ৰয় লৈ অভিশপ্ত হ'ব লগা হোৱাটো আছিল চৰম লজ্জাজনক। সামাজিক অন্তৰায় অতিক্ৰমি দুয়োজন শিক্ষাৰ্থীৰে বিদ্যালাভৰ যি অহৰহ প্ৰচেষ্টা আৰু সফলতা সি 'আগ্ৰহেই বিদ্যা' কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰে।

জীৱন পৰিক্ৰমাত প্ৰতিমুহূৰ্ততে সুতপুত্ৰ বুলি তাচ্ছিল্যৰ সন্মুখীন হোৱা কৰ্ণই কাহানিও নিজৰ প্ৰকৃত পৰিচয় প্ৰকাশ কৰিবলৈ উদ্যত হোৱা নাই। স্বাভিমান অক্ষুণ্ণ ৰাখি ক্ষোভৰ দহনত দগ্ধ কৰ্ণই নিজৰ জীৱন যুদ্ধ অধিৰথ-ৰাধাৰ সন্তান ৰূপে আৰ্জিবলৈ প্ৰয়াস কৰিছে। কিন্তু মনৰ নিভৃত কোণত প্ৰথম পাণ্ডৱ ৰূপে স্বীকৃত হোৱাৰ বাসনায়ো ভুমুকি মাৰিছে; পিছমুহূৰ্ততে কিন্তু মনৰ বাসনাক অৱদমিত কৰি একান্তভাৱে স্বভাগ্য নিৰূপণৰ প্ৰচেষ্টাত ব্ৰতী হৈছে। আত্ম-সমালোচনাই কৰ্ণৰ চৰিত্ৰক মহত্ব প্ৰদান কৰিছে। পৰশুৰামৰ ওচৰত মিথ্যাচাৰ আৰু হস্তিনাপুৰৰ ৰাজসভাত কুলবধূ দ্ৰৌপদীৰ লাঞ্ছনাৰ সময়ত প্ৰতিবাদ নকৰাৰ বাবে কৰ্ণ বাৰে বাৰে বিবেক দংশনত ভুগিছে।

উপন্যাসখনিৰ বিভিন্ন পৰ্যায়ত চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱে মানৱ জীৱনৰ কেতবোৰ পৰম সত্যৰ দাৰ্শনিক বিশ্লেষণ কৰিছে। উচ্চ চিন্তাৰ লোকেও কেতিয়াবা অগণ্য, নীচ প্ৰাণীৰ হাতত জীয়াতু ভুগিব লগা হয়। ইয়াৰ অন্তৰালত অতি উচ্চ স্থানৰ পৰা নীচ লোকৰ মানসিকতাক প্ৰকৃতভাৱে অনুধাৱন কৰিব নোৱৰাটো। ইয়াৰ উদাহৰণ— দুৰ্যোধন আৰু শকুনিৰ ষড়যন্ত্ৰক অনুমান কৰিব নোৱাৰি যুধিষ্ঠিৰে পাশাখেলৰ আমন্ত্ৰণ গ্ৰহণ কৰা। এই প্ৰসংগত লেখকে উল্লেখ কৰিছে— 'মানুহ প্ৰকৃতিৰ সৰ্বশ্ৰেষ্ঠ দান। কিন্তু মানুহ প্ৰকৃতিৰ ওচৰত নিঃস্বও।'

মানৱ জীৱনৰ প্ৰতিভাৰ দুমুখীয়া ৰূপ আছে— সৃজনীমূলক অথবা ধ্বংসকেন্দ্ৰিক। গান্ধাৰৰ দৰে ৰাজ্যৰ অধিপতি হোৱাৰ সুযোগ পায়ো শকুনিয়ে ৰাজশাসন, প্ৰজাপালন আদিৰ দৰে সৃষ্টিমূলক কামক নেওচা দি নিজৰ প্ৰতিভাক কু-অভিসন্ধি ৰচনাত ব্যৱহাৰ কৰিছিল। শকুনিৰ নিচিনা ধ্বংসকেন্দ্ৰিক মানসিকতাৰ গৰাকী ব্যক্তিয়ে সদায় ধ্বংসপথৰ যাত্ৰী হ'বলৈহে বাঞ্ছা কৰে। কেৱল শকুনিয়েই নহয়, উপন্যাসখনিত কৰ্ণৰ মনৰ খিৰিকীৰে মহাভাৰতীয় যুগৰ আন চৰিত্ৰসমূহ— শ্ৰীকৃষ্ণ, ভীষ্ম, দ্ৰোণাচাৰ্য, দুৰ্যোধন, দ্ৰৌপদী আদিৰ বিশ্লেষণো লেখকে সুশৃংখলিত আৰু অৱধাৰিতভাৱেই দাঙি ধৰিছে।

'শ্ৰীকৃষ্ণ' চৰিত্ৰৰ মহিমা, দূৰদৰ্শিতা, ব্যক্তিত্ব আৰু মহাভাৰতীয় যুগত তেওঁৰ উল্লেখনীয় ভূমিকাক লেখকে সফলভাৱে বৰ্ণনা কৰিছে। মহাভাৰতীয় যুদ্ধত অৰ্জুনৰ ৰথৰ সাৰথিৰ ভূমিকা পালন কৰা শ্ৰীকৃষ্ণই যুদ্ধৰ পূৰ্বে সাম্য-মৈত্ৰীৰ দূত ৰূপেও কৌৰৱৰ ৰাজসভাত উপস্থিত হৈছে। জীৱনৰ প্ৰতিটো স্তৰত শ্ৰীকৃষ্ণৰ দৰ্শনৰ উপলব্ধি আৰু প্ৰয়োগৰ আৱশ্যকতাও উপন্যাসখনিৰ অধ্যয়নে পাঠকৰ অন্তৰত জাগ্ৰত কৰে। প্ৰত্যেক মানৱেই জীৱনত কৰ্মফলৰ বিষয়ে চিন্তা নকৰি কৰ্মত প্ৰবৃত্ত হ'ব লগা হয়। শ্ৰীকৃষ্ণই কুৰুক্ষেত্ৰৰ যুদ্ধত অৰ্জুনক উদ্দেশ্য কোৱাৰ দৰে—

'কৰ্মণ্যেৱাধিকাৰস্তে মা ফলেষু কদাচন।
মা কৰ্মফলহেতুৰ্ভুৰ্মা তে সঙ্গোঽস্ত্বকৰ্মণি॥'

ইয়াৰ অসমীয়া ভাবাৰ্থ হৈছে— তোমাৰ কৰ্ম কৰাৰহে অধিকাৰ আছে, কৰ্মফলত নাই। সেয়েহে কৰ্মহে মানৱৰ প্ৰধান উদ্দেশ্য হোৱা উচিত, তাৰ ফলাফল নহয়।

'মহাৰথী' উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ কৰ্ণৰ জীৱন পৰিক্ৰমাও শ্ৰীকৃষ্ণৰ এই দাৰ্শনিক তাৎপৰ্য বহনকাৰী উক্তিৰে বহুলাংশে পৰিচালিত। ইন্দ্ৰ দেৱতাক কবচকুণ্ডল দান দিয়া আৰু মাতৃ কুন্তী দেৱীক অৰ্জুনৰ বিজয়ৰ প্ৰতিশ্ৰুতি দিয়া ক্ষণৰ পৰাই কৰ্ণই অনুমান কৰিব পাৰিছিল নিজৰ অৱশ্যম্ভাৱী মৃত্যুৰ কথা। তৎসত্বেও ৰাজশাসনৰ পৰা আৰম্ভ কৰি কুৰুপক্ষৰ যুদ্ধক নেতৃত্ব দিয়ালৈকে সকলো কৰ্তব্য পালন কৰিছিল আৰু 'মহাৰথী'ৰ দৰে যুদ্ধত মৃত্যুবৰণ কৰি অবিনশ্বৰতা লাভ কৰিছিল। লেখকৰ নিখুঁত মনঃস্তাত্বিক বিশ্লেষণে উপন্যাসখনিক সুখপাঠ্য ৰূপ দিছে। প্ৰাঞ্জল ৰচনাৰীতিয়ে মানৱ জীৱনৰ সংঘাতসমূহক পাঠকক নিজৰ জীৱনত ফহিয়াই চোৱাৰো সুবিধা প্ৰদান কৰিছে। ইয়ে 'মহাৰথী' উপন্যাসখনিক কালোত্তীৰ্ণ আৰু স্থানোত্তীৰ্ণ সাহিত্যত পৰিণত কৰিছে। এয়াই গ্ৰন্থখনিৰ সফলতা।

# বীৰুবালা ৰাভাৰ সৈতে এখন্তেক আলাপ



সমাজ এখনৰ উন্নতিত হেঙাৰ স্বৰূপ হৈ থিয় দিয়া অযুক্তিকৰ চিন্তাধাৰা তথা বিশ্বাসসমূহৰ ভিতৰত 'ডাইনী হত্যা'ৰ ভূমিকা উল্লেখনীয়। বিশেষকৈ অশিক্ষিত পিছপৰা শ্ৰেণীৰ লোকৰ মাজত আৰু জনজাতীয় সমাজত এইবোৰৰ প্ৰভাৱ অতি বেছি। এচাম সুবিধাবাদী লোকে ধৰ্মৰ নামত গাঁওবাসীৰ মনত অলীক চিন্তাধাৰা সুমুৱাই দিয়ে। ফলত ধৰ্মৰ ক্ষেত্ৰত অতিকৈ গোড়া তথা ভাল-বেয়া বিচাৰ কৰি চাব নোৱৰা লোকসকলে এই কথাবোৰ সহজে বিশ্বাস কৰি লয়। এই বিশ্বাস মতে কোনো লোকক যিকোনো অজুহাত দেখুৱাই যুক্তিহীনভাৱে ডাইনী বুলি কোৱা হয় আৰু তেওঁক নানা প্ৰকাৰে অত্যাচাৰ কৰি কেতিয়াবা নৃশংসভাৱে হত্যা কৰে নাইবা তেওঁক গাঁৱৰ পৰা খেদি দিয়ে। এই সময়ছোৱাত তেওঁ নিজৰ পৰিয়ালৰ লগত কোনো সম্পৰ্ক ৰাখিব নোৱাৰে। এনে প্ৰথাৰ বলি হোৱা লোকসকলৰ কিছুমান সমাজৰ পৰা বহিষ্কৃত হৈছে, কিছুমানে কৰুণ মৃত্যুক সাবটিছে।

কোৱা বাহুল্য যে অসমৰ কেইবাটাও জনজাতীয় অঞ্চলৰ লগতে দুৰ্ভাগ্যজনকভাৱে গোৱালপাৰা জিলাৰো কিছুমান অঞ্চলত ইয়াৰ প্ৰকোপ কম নহয়।

সমস্যা এটাৰ উৎপত্তি হ'লে নিশ্চয় ইয়াৰ সমাধানৰ পথো বিচাৰিব লাগিব। কিন্তু এই সমস্যা নিৰ্মূল কৰাটো অতি জটিল। কিয়নো ইয়াৰ সৈতে এখন সমাজৰ ধৰ্মবিশ্বাস জড়িত হৈ থকা বাবে ইয়াক সম্পূৰ্ণৰূপে নিৰ্মূল কৰিবলৈ হ'লে এখন সমাজৰ বাধা অতিক্ৰম কৰিব লগিব। গতিকে এনেধৰণৰ বিশ্বাসৰ বিৰুদ্ধে থিয় দিয়াটো যে দুঃসাহস হ'ব, সেয়া সহজে অনুমান কৰিব পাৰি। কিন্তু সমাজৰ সকলো বাধা, সীমা ভাঙি-ছিঙি উদাত্ত কণ্ঠেৰে ডাইনী সন্দেহৰ বিৰুদ্ধে মাত মাতিছে এগৰাকী ৰাভা সম্প্ৰদায়ৰ মহিলাই। তেৱেঁই হ'ল পদ্মশ্ৰী সন্মানেৰে বিভূষিতা শ্ৰীযুতা বীৰুবালা ৰাভা। এইগৰাকী সাহসী মহিলাৰ লগত অন্তৰংগ আলাপৰ উদ্দেশ্যে আমি দুধনৈ কলেজৰ পৰা এটা দল ওলাইছিলো অসম-মেঘালয় সীমান্তৰ ঠাকুৰভিলা (আগিয়াৰ পৰা প্ৰায় ২০-২৫ কিলোমিটাৰ ভিতৰৰ) নামৰ গাঁওখনলৈ বুলি। মটৰ চাইকেলেৰে গন্তব্যস্থান অভিমুখে যাত্ৰা কৰাৰ সময়ত আমি উপভোগ কৰিছিলো ৰাস্তাৰ দুয়োকাষে থকা বিস্তীৰ্ণ খেতিপথাৰৰ সেউজ সৌন্দৰ্য। নাতিদূৰৈত অৱস্থিত মেঘালয়ৰ পাহাৰলানিয়ে পৰিৱেশটো মনোমোহা কৰাত

আলাপত অংশগ্ৰহণ কৰিছে দুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ দিশাংক চক্ৰৱৰ্তী, নিবেদিতা ৰয়, মৃদুস্মিতা ৰাভা, উদিত ৰাভা, বিতোপন ৰাভা আৰু জ্যোতি নাথে।

সহযোগ আগবঢ়াইছিল। দুপৰীয়া ৰ'দৰ প্ৰকোপতেই হওক বা অধিক উৎকণ্ঠিত হোৱাৰ বাবেই হয়তো আমাৰ সকলোৰে মুখত ঘামৰ টোপাল বিৰিঙি উঠিছিল। অৱশেষত আমি লক্ষ্যস্থান পাইছিলো যদিও গন্তব্যস্থানৰ বিষয়ে ভালকৈ পৰিচিত নোহোৱাৰ বাবে ভুলবশতঃ বেলেগ এটা বাসস্থানত প্ৰৱেশ কৰিছিলো। সেই সময়তে চুবুৰীয়া ঘৰটোৰ পৰা এগৰাকী সহজ-সৰল, জনজাতীয় সাজ পিন্ধা তিৰোতা ওলাই আহিছিল আৰু আমাৰ সৈতে কৰমৰ্দন কৰি ভিতৰলৈ মাতি নিছিল। এইগৰাকীয়েই হ'ল বীৰুবালা ৰাভা। আমাৰ চকীত বহিবলৈ দিয়া বীৰুবালা ৰাভা বাইদেউৰ মুখত এটা গহীন ভাবমূৰ্তিৰ উপৰি আমি দেখিবলৈ পাইছিলো তেখেতৰ ৰসিক দিশটোও। বাসস্থানৰ সন্মুখেৰে বৈ যোৱা নিজৰা এটাৰ প্ৰসংগত সোধা প্ৰশ্নত বাইদেৱে সকলোকে গা ধুবলৈ বুলি ওলাবলৈ কোৱাত গোটেইজাকে গিৰ্জনি মাৰি হাঁহিছিলো, এনেদৰেই হাঁহি-ধেমালিৰে আমি সাক্ষাৎকাৰ আৰম্ভ কৰিছিলো।

**প্ৰশ্ন ঃ** বাইদেউ, মহৎ কাম এটাৰ অন্তৰালত থাকে কিছু সংগ্ৰাম। আপোনাৰ সংগ্ৰামৰ বিষয়ে অলপ ক'ব নেকি?

**উত্তৰ ঃ** (হুমুনিয়াহ কাঢ়ি) মোৰ আচল ঘৰ টিলাপাৰাত। খেতিয়কৰ ছোৱালী হৈ জন্ম লৈছিলো। মোৰ ছবছৰ বয়সতে দেউতাৰ মৃত্যু হৈছিল। আমি ছয়গৰাকী ভাই-ভনী আছিলো। মই পঞ্চম শ্ৰেণীলৈকে পঢ়িছিলো। কিন্তু হাইস্কুলত ন মাহ পঢ়াৰ পিছতে ১৫ বছৰ বয়সতে বিয়া হৈ মই বাল্য বিবাহৰ চিকাৰ হৈছিলো। মোৰ স্বামীৰ নাম আছিল চণ্ডিৰাম ৰাভা। আমাৰ এটি কন্যা সন্তান আৰু তিনি পুত্ৰ সন্তানে জন্মলাভ কৰিছিল। আমাৰ সংসাৰ মোটামুটি ভালদৰেই চলি আছিল।

বহুদিনৰ আগৰ কথা। তেতিয়া মোৰ পুত্ৰ ধৰ্মেশ্বৰে অস্বাভাৱিক আচৰণ কৰিবলৈ লৈছিল। মই ওজাৰ ওচৰলৈ গ'লো।



তেতিয়া ওজাই মংগল চাই পুত্ৰ ধৰ্মেশ্বৰৰ পৰীৰ লগত বিয়া হোৱা বুলি ক'লে। মোৰ পুত্ৰৰ এনে হোৱাৰ কিছুদিনৰ পিছতে মোৰ স্বামীৰ কেঞ্চাৰ হৈছিল। বহুতো চিকিৎসালয়ত চিকিৎসা কৰায়ো সুফল নোপোৱাত ওচৰৰে গন্ধেশ্বৰী দেওধাইৰ ঘৰত লৈ গৈছিলো। দেওধায়ে গণনা কৰি মন্তব্য আগবঢ়াইছিল যে ঘৰতে ডাইনী, ঘৰতে ভূতুনী, ঘৰতে বান। এই কথাষাৰি মোক উদ্দেশ্য কৰি কৈছিল। তাৰ পিছতে মোক সমাজত ডাইনী ৰূপে থিয় কৰাইছিল। অৱশ্যে মোৰ কাৰণে সৌভাগ্য আছিল যে আমাৰ পৰিয়ালৰ কোনো লোকে এই কথা মানিবলৈ সন্মত হোৱা নাছিল। তেতিয়াৰ পৰাই মই ডাইনী হত্যাৰ বিপৰীতে মাত মাতিবলৈ আৰম্ভ কৰিছিলো।

**প্ৰশ্ন ঃ** বাইদেউ, সচৰাচৰ অধিকাংশ জনজাতীয় লোকেই এই প্ৰথাসমূহক বিশ্বাস কৰা দেখা যায়। আপুনি এই প্ৰথাক কু-সংস্কাৰ হিচাপে গণ্য কৰাৰ অন্তৰালত কিবা কাহিনী আছে নেকি?

**উত্তৰ ঃ** মই আগতেই কৈছোঁ যে মোৰ পুত্ৰ ধৰ্মেশ্বৰে এটা সময়ত অস্বাভাৱিক আচৰণ কৰিবলৈ লৈছিল। ওজাৰ ওচৰলৈ লৈ যোৱাত ওজাই মংগল চাই পুত্ৰ ধৰ্মেশ্বৰৰ পৰীৰ লগত বিয়া হোৱা বুলি কৈছিল। তেখেতে লগতে এনেকৈও কৈছিল যে তিনি দিনৰ পিছত পৰীৰ সন্তান জন্ম হ'ব আৰু তাৰ পিছতেই তেওঁৰ মৃত্যু হ'ব। এই কথাত মাতৃ হিচাপে মই ভয় খাইছিলো। কিন্তু যেতিয়া দিনৰ পিছত দিন পাৰ হৈ গৈছিল আৰু ধৰ্মেশ্বৰৰ মৃত্যু হোৱা নাছিল, তেতিয়া মোৰ কবিৰাজৰ ওপৰত থকা বিশ্বাস সম্পূৰ্ণ ৰূপে নোহোৱা হৈছিল সমান্তৰালভাৱে মই 'ডাইনী প্ৰথা'ক কুসংস্কাৰ বুলি গণ্য কৰিবলৈ ল'লোঁ।

মই দেৱ-দেৱতাক বিশ্বাস কৰোঁ, পূজাও কৰোঁ। কিন্তু ডাইনী হত্যা কৰাটো কোনো দেৱতাক সন্তুষ্ট কৰাৰ নিমিত্তেও নহয় আৰু ই এক পূজাও নহয়। ই কেৱল মানুহৰ এক মানসিক কল্পনাহে। নিজ চকুৰে দেখা বস্তুবোৰ, যিবোৰ বস্তুৰ মই প্ৰমাণ পাওঁ, সেইবোৰহে মই বিশ্বাস কৰোঁ। কিন্তু ইয়াৰ কোনো প্ৰমাণ নাই। সেইবাবে মই ডাইনী হত্যা কৰাটো সমৰ্থন নকৰোঁ।

**প্ৰশ্ন ঃ** বাইদেউ! ডাইনী বুলি গণ্য কৰা লোক এজনে কেনে ধৰণৰ শাৰীৰিক যাতনা তথা মানসিক চাপত ভুগিব লগা হয়? সহজ ভাষাত, ডাইনী বুলি সন্দেহ কৰাৰ পিছত কেনে ধৰণৰ শাস্তি প্ৰদান কৰা হয়?

**উত্তৰ ঃ** ডাইনী বুলি চিহ্নিত কৰাৰ পিছত ডাইনী সন্দেহ কৰা ব্যক্তিগৰাকীক হত্যা কৰা হয়। হত্যা নকৰিলেও ঘৰখন বা গাঁওখন এৰি গুচি যাব লাগে। এই সময়ছোৱাত তেওঁ নিজৰ পৰিয়ালৰ লগত সম্পৰ্ক

ৰাখিব নোৱাৰে। কেতিয়াবা আকৌ ঘৰখনৰ সকলো সম্পত্তি গাঁৱৰ ৰাইজে লৈ যায়। কোনো কোনো ক্ষেত্ৰত আকৌ ডাইনীক টকাৰে তুলনা কৰা হয়। অৰ্থাৎ ডাইনী সন্দেহ কৰা ব্যক্তিগৰাকীয়ে এক নিৰ্দিষ্ট পৰিমাণৰ টকা গাঁৱৰ ৰাইজক দিব লাগে। তেতিয়া 'ডাইনী'গৰাকীক শাস্তিৰ পৰা ৰেহাই দিয়া হয়। আকৌ পিছত যদি গাঁৱত কাৰোবাৰ বেমাৰ-আজাৰ হয়, তেতিয়া কিন্তু আগতে বাচি যোৱা ডাইনীগৰাকীক ইয়াৰ বাবে দোষী সাব্যস্ত কৰা হয় আৰু তেওঁক পুনৰ নিৰ্যাতন কৰা হয়। এনেদৰে এবাৰ ডাইনী বুলি সন্দেহ কৰা লোকসকলে ভয়ানক শংকাৰ মাজত জীৱন কটাবলগীয়া হয়।

প্ৰশ্ন ঃ বাইদেউ, ডাইনী কেনেকৈ ধৰা (?) পেলোৱা হয়?

উত্তৰ ঃ আমাৰ সমাজখন অশিক্ষিত। কোনো লোকৰ বেমাৰ-আজাৰ হ'লে বা কোনো লোকৰ দেহা কিছুদিন দুৰ্বল হৈ থাকিলে, গাঁৱৰ মানুহে ভাবে যে সেই মানুহজনৰ গাত ডাইনী লম্ভিছে। তেতিয়া কবিৰাজ বা ওজাক মতা হয়। ওজাই আহি জৰা-ফুকা কৰি ডাইনী বুলি চিনাক্ত কৰে। আমাৰ সমাজখনৰ এটি পৰম্পৰা হ'ল সুৰাপান কৰাটো। কোনোবা লোকে যদি অধিক সুৰাপান কৰিও ভুল কথা বলকি থাকে তেতিয়া ডাইনীয়ে লম্ভা বুলি সন্দেহ কৰা হয়।

প্ৰশ্ন ঃ বাইদেউ, সৰ্বজন বিদিত যে আপুনি আজিলৈকে অসংখ্য সমাজ সজাগতা সভাত উপস্থিত থাকি এই কুপ্ৰথাৰ পৰা মুক্ত সমাজ এখন গঢ়িবলৈ দেহে-কেহে খাটিছে। এই সকলো সভাৰ বিষয়ে বিতংভাৱে জানিবলৈ গ'লে শেষেই নহ'ব কিজানি। আপোনাৰ প্ৰথমখন সমাজ সজাগতা সভাৰ বিষয়ে অলপ ক'ব নেকি?

উত্তৰ ঃ মই ১৯৮৫ চনত স্থাপিত ঠাকুৰভিলা মহিলা সমিতিৰ উপৰি বৰঝাৰ মহিলা সমিতিৰ সদস্যা আছিলো। কিন্তু তেতিয়া 'ডাইনী হত্যা'ৰ বিৰোধিতাত একান্তভাৱে লাগি থকা নাছিলো। ১৯৯৯ চনত 'অসম মহিলা সমতা ছচাইটী' নামৰ এটা সংস্থাই ৰংচাইত ডাইনীৰ বিষয়ে আলোচনা কৰিবৰ বাবে এখন ৰাজহুৱা সভা পাতিছিল। সেই সভাত বহুত মানুহক আমন্ত্ৰণ কৰা হৈছিল। সংস্থাৰ লোকসকলে ডাইনী সমস্যাৰ বিষয়ে সোধাত মোৰ বাহিৰে কোনেও মাত মতা নাছিল। মোৰ লগত সংঘটিত ঘটনা (তেখেতক ডাইনী সজোৱা)ৰ উদাহৰণ দি ডাইনী অন্ধবিশ্বাস বুলি অৱগত কৰাইছিলো। এই সভাৰ পৰাই মোৰ প্ৰতিবাদী যাত্ৰা আৰম্ভ হৈছিল।

প্ৰশ্ন ঃ বাইদেউ আপুনি কৈছে যে অধিকাংশ লোকেই ইয়াক পৰম্পৰা বুলি গণ্য কৰে। গতিকে এই প্ৰথা সমাজ এখনৰ বাবে যিমানেই ভয়ংকৰ সিমানেই সংবেদনশীল। আকৌ গাঁওবাসীক বুজোৱাৰ ক্ষেত্ৰত যথেষ্ট সাৱধান হোৱাৰ প্ৰয়োজন। নহ'লে বুমেৰাং হৈ হিতে বিপৰীত হোৱাৰ আশংকা থাকে। আপুনি সহজ-সৰল, হোজা গাঁওবাসীক এই প্ৰথাৰ ভয়াৱহতাৰ বিষয়ে কেনে ধৰণে অৱগত কৰায়?

উত্তৰ ঃ মই আগতে উল্লেখ কৰা মতে এই ভয়ানক সমস্যাৰ পৰা হাত সাৰিবলৈ সমাজখনকেই শিক্ষাৰ পোহৰেৰে আলোকিত কৰাৰ প্ৰয়োজন। আমি গাঁওবাসীক সমাজত হোৱা কোনো বেমাৰৰ বিষয়ে দেওধাইসকলে আৰু চিকিৎসকসকলে আগবঢ়োৱা মতামতৰ পাৰ্থক্য উপলব্ধি কৰোৱাৰ যত্ন কৰোঁ। আকৌ দেওধাইসকল কম সময়তে প্ৰচুৰ সম্পত্তিৰ অধিকাৰী হোৱাৰ আঁৰৰ গোপন কাহিনী গাঁওবাসীক বুজাবলৈ চেষ্টা কৰোঁ। তেতিয়া তেনে লোকৰ প্ৰৱঞ্চনাৰ বিষয়ে সমাজৰ লোকে বুজিব পাৰিব। আমি গাঁওবাসীক দেওধাইৰ পৰিৱৰ্তে চিকিৎসকে আগবঢ়োৱা পৰামৰ্শ গ্ৰহণ কৰিবলৈ উপদেশ দিওঁ। আমি গাঁওবাসীক তেনে লোক এজনক শাৰীৰিকভাৱে যন্ত্ৰণা দিয়াটো কিমান গুৰুতৰ অপৰাধ তাক বুজাবলৈ চেষ্টা কৰোঁ।

প্ৰশ্ন ঃ বাইদেউ, আপুনি ভাবে নেকি যে অন্ধবিশ্বাস আৰু কুসংস্কাৰ সম্পৰ্কীয় প্ৰবন্ধ কিছুমান স্কুলীয়া পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ প্ৰয়োজন আছে? নৱ প্ৰজন্মই এই প্ৰথা ৰোধত কিবা ভুমিকা ল'বলৈ সক্ষম হ'ব বুলি আপুনি ভাবে নেকি?

উত্তৰ ঃ হয়, নিশ্চয় স্কুলীয়া জীৱনত এই শিক্ষা প্ৰদান কৰিলে ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকসকলো এইক্ষেত্ৰত সজাগ হ'ব। ইয়াৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ উদ্দেশ্যে আমি কেইবাখনো বিদ্যালয় তথা মহাবিদ্যালয়ত ভ্ৰমণ কৰাৰ লগতে কেইবাখনো সভা অনুষ্ঠিত কৰিছোঁ।

নিঃসন্দেহে এই প্ৰথা ৰোধত যুৱ প্ৰজন্মৰ লগতে সংবাদ মাধ্যমৰ ভূমিকাই গুৰুত্ব বহন কৰাৰ যথেষ্ট আশা আছে।

প্ৰশ্ন ঃ বাইদেউ, ডাইনী হত্যাৰ লেখীয়া ঘটনাবিলাক ক'ৰবাত সংঘটিত হ'লে টেলিভিছন চেনেলবিলাকত Talk show অনুষ্ঠিত কৰা হয়। ইয়াত বহুতো চৰকাৰী নেতা তথা বুদ্ধিজীৱীয়ে এনেবোৰ প্ৰথাৰ বিৰোধিতা কৰি উচ্চ স্বৰত ভাষণ দিয়া দেখা যায়। প্ৰকৃতপক্ষে আপুনি তেনেবোৰ নেতাৰ পৰা আৰ্থিক দিশতেই হওক বা নৈতিকভাৱেই হওক, কিবা সহায় পাইছে নেকি?

উত্তৰ ঃ চৰকাৰীভাৱে বিশেষ একো পোৱা নাই যদিও বেচৰকাৰীভাৱে কেইবাজনো মানুহে সময়ে সময়ে পৰামৰ্শ দি সহায় কৰি আহিছে। আমি ২০০৬ জনৰ পৰা 'মিছন বীৰুবালা' নামৰ সংস্থা এটা চলাই আহিছোঁ। এইক্ষেত্ৰত চিকিৎসক নাট্যবীৰ দাসৰ লগতে কেইবাজনো লোকে সহায়ৰ হাত আগবঢ়াইছে।

বৰ্তমান সকলোৰে বাবে এই সংস্থাটো মুকলি কৰিছোঁ ‘মিছন বীৰুবালা’ নামেৰে।

প্ৰশ্ন ঃ বাইদেউ, আপোনাৰ এই মহৎ সংগ্ৰামত হোৱা কিবা তিতা অভিজ্ঞতা বা আপোনাৰ কিবা আক্ষেপৰ বিষয়ে ক’ব নেকি?

উত্তৰ ঃ ১৯৯৯ চনত হোৱা ‘অসম মহিলা ছচাইটী’ৰ সভাখনত ‘ডাইনী হত্যা’ৰ বিৰুদ্ধে মাত মতা বাবে মোৰ জীৱনলৈ কেইবাবাৰো ভাবুকি আহিছিল। অধিকাংশ গাঁওবাসীয়ে মোৰ লগত বাৰ্তালাপ বন্ধ কৰি দিছিল।

আক্ষেপ বুলিলে কিছুমান আৰক্ষী বিষয়ায়ো এই বিষয়ত নীৰৱ দৰ্শকৰ ভূমিকা লোৱা দেখা যায়। এয়া অপ্ৰিয় সত্য। সেয়ে ইয়াৰ ওপৰত এখন কঠোৰ আইন প্ৰণয়ন কৰিব লাগে। অকল ইয়াৰ ওপৰতে নহয়, বাল্য বিবাহ, শিশু শ্ৰমিক ইত্যাদিৰ ক্ষেত্ৰতো দোষীয়ে কঠোৰ শাস্তি পোৱাকৈ আইন প্ৰণয়ন হোৱাটো নিতান্তই আৱশ্যক।

এনে ধৰণেই আমি সোধা প্ৰতিটো প্ৰশ্নৰ উত্তৰেই অতি সাৱলীলভাৱে দিয়া মহীয়সী বীৰুবালা ৰাভা বাইদেউক আমি ধন্যবাদ জ্ঞাপন কৰি সাক্ষাৎকাৰৰ সামৰণি মাৰিছিলো।

তেখেতে কৰা মহৎ কামৰ স্বীকৃতি স্বৰূপে IBN18 Network আৰু Reliance Group-এ 2005 চনত ‘Real Hero Award’ প্ৰদান কৰিছিল। ‘সমাজপ্ৰাণ সৰ্বেশ্বৰ দত্ত সোঁৱৰণী বঁটা’ (২০১১ চন), ‘উৰ্মিলা দাস সোঁৱৰণী বঁটা’ (২০১১ চন), ‘জয়মতী বঁটা (২০১২ চন) ইত্যাদি সন্মানো তেখেতে লাভ কৰিছিল। ইয়াৰ উপৰি ২০১৫ চনত ভাৰতৰ নোবেল শান্তি কমিটীৰ পৰা প্ৰথমবাৰৰ বাবে শান্তিৰ নোবেল বঁটাৰ বাবে মনোনয়ন লাভ কৰে। তেখেতৰ কাম কৰা স্পৃহাৰ প্ৰতি সন্মান জনাই ২০১৫ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে তেখেতক সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। শেহতীয়াকৈ যোৱা বছৰৰ অক্টোবৰ মাহত জেনেভাস্থিত Women’s World Summit Foundation-এ এইগৰাকী মহিলাক ‘Women’s Creativity in Rural Life’ বঁটা প্ৰদান কৰে।

আজিৰ সমাজে এইগৰাকী নমস্য মহিলাক উচিত সন্মান জনোৱা উচিত। এনে সংগ্ৰামী নাৰীক আমিও সহযোগ কৰা উচিত যাতেআমাৰ কু-সংস্কাৰেৰে আৱৰা সমাজখন সঠিক পথত অগ্ৰসৰ হয়।

❖❖❖



# কবিতা

# লৌহ কঠিন পৃতিৱীত

**ড° নিৰুপা ৰয় বৰুৱা**
সহযোগী অধ্যাপিকা
উদ্ভিদ বিজ্ঞান বিভাগ

এদিন আহিছিল এজাক
উতলা বতাহ
মোৰ জীৱনৰ
মোৰ সপোনৰ
আশাৰ লালিত্য সনা
নিঃসংগ পঁজাত

যন্ত্ৰণাকাতৰ মাতৃৰ
হিয়াৰ ব্যাকুল উৎকণ্ঠা
লৌহ কঠিন পৃথিৱীত

যৌৱনৰ অপচয় ঘটা
এচমকা ডাৱৰ নামি আহে
মেঘৰ আঁৰত খুপি খুপি
খোজকাঢ়িব বিচাৰে
যৌৱনৰ চেঁকুৰা

চকুৰ আঁৰতেই ছায়াহীন হাফলু
চপৰা-চপৰে খহি পৰে
ছিৰাছিৰ হয় মাংসল জীৱন
বিস্ফোৰিত হয়
কুমাৰী পৃথিৱীৰ ক্ৰন্দন

বুকুৰ স্পন্দনত
নিশ্বাসৰ মৰ্মৰিত ছাঁ
দুৱাৰডলিত ফুলি উঠে
পাৰিজাত ফুল হৈ। ❖



# হে শ্বহীদ তোমাক প্ৰণাম

**বুবুল চৌধুৰী**
স্নাতক চতুৰ্থ ষান্মাসিক
গণিত বিভাগ

হে শ্বহীদ! তোমাক প্ৰণাম।
তোমাৰ পৱিত্ৰ তেজেৰে ৰাখিলা দেশৰ মান।
তুমি সঁচাকৈয়ে বৰ মহান।
সকলো ত্যাগ কৰিলা,
দেশৰ হকে তুমি জীৱন দিলা,
শত-সহস্ৰৰ প্ৰাণ ৰাখিলা।
তোমাৰ নামত বন্তি জ্বলাই
শুদ্ধ অন্তৰেৰে পূজিলোঁ তোমাক।
হে শ্বহীদ! প্ৰণামো তোমাক।
হে শ্বহীদ! প্ৰণামো তোমাক। ❖

# মোৰ মা

জ্যোতি সাহা
স্নাতক দ্বিতীয় ষান্মাসিক
ভূগোল বিভাগ

তুমি নাই মা
টোপনি নাহে ৰাতি
গভীৰ ৰাতি অকলে জাগি থাকোঁ
চকুৰ পানীৰে বিছনা তিয়াওঁ

কান্দিলে মই
তোমাৰ চকুৰ পানীও সৰি পৰে
সেই কাৰণে কওঁ মা
মোৰ একো হোৱা নাই
দুখবোৰ লুকুৱাই
হাঁহিলোঁ মই
তোমাৰ যেন কষ্ট নহয় মা

গালি পাৱা মোক মৰমেৰে
সাবটি লোৱা মোক বুকুৰ মাজত
ভুল ক্ষমা কৰি দিয়া মা
ভোকত পেট জ্বলিছে
খুৱাই দিয়া মোক তোমাৰ দুহাতেৰে

মোৰ কিবা হ'লে তুমি
ৰাতি নিজৰ টোপনি ক্ষতি কৰি
মোৰ বাবে চিন্তা কৰি থাকা
তোমাৰ সমান নাই কোনো
এই পৃথিবীত; সেই কাৰণে
মা তুমি অনন্যা। ❖



# অন্তৰ্দহন

তুহিৰ উদ্দিন
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
বিজ্ঞান শাখা

তুমি যি পথে গৈছিলা
মইও সেই পথেৰে
জোৰকৈ খোজ দিছিলো
খোজ মিলাবলৈ
প্ৰচুৰ তাপে মোক পুৰিছিল
তুঁহৰ জুইৰ দৰে
যেতিয়া ছাই হৈ উৰিছিল বতাহত
আৰু ছবি হৈ দেৱালত
তেতিয়া খোজ দিলা তুমি
চকুলো টুকি টুকি। ❖

# ৰাতিপুৱা

**ৰজিতা ৰাভা**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ
কলা শাখা

ৰাতিপুৱা হ'ল
উঠা সোণপাহি
চাৰি-পাটী এৰি
পঢ়া নিজ পাঠখনি
চৰাই-চিৰিকটি সকলোৱে মাতিছে,
সূৰুযেও দিছে ৰঙা হাঁহি মাৰি।
আহা আহা সোনকালে আহা
ৰীণা, বীণা, মিনাই লৈছে
পুৱাৰ ৰ'দখলি
দুচকু মোহাৰি সোণপাহি উঠিলে
সূৰ্যলৈ জনালে মিচিকিয়া হাঁহি। ❖



# সময়

**বন্দনা কলিতা**
স্নাতক চতুৰ্থ যাম্মাসিক
কলা বিভাগ

সময় মোৰ বাবে অমূল্য
যাৰ কাৰণে মই আজি আগ্ৰহেৰে
ৰৈ আছোঁ
সেঁয়াই হল এক সময়।
সময় বৰ নিষ্ঠুৰ।
সময় কেনেকৈ পাৰ হৈ যায়
সেয়া হয়তো কোনেও নাজানে,
সময় মোৰ বাবে অমূল্য
সময় এক চিৰন্তন সত্য। ❖

# আশাৰ কবিতা

**হীৰামণি ৰাভা**
স্নাতক প্ৰথম ষান্মাসিক
দৰ্শন বিভাগ

বুকুখনিত আছে বহু ক্ষোভ
বহু কথা, বহু আশা,
সেয়েহে সেই ভাবনাৰে
সেই আশাৰে
মই লিখি যাওঁ কবিতা
সেয়া আশাৰ কবিতা...
সেয়া ক্ষোভৰ কবিতা...
কবিতাটোৰ প্ৰতিটো শব্দই
কথা পাতে
মোৰ হিয়াৰ স'তে।
ছন্দবোৰে মোৰ হিয়াৰ কোণত
সিঁচি দিয়ে বহু আশা
তোমাক পোৱাৰ...
তোমাক আপোন কৰাৰ...
সেয়েহে সেই ভাবনাৰে
সেই আশাৰে
মই লিখি যাওঁ কবিতা
সেয়া মোৰ আশাৰ কবিতা...
সেয়া মোৰ ভাবনাৰ কবিতা...
সেয়া মোৰ ক্ষোভৰ কবিতা... ◆



# মোৰ এন্ধাৰ মনত

**ভৃগু কুমাৰ ৰাভা**
স্নাতক তৃতীয় ষান্মাসিক
ভূগোল বিভাগ

নাজানো নাজানো মই
সপোনবোৰ দিঠক কৰিবলে',
আনৰ মৰমক নেওচি!

তথাপি নাজানো, নভবা-নেদেখাকৈ
কিয় বাৰু... ধৰিছে ব'বলৈ
মনতে মৰমৰ নৈ!
ভবাতো নাছিলো, সপোনে-দিঠকে
এন্ধাৰ মনত মোৰ
জোনাক দেখিম বুলি!

পুৰণি সপোনে পাহিটি মেলিলে
যেন সেই মোৰ স্মৃতিৰ
এপাহ ৰঙা গোলাপ কলি!

বিচাৰোঁ মই
শেষ জীৱনটো কটাবলৈ
তোমাৰেই শীতল দুচকু চাই!

নালাগে নাভাবোঁ কেতিয়াও কাকো,
তোমাৰ বিনে কাষতে মোৰ
আন আৰু কোনো নাই! ◆

# মা

**আবু বক্কৰ মফিজ আলী**
স্নাতক প্ৰথম ষাণ্মাসিক
গণিত বিভাগ

মা তুমি ক'ত গৈছা
মোক এৰি থৈ?
শুনিছানে মা?
অতীতে আজি ভুমুকি মাৰিছে
পাহৰা অনুভৱৰ কিছু
সতেজ বেদনাসহ,
মনৰ দুৱাৰত টুকুৰিয়াইছে,
যদি তুমি থাকিলাহেঁতেন
এটা গান মাথোঁ
গাই গ'লোঁহেঁতেন
তোমাৰ সুৰত মা।
যদি তুমি থাকিলাহেঁতেন
এটি কবিতা মাথোঁ লিখি গালোঁহেঁতেন
তোমাৰ ভাষাত মা। ❖



# মোৰ প্ৰেয়সী

**বণ্টু দাস**
স্নাতক তৃতীয় ষাণ্মাসিক
শিক্ষা বিভাগ

মোৰ হেঁপাহৰ গোলাপ এপাহি
নাজানো কেতিয়া যাবা মৰহি
জানো মৰহি যোৱাৰ আগতেই
আহিবানে মোৰ কাষ চাপি?

নিস্তব্ধ কাহিলি পুৱাৰ বেলিত
তোমাৰ বৰণ দেখি
হৃদয়খন যায় মোৰ তোমালৈ গুচি।
আনকি গুচি যাব বিচাৰে
মোৰ একমাত্ৰ সাঁচতীয়া নয়ন দুটি।

তোমাৰ বৰণেই কৰিছে মোক চিৰযুগমীয়া
জানো তুমি থাকিবানে
মৰহি নোযোৱাকৈ মোৰ পদূলিমুখত
এটি মাথোঁ ছায়া হৈ...?

থাকিম মই পদূলিমুখত
তোমাৰ কুমলীয়া
একমাত্ৰ ছায়াটিলৈ বৈ...। ❖

# শৰতৰ এটি জোনাক নিশা

শৰতৰ এটি জোনাক নিশা
বাহিৰলে চালোঁ ওলাই
জোনবাইটিয়ে শুভ্ৰ দলিচা পাৰি
দিছেহি জোনাক বিলাই।
নিয়ৰ নামিছে ৰূপৰ জখলাৰে
যেন মুকুতামণি।
দুবৰিৰ গাত লাগি ধৰিছে
আলফুলে মৰম সানি।
গছৰ পাতত নিয়ৰবোৰ দেখি
চাই ৰ'লোঁ ভেবা লাগি
যেন কোনোবাই দিছে ছটিয়াই
হীৰাৰ টুকুৰা ভাঙি।
জোনবাইটিলৈ চাই পঠিয়ালোঁ
আছে লুকাভাকু খেলি
এবাৰ ওলাই মিচিকিয়াই হাঁহিছে
সোণৰ মুখনি মেলি।
হঠাৎ এটা ধুনীয়া গোন্ধই
হিয়া-মন চুই গ'ল ◆



# প্ৰথম প্ৰেমৰ কবিতা তুমি


**ৰিমি ৰাভা**
স্নাতক তৃতীয় ষান্মাসিক
শিক্ষা বিভাগ


তুমি নজনাকৈয়ে
মই কেতিয়াবাই
তোমাৰ হৈ পৰিছোঁ।
মোৰ বুকুৰ
মাজুলীখন
তোমাকেইতো সঁপিছোঁ
তোমাৰ পৰশতেইতো
বুকুত প্ৰথম প্ৰেমৰ
ঢৌ উঠেছে।
তোমাৰ অবিহনে যে
এতিয়া সময়বোৰ
অৰ্থহীন হৈ পৰিছে।
তোমাৰ হাঁহিবোৰ
শুণি শুণিয়েই লিখিলোঁ
প্ৰথম প্ৰেমৰ কবিতা।
এনেদৰেইতো থাকিবা
তুমি মোৰ বুকুত
সজীৱ হৈ। ◆

# অপেক্ষা

**চুলতানা মাহমুদ**
স্নাতক ষষ্ঠ ষান্মাসিক
ৰসায়ন বিজ্ঞান বিভাগ

জীৱনটোৱেইতো অপেক্ষা
জন্মৰ পৰা মৃত্যুলৈ,
পুৱাৰ পৰা নিশালৈ,
বৰ্তমানৰ পৰা অনাগত দিনলৈ...
প্ৰতিষ্ঠাৰ পৰা বিসৰ্জনলৈ
অপেক্ষা হ'ব পাৰে—
মুক্ত অথবা বিঘ্ন
সুলভ অথবা দুৰ্লভ
অপেক্ষা বহুৰূপী।
যাৰ প্ৰান্তীয় অন্তৰালত লুকাই আছে
ভালপোৱা অথবা ভয়,
স্নেহ অথবা ঘৃণা,
মান অথবা অভিমান
অপেক্ষা অনন্ত...। ❖



# লক্ষ্যহীন জীৱন

**অনুপমা ৰাভা**
স্নাতক পঞ্চম ষান্মাসিক
অসমীয়া বিভাগ

দুখ-বেদনাৰে ভৰা মোৰ লক্ষ্যহীন জীৱন
আবেগভৰা মোৰ মন
জীৱনৰ প্ৰতিটো ক্ষণত
মৰীচিকা খেদি খেদি
বুজাব নোৱৰা সীমাত
অনুভৱ হয় জীৱন
সেয়াই হয়তো মোৰ বাট
সন্মুখত দেখিলোঁ এখন
আবেগভৰা বিশাল নদী
ইপাৰ-সিপাৰ চাই দেখোঁ
নাই কোনো নাও
নাজানো যে সাঁতুৰিবও
কোনোবাই ক'বনে মোক
মোৰ লক্ষ্যস্থানলৈ
কেনেকৈ যাওঁ? ❖



# ফাগুনী

**হীৰামণি ৰয়**
স্নাতক দ্বিতীয় ষান্মাসিক
ভূগোল বিভাগ

মদাৰ ফুলিল শিমলু ফুলিল
আৰু ফুলিল পলাশ
সেন্দূৰীয়া ৰঙেৰে ৰাঙলী হ'ল
নীলবৰণীয়া আকাশ।
লুইতৰ পাৰত কঁহুৱা ফুলে
হালি-জালি নাচে
ফাগুনী অহাৰ খবৰ পাই।
জিৰি জিৰিকৈ আহিল ফাগুনী
সৰালে গছৰ পাত
সেউজীয়া ধৰণীয়ে পিন্ধিলে
ধূসৰ বৰণীয়া সাজ। ❖



# চুটি গল্প



# এটোপাল চকু পানী

**ড° আবুল হুছেইন**
সহযোগী অধ্যাপক, ৰসায়ন বিজ্ঞান বিভাগ

নীলিমাৰ আপোন বুলিবলৈ জীয়েকজনীয়েই। বুকুত এমুঠি আশা লৈ জীয়েকজনীৰ নাম ৰাখিছিল জোনালী। নীলিমাৰ কল্পনাৰ ৰং বিচ্ছুৰিত হৈ ঘৰখন উজলাইছিল। শান্ত-শিষ্ট জোনালীয়ে এখোজ-দুখোজকৈ কেৱল ভৰি দুখন মাটিত পেলাইছিলহে, হঠাৎ সকলো বিধ্বংসী কাল ধুমুহাই শেষ কৰি পেলাইছিল। সেই মৰ্মান্তিক দিনবোৰ পাৰ কৰি নীলিমা এতিয়া চহৰৰ মহিলা মজদুৰৰ এগৰাকী। কোনো মতে পেটে-ভাতে চলিব পৰা নীলিমাৰ জীয়েক জোনালীয়ে পঞ্চম মানত পঢ়ে। তাই জোনালীক লৈ সপোন দেখে, ভাবে, চিন্তা কৰে আৰু কল্পনা ৰাজ্যত বিচৰণ কৰে। জলসিঞ্চন বিভাগৰ ইঞ্জিনীয়াৰ চৌধুৰীৰ ঘৰত নীলিমাই পুৱা আৰু গধূলি কাম কৰে। কম টকাতেই নীলিমাই পাঁচ বছৰ ধৰি চৌধুৰী পৰিয়ালত কাম কৰি আছে। নীলিমা মেট্ৰিক পাছ, তাইক পিয়নৰ চাকৰি দিয়া হ'ব বুলি চৌধুৰীয়ে কথা দি থৈছে। চাকৰিটো হ'ব হ'ব বুলি পাঁচ বছৰ পাৰ হ'ল। কেতিয়াবা নীলিমা ধৈৰ্যচ্যুত হৈ পৰে। অত্যধিক কামৰ হেঁচাত তাই অতিষ্ঠ হৈ কামটো এৰি দিব খোজে। কিন্তু নোৱাৰে— পিয়নৰ চাকৰিটো কিজানিবা হয়েই। কেতিয়াবা চৌধুৰীৰ ঘৈণীয়েকে প্ৰচণ্ড গালি-গালাজ দিয়ে, কাপোৰ চাফা নোহোৱাৰ অভিযোগ, বাচন-বৰ্তন চাফা নোহোৱাৰ অভিযোগ একপ্ৰকাৰ নিয়মত পৰিণত হৈছে। নীলিমাই এবাৰ ভাবে হাজিৰা কৰাই ভাল, মাহত দহ দিন হাজিৰা কৰিলেও তাই জোনালীক লৈ কোনো মতে চলিব পাৰিব। মাহৰ ত্ৰিশটা দিনেই তাই চৌধুৰীৰ ঘৰত পুৱা-গধূলি কাম কৰিব লাগে। পুৱা আৰু গধূলি সময়খিনিৰ বাদে বাকী সময়খিনি তাই ঘৰতে থাকে যদিও সুবিধা পালেই তাই চুক্তি কাম কৰে। কাৰোবাৰ ইটা ৰাস্তাৰ পৰা ভিতৰত থোৱা, মাটি কটা, ৰেচনৰ দোকানৰ পৰা বস্তু আনি দিয়া, বালি টনা, পাথৰ টনা আদি কাম কৰে। চুক্তি কামত পইচাও বেছি। চৌধুৰী পৰিয়ালৰ পৰা পোৱা টকাখিনিৰে তাই পোন্ধৰ দিনো চলিব নোৱাৰে। চৌধুৰীয়েও জানে তেওঁ দিয়া টকাৰে নীলিমা চলিব নোৱাৰে, তেওঁ এই সম্পৰ্কে কেতিয়াও তাইক নোসোধে। নীলিমাৰ বিশ্বাস কেতিয়াবা হেৰাই যায়। চৌধুৰীৰ দৰে লোভী ইঞ্জিনীয়াৰজনে সঁচাই পিয়নৰ চাকৰি এটা তাইক দিব পাৰিবনে? তাই জানি-শুনিও চৌধুৰীৰ ঘৰত কাম কৰি থাকিল, কিজানিবা তাইৰ ভাগ্য ফুলেই। সকলোৱে কয়— চৌধুৰীতকৈ তেওঁৰ ঘৈণীয়েকজনী বেছি কৃপণ আৰু লোভী। সেয়ে নীলিমাই ভাবি চোৱা উচিত। নীলিমাই কাৰো কথাত গুৰুত্ব নিদি চৌধুৰী পৰিয়ালৰ কাম কৰিয়েই থাকিল।

ইঞ্জিনীয়াৰ চৌধুৰীৰ ল'ৰা মিলনে আই আই টিত পঢ়াৰ সুযোগ লাভ কৰিছে, চৌধুৰী পৰিয়ালত আনন্দৰ লহৰ, কলনীৰ সকলোৱে চৌধুৰীক ধৰিলে পাৰ্টী দিব লাগে। দিন-বাৰ চাই পাৰ্টীৰ ব্যৱস্থা হ'ল। নীলিমাৰো ফূৰ্তি, চৌধুৰীৰ ল'ৰা মিলনক তাই মৰম কৰাই নহয় নিজৰ ল'ৰাৰ দৰে ভাবে। নীলিমাই কথাটো ক'বলৈ সাহস নকৰে, সাহসৰ কথাও নাই, তাই ঘৰখনত দুবেলা কামহে কৰে। কিন্তু নীলিমাৰ দৃষ্টিভংগীৰ খবৰ জানো চৌধুৰী পৰিয়ালে জানে? মিলন অমায়িক ল'ৰা। মিলনৰ গাত ভাল মানুহৰ লক্ষণ বিদ্যমান, নীলিমাই হয়তো মিলনক এৰিব নোৱাৰিয়েই ঘৰখনত কাম কৰি আছে।

চৌধুৰীৰ ঘৰখনত সৰু-সুৰা বিয়াৰ দৰেই পৰিৱেশ এটা হ'ল। সকলো বয়-বস্তু ঠিক-ঠাক হ'ল। টেণ্ট হাউছৰ পৰা আঁৰ কাপোৰ, চকী-টেবুল অনা হ'ল। সুন্দৰকৈ পেণ্ডেল সজোৱা হ'ল। ভাগে ভাগে মানুহ নিয়োগ কৰা হ'ল। চৌধুৰীৰ ঘৰৰ সন্মুখত ভালেখিনি ঠাই খালী থকা বাবে কোনো অসুবিধা নহ'ল। চৌধুৰী পৰিয়ালৰ ঘৰত বিৰাজ কৰা উৎসৱমুখৰ পৰিৱেশে চৌধুৰীকো স্পৰ্শ কৰিলে। দিনৰ ভাগতেই পাৰ্টীৰ আয়োজন হ'ব বুলি সিদ্ধান্ত হ'ল। ৰান্ধনি ঠিক কৰা হ'ল, বজাৰৰ বাবেও পাৰ্গত মানুহক দায়িত্ব দিয়া হ'ল। পঠাৰ মাংস, মুৰ্গীৰ মাংসৰ বাহিৰেও মাছৰ ব্যৱস্থা কৰা হ'ল। দৈ আৰু ৰসগোল্লাও আইটেমৰ ভিতৰত থাকিল। বাচমতি চাউলৰ পোলাও তৈয়াৰ কৰাৰ বাবে খাটি ঘি যোগাৰ কৰা হ'ল। মুঠতে বিধে বিধে খানাৰ ব্যৱস্থা কৰা হ'ল। নীলিমাও আনন্দত জপিয়াই উঠিল। তাই ভাবিলে জোনালীকো চৌধুৰীৰ ঘৰলৈ লৈ যাব। আনন্দত মতলীয়া হৈ তাই জোনালীক কৈয়ে পেলালে— 'চাবি কি আনন্দ আৰু ফূৰ্তি, খানাৰতো কথাই নাই।' ৰাইজেও এইছেগতে জোনালীক চিনি পাব, জোনালীয়েই যে তাইৰ একমাত্ৰ আদৰৰ ছোৱালী তাৰো প্ৰচাৰ হ'ব। নীলিমা সেইকেইদিন চৌধুৰীৰ ঘৰত একপ্ৰকাৰ দিনে-নিশাই ব্যস্ত থাকিল। অৱশেষত আকাংক্ষিত পাৰ্টীৰ দিন দুৱাৰডলিত।

চৌধুৰী পৰিয়ালৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱেৰে ঘৰখনত উখল-মাখল পৰিৱেশ। সকলো ব্যস্ত। নিমন্ত্ৰিত অতিথিৰ বাবে যা-যোগাৰ সম্পূৰ্ণ হৈ উঠিছে। ৰাতিটো পুৱালেই প্ৰতীক্ষাৰ দিনটো, পুৱাৰ ভাগত সকলোৱে ব্যস্ত হৈ পৰিব খাদ্য প্ৰস্তুতিত। দুপৰীয়া ভোজন, কিছুমান ৰাতিও আহিব। নীলিমাই ঢলপুৱাতে বিছনা এৰি ঘৰুৱা কামখিনি শেষ কৰি চৌধুৰীৰ ঘৰলৈ যাবলৈ ওলাল। জোনালীক লৈ যোৱাৰ কথা ভাবি ক্ষন্তেক চিন্তা কৰিলে— জোনালী বিদ্যালয়লৈ যাবনে নে নাযাব সেই লৈ তাই বিবুদ্ধিত পৰিল। চৌধুৰীৰ পৰিয়ালৰ কোনেও নীলিমাক কোৱা নাই যে জোনালীক লৈ আহিবি।

হঠাৎ জোনালীয়ে বিছনাৰ পৰা মাত লগালে, 'মা, আজি ইমান সোনকালে যাবলৈ ওলাইছা যে?'

নীলিমাই জিভাৰ আগত অহা বাক্যটো ভিতৰলৈ টানি নিলে। জোনালীক কি ক'ব তাই। ক'ব নেকি— সাজু হ' তই, আজি চৌধুৰী পৰিয়ালত ভোজ-পাৰ্টী বুলি। নীলিমা থমকি ৰ'ল। নোকোৱাই ভাল, নীলিমা শেষ সিদ্ধান্তত উপনীত হ'ল। জোনালীক বিদ্যালয়লৈ যাবলৈ কৈ নীলিমা ওলাই গ'ল। তাই মনে মনে ভাবিলে— আবেলি এপাকত আহি জোনালীক লৈ যাব। চৌধুৰী পৰিয়ালত উপস্থিত হৈ নীলিমাই কোনটো কামত হাত দিব বুলি চৌধুৰীৰ ঘৈণীয়েকক সুধিবহে পালে, 'কি কাম তোক আজি শিকাই দিব লাগিব নেকি' বুলি চৌধুৰীৰ ঘৈণীয়েকে খঙৰ ভমকতে ক'লে, 'যা, পাকঘৰলৈ যা। ডাঙৰ ডাঙৰ চৰুকেইটা ভালকৈ চাফা কৰি ল'।' চৌধুৰীৰ ঘৈণীয়েকৰ কটু কথাষাৰে নীলিমাৰ কলিজাত কাঁইটে বিন্ধাদি বিন্ধিলে, তাইৰ চকুলো ওলাই আহিল। নীলিমাই পাকঘৰৰ পৰা চৰুকেইটা লৈ টিউবৱেলৰ ওচৰ পালেগৈ। এনেতে ডেকা ল'ৰা এজনে তাইক মাতি ক'লে, 'চুলাৰ মাটিখিনি আঁতৰাই দেচোন।' ল'ৰাজনৰ কথা শুনি তাই অবাক হ'ল। নীলিমাই যে চৌধুৰীৰ পৰিয়ালত কাম কৰে ডেকা ল'ৰাজনে সেইটো নিশ্চয় জানে। হওক দে কাম কৰি খোৱা মানুহ নহয়, —নীলিমাই ভাবিলে। নীলিমাই এটাৰ পিছত এটা কাম কৰি থাকোঁতে কোনোবা এজনে ক'লে, 'বেচেৰীয়ে আৰু কিমান কৰিব, ক'ৰবাৰ আলহী হ'বলা।' ওচৰতে বহি থকা চৌধুৰীৰ চুবুৰীয়া এজনে মাত লগালে, 'বেচেৰী নহয় দে। চৌধুৰীহঁতৰ কাম কৰা মাইকীহে। মাইকীজনীৰ গিৰীয়েক নাই। শিক্ষিত আছিল তাইৰ গিৰীয়েকজন। নিজৰ মাৰুতি কাৰেৰে ভাৰা মাৰিছিল তেওঁ। এদিনাখন ঘৰৰ পৰা গুৱাহাটীলৈ ভাৰা লৈ ওলাই গৈছিল। কিন্তু উভতি নাহিল। থানাৰ আৰক্ষীয়ে আজিলৈকে কোনো অনুসন্ধান লাভ কৰা নাই। বহুতেই কয় তাইৰ গিৰীয়েকক হেনো গাড়ীচোৰে হত্যা কৰিলে, গিৰীয়েকৰ অনুপস্থিতিত তাই অসহায়, চৌধুৰীহঁতৰ ঘৰত কাম কৰাৰ কাৰণো সেয়াই।'

নীলিমা কামত ব্যস্ত। চৌধুৰীয়ে ইফালে-সিফালে কামৰ তদাৰক কৰি আছিল। চৌধুৰীৰ চকু এইবাৰ নীলিমাৰ ওপৰত পৰিল। সময় দিনৰ এঘাৰ বাজি ত্ৰিশ মিনিট পাইছেগৈ।

'নীলিমা, তই আজি আৰু কাম কৰিব নালাগে, যা ঘৰলৈ যাগৈ, আবেলি আহি ভাতকেইটা খাই যাবি দে।'

নীলিমাই নভবাকৈ গে'টৰ ওচৰলৈ গৈ থিয় দিলে। তাই কি কৰিব ভাবি নাপাই আকৌ চৌধুৰীৰ ঘৈণীয়েকৰ ওচৰ পালে। তাইক দেখি চৌধুৰীৰ ঘৈণীয়েকে একো নক'লে। নীলিমাই নিজেই ক'বলৈ বাধ্য হ'ল। তাই ক'লে, 'বাইদেউ, মোৰ কিবা কৰিবলগীয়া আছে নেকি?

ক্ষন্তেক ভাবি চৌধুৰীৰ ঘৈণীয়েকে ক'লে, 'এতিয়া তোৰ কাম নাই যা। পিছত ঢেৰ কাম ওলাব বুজিছ, তই ঘৰলৈ যাগৈ, পিছত খাবলৈ আহিবি।'

নীলিমা বেজাৰ মন লৈ ওলাই আহিল। তাইৰ চিঞৰিবলৈ মন গ'ল। কোনেও জোনালীৰ কথা নক'লে। তাইৰ সন্মুখত এখন বিশাল মৰুভূমি, তাই ক্লান্ত পথিকৰ দৰে ঘৰৰ ফালে খোজ দিলে, পৃথিৱীখন যেন তাইৰ বাবে নিৰ্দয়। এডোখৰ জীপাল ঠাই বিচাৰি পাঁচটা বছৰৰ পৰা তাই হাহাকাৰ কৰি ফুৰিছে। নীলিমাই ঘৰলৈ আহি বিছনাত শুই চকুলো টুকিলে। তাই গিৰীয়েক জোনৰ ফটোখনলৈ চালে। জোনৰ হাঁহি থকা মুখখনে নীলিমাৰ সকলো ক্লান্তি দূৰ কৰে। বেছি বেয়া লাগিলে নীলিমাই জোনৰ ফটোখনলৈ

চায়, এক অদৃশ্য শক্তিয়ে যেন নীলিমাৰ মন চুই যায়, তাইৰ উদং বুকুৰ অবুজ বেদনাৰ অৱসান হ'বনে? তাই আশাবাদী, জোনালীক তাই বিচাৰে সেই প্ৰত্যাশাৰ উজ্জ্বল ভোটা তৰা ৰূপে। তাই আবেলি কেনেকৈ যাব চৌধুৰীহঁতৰ ঘৰলৈ? জোনালীক এৰি থৈ ভোজ খোৱা তাইৰ পক্ষে সম্ভৱনে? তাই কোনো সিদ্ধান্তত উপনীত হ'ব নোৱাৰিলে। আবেলি দুই বজাত জোনালী স্কুলৰ পৰা ঘৰ আহি পালে। জোনালীৰ মুখখন মলিয়ন হৈছে। হ'বই, প্ৰায় দুই কিলোমিটাৰ ৰাস্তা তাই খোজকাঢ়ি আহিব লাগে, লগৰ ছোৱালীহঁতে স্কুলবাছ আৰু অটোৰিক্সাৰে অহা-যোৱা কৰে, জোনালীৰ সেই লৈ আক্ষেপ নাই। তাই এতিয়া বহুত কথাই বুজি পায়। দেউতাকৰ অনুপস্থিতিত মাকৰ কিমান কষ্ট হৈছে সেইটো উপলব্ধি কৰিব পৰা হৈছে তাই। নীলিমাৰ শেষ আশা আছিল আবেলি নিশ্চয় চৌধুৰীৰ ঘৈণীয়েকে তাইক ফোন কৰি মাতিব, জোনালীৰ কথাও ক'ব। মোবাইল ফোনটো চৌধুৰীৰ ঘৈণীয়েকে দিছে, কেতিয়াবা প্ৰয়োজন হ'লে মাতে। আবেলি চাৰি বজা পৰ্যন্ত কোনো ফোন নাহিল। নীলিমাই জোনালীক ভাত-পানী খাবলৈ দি নিজেও খালে।

নীলিমাৰ চৌধুৰীৰ ঘৈণীয়েকৰ কথা মনত পৰিল। 'পিছত ঢেৰ কাম ওলাব' কথাষাৰৰ বাবেই নীলিমাৰ মনটো ছটফটাবলৈ ধৰিলে। নীলিমাই চৌধুৰী পৰিয়ালৰ ভোজৰ কথা জোনালীক নক'লে। আন দিনৰ দৰেই নীলিমা ৰাওনা হ'ল যাবলৈ। তেতিয়া জোনালী গভীৰ নিদ্ৰাত। নীলিমাই জোনালীক একো নক'লে। তাই পোনে পোনে গৈ চৌধুৰীৰ ঘৰত হাজিৰ হ'ল। চৌধুৰীৰ ঘৈণীয়েকে নীলিমাক দেখিয়েই ক'বলৈ ধৰিলে, 'তই আজিৰ দিনটোতে পলমকৈ আহিলি।' ল'ৰা এজনক মাতি নীলিমাক ভাত দিয়াৰ কথা কৈ তেওঁ ঘৰৰ ভিতৰত প্ৰৱেশ কৰিলে। নীলিমাই কিবা এটা ক'বলৈ চেষ্টা কৰিও ব্যৰ্থ হ'ল। চৌধুৰীৰ ঘৈণীয়েকৰ ব্যস্ততাত নীলিমা কাঠৰ দৰে স্থিৰ হৈ ৰ'ল। ৰভাতলীৰ লোহাৰ বেঞ্চ এখনত ভাতৰ সৈতে তৰকাৰী, ডালি ইত্যাদি ল'ৰাজনে থৈ নীলিমাক বহিবলৈ ইংগিত দিলে। নীলিমাৰ স্তব্ধ মন আৰু জঠৰ হ'ল, কি কৰিব তাই চিন্তা কৰি একো উহাদিহ নাপালে। এনেতে চৌধুৰী গে'টৰ বাহিৰৰ পৰা ভিতৰলৈ সোমাই আহিল। চৌধুৰীয়ে নীলিমাক দেখিয়েই ভাবি ল'লে যে তাই নিশ্চয় ভাত খোৱা নাই। নীলিমাৰ সন্মুখত থকা ভাতৰ কাঁহীখনলৈ চৌধুৰীৰ দৃষ্টি পৰিল।

'এই কাঁহীখন কাৰ বাবে ৰখা হৈছে?' —নীলিমাক সুধিলে। নীলিমাই কিংকৰ্তব্যবিমূঢ় অৱস্থাৰে কোনো মতে স্থিৰ হৈ সোঁভৰিৰ বুঢ়া আঙুলিৰে মাটিত খুঁচৰি থাকিল। ঠিক সেই মুহূৰ্ততে ভাত দিয়া ল'ৰাজনে আহি ভাত খাবলৈ বহিবলৈ নীলিমাক অনুৰোধ কৰিলে। ল'ৰাজনে ভাবি লৈছিল নীলিমাও নিমন্ত্ৰিত অতিথি। নীলিমাৰ চেহেৰা দেখি কোনেও ক'বলৈ সাহস নকৰিব যে তাই কাম কৰা মহিলা। পৰিস্থিতিলৈ চাই নীলিমাই আৰক্ষীৰ জিম্মাত থকা অপৰাধীৰ দৰে ভাতৰ কাঁহীখন কাষলৈ টানি ল'লে। তাইৰ সন্মুখত জোনালীৰ মুখমণ্ডল ভাহি উঠিল। কেইগৰাহমান ভাত গিলি ভাতৰ কাঁহীখন ডাষ্টবিনত পেলাই দিলে। ৰাতি দহ বজালৈ লেতেৰা বয়বস্তু চাফা কৰিলে। তাই শেষবাৰৰ বাবে ভাবিছিল যে নিশ্চয় ঘৰলৈ যোৱাৰ সময়ত চৌধুৰীৰ ঘৈণীয়েকে জোনালীৰ বাবে ভাত-তৰকাৰী দিব। কিন্তু তাইৰ ভবা কথাটো অসাৰ হ'ল। নীলিমা খালী হাতেৰে ঘৰগৈ পালে। জোনালীয়ে ইতিমধ্যে বিছনা লৈছে। নীলিমাই জোনালীৰ মুখলৈ চালে। নিষ্পাপ শিশুটিক তাই চৌধুৰীৰ ঘৰৰ ভোজৰ বিষয়ে একো নকওঁ বুলি মন দৃঢ় কৰিলে।

পিছদিনা ৰাতিপুৱা পূৰ্বৰ দৰে নীলিমা চৌধুৰীৰ ঘৰত হাজিৰ হ'ল। ঘৰখনত এক বিশৃংখল পৰিৱেশে বিৰাজ কৰিছিল। অতিৰিক্ত ভাত-তৰকাৰী পেলাই দিয়া হৈছে। নীলিমা চোতালখন চাফা কৰাত ব্যস্ত, মানুহবোৰে পেণ্ডেল খুলি আছে, মিলনে বেছিভাগ সময়ত টেপৰ পানী ব্যৱহাৰ নকৰি টিউবৱেলৰ পানী ব্যৱহাৰ কৰি ভাল পায়। মিলনে নীলিমাৰ ওচৰলৈ আহি সুধিলে, 'যোৱাকলি জোনালী আহিছিল নে?'

মিলনৰ কথা শুনি নীলিমাই উচুপি উঠিল, তাই মনৰ ভিতৰৰ আৱেগ ধৰি ৰাখিব পৰা নাই। মিলনে দেউতাক আৰু মাকক নীলিমাৰ কথাটো জনালে। চৌধুৰীৰ ঘৈণীয়েকে তৎক্ষণাৎ ভিতৰৰ পৰা ওলাই আহি নীলিমাক সুধিলে, 'তই কান্দিছ কিয়? তোৰ কান্দোন শুনি মানুহে ভাবিব আমি বোধহয় তোক দেখিব নোৱাৰোঁ। ইচ্ কি বদমাচ মাইকীজনী।' মাকৰ কথা শুনি মিলনৰ দেউতাক চৌধুৰীও আহি ওচৰ পালে। কথাটো কি চৌধুৰীয়ে জানিবলৈ চেষ্টা কৰিলে যদিও নীলিমাই মুখ খুলি একো নক'লে। মিলন চতুৰ ল'ৰা। তাৰ বুজিবলৈ বাকী নাথাকিল যে প্ৰকৃত ঘটনাটো কি। মিলনে নীলিমাক উদ্দেশ্যি ক'লে, 'আমাৰ ঘৰৰ ভোজ-ভাত কেৱল ধনীৰ বাবেহে, দুখীয়াৰ বাবে নহয়।'

মিলনৰ কথাষাৰে নীলিমাৰ বুকুখন শীতল কৰিলে, তাইৰ চকুলোৰ দাম যে এইখন পৃথিৱীত নাই সেইটো তায়ো মানি লৈছে। নীলিমাৰ এটাই চিন্তা— পিয়নৰ চাকৰি এটা তাই পাবনে? সঁচাই চৌধুৰীয়ে তাইক চাকৰি দিবনে...? কাম-বন শেষ কৰি নীলিমা ঘৰলৈ গ'ল। তেতিয়া জোনালীয়ে বাৰাণ্ডাত একান্তমনে ছবি আঁকি আছিল। মাকক দেখি জোনালীয়ে ছবিখন লুকুৱাবলৈ চেষ্টা কৰিছিল। নীলিমাই ভালকৈ লক্ষ্য কৰি চালে জোনালীয়ে এটা প্ৰাকৃতিক দৃশ্য আঁকিছে। নীলিমাৰ মনটোত আনন্দৰ লহৰ উথলি উঠিল, তাই জোনালীক সাবটি ধৰি কিবা ক'ব খুজিলে যদিও নোৱাৰিলে। কেৱল এটোপাল চকুপানী জোনালীৰ গালখনত সৰি পৰিল।



# টি আৰ পি


**দিশাংক চক্ৰৱৰ্তী**
গণিত বিভাগ তৃতীয় ষান্মাসিক


আগে আগে মানুহজন দৌৰিছে। পিছে পিছে বন্যহস্তীৰ জাকটো। মানুহজন পাৰ্যমানে দৌৰিছে। এটা সময়ত হাতীৰ জাকটোৱে মানুহজনক ঘেৰি ধৰিলে। ফলত মানুহজন নেদেখা হ'ল। এনেদৰে কিছু সময় থাকি জাকটো গ'লগৈ। পৰি ৰ'ল মাত্ৰ মানুহজনৰ তেজেৰে লুতুৰি-পুতুৰি দেহটো। 'হাতীৰ সন্ত্ৰাস, দুধনৈৰ নিউজ...'। নিউজ এডিটৰ বৰাই ফুটেজটো চাই ক'লে। 'বাট্ ছাৰ, ফুটেজটোত বহুখিনি এডিট্ কৰিব লগা আছে। দূৰৈৰ পৰা কেমেৰা এংগল লোৱা বাবে স্পষ্ট হোৱা নাই।' —সিফালৰ পৰা টাইপিষ্ট ৰণ্টুৰ মাত। 'অকে, সাত বজালৈ ফুটেজটো ৰেডী কৰা, প্ৰাইম টাইমৰ তিনি নম্বৰ নিউজতে চলালেই হ'ল।' —বৰাৰ নিৰ্দেশ। এনেতে ভূঞা কেবিনৰ পৰা ওলাই আহিল। এখেত চেনেলটোৰ এডিটৰ-ইন-চীফ। এজন মন্ত্ৰীৰ মালিকীস্বত্বত কাম কৰিবলগীয়া হোৱাৰ বাবে তেখেতৰ স্বাধীনচিতীয়া মনটোৱে বান্ধোনত কাম কৰিবলৈ বাধ্য হয়। বৃহস্পতিবাৰে অহা টি আৰ পি বাৰ কোডত চেনেলৰ অৱনতি ঘটাৰ বাবে অলপ আগতে মন্ত্ৰীজনৰ পৰা অকথ্য শুনিব লগা হোৱাৰ বাবে খংটো মূৰৰ ওপৰতে উঠি আছিল। এনেতে বৰাই তেখেতক ফুটেজটো দেখুৱালে। 'হেৰৌ, ভয়াৱহ, লোমহৰ্ষক বোলা শব্দকেইটা ডিক্সনেৰীখনত সজাবলৈ ৰাখিছে জানো? আজিকালি কাজিৰঙাত গঁড় মৰা; বন্যহস্তীয়ে মানুহ মৰা, ঘৰ-দুৱাৰ ভঙা ইত্যাদি অমুক মোবাইল কোম্পানীৰ হৰ্ডিংকেইখনৰ দৰে হৈছেগৈ। দুয়োটাৰে লেখ-জোখ নাই— ক'ত কিমান মানুহ মৰে আৰু ক'ত কিমান

হৰ্ডিং আছে? বোলো কোৱা বাহুল্য, প্ৰধানমন্ত্ৰীৰ গ্ৰাম চড়ক যোজনাই ঢুকি নোপোৱা ৰাস্তাৰ কাষতো অমুক মোবাইলৰ হৰ্ডিং।'

'ছাৰ, তেতিয়াহ'লে নিউজটো কেনচেলেই কৰোঁ নেকি?' —ভূএগাক বিষয়বস্তুৰ পৰা ফালৰি কটাত বাধা দি বৰাই মাত লগালে। স্বভাৱসুলভ গলখেকাৰিটো মাৰি ভূএগ্রাই পুনৰ আৰম্ভ কৰিলে— 'হেৰৌ, নিউজ বিচাৰিলে এনেকুৱা নিউজ বিচাৰিব লাগে; যিবোৰ টানি টানি চলাব পাৰি। শ্বৰ্ট কাট নিউজৰ টি আৰ পি নাই।'

'যেনে— ?' —বৰাই মূৰ খজুৱাই খজুৱাই প্ৰশ্ন কৰিলে।

'এইবোৰ সাম্প্ৰদায়িক সংঘৰ্ষ, জাতিৰ আৱেগ, ভি আই পিৰ সম্পত্তি, পৰকীয়া প্ৰেম ইত্যাদি ধৰণৰ নিউজ যিমানেই দেখুৱাবি সিমানেই বৃহস্পতিবাৰে সাপ্তাহিক টি আৰ পি লিষ্টখন চাই মজা পাবি।' —ভূএগ্রাৰ বিশ্লেষণাত্মক মন্তব্য। 'অহ্, এতিয়াহে বুজিলোঁ ছাৰ, কিয় পাব্লিক নিউজ চেনেলটোত অসমৰেই অনিৰ্বাণ গোস্বামী ছাৰে অসমৰেই গায়কজনক...।' —বৰাই কথাখিনি শেষ নৌকৰোঁতেই ছাব এডিটৰ শৰ্মা ফোপাই-জোপাই সোমাই আহিল। 'ছাৰ, কাৰ্বি আংলঙৰ পৰা আমাৰ সংবাদদাতা শ্ৰীৰংপিয়ে ফেচবুক লাইভৰ এটা ভিডিঅ' পঠিয়াইছে। দুজন যুৱকক ৰাস্তাতে এদল মানুহে বগৰাই গুৰুলা-গুৰুলকৈ পিটি মাৰি পেলাইছে।' ভূএগ্রাই লৰা-লৰিকৈ ৰংপিলৈ ফোন লগালে— 'ৰংপি, কেছটো কি?'

'ছাৰ, অবৰ্ণনীয় ঘটনা। দুজন যুৱক গুৱাহাটীৰ পৰা কাংথিলাংছ' নামৰ জলপ্ৰপাতটো চাবলৈ আহিছিল। উভতি যাওঁতে সন্ধিয়া হ'ল। গাঁৱৰ মানুহৰ মাজত বহুদিনৰ পৰাই সোপাধৰাৰ আতংকই বিৰাজ কৰি আছিল। যুৱক দুজনৰ এজন আৰ্টিষ্ট আছিল। তাৰ চুলি দীঘল আছিল। সোপাধৰাৰ সন্দেহত গোটেই ৰাইজে কোবাই কোবাই মাৰি পেলালে ছাৰ, দুয়োজনে বাচিবৰ বাবে বহুত চেষ্টা কৰিছিল; নিজকে অসমীয়া বুলি বাৰম্বাৰ চিনাকি দিছিল। কিন্তু পাষণ্ডকেইটাই নুশুনিলে ছাৰ।'

ভূএগ্রাৰ চকুকেইটা হঠাৎ জিলিকি উঠিল।

'কি?' —ভূএগ্রাৰ চিঞৰ। 'অসমীয়া বুলি চিনাকি দিয়াৰ পিছতো মাৰিয়েই আছিল? অসমীয়াৰ আৱেগৰ লগত সাঙুৰি থকা নিউজ এইটো। টি আৰ পি উপচি আহিব।' ভূএগ্রাই মনতে ভাবিলে।

লৰালৰিকৈ ফোনটো কাটি ভূএগ্রাই ছাব এডিটৰ শৰ্মাক সাত বজাৰ আগতে টক্ শ্ব' এটাৰ আয়োজন কৰাৰ নিৰ্দেশ দিলে।

'আমাৰ ৰাখাল গগৈ আৰু হেৰি নহয় ছাত্ৰ নেতা দুজনমানক খবৰ দিয়া। জাতীয় আৱেগৰ কথা আছে যিহেতু জাতীয় সংগঠনৰ নেতাই গেষ্ট হিচাপে মন্তব্য ৰাখিলে ভাল হ'ব। উদাত্ত বক্তব্যৰ সমানে দৰ্শকো উত্তেজিত হ'ব।' —এইবুলি কৈ ভূএগ্রাই কেবিনত থকা বেছিনত মুখ-হাত ধুবলৈ গ'ল।

ভিডিঅ'টো তেতিয়াও চলিয়েই আছিল। বৰাই কেবিনৰ গ্লাছেৰে নিউজ ৰুমৰ বেৰত ওলমি থকা বৃহৎ ৱাল টিভিটোলৈ চাই পঠিয়ালে। নিৰ্মমভাৱে মানুহখিনিয়ে ল'ৰা দুজনক পিটি আছে। গোটেই দেহতে তেজ। মুখবোৰ চিনিবকে নোৱাৰি। হঠাৎ ভূএগ্রাই ৰিণিকি ৰিণিকি ভাহি অহা কণ্ঠস্বৰ শুনিবলৈ পালে— 'মই অসমীয়া হয়; মোৰ দেউতাৰ নাম..., মোৰ মাৰ নাম...।' ভূএগ্রাই অনুভৱ কৰিলে সেই মাতটো যেন তেখেতৰ চিনাকি। এক অজান আশংকাত তেওঁৰ বুকুখন চিৰিংকৈ উঠিল। তেওঁ লগে লগে ঘৈণীয়েকলৈ ফোন লগালে— 'হেৰা, বাবা ক'ত আছে?'

'বন্ধু এজনৰ লগত ফুৰিবলৈ গৈছে কাৰ্বি আংলঙলৈ। অথনিৰে পৰা ফোন লগাই আছোঁ, ৰিচিভেই কৰা নাই। কিয় জানো...?'

ভূএগ্রাৰ হাতৰ পৰা মোবাইল ফোনটো মাৰ্বল পাথৰৰ মজিয়াখনত পৰি টুকুৰা-টুকুৰ হ'ল। ভূএগ্রাই শিলপৰা কপৌৰ দৰে একেথৰে চাই ৰ'ল।

❖❖❖

# দুদিনীয়া প্ৰেম

**সুৰজিৎ ৰায়**
স্নাতক প্ৰথম ষান্মাসিক
বিজ্ঞান শাখা



দুদিনীয়া প্ৰেম অ' ভাই, দুদিনীয়া প্ৰেম। শুনিবলৈ বেয়া হ'লেও এইটোৱেই সত্য। আচলতে কি জানা, কাৰোবাক মনত পেলাওঁ বুলি পেলাব নোৱাৰি। ই আপোনা-আপুনি আহি যায়।

ৰাহুল ঃ হা হা হা। কি যে ক'ৰ তই ?

ৰহিম ঃ তই এইবিলাক নুবুজিবি। Ok, bye, good night...।

এইবুলি কৈয়ে ৰহিমে ৰাহুলৰ পৰা বিদায় লৈ পঢ়া টেবুলখনতে মোবাইল ফোনটো থৈ শুবলৈ গ'ল। কিন্তু কি হ'ব? আজিকালি টোপনিটোৱেও যেন ৰহিমক বেয়া পোৱা হ'ল। মায়াৰ স্মৃতিয়ে যেন ৰহিমক শুবলৈ নিদিয়ে। ওৰে নিশা তাইৰ কথা ভাবোঁতেই যেন শেষ হয়।

সকলোৰে জীৱনলৈ প্ৰেম অহাৰ দৰে ৰহিমৰ জীৱনলৈও আহিছিল। মায়া নামৰ ছোৱালী এজনী আহিছিল ৰহিমৰ জীৱনলৈ দুদিনীয়া প্ৰেম হৈ।

দুবছৰৰ আগৰ কথা। সেইদিনা আছিল সোমবাৰ...। ৰহিমৰ আনদিনাতকৈ সেইদিনা বৰ ভাল লাগি আছে। কাৰণ কলেজীয়া জীৱনত তেওঁৰ সেয়া প্ৰথম দিন। মেট্ৰিক পৰীক্ষা সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ পিছত ৰহিমে ওচৰৰে দুধনৈ মহাবিদ্যালয়ত এডমিছন লৈছে। মহাবিদ্যালয়ৰ চাৰিওফালে উখল-মাখল পৰিৱেশ। ন ন ছাত্ৰ-ছাত্ৰীৰে ভৰি পৰিছে। দুধনৈ মহাবিদ্যালয়লৈ গৈয়ে ৰহিমে ৰাহুলক লগ পালে। ৰাহুল ৰহিমৰ সৰু কালৰে বন্ধু। একেখন স্কুলৰ পৰাই দুয়ো মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈছে। দুয়োজন শ্ৰেণীকোঠালৈ আগবাঢ়িল। গৈ গৈ দুয়ো অডিটৰিয়ামৰ কাষ পালেহি। অডিটৰিয়ামৰ বাৰাণ্ডাত কেইজনীমান ছোৱালী বহি আছিল। তাৰে এজনী ছোৱালী দেখাত বৰ ধুনীয়া আছিল। তাইৰ দুটি ওঁঠৰ মিঠা হাঁহিটি; তাইৰ হাইলাইট কৰা চুলিখিনি, কাণৰ কাণফুলি ইত্যাদিৰে তাইৰ মুখখন জোনাক নিশাৰ জোনটোৰ দৰে জিলিকি আছিল। ৰহিমৰ ছোৱালীজনীক দেখি বৰ ভাল লাগিছিল। ছোৱালীজনীয়ে তাক কি মৰমৰ বাণ মাৰিলে জানো একো নজনা-নুশুনাকৈ ৰহিম তাইৰ প্ৰেমত বলিয়া হৈ পৰিল। ঘৰলৈ ওভতাৰ সময়ত ৰহিমে ৰাহুলক সেই ছোৱালীজনীৰ কথা ক'লে। ৰাহুল তেতিয়াই ছোৱালীজনীক চাবলৈ বৰ আগ্ৰহী হ'ল আৰু ৰহিমেও

পিছদিনা ছোৱালীজনীক দেখুৱাই দিম বুলি ঠিৰাং কৰিলে। তেনেকৈয়ে ৰহিমৰ কলেজীয়া জীৱনৰ প্ৰথম দিনটো শেষ হ'ল।

পিছদিনা ৰাতিপুৱা দুয়ো কলেজলৈ বুলি ওলাই গ'ল। সেইদিনাও কলেজৰ চৌদিশ ল'ৰা-ছোৱালীৰে ভৰি আছে। দুয়ো গৈ ছোৱালীজনীক বিচৰাত ব্যস্ত হৈ পৰিল। বিচাৰি বিচাৰি দুয়ো পুখুৰীৰ পাৰ পালেহি। পুখুৰীৰ পাৰত থকা নাৰিকল গছডালৰ তলতে কেইজনীমান ছোৱালীয়ে কথা পাতি আছিল। তাৰ মাজতে সেই ছোৱালীজনীও আছিল। ৰহিমে ৰাহুলক ছোৱালীজনীক অলপ আঁতৰৰ পৰাই দেখুৱাই দিলে। ছোৱালীজনীক দেখিয়েই ৰাহুল হতভম্ব হ'ল। কাৰণ ৰাহুলে জানিছিল যে ছোৱালীজনী আগৰ পৰাই এজন ল'ৰাৰ লগত সম্পৰ্কত আছে আৰু ল'ৰাজন আন কোনো নহয় সিহঁতৰে বন্ধু বিকাশ। ইমান দিনে বিকাশে মায়া মায়া বুলি কৈ থকা ছোৱালীজনী আচলতে এইজনী ছোৱালীহে। ৰহিমে ভৱা সপোনবোৰ যেন পলকতে ভাগি-ছিগি চূৰমাৰ হৈ গ'ল। এনেকৈয়ে মায়াৰ স্মৃতি বুকুত লৈ ৰহিমে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ পাছ কৰিলে।

দ্বিতীয় বৰ্ষৰ ক্লাছ কৰি চাৰি-পাঁচ মাহমান গ'ল। তথাপি ৰহিমে মায়াক পাহৰিব পৰা নাই। ৰহিমে মায়াক বহুত ভাল পায়। কিন্তু এতিয়াও সি মায়াৰ লগত চিনাকি হ'ব পৰা নাই। এনেকৈ কেইমাহমান যোৱাৰ পিছত এদিন বিকাশে ৰহিমক মাতি নি মায়াৰ লগত চিনাকি কৰাই দিলে। বিকাশ অলপ চঞ্চল স্বভাৱৰ ল'ৰা আছিল। বিকাশেও নাজানে যে ৰহিমে মায়াক ভাল পায়। বিকাশ আৰু মায়া সম্পৰ্কত থাকিলেও কিন্তু সিহঁতৰ সম্পৰ্ক ইমান মজবুত নহয়। অনবৰতে কাজিয়া-পেছাল চলি থাকে। এনেকৈয়ে সিহঁতৰ সম্পৰ্কটো এদিন ভাগি থাকিল। তেনেকৈ বহুদিন যোৱাৰ পিছত ৰহিম মায়াৰ প্ৰতি বৰ বেছি আকৰ্ষিত হৈ পৰিল। বহু নিশালৈ ৰহিমৰ টোপনি নহা হ'ল।

'মই মায়াক ভালপোৱাৰ কথা ক'ম নেকি? ভালপোৱাৰ প্ৰস্তাৱ দিলে মায়াই নিশ্চয় আপত্তি নকৰিব।' —এনেকৈয়ে ৰহিমৰ মনত নানা চিন্তাই খেলিমেলি লগাব ধৰিলে। আৰু ৰহিমে কলেজৰ নৱাগত আদৰণী সভাত মায়াক ভালপোৱাৰ প্ৰস্তাৱ দিম বুলি ঠিৰাং কৰিলে।

আজি বতৰটো অন্য ধৰণৰহে। কলেজত আজি নৱাগত আদৰণী সভা। অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গ আজি কলেজলৈ আহিব। সেই হেতুকে আন আন কলেজৰ পৰাও ল'ৰা-ছোৱালী জুবিন গাৰ্গক চাবলৈ দুধনৈ মহাবিদ্যালয়লৈ আহিছে। চাৰিওফালে মানুহৰ সমাগম। ৰহিমৰ কিন্তু আজি বৰ ভয় লাগি আছে। জীৱনত প্ৰথমবাৰ আজি সি ছোৱালী এজনীক ভালপোৱাৰ প্ৰস্তাৱ দিব।

কিন্তু ভগৱানৰো যে কি কৃপা, মায়াই নিজেই আহি আজি ৰহিমক ভালপোৱাৰ প্ৰস্তাৱ দিলে। ৰহিমৰ মনটো যেন উগুল-থুগুল লাগি গ'ল। ৰহিমে প্ৰথমতে বিশ্বাসেই কৰিব নোৱাৰিলে যে মায়াই তাক ভাল পায় বুলি। চকুৰ সন্মুখতে ঘটি থকা ঘটনাটোও যেনে সপোনহে।

লাজে-ভয়ে ৰহিমে থোকাথুকি মাতেৰে ক'লে— 'মইও তোমাক ভালপাওঁ...।' তেনেকৈ কথা পাতি পাতি আবেলি ৩মান বাজিল। বিশেষ এটা অসুবিধাৰ কাৰণে আজি জুবিন গাৰ্গ আহিব নোৱাৰিব বুলি প্ৰিঞ্চিপাল ছাৰে সকলোকে জনাই দিলে। সেয়ে সকলো ঘৰ অভিমুখে ৰাওনা হ'ল। ৰহিম আৰু মায়াও ঘৰলৈ উভতিল।

তেনেকৈ দুই-তিনি দিনমান গুচি গ'ল। অৱশেষত এদিন ৰহিমে গম পালে যে মায়াই হেনো তাক বিকাশক প্ৰতাৰণা কৰাৰ উদ্দেশ্যেহে ভাল পাইছিল। কথাটো গম পাই ৰহিম হতাশাত ভাগি পৰিল। কেনেকৈ কোনোবাই কাৰোবাক প্ৰতাৰণা কৰাৰ উদ্দেশ্যে ভাল পাব পাৰে— ৰহিমে একো বুজিয়েই নাপালে। অৱশেষত মায়া ৰহিমৰ পৰাও আঁতৰি যাব ধৰিলে আৰু ৰহিমেও এই দুদিনীয়া প্ৰেমৰ সম্পৰ্কৰ স্মৃতিবোৰ পাহৰিবলৈ চেষ্টা কৰিলে।

দুবছৰ হৈ গ'ল। ৰহিম আজি মায়াৰ পৰা বহু নিলগত। পাহৰিবলৈ চেষ্টা কৰিলেও আজি ৰহিমে মায়াক পাহৰিব পৰা নাই। মায়াই আচলতে ৰহিমক বুজিয়েই নাপালে। ৰহিমৰ আজি একো ভাল লগা নাই। মনৰ অস্থিৰতাত আজিও সি শান্তিত শুব পৰা নাই। এক অদ্ভুত শূন্যতাই আৱৰি ধৰিছে তাৰ চৌদিশ। ৰহিমে আজিও ভগৱানক একেটাই প্ৰাৰ্থনা কৰিছে— 'মায়া য'তেই থাকক, যাৰ লগতেই থাকক— সুখ শান্তিৰে কুশলে থাকক।'

❖❖❖



# অঘৰী


**অৰনীতা সাউদ**
স্নাতক ষষ্ঠ ষান্মাসিক
অসমীয়া বিভাগ


আজি তাই ঠিকনাবিহীন। জাৰৰ পেলোৱা ডাষ্টবিনবোৰত তাই পেটৰ তাড়নাত বিচাৰি ফুৰে কেইটিমান পেলনীয়া ভাত, ৰুটীৰ দুটামান টুকুৰা। ৰঙা পৰা জপৰা চুলিখিনিৰে সৈতে ৰুক্ষ, মলিয়ন তাইৰ মুখখন। অ'ত-ত'ত ফাটি-ছিটি যোৱা ফ্ৰকটোৰে কোনো মতে তাইৰ লাজ ঢাকিছে। ফুটপাথৰ কাষতে ফুটগধূলিতে তাই শুই পৰে। আকৌ কাহিলি পুৱাতে উঠি নিজ কৰ্মৰ সন্ধানত তাই খোজ দিয়ে। চহৰৰ অলিয়ে-গলিয়ে থকা ডাষ্টবিনবোৰত তাই খাদ্যৰ সন্ধান কৰে— এৰেহা ৰুটীৰ টুকুৰা, হোটেলৰ পেলনীয়া ভাত-আঞ্জা। এয়াই তাইৰ দৈনিক ৰুটিন। দোকানৰ দুৱাৰডলিত বৈ তাই কেতিয়াবা একেথৰে চাই ৰয়— সযতনে সজাই যোৱা খাদ্য সামগ্ৰীবোৰলৈ... ৰংচঙীয়া মিঠাইবোৰলৈ। কোনোবা হৃদয়ৱান লোকে হয়তো তাইৰ হাতত তুলি দিয়ে তাৰে কিবা এটা।

আজি তাই অঘৰী... তাই পাগলী। কিন্তু তাই জানো ঠিকনাবিহীন? নাই জানো তাইৰ পিতৃ-মাতৃৰ পৰিচয়? তাইৰ নাছিল জানো এটি মুক্ত শৈশৱ? এৰা... তাইৰ পৰিচয় আছে। সাধাৰণ শিশুৰ দৰে তাইৰো এদিন জন্ম হৈছিল। তাইৰো আছিল এটি শৈশৱ। কিন্তু? কিন্তু? সময়ৰ দুষ্ট চক্ৰই তাইক গ্ৰাস কৰিলে বৰ বেয়াকৈ।

তাই তেতিয়া ছয়-সাত বছৰীয়া। মাকে ৰাতিপুৱাই লোকৰ ঘৰত কাম-বন কৰিবলৈ ওলাই যায়। তাই লগৰীয়াৰ সৈতে থাকে। নৈৰ পাৰত, গছৰ তলত খেলি-ধূলি তাই আপোনপাহৰা হৈ থাকে। কিন্তু দেউতাকলৈ তাইৰ বৰ ভয়। দেউতাক এজন ঘোৰ মদাহী। প্ৰতিনিশা মদ খাই আহি দেউতাকে ঘৰত হুলস্থূল লগাই দিয়ে। কাজিয়া-মাৰপিট নিত্য-নৈমিত্তিক ঘটনা। তাই মাথোঁ নীৰৱ দৰ্শক হৈ ৰয়। তাই নিজে প্ৰত্যক্ষ কৰিছিল দেউতাকে নিৰ্মমভাৱে মাকৰ ওপৰত চলোৱা অকথ্য নিৰ্যাতন। মাকে মৌনভাৱেই দেই সকলো যন্ত্ৰণা সহি গৈছিল। কিন্তু সহিলে কি হ'ব? সেইটো তেজ-মঙহেৰে গঢ়া শৰীৰ। নিৰ্যাতন সহি সহি অৱশেষত তাইৰ মাকে এদিন চকু

মুদিলে। পখিলা খেদাৰ বয়সতে তাই চিৰদিনৰ বাবে মাকক হেৰুৱালে। মাকক হেৰুওৱাৰ দুখত তাই ম্ৰিয়মাণ হ'ল। কিন্তু ইমানখিনি হোৱাৰ পিছতো দেউতাকৰ স্বভাৱৰ কোনো পৰিৱৰ্তন নহ'ল। মাকৰ মৃত্যুৰ ছমাহমানৰ পিছতে দেউতাকে আন এজনী চপাই ল'লে। তাই এখন কঠোৰ প্ৰাচীৰৰ সন্মুখীন হ'ল। খোজে খোজে মাহীমাকে তাইৰ দোষ দেখে...। গালি-শপনি দিয়ে...। অকণমান ভুলতে গুৰুতৰ শাস্তি বিহে...। মাৰ-ধৰ কৰে। নীৰৱে তাই সকলো সহি থাকে।

দিন বাগৰি যায়। লাহে লাহে তাই গাভৰু হয়। কিন্তু কেনেকুৱা পাষাণ হৃদয়ৰ মানুহ জীয়াই থাকে এই পৃথিৱীত? দেউতাকে তাইক চহৰৰ মানুহ এঘৰত কাম কৰিবলৈ চাকৰণী হিচাপে থৈ যায়। দেউতাকে প্ৰতি মাহৰ শেষ দিনঠোত মানুহঘৰলৈ আহে। তাইৰ খা-খবৰ ল'বলৈ নহয়; তাই চাকৰণী হিচাপে কাম কৰাৰ বাবদ মাহৰ টকাকেইটা ল'বলৈ। গৃহস্থৰ পৰা দেউতাকে নিৰ্বিকাৰভাৱে টকাকেইটা গণি লয় আৰু অহা বাটেৰেই উভতি যায়গৈ। তাই মনে মনে হিয়া ঢাকুৰি কান্দে। কিন্তু তাইৰ চকুপানীৰ মূল্য কোনে দিব? চিঞৰি চিঞৰি তাইৰ ক'বলৈ মন যায়— 'দেউতা, মোক ইয়াৰ পৰা লৈ যোৱা। মোক মুক্তমনে থাকিবলৈ দিয়া।' কিন্তু সেই পাষণ্ডজনৰ হৃদয়ত কিঞ্চিৎমানো মৰম বোলা বস্তুটো লুকাই আছেনে? কোনে শুনিব? কোনে বুজিব তাইৰ হৃদয়ৰ পাৰভগা কান্দোন? নীৰৱেই তাই কাম কৰি যায়। তাইৰ বেদনাৰ্ত হিয়া তিক্ত যন্ত্ৰণাই বোবা কৰি পেলাইছে ক্ৰমশঃ। সময়বোৰ লাহে লাহে পাৰ হৈ গৈ থাকে। অকস্মাত তাইৰ জীৱনলৈ আহিল এজাক কালধুমুহা। যি ধুমুহাই উমি উমি জ্বলি থকা তাইৰ জীৱনবন্তিগছি একেবাৰে এন্ধাৰ কূপত বুৰাই পেলালে। এদিন সন্ধিয়া সময়ত তাই ৰাজপথেৰে দোকানৰ পৰা কেইপদমান বস্তু কিনি উভতি আহি আছিল। তেনেতে হঠাৎ এজাক দুৰ্বৃত্ত তাইৰ ওপৰত পশুৰ দৰে জঁপিয়াই পৰিল। নিষ্ঠুৰভাৱে বখলিয়াই পেলালে তাইৰ সমস্ত শৰীৰ। মূৰ্চ্ছা গৈ তাই ৰাজপথৰ দাঁতিত পৰি থাকিল। হস্পিতালত ভৰ্তি কৰোৱা হ'ল যদিও তাইৰ জীৱনলৈ চিৰদিনৰ বাবে নামি আহিল ঘোৰ অমানিশা। মানসিক অস্থিৰতাই তাইক জুৰুলা কৰিবলৈ ধৰিলে। ক্ৰমাৎ তাই মগজুৰ ভাৰসাম্য হেৰুৱাই পেলালে। তাই হেৰুৱাই পেলালে নিজৰ স্থিতি... নিজৰ পৰিচয়।

সকলোৰে দৃষ্টিত এতিয়া তাই পাগলী। তাই পৰিচয়বিহীন। কংকাল সদৃশ শৰীৰটো লৈ ফুটপাথে ফুটপাথে তাই ঘূৰি ফুৰে। তাই আজি অঘৰী...।

❖❖❖

# এৰি অহা দিনবোৰ

জোনমণি দাস
স্নাতক প্ৰথম ষান্মাসিক
বুৰঞ্জী বিভাগ



দাপোণৰ সন্মুখত বহি সেন্দূৰৰ টেমাটো লৈ শিৰত সেন্দুৰখিনি দিব খোজাৰ লগে লগে মৰমীৰ হাতৰ পৰা সেন্দূৰৰ টেমাটো পিছলি পৰিল। হঠাৎ ভিতৰৰ পৰা শাহুৱেকে মাত লগালে— 'কি হ'ল অ' বোৱাৰী, কি পেলালি...?'

তাই লাহেকৈ ক'লে— 'সেন্দূৰ মা!'

তাৰ পিছত কি চাবা শাহুৱেকৰ কেটেৰা মাত। তাই ভয় খালে। যদি শাহুৱেকে কোৱাৰ দৰেই সঁচাকৈয়ে অনিলৰ কিবা এটা হয়, তেন্তে শাহুৱেকে তাইক শুদাই নেৰে। তাই উচুপি উচুপি কান্দি ভাবিবলৈ ধৰিলে এৰি অহা দিনবোৰৰ কথা।

বি এ পঢ়ি থকাৰ সময়ত তাই ঘৰৰ একমাত্ৰ ছোৱালী হোৱা বাবে তাইক মাক-দেউতাকে বহুত মৰম কৰিছিল। তাই সদায় ভায়েক নিপুৰ বাইকৰ পিছত উঠি কলেজলৈ গৈছিল। নিপু সেইবাৰ HS প্ৰথম বৰ্ষৰ ছাত্ৰ। তাক দেউতাকে এখন বাইক কিনি দিছিল। তাৰ জেদ— সকলোৰে বাইক আছে, সেয়ে তাকো বাইক লাগে। নহ'লে সি বোলে কলেজলৈ নাযায়। কথা মতেই কাম। বাপেকে তাক বাইক কিনি দিলে। সি সদায় তাৰ কলেজলৈ যাওঁতে মৰমীৰ কলেজৰ আগেৰেই যায়। সেয়ে সি বায়েকক কলেজৰ আগত নমাই দিয়ে।

এনেকৈ এদিন-দুদিনকৈ এবছৰ পাৰ হৈ গ'ল। দেউতাকৰো চাকৰিৰ কাৰ্যকাল শেষ হওঁ হওঁ অৱস্থা। দেউতাকে বৰ কষ্টেৰে ঘৰখন চলাই আছে। ইপিনে মৰমীৰ মাকৰ হাৰ্টৰ বেমাৰ। তাত যে আৰু কিমান টকা লাগিব! নিপুও আগতকৈ লাহে লাহে উদণ্ড হ'বলৈ ধৰিলে। সি দেউতাকৰ পকেটৰ পৰা টকা চুৰি কৰি নিয়ে আৰু লগৰ সমনীয়াৰ লগত নিচা জাতীয় দ্ৰব্য সেৱন কৰে। মাক-দেউতাকৰ সন্মানৰ কথা নাভাবি সি দিনক দিনে দুষ্টালিবোৰ কৰিয়েই থাকিল। সেইদিনা সিহঁতৰ ওচৰত থিয়েটাৰ চলি আছিল। নিপুৱে থিয়েটাৰ চোৱাৰ নামত দেউতাকক পাঁচশ টকা খুজিলে। দেউতাকে ক'লে— 'তই এতিয়া HS দ্বিতীয় বৰ্ষৰ ছাত্ৰ। তই ভালকৈ পঢ়া-শুনা কৰ। তাৰ পিছত কিমান থিয়েটাৰ চাব চাবি।' দেউতাকৰ কথা শুনি সি ক'লে— 'আজিকালি পঢ়া-শুনা কৰি কেইটাই চাকৰি পাইছে? মোক টকা দিয়া বুলিছোঁ দিয়া। নহ'লে...।' 'নহ'লে কি?'—দেউতাকে ক'লে, 'তই সীমা চেৰাই গৈছ।' দেউতাকে এনেকৈ কোৱাত সি খঙতে বাইক লৈ ওলাই গ'ল।

পিছদিনা সিহঁতৰ চোতালত বগা কাপোৰেৰে ঢাক খাই থকা নিপুৰ নিথৰ দেহটোৰ কাষৰ পৰা কান্দোনৰ ৰোল ভাহি আহিল। মাক আৰু মৰমীৰ হিয়াভৰা কান্দোন ভাহি আহিল। কি হ'ল কেনেকৈ হ'ল কোনেও ধৰিব নোৱাৰিলে। সি নিজৰ বিপদ নিজে মাতি আনিলে। বগা কাপোৰৰ মাজত থকা তাৰ আত্মাটোৱে যেন ওলাই আহি দেউতাকক ক'ব— 'দেউতা মোক পাঁচশ টকা দিয়া।'

দেউতাকক এই ভাববোৰে আমনি কৰিবলৈ ধৰিলে। মাকে পুত্ৰশোক সহিব নোৱাৰি কান্দিয়েই থাকিল। মাকৰ বেমাৰ ক্ৰমান্বয়ে বৃদ্ধি হ'ল।

মৰমীয়ে বি এ ফাইনেল দিয়াৰ বছৰ। সেইখিনি সময়তে ঘটিল আৰু এটা ডাঙৰ ঘটনা, যাক কোনেও ভবা নাছিল। কথাতে কয় নহয়, ভগৱানে যাক চাই ভালকৈ চায় আৰু যাক নাচায় কেৱাহিকৈও নাচায়। মৰমী মনে মনে কলেজৰ প্ৰফেছাৰ এজনলৈ পলাই গ'ল। সেই কথা শুনি মাকৰ জীৱ যাওঁ যাওঁ। মাকে দেউতাকক ক'লে— 'মোক সেই দিনবোৰলৈ লৈ যাওক, য'ত মৰমী আৰু নিপুৱে মোক মৰমেৰে মা বুলি মাতিব।'

হঠাৎ পাছফালৰ পৰা পিংকীয়ে মাকক জোকাৰি ক'লে— 'মা কি হ'ল, কি ভাবি আছা, এই সেন্দূৰবোৰ কোনে পেলালে?'

মৰমীয়ে পুনৰ চক খাই উঠিল শাহুৱেকৰ চিঞৰ শুনি। শাহুৱেকে চিঞৰিছিল— 'কি...? কেনেকৈ হ'ল?'

মৰমীৰ গাৰ নোম থিয় হৈ উঠিল। তাই ভয়ে ভয়ে শাহুৱেকক মাত লগালে— 'মা, কাৰ কি হ'ল...?'

তাই ভয় খালে অনিলৰ কিবা হ'ল নেকি...? শাহুৱেকে তাইক অনিলৰ কিবা এটা হ'লে শুদাই এৰিবনে?

আচলতে কাৰ কি হ'ল...?

❖❖❖



# আশাভঙ্গ


অম্বিকা ৰাভা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ


দিব্যেন্দুৰ মোবাইল ফোনটো বাজি উঠিল। দিব্যেন্দুৱে মোবাইল ফোনৰ স্ক্ৰীনত লক্ষ্য কৰি দেখিলে মীনাক্ষীৰ ফোন। মীনাক্ষীৰ ফোনটো দেখি ৰিচিপ্ট কৰিব খুজিও সি থমকি ৰ'ল। দুবাৰমান ৰিং কৰি ফোনটো বন্ধ হ'ল। তাৰ হৃদয় কঁপি উঠিল এক অব্যক্ত বেদনাত। তাৰ দুচুকুৰ পৰা নিগৰি আহিল দুধাৰি নিৰ্মল অশ্ৰু। সি ভাবিবলৈ ধৰিলে— যদি তাৰ মোবাইল ফোনটো নাথাকিল হয়, এই ৰং নাম্বাৰটো নালাগিলে হয়। বেচেৰীয়ে হয়তো মনেৰে বা দিব্যেন্দৰে কোৱা কথাবিলাক মিছা বুলি ভাবিছে। সি যে এজন শাৰীৰিকভাৱে দুৰ্বল ল'ৰা।

মীনাক্ষীৰ ভৱিষ্যতৰ কথা চিন্তা কৰি সি মোবাইল ফোনৰ ছিম দুবাৰমান সলনি কৰিছিল। নাই নোৱাৰে। মীনাক্ষীৰ মিঠা মাতটো নুশুনিলে তাৰ মনটো সেমেকি উঠে। মীনাক্ষীৰ মিঠা

মাতষাৰে তাৰ হৃদয়ৰ কোঁহে কোঁহে বাহ লৈছিল। মীনাক্ষীয়েও দিব্যেন্দুৰ পুৰুষসুলভ মৰমৰ মাতত প্ৰেমৰ সোৱাদ বিচাৰি পাইছিল। মীনাক্ষীয়ে দিব্যেন্দুৰ কথা বিশ্বাস কৰিবলৈ টান পাইছিল। দিব্যেন্দু যে এজন শাৰীৰিকভাৱে দুৰ্বল ল'ৰা। দিব্যেন্দুৱে তাইৰ লগত ধেমালিতে কোৱা কথা বুলি ভাবিছিল। দিব্যেন্দু নিৰুপায়, নিজেই পৰনিৰ্ভৰশীল। পিতৃৰ পেন্সনৰ টকাৰে মাক আৰু পুত্ৰক নোজোৰে। তাতে আকৌ মীনাক্ষী ধনী ঘৰৰ ছোৱালী। সি ভাবিবলৈ ধৰিলে, নাই নহ'ব। সি মীনাক্ষীক দুখ দিব নোৱাৰে। তাৰ ভাবি ভাবি যেন উশাহ বন্ধ হৈ যাব...।

মনৰ শৈশৱ কাল অতি মধুৰ। সি ঘৰৰ একমাত্ৰ ল'ৰা। দিব্যেন্দুৰ দেহৰ বৰণ ক'লা, সোঁহাতখন সামান্য বেঁকা। তাতে আকৌ সোঁভৰিখন লেঙেৰা। সেইবাবে দিব্যেন্দুৰ বৰ দুখ। লগৰ সমনীয়াসকলেও তাক সংগ দিবলৈ টান পায়। কিন্তু মাক-দেউতাকৰ পৰা প্ৰেৰণা পাই দিব্যেন্দু সকলো দিশতে ভাল ধৰণে আগবাঢ়িছিল। শ্ৰেণীত সদায় প্ৰথম হয়। সৰুৰে পৰা দিব্যেন্দুৱে গল্প, কবিতা লিখিছিল আৰু ছবি আঁকি বৰ ভাল পাইছিল। প্ৰতিযোগিতামূলক অনুষ্ঠানত প্ৰথম পুৰস্কাৰ পাইছিল। দিব্যেন্দুৱে পুৰস্কাৰ গ্ৰহণ কৰা সময়ত, তাৰ কুৎসিত হাতখনলৈ ল'ৰা-ছোৱালীবিলাকে ৰ লাগি চায় থাকে। সিহঁতৰ মনত নানা ধৰণৰ চিন্তাই খেলিমেলি কৰে। সিহঁতৰ ভাব হয় সেই বেঁকা হাতখনেৰে কেনেকৈ ইমান ধুনীয়াকৈ নিখুঁতভাৱে ছবি আঁকিব পাৰে। এটা সময়ত দিব্যেন্দুৰ গল্প, কবিতা আৰু প্ৰবন্ধ বাতৰিকাকত আদিত প্ৰকাশ হ'ল। দিব্যেন্দুৰ লেখা পঢ়ি পাঠকসকল আপ্লুত হ'ল। পাঠকসকলৰ মাজত দিব্যেন্দু এটা চিনাকি নাম হৈ পৰিল। দিব্যেন্দুলৈ যে কিমান চিঠি, কত যে ফোন আহে। ঠিক তেনেকৈয়ে ৰং নাম্বাৰ লাগিছিল মীনাক্ষীৰ লগত।

তাৰ মানসপটত ভাহি উঠিছিল মীনাক্ষীৰ প্ৰতিচ্ছবি। মীনাক্ষী যেন তাৰ সন্মুখত বহি আছে। মীনাক্ষীৰ ৰূপ অতুলনীয়, লাহি কঁকাল। পকা সুমথিৰাটোৰ দৰে গাল। ডালিমগুটীয়া দাঁতকেইটা উলিয়াই যেন হাঁহি হাঁহি 'দিব্যেন্দুদা, তোমাক মই প্ৰাণতকৈও ভালপাওঁ' বুলি কৈছে আৰু সোঁহাতখনত ধৰিবলৈ বিচাৰিছে। দিব্যেন্দুৰ কুৎসিত হাতখন দেখি যেন মীনাক্ষীয়ে 'এ...' বুলি থমকি ৰ'ব।

দিব্যেন্দুৰ তৎক্ষণাত তন্ময় আঁতৰিল। সি নিজকে ক'বলৈ ধৰিলে— 'মোৰ এই কুৎসিত দেহটো দেখিলে মোক দিব্যেন্দুদা বুলি চিনি পাব জানো। আমি মাতৰহে চিনাকি, চকুৰ চিনাকি নহয়। মোৰ এই হাতখন দেখি তাই জানো সহজভাৱে ল'ব পাৰিব। নাই নোৱাৰে। এই হাতখনেৰে দিয়া পানীৰ গিলাচটোকে বহুতে নলয়। তাই জানো...?'

ফোনৰ জৰিয়তে দুয়ো বহু দূৰলৈ আগবাঢ়িল। দিব্যেন্দুৱে তাৰ সকলো কথা বিৱৰি কোৱাৰ পিছতো মীনাক্ষীয়ে মানি ল'বলৈ টান পাইছিল। দুয়ো ইজনে আনজনক ভাল পাইছিল। দুয়োজনে প্ৰতিশ্ৰুতিবদ্ধ হৈছিল জীৱনসংগী হ'বলৈ। দিব্যেন্দুৰ গল্প, কবিতা, পঢ়ি মীনাক্ষী বলিয়া হৈ পৰিছিল।

বিধিৰ লিখন নাযায় খণ্ডন। হঠাৎ উপস্থিত হ'ল সিহঁতৰ চিনাকি পৰ্বৰ সোণালী সুযোগ। দুয়োজনে ফোনযোগে নিৰ্দিষ্ট ঠাই এখনত লগ পোৱাৰ সিদ্ধান্ত ল'লে। সেই দিনটো আছিল ৬ ব'হাগ, ৰঙালী বিহু। পূৰ্বনিৰ্ধাৰিত সময় মতে গোৱালপাৰা জিলাৰ বনগাঁৱত মীনাক্ষী উপস্থিত হ'ল। কিন্তু চিনাকি নাই। দিব্যেন্দুৱে মোবাইল ফোনটো উলিয়াই মীনাক্ষীক ফোন কৰিলে। নিচেই ওচৰতে মীনাক্ষীৰ ফোনটো বাজি উঠিল। মনৰ অৰ্থাৎ দিব্যেন্দুৰ বুজিবলৈ বাকী নাথাকিল সেইজনী কোন? ভৰিখন লেকেচিয়াই লেকেচিয়াই দিব্যেন্দু মীনাক্ষীৰ ওচৰ চাপিল। সি বেঁকা হাতখন আগবঢ়াই মীনাক্ষীক ক'লে— 'আহা মীনাক্ষী, মই দিব্যেন্দু।'

দিব্যেন্দুক দেখি মীনাক্ষী শিলপৰা কপৌ যেন হ'ল। দিব্যেন্দুৰ এনে ৰূপ তাই সহজভাৱে ল'ব নোৱাৰিলে। তাইৰ দুচকুৰ পৰা সৰসৰকৈ নামি আহিল বাৰিষাৰ ধল। তাই থোকাথুকি মাতেৰে ক'লে— 'দিব্যেন্দুদা, তুমি ওচৰৰ পৰা যোৱা।'

চকুলো মচি মচি মীনাক্ষী মানুহৰ ভিৰৰ মাজত লুকাই পৰিল। দিব্যেন্দুৱে মীনাক্ষী যোৱাৰ পিনে চাই থাকিল। দিব্যেন্দুও মীনাক্ষীৰ দুখত দুখী হ'ল। ভাবিবলৈ ধৰিলে, যদি মীনাক্ষীৰ ঠাইত মই হ'লোঁহেঁতেন কিজানি মোৰো অৱস্থা তেনেকুৱাই হ'লহেঁতেন। আকাশ-পাতাল ভাবি মনৰ অৰ্থাৎ দিব্যেন্দুৰ হৃদয় ভাগি চূৰ্ণ-বিচূৰ্ণ হ'ল। সি নিজে নিজক ধিক্কাৰ দিবলৈ ধৰিলে। মই জন্ম হোৱাৰ পিছতে মা-দেউতাই...। কিছু সময় সি মৌন হৈ থাকিল। তাৰ মনলৈ আহিল জুবিন গাৰ্গৰ গীত এটি। ইতিমধ্যে বনগাঁৱৰ ৰাইজে অনুষ্ঠিত কৰা ৰঙালী বিহু সন্মিলনৰ মঞ্চৰ কাষত থকা ছাউণ্ড বক্সত তাৰ মনলৈ অহা জুবিন গাৰ্গৰ গীতটোৱেই বাজি উঠিল—

'মুগ্ধ হিয়া মোৰ কোনে চুই যায়
মুগ্ধ হিয়াত বৈ কোনে চুমি যায়
বুকুতে অগনি জ্বলাই
তেজ-মঙহৰ মৰম নেওচি
জ্বলি জ্বলি ৰ'ল মাথোঁ ছাই...।'

❖❖❖

# মৰহা অতীত



**মৰমী নাথ**
স্নাতক তৃতীয় ষান্মাসিক

কমল আজি ডাক্তৰ। অলপ দিনৰ ভিতৰতে তেওঁ জনপ্ৰিয় হৈ উঠিছে। অকল এই অঞ্চলতে নহয়, গোটেই চহৰখনতে। ল'ৰাৰ পৰা বুঢ়ালৈকে, দুখীয়া মানুহৰ পৰা ধনীলৈকে সকলোৰে মুখে মুখে কেৱল কমল ডাক্তৰৰ কথা। বিশেষকৈ দুখীয়া ৰাইজৰ বাবে কমল অতি প্ৰিয়। কাৰণ, তেওঁ দুখীয়া মানুহৰ পৰা চিকিৎসাৰ নামত এটা পইচাও নলয়। কমলে ঘৰতে ফাৰ্মাচী খুলিছিল আৰু ৰাতিপুৱাৰ পৰা গধূলিলৈকে কিমান ৰোগীক যে সুস্থ কৰিছিল, তাৰ হিচাপ নাই।

কিন্তু ব্যস্ততাৰ মাজতো যেন কমলৰ বুকুলৈ নামি আহে বুকুভৰা চিন্তাৰ ধুমুহা। যি ধুমুহাই তেওঁৰ আলসুৱা মনটোক উৰুৱাই লৈ যায় মৰহা অতীতলৈ।

কমল পঢ়া-শুনাত বৰ চোকা আছিল। শ্ৰেণীত সদায় তেওঁ প্ৰথম হৈছিল। কিন্তু ঘৰৰ অৱস্থা বৰ শোচনীয়। দেউতাক আছিল এজন সাধাৰণ কাঠমিস্ত্ৰী। সেইখিনি উপাৰ্জনেৰে পঢ়াৰ খৰচ যোগাব নোৱাৰিছিল। কমলৰ মাক আছিল কামিলা আৰু বৰ বুদ্ধিমতী। কাপোৰ বোৱাত আছিল বৰ পাকৈত। নিজে কাপোৰ বেছি কোনো ৰকমে পঢ়াৰ খৰচ উলিয়াইছিল। কিন্তু ভগৱানে সেইটোও সহ্য কৰিব নোৱাৰিলে। এই সুখৰ পৰিয়ালটোলৈ এদিন নামি আহিল এচপৰা ক'লা ডাৱৰ। কমলৰ মাকৰ জ্বৰ আৰম্ভ হ'ল। জ্বৰ ক্ৰমে বেছি হ'বলৈ ধৰিলে। কমলৰ দেউতাক হৰিকান্তই উপায় নোপোৱা হ'ল। চিকিৎসা কৰিবলৈ হাতত এটা ফুটা কড়িও নাই। কমলে ভাবিলে আজি সিহঁতক সহায় কৰিবলৈ কোনো নাই। কিন্তু তথাপি যে মাকক বচাব লাগিব। তেতিয়া কমল পাগলৰ দৰে দৌৰি গৈছিল বৰদেউতাক ৰমাকান্তৰ ওচৰলৈ। কিন্তু হায়! মানুহৰ কি কঠোৰ হৃদয়! প্ৰতিহিংসাৰ ৰূপ কি ভয়াৱহ! সামান্য সহায়ৰ পৰিৱৰ্তে বৰদেউতাকে কমলৰ অন্তৰত হানিছিল কিছুমান মচিব নোৱৰা বাক্যবাণ। সেইদিনাই কমলে উপলব্ধি কৰিব পাৰিলে মানুহৰ গোপনতম হৃদয়ৰ কথা। এখন জৰাজীৰ্ণ হৃদয় লৈ কমল উভতি আহিল ঘৰলৈ। সেইদিনা নিশা বাৰমান বজাত মৃত্যুশয্যাত ছটফটাই থকা মাকে কমলক ওচৰলৈ মাতি আনি কঁপা কঁপা মাতেৰে কৈছিল— 'বোপাই, মই আৰু বেছি সময় বাছি নাথাকিম, ভাবিছিলো তোক ডাঙৰ মানুহ কৰিব পাৰিম। কিন্তু বিধাতাই নিদিলে মোক সেইখিনি কৰিবলৈ। মই আশা ৰাখিছোঁ বোপা, তই আন হ'ব নালাগে ডাক্তৰ হ'বি। দুখীয়া মানুহক বিনাপইচাৰে চিকিৎসা কৰিবি।' আৰু সেই কথাকেইষাৰ কৈ মাকে ইহসংসাৰৰ পৰা চিৰবিদায় মাগিলে।

কমলৰ মাক গুচি গৈছিল কমলৰ অন্তৰাত্মাত এক বিৰাট আঘাত নিক্ষেপ কৰি। সেইদিনা কমলে কেৱল কান্দিছিল হিয়া ঢাকুৰি, কৰিবলৈ একো নাছিল। এইদৰে দুখ-বেদনাৰ মাজেৰে জীৱনৰ খেলা খেলি যাব ধৰিলে কমলে। প্ৰৱেশিকা পৰীক্ষাৰ ফলাফল ঘোষণা কৰিলে। ফলাফল জানিব পাৰিব পাৰি কমলৰ ম্লান পৰা মুখখনিত হাঁহিৰ ৰেখা বিৰিঙি উঠিল। ৰাজ্যৰ ভিতৰত প্ৰথম স্থান পালে কমলে। কিন্তু বিধাতাই জানো সহ্য কৰিব পাৰিলে? পৰীক্ষাৰ ফলাফল ঘোষণাৰ কেইদিনমানৰ পিছতে কমলক এৰি দেউতাকো গুচি গৈছিল ইহসংসাৰৰ পৰা। তথাপি তেওঁ হতাশ নহ'ল; অশেষ চেষ্টা কৰি দুটা বছৰ কলেজৰ বিজ্ঞান শাখাত পঢ়ি কমল প্ৰথম বিভাগত উত্তীৰ্ণ হয়। তাৰ পিছত সাহস গোটালে ডাক্তৰী পঢ়িবৰ কাৰণে। কমলৰ সম্পত্তি বুলিবলৈ দেউতাকে এৰি থৈ যোৱা মাটি এবিঘা। সেইখিনিকে বিক্ৰী কৰি কোনোমতে পঢ়াৰ খৰচ উলিয়ালে। এদিন সঁচাকৈয়ে কমলৰ সপোন বাস্তৱত পৰিণত হ'ল। কমলে এম বি বি এছ পৰীক্ষাত সুখ্যাতিৰে পাছ কৰিলে। দুবছৰৰ পিছত কমলে চাকৰি পাইছিল। কিন্তু চাকৰি কৰিবলৈ সমূলি মন নকৰিলে। তাতকৈ প্ৰাইভেট ফাৰ্মাচী খুলি বিনাপইচাই সেৱাৰ মনোভাবেৰে চিকিৎসা আৰম্ভ কৰিলে। কিন্তু কাক? ভদ্ৰতাৰ মুখা পিন্ধা সেই ধনীৰ দুলালহঁতক নহয়, আশ্ৰয়হীন দুখীয়া ক্ষুধাতুৰ মানুহক। যিয়ে এসাঁজ অন্নৰ বাবে আজীৱন সংগ্ৰাম কৰি আহিছে আৰু যিজনে ধনৰ অভাৱত ৰোগীক মৃত্যুৰ মুখলৈ ঠেলি দি নীৰৱে চকুলো টুকিছে, চিকিৎসা আৰম্ভ কৰিলে সেইজনক।

❖❖❖



# হঠাৎ অহা এজাক ধুমুহা


**পল্লৱী ৰায়**
স্নাতক পঞ্চম ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ


ৰীতা এইমাত্র বজাৰৰ পৰা আহিছে। তাইৰ মনটো আজি বৰ বেয়া লাগি আছে। এইমাত্র দেখি অহা ঘটনাটোৱে তাইক বেয়াকৈ আমনি কৰিছে। তাই বজাৰৰ পৰা আহি থকা অৱস্থাত তাইৰ চকুৰ সন্মুখতে তীব্ৰবেগী গাড়ী এখনে ৰাস্তা পাৰ হৈ থকা বৃদ্ধ এজনক মহতিয়াই লৈ গ'ল। চকুৰ পচাৰতে তেজেৰে বাঙলী হৈ পৰিল মানুহজন। ঘটনাটোৱে ৰীতাৰ মনত সোমাই থকা তীব্ৰ বেদনাখিনি আকৌ যেন জীপাল কৰি তুলিলে।

সিদিনা আছিল দেওবাৰ। ৰীতাই আজি পলমকৈ বিছনাৰ পৰা উঠিম বুলি ভাবিছে। কিন্তু ভায়েকে তাইক বাৰে বাৰে টোপনিৰ পৰা উঠিবলৈ মাতিছে। আজি ৰীতাৰ একমাত্র মৰমৰ ভায়েক অভিজিতৰ জন্মদিন। মাকৰ গাত পুৱাৰে পৰাই তৰণি নাই। ভায়েকৰ জন্মদিন উপলক্ষে বন্তি এগছি জ্বলাই মন্দিৰত সেৱা ল'বলৈ যাব আজি তেওঁলোক। টোপনিৰ পৰা উঠিবলৈ ইচ্ছা নাছিল যদিও ভায়েকৰ মাতত তাই বিছনা এৰিলে। ভায়েকে ৰীতাক সোনকালে মন্দিৰলৈ যাবলৈ ওলাবলৈ খাটনি ধৰিছে। গণেশ মন্দিৰৰ প্ৰসাদত দিয়া লাড়ুটো ভায়েকৰ বৰ প্ৰিয়। সেয়ে সি গণেশ মন্দিৰলৈ যাবলৈ বৰ ভাল পায়। ৰীতাই সোনকালে গা ধুই আহি মন্দিৰলৈ যাবলৈ ওলাল। মাকেও সোনকালে কাম-কাজ সামৰি মন্দিৰলৈ বুলি সাজু হ'ল। ৰীতাই তাইৰ পছন্দৰ ক'লা জীন্‌ছ আৰু নীলা চাৰ্টটো ভায়েকক পিন্ধাই দিলে। দেউতাক চাকৰিসূত্ৰে যোৰহাটত থাকে বাবে পুতেকৰ জন্মদিনত আহিব নোৱাৰিলে। মাক আৰু জীয়েক-পুতেক তিনিও মন্দিৰলৈ বুলি ওলাল। তেওঁলোকে তিনিও গৈ ঠিক মন্দিৰৰ সন্মুখত থকা চাৰিআলিটো পাৰ হ'বলৈ লওঁতেই ঘটিছিল ঘটনাটো।

ৰাস্তাৰ বিপৰীত ফালৰ পৰা আহি থকা ট্ৰাক এখনে হঠাৎ নিয়ন্ত্ৰণ হেৰুৱাই ৰীতাহঁতক খুন্দা মাৰিলে। তাইৰ চকুৰ সন্মুখতে যেন সকলো শেষ হৈ গ'ল। ট্ৰাকৰ খুন্দাত তাইৰ মাক আৰু ভায়েকে ৰাস্তাৰ পৰা কাষৰ নৰ্দমাটোত ছিটিকি পৰি প্ৰাণ এৰিলে। ভাগ্যক্ৰমে ৰীতা ৰক্ষা পৰিল যদিও তাইৰ সুন্দৰ পৃথিৱীখনক যেন হঠাৎ ক'লা ডাৱৰে ছানি ধৰিলে। চকুৰ সন্মুখতে তাই মাক আৰু মৰমৰ ভায়েকক হেৰুৱাই পাগলী হৈ পৰিল।

এনেদৰে কথাবোৰ ভাবি থাকোঁতে কেতিয়া আবেলি হ'ল তাই গমকে নাপালে। দেউতাকৰ মাততহে তাই বাস্তৱলৈ ঘূৰি আহিল।

❖❖❖



# মই পুনৰ ঘূৰি আহিম...

**ৰাকেশ চক্ৰৱৰ্তী**
স্নাতক পঞ্চম ষাণ্মাসিক
ইংৰাজী বিভাগ

'ইমান চিন্তা কৰিবলগীয়া কি হৈছে, মই ঘূৰি আহিম তো আন্ধাৰ হোৱাৰ আগেয়ে।' —যাওঁতে চিঞৰি কৈ গৈছিল ভৈৰৱে মাকক। সেই পাহাৰখনলৈ গ'লে এনেও ভয় লাগে, তাতে আজি লগত ৰক্তিমো নাই; কথাষাৰ ভাবি মিনতিৰ বেছিকৈ ভয় লাগিল।

পাহাৰখনলৈ, পাহাৰীয়া মানুহবোৰলৈ সৰুৰে পৰাই ভয় লাগে মিনতিৰ। সৰুকালতেই দেউতাকৰ মুখত তাই শুনিছিল— সৰু সৰু কাজিয়া লাগিলেই তাত মানুহক জন্তুৰ দৰে নৃশংসভাৱে হত্যা কৰা হয়। বিশেষকৈ তাৰ মানুহবোৰে বাহিৰা মানুহক বেয়া পায়, ঘিণ কৰে, সুযোগ পালেই মাৰিবলৈ আহে। ঘৰৰ পাছফালে থকা পাহাৰখনলৈ যোৱাৰ সাহস কোনোদিনেই নহ'ল মিনতিৰ। গাঁৱৰ কোনো যোৱা নাছিল তালৈ। দেউতাকৰ কথা মতে তাই ৰমেনলৈ বিয়া হৈছিল যদিও তাইৰ ৰমেনক সৰুৰে পৰা ভাল লাগিছিল। বিয়াৰ পিছত তাই এখন সুখৰ সংসাৰৰ সপোন দেখিছিল আৰু সেই সপোনক জীপাল কৰি ৰাখিছিল ৰমেন আৰু শহুৰেক-শাহুৱেকৰ তাইৰ প্ৰতি থকা মৰমে। বিয়াৰ পাঁচ বছৰমানৰ পিছত দেউতাক, তাৰ পিছত মাক আৰু তাৰ পিছত শহুৰেক-শাহুৱেক সকলোৱে তাইৰ লগ এৰা দিলে।

তথাপি ৰমেন থকালৈ তাইৰ একো দুখ হোৱা নাছিল। সি ধৰি ৰাখিছিল তাইক। কিন্তু নিয়তিৰ কি নিষ্ঠুৰতা, ৰাতিপুৱাতে নতুনকৈ কিনা পাহাৰৰ ওচৰৰ মাটিটুকুৰা চহাবলৈ বুলি ওলাই গৈ ইমান দিনে সিও উভতি নাহিল। আজি তেৰ বছৰ হ'ল, সি কিন্তু ঘূৰি নাহিল।

বহুদিনলৈকে পদূলিমুখত বহি তাই ৰমেনৰ অপেক্ষাত ৰ'ল, কোনে কি কয় তাই একো শুনা নাছিল। দিন পাৰ হৈ গ'ল, ৰমেন আৰু উভতি নাহিল। মিনতিয়ে তাইৰ শেষ সম্বল ভৈৰৱক বুকুত বান্ধি লৈ দিন পাৰ কৰিবলৈ ধৰিলে। নিজৰ আৰু পুত্ৰৰ পেটৰ তাড়নাত তাই লোকৰ ঘৰে ঘৰে কাম-বন কৰা আৰম্ভ কৰিব লগা হ'ল।

ৰমেন উভতি নহা আজি তেৰ বছৰ পাৰ হৈ গ'ল। ভৈৰৱ এতিয়া ষোল্ল বছৰীয়া। এতিয়া সি মাকক লোকৰ ঘৰে ঘৰে কাম কৰিবলৈ নিদিয়ে। দেউতাকৰ, ককাকৰ ইমান দিনে পৰি থকা মাটিবোৰত সি খেতি আৰম্ভ কৰিছে। মিনতিয়ে গাঁৱৰ মানুহবিলাকে কোৱা শুনিছে, 'ৰমেনৰ পুতেক তাতকৈ বেছি কামিলা।'

গাঁও-পথাৰ এইবোৰৰ মাজতে ডাঙৰ হোৱা ভৈৰৱ কেতিয়ানো পাহাৰৰ প্ৰেমত পৰিল, মাকে গমেই নাপালে। কামৰ পৰা আজৰি পালেই বন্ধু ৰক্তিমৰ সৈতে প্ৰায়েই পাহাৰলৈ ফুৰিবলৈ যোৱা হ'ল। যেন তাক পাহাৰখনে হাতবাউল দি মাতি থাকে। মাকৰ মৰমৰ ল'ৰাই এইবাৰ মাকৰ কথা নুশুনিলে। বাৰে বাৰে বাধা দিয়াৰ পিছতো সি পাহাৰখনলৈ যাবলৈ নেৰিলে। আজি দুপৰীয়া যাবলৈ লওঁতেও মাকে তাক বাধা দিছিল, কিন্তু সি নামানিলে।

ৰাতি হ'ল। সি এতিয়াও অহা নাই। গৰম ভাত আৰু পাতত দিয়া মাছকেইটা বাঢ়ি মিনতি বৈ আছে নঙলামুখত পুতেকলৈ। ঠিক একেদৰে তেৰ বছৰৰ আগেয়ে বৈ আছিল ৰমেনলৈ।

দেউতাকে সৰুতে কোৱা কথাষাৰ তাইৰ মনত পৰিবলৈ ধৰিছে— 'বাহিৰৰ মানুহ পাহাৰীয়াবোৰে বেয়া পায়।'

❖❖❖



# সেই ল'ৰাজন


বুবুল চৌধাৰী
স্নাতক চতুৰ্থ যান্মাসিক
গণিত বিভাগ


হেৰৌ! হেৰৌ!

নাই বিপ্লৱে একো নুশুনাকৈ গুচি গ'ল। বৰাই ভাবিলে সি তাৰ মাত শুনাই নাপালে। আচলতে বৰাৰ বিপ্লৱৰ মানৱতাবোধ খুব ভাল লাগে।

নাই বিপ্লৱক লগ ধৰিবই লাগিব। সেই যে এদিন লগ পালোঁ অন্ধজনক ৰাস্তা পাৰ কৰাই দিয়াৰ দিনা, তাৰ পিছত তাকচোন লগ ধৰিবই নোৱাৰোঁ। তাৰ নামটো!

অ' মনত পৰিছে। তাৰ বন্ধু এজনৰ পৰাই জানিছিলো। তাৰ লগত এদিন ভালকৈ কথা পাতিবই লাগিব।

এনেকৈয়ে এদিন-দুদিনকৈ এসপ্তাহ গুচি গ'ল। বৰাও নিজৰ কামত ব্যস্ত। তথাপি বিপ্লৱৰ কথা তেওঁ পাহৰিব পৰা নাছিল। ঠিক আজি অফিচৰ পৰা ওলাই আহোঁতেই বিপ্লৱক দেখিলে। সি এজন দুখীয়া মানুহৰ পৰা বিশটা কলম কিনিলে। তাক লগ পাবৰ হেঁপাহেৰে ওচৰলৈ গৈ তাক সুধিলে— 'তুমি ইমানকেইটা কলম কিয় কিনিলা? কি কৰিবা এইবোৰেৰে?'

তেতিয়া বিপ্লৱে বৰাক এনেকৈ ক'লে— 'সেই দুখীয়া মানুহজনে আজি ৰাতিপুৱাৰ পৰা একো খাব পৰা নাই। কাৰণ তেওঁৰ হাতত টকা নাই। কিন্তু প্ৰকৃত কথাটো হ'ল তেওঁ কাৰো ওচৰত ভিক্ষা কৰিবলৈ যোৱা নাই; কলম হাতত লৈ পূৰাব বিচাৰিছে পেটৰ ক্ষুধা আৰু তেখেতক দেখিলে এনেকুৱা নালাগে যেন তেখেতৰ কিবা কাম কৰিব পৰা সামৰ্থ্য আছে। আৰু এটা কথা, কাৰোবাক সহায় কৰিবলৈ হ'লে তাক তেওঁৰ কৰ্মৰ সৈতে ৰিজাই সহায় কৰিব লাগে।'

এইখিনি কৈয়ে সি গুচি গ'ল। কিন্তু তাৰ কথাখিনিয়ে বৰাক এক বুজাব নোৱৰা শান্তি দিলে।

❖❖❖



# গাঁওখন

**হীৰামণি ৰয়**
স্নাতক দ্বিতীয় ষান্মাসিক
ভূগোল বিভাগ

